# কটনিয়ান



## কটন মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ

১৯৮৬-৮৭ ইং চন

# কটন কলেজ ছাত্ৰসন্থাৰ ১৯৮৬-৮৭ ইং চনৰ বিভিন্ন বিভাগৰ সম্পাদকসকল

| | |
|---|---|
| সাধাৰণ সম্পাদক | দিলীপ কুমাৰ হাজৰিকা |
| সহকাৰী সাধাৰণ সম্পাদক | ৰিণ্টু গোস্বামী |
| ছাত্ৰ উপ-সভাপতি | তিলক কলিতা |
| সম্পাদক 'কটনিয়ান' | দিলীপ চন্দন |
| সাংস্কৃতিক সম্পাদক | শ্যামল সন্দিকৈ |
| তৰ্ক আৰু আলোচনা সম্পাদক | প্ৰশান্ত বৰকাকতী |
| ছাত্ৰ জিৰণী কোঠা সম্পাদক | ৰাইহানউদ্দিন আহমেদ |
| ছাত্ৰী জিৰণী কোঠা সম্পাদক | শ্বামিমা বেগম |
| সংগীত সম্পাদক | অৰূপ মিশ্ৰ |
| গুৰু খেল বিভাগ সম্পাদক | চাহাবুদ্দিন আহমেদ |
| লঘু খেল বিভাগ | মিৰ্জা গিয়াছ |
| ক্ৰিকেট সম্পাদক | মৃগম দলে |
| হকী সম্পাদক | অৰূপ কাকতী |
| ফুটবল সম্পাদক | জিতু হাজৰিকা |
| শৰীৰচৰ্চা সম্পাদক | দিলীপ বড়ো |
| সমাজসেৱা সম্পাদক | নৃপেন দাস |
| টেনিচ সম্পাদক | ভবেশ শৰ্মা |

## এই সংখ্যা কটনিয়ানৰ


### সম্পাদনা সমিতি

| | |
|---|---|
| ডঃ হেমন্ত কুমাৰ শৰ্মা | সভাপতি |
| অধ্যাপক ৰাজেন্দ্ৰ মহন্ত | ভাৰপ্ৰাপ্ত অধ্যাপক |
| ডঃ কুলেন্দু পাঠক | সদস্য |
| অধ্যাপক ৰবীন গোস্বামী | ,, |
| অধ্যাপক পৱন কুমাৰ বৰুৱা | ,, |
| অধ্যাপক শ্যামাপ্ৰসাদ শৰ্মা | ,, |
| দিলীপ চন্দন | সম্পাদক |

দিলীপ কুমাৰ হাজৰিকা ; সাধাৰণ সম্পাদক (সদস্য)

### প্ৰচ্ছদ

জয়ন্ত কুমাৰ দাস

### অংগসজ্জা

কমল গোস্বামী
মৃত্যুঞ্জয় লুখুৰাখন
নীলমণি তালুকদাৰ
ৰবীন্দ্ৰ চৌধুৰী

### ছপা

সীমান্তিকা প্ৰিণ্টাৰ্চ
এম, চি, ৰোড, গুৱাহাটী—৩

# এই সংখ্যাত আছে

## প্ৰবন্ধ


| | | পৃষ্ঠা |
|---|---|---|
| ভাৰতৰ স্বাধীনতা আন্দোলনত অসমৰ সশস্ত্ৰ বিপ্লৱ | ননীগোপাল মহন্ত | ৯ |
| নিবনুৱা সমস্যা : অৰ্থনৈতিক পৰিকল্পনাৰ বিজুতী ক'ত | ভাস্কৰজ্যোতি গগৈ | ১৫ |
| অধ্যাপক ৰায়হান শ্বাহৰ স্মৃতিত | ৰয়েল আহমেদ | ১৯ |
| যুদ্ধোত্তৰ অসমীয়া উপন্যাসত পাশ্চাত্যৰ প্ৰভাৱ | সুৰেশ কুমাৰ নাথ | ২২ |
| ভূমিকম্প আতংক আৰু অসম | অভিজিৎ বৰঠাকুৰ | ২৫ |
| কটন কলেজ, মানিক চন্দ্ৰ বৰুৱা আৰু আজিৰ কটনিয়ান | কেশৱ গগৈ | ২৮ |
| কম্পিউটাৰ যুগ আৰু উচ্চশিক্ষাৰ পৰিকল্পনা | অধ্যাপক কুলেন্দু পাঠক | ৩২ |


## কবিতা


বিপুলজ্যোতি শইকীয়া, প্ৰদীপজ্যোতি শৰ্মা, লক্ষজ্যোতি গগৈ, দ্বীপেন শৰ্মা, ইন্দুভূষণ কাকতি, সঞ্জীৱ কুমাৰ দাস, ধীমান তালুকদাৰ, দীপালী দেৱী, বৈকুণ্ঠ ৰাজবংশী, স্বমিনা নাচৰিন মিলন, কমল গোস্বামী, ৰমনী বৈশ্য, অৰূপজ্যোতি ডেকা, নবীনা দাস, কামালুদ্দিন আহমেদ, ৰয়েল আহমেদ [ ৩৫ পৃষ্ঠাৰ পৰা ৪২ পৃষ্ঠালৈ ]


## গল্প


| | | |
|---|---|---|
| অংক | মাইমুন আলি | ৪৩ |
| বেদনাৰ পাহি | ৰথীন্দ্ৰ নাথ গোস্বামী | ৪৬ |
| বিৱৰ্তন | মীনাক্ষি বৰা | ৪৮ |
| সোণবৰণীয়া ফুলবোৰ আৰু তাই | চন্দনা মিশ্ৰ ভাগৱতী | ৫০ |
| সম্ৰাট | জগন্নাথ মিশ্ৰ | ৫৪ |
| আলহী | দ্বীপেন শৰ্মা | ৫৭ |


## উপন্যাস


| | | |
|---|---|---|
| অন্য এক নামেৰে | প্ৰশান্ত কুমাৰ মহন্ত | ৬০ |


## মুকলি চৰা


মুকলি চৰা ৭৫


## English Section

# সম্পাদকৰ দুআষাৰ

**সম্পাদনাৰ বিষয়ে পোনতে :**

প্ৰিয় কটনিয়ান। আপোনালোকৰ 'কটনিয়ান' সময়মতে আৰু আপোনালোকে আশা কৰাৰ দৰে উলিয়াই দিব নোৱাৰাত দুঃখিত। আলোচনী এখন অকল এজন সম্পাদকে কৰো বুলি 'ভাল' কৰিব নোৱাৰে। তাৰ বাবে লাগে প্ৰয়োজনীয় টকা-পইচা আৰু উচিত মানদণ্ডৰ লিখনী। সম্পাদকেনো কৰে কি? সৰহভাগ সময় কৰ্তৃপক্ষৰ বিভিন্ন নিয়ম কানুনবোৰ মানিবলৈ লৰা-ধপৰা কৰোঁতেই অতিবাহিত হয়। তাৰ পিচত যেতিয়া টকা-পইছাৰ অভাৱৰ মাধমাৰটো পৰে তেতিয়া প্ৰায় ক্ষেত্ৰতে সম্পাদকজন বিৰক্ত আৰু হতাশ হবলৈ বাধ্য হয়। এনেবিলাক ঘটনা মোৰ ক্ষেত্ৰত হোৱা নাই বুলি মই কোনোমতেই কব নোৱাৰো।

আৰু এটি কথা। ভাল লিখনী বিচাৰি সম্পাদকজনে বিভিন্ন জাননী দিয়ে। ব্যক্তিগতভাৱে লগ ধৰিও কয়। তাৰ পিছতো যদি উচিত মানদণ্ডৰ লিখনী সম্পাদকৰ হাতত নপৰে তেওঁ বাৰু কি কৰিব পাৰে। হাতত থকা-খিনিকে সম্পাদনা কৰি অন্ততঃ পঢ়িব পৰাৰ উপযোগীকৈ উলিয়াই ছপাই দিয়াৰ বাহিৰেতো আৰু অন্য উপাই নাই। মোটামুটিভাৱে এই সংখ্যা কটনিয়ানৰ ক্ষেত্ৰতো এই একেখিনি ঘটনাই ঘটিল। □

**অন্য কথা :**

গোটেই ৰাজ্যখনতে সম্প্ৰতি এক অস্থিৰ অৱস্থাই বিৰাজ কৰিছে। ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক আৰু শিক্ষাজীৱনত প্ৰচণ্ড গৰাখহনীয়াই দেখা দিছে। বিশেষকৈ ৰাজ্যখনৰ শাসন ব্যৱস্থা এটা আঞ্চলিক দলৰ হাতলৈ গৈ এখন জাতীয় চৰকাৰ গঠন হোৱাৰ পিছতো সমস্যাবোৰ কমক চাৰি বাঢ়িহে গৈছে। যিখন অসম চুক্তি কৰি আমাৰ নেতাসকলে শাসনলৈ গ'ল—তেওঁলোকে পিচে সেই চুক্তিৰ এটা সামান্য অংশও (যদিও চুক্তিখন

ভেকোভাওঁনাহে আছিল!) পালন কৰিব পৰা নাই। আনকি ৰাজনৈতিক ক্ষেত্ৰত আমাৰ জাতীয় চৰকাৰখনে এটা সুকীয়া ভাবমূৰ্তি তৈয়াৰ কৰি লব পৰা নাই, ইমান দিনে। এইবোৰ আমাৰ কপালৰ দোষ বুলিয়েই সৰ্ব-সাধাৰণ ৰাইজে মনৰ দুখ মনতে মাৰ নিয়াইছে। জনসাধাৰণ বিক্ষুব্ধ আৰু হতাশাগ্ৰস্ত। এইবোৰ দেখিও পিচে আমাৰ তথাকথিত নেতাসকল আৰু চৰকাৰ বাহাদুৰৰ বিষয়াসকল অকণো সলনি হোৱা নাই। সমস্যাবোৰ সমাধানৰ দিশত আগভাগ লোৱাতকৈ তেওঁলোকৰ সৰহভাগেই ব্যক্তিগত স্বাৰ্থপূৰণৰ বাট সুগম কৰাতহে ব্যস্ত। আনকি বিগত আন্দোলনৰ কালছোৱাত ৰাজ্যখনৰ মঙ্গলৰ বাবে নিজৰ জীৱন উচৰ্গা কৰি থৈ যোৱা শ-শ শ্বহীদসকলকো এইসকল নেতা-বিষয়া-আমোলাই পাহৰি গৈছে।

পিছে এটা কথা তেওঁলোকে জানি থোৱা ভাল যে সময় সদায় একে দিশলৈ ধাৱমান নহয়। সময় সলনি হয়। দুৰ্যোগপূৰ্ণ দিনবোৰৰ অৱসান ঘটাবলৈ হেজাৰ প্ৰত্যাশাৰে এদিন যি ৰাইজে আবেগত উৱাউল হৈ এখন জাতীয় চৰকাৰ শাসনত অধিষ্ঠিত কৰিছিল; এদিন সেই জনসাধাৰণেই তেওঁলোকৰ প্ৰতি কণমানো অনুকম্পা নৰখাকৈ শাসনৰ গাদীৰ পৰা ওফৰাই দিবলৈ কুণ্ঠাবোধ নকৰিব। সেয়েহে আকৌ সোঁৱৰাই দিব খুজিছো—সময় থাকোতেই নিজৰ মাজৰ মলিবোৰ গুচাই চৰকাৰখনে ৰাইজৰ স্বাৰ্থৰ কথা ভাবিবলৈ আৰম্ভ কৰক। দেশখনৰ জৰাজীৰ্ণ অৱস্থালৈ মন দিয়ক। হতাশাগ্ৰস্ত যুৱকসকলক প্ৰয়োজনীয় সা-সুবিধা দিয়ক। ভাগি পৰা অৰ্থনীতিক পুনৰ সজীৱ কৰি তোলক। শিক্ষাক্ষেত্ৰৰ হেজাৰ খেলি-মেলি আতৰাওক। সাংস্কৃতিক জীৱন সুসংহত কৰি গঢ়ি তোলক।

হেৰাই যোৱা জীৱনবোধক পুনৰ উজ্জীৱিত কৰি তোলক। দুৰ্নীতি নিৰ্মূল কৰক। মৰি-পৰি হলেও প্ৰশাসন নিকা কৰি তোলক। যুৱনেতাৰ প্ৰকৃত আদৰ্শৰ মূল্যাংকন কৰক। জনসাধাৰণৰ হেৰাই যোৱা বিশ্বাস পুনৰ ঘূৰাই আনক। নহলে নিজে সজা প্ৰাসাদৰ অতল গহ্বৰত এদিন তেওঁলোক নিজেই বন্দী হব লাগিব।

—সম্পাদক

# প্রবন্ধ

☐ সম্পাদকৰ টোকা

[ ভাৰতৰ স্বাধীনতা আন্দোলনৰ বিভিন্ন দিশ লৈ ইতিমধ্যে যথেষ্ট আলোচনা আদি হৈছে। কিন্তু ভাৰত স্বাধীন কৰাৰ একেটা উদ্দেশ্য আগত ৰাখিয়েই পৰাধীন অসমতো যে এচাম স্বাধীনতা প্ৰেমত উদ্বুদ্ধ নাগৰিকে অহৰহ সংগ্ৰাম কৰিছিল সেই দিশটো আজিও অৱহেলিত। অন্ততঃ আলোকপাত কৰিব পৰা বিস্তৃত আলোচনা হোৱা নাই বুলিয়েই আমাৰ বিশ্বাস। '৪২ ৰ সমসাময়িক আৰু তাৰ কিছুবছৰ পিছলৈকে অসমতো এটা সন্ত্ৰাসবাদী বিপ্লৱী ধাৰাই এক বিশেষ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহন কৰিছিল। এই বিপ্লৱী ধাৰাত বিশ্বাসী বহুজনৰ নাম সমাজৰ অজ্ঞাতে ৰৈ গ'ল। কোনেও তেওঁলোকৰ নাম অথবা কাৰ্যকলাপৰ সঠিক ইতিহাস জানিব নোৱাৰিলে। সেইসকল শ্বহীদৰ পবিত্ৰ আদৰ্শৰ প্ৰতি সমবেদনা জ্ঞাপন কৰি 'কটনিয়ান'ৰ এই সংখ্যাত আমি নিজে আগভাগ লৈ শ্ৰীমান ননীগোপাল মহন্তক এই নিবন্ধ লিখিবলৈ দিছিলো। নিবন্ধটোৱে অসমৰ এইছোৱা সময়ৰ সঠিক ইতিহাস দাঙি ধৰিব নোৱাৰিলেও ভালেকেইটা দিশ চুই যাবলৈ সক্ষম হৈছে বুলি আমাৰ বিশ্বাস — সম্পাদক ]



# ভাৰতৰ স্বাধীনতা আন্দোলনত অসমৰ সশস্ত্ৰ বিপ্লৱ

☐ ননীগোপাল মহন্ত
স্নাতক, দ্বিতীয় বাৰ্ষিক

ভাৰতৰ স্বাধীনতা আন্দোলনৰ পটভূমিত অসমৰ মুক্ত বিপ্লৱে '৪২ ৰ পিছৰ পৰাহে পূৰ্ণতা লাভ কৰিছিল বুলি কব পাৰি। গতিকে অসমৰ সশস্ত্ৰ বা মুক্ত বিপ্লৱে '৪২ ৰ গণবিপ্লৱৰ পৰাই আৰম্ভণি আৰু পূৰ্ণতা লাভ কৰিছিল।

সেই সময়ত যুদ্ধৰ বিভীষিকাই উজনি অসমত ভয়াবহ ৰূপ ধাৰণ কৰিছিল। দ্বিতীয় মহাযুদ্ধৰ সময়ত মিত্ৰশক্তিয়ে জাপানৰ হাতত বাৰম্বাৰ পৰাভূত হোৱাৰ পিছত সাম্ৰাজ্যবাদী বৃটিছৰ সামৰিক ঘাটি থৰক-বৰক হোৱাৰ উপক্ৰম হ'ল। ছিংগাপুৰ, ইণ্ডোনেচিয়া, মালয় আৰু বাৰ্মালৈ এই মিত্ৰশক্তি পিছ হুহকি অহাৰ পিছত ডিমাপুৰৰ মাজেদি অসমত যুদ্ধৰ ঘাটি পতা হৈছিল। এই যুদ্ধৰ ঘাটি অসমত স্থাপন কৰাৰ পিছত কলা বজাৰ, দুৰ্নীতি, দুৰ্ভিক্ষ, বুৰ্জোৱা শ্ৰেণীৰ প্ৰবল অভ্যুত্থান, নাৰীৰ ওপৰত অত্যাচাৰ বৃদ্ধি পাব ধৰিলে।

ঠিক সেই একেসময়তে কংগ্ৰেছে ১৯৪২ চনৰ ৮ আগষ্টৰ দিনা সেই 'ভাৰত ত্যাগ' আন্দোলন আৰম্ভ কৰে। মহাত্মা গান্ধীকে আদি কৰি নেতাসকলক বন্দী কৰাৰ লগতে অসমতো কংগ্ৰেছ নেতা বিষ্ণুৰাম মেধি, ফকৰুদ্দিন আলি আহমেদ, ডা· হৰেকৃষ্ণ দাস, দেবেশ্বৰ শৰ্ম্মা, মহম্মদ চৈয়দুল্লা, লীলাধৰ বৰুৱা, গোপীনাথ বৰদলৈ, মহেন্দ্ৰ মোহন চৌধুৰী আদিক বন্দী কৰা হয়। মুঠতে বিয়াল্লিছৰ বন্দীৰ সংখ্যা ১০-১২ হেজাৰ অতিক্ৰম কৰি গৈছিল আৰু সৰহ সংখ্যক নেতাক চিলেট আৰু যোৰহাট জেলত বন্দী কৰি ৰখা হৈছিল।

অহিংসা নীতিৰে উদ্ভাসিত গান্ধীজিৰ আমোঘমন্ত্ৰ নতুন চামৰ বাবে (জয়প্ৰকাশ, সুভাষ বসু আৰু আনকি জৱহৰলাল) এটা দুৰ্বোধ আৰু বগাহাতী স্বৰূপ নীতি হৈ পৰিল। তেওঁলোকৰ (জে, পি,) নতুন উদ্দীপনাত অসমৰ ডেকাশক্তিয়ে বৃটিছৰ মাজত হিংসাৰ ভাবেৰে ত্ৰাসৰ সৃষ্টি কৰিবলৈ উঠি পৰি লাগিল। এই নতুন চামৰ ভিতৰত শংকৰ বৰুৱা, জ্যোতিপ্ৰসাদ আগৰৱলা, লক্ষ্মী গোস্বামী, বিষ্ণু ৰাভা, বৈকুণ্ঠ সিং, ব্ৰজ শৰ্মা, আদি উল্লেখযোগ্য আছিল। অসমত এই কাৰ্যকলাপ-সমূহৰ মূলতে আছিল শংকৰ বৰুৱা। তেওঁৰ এই উগ্ৰ-পন্থীমূলক কাৰ্যকলাপসমূহত বংশীধৰ দত্ত, ভদ্ৰকান্ত ফুকন, আপিৰাম গগৈ, হেম বৰুৱা, লক্ষ্যধৰ চৌধুৰী, কৰুণা গগৈ, পৰমা ভূঞা, নিবাৰণ বৰা, খগেন গগৈ আদিয়ে সম্পূৰ্ণ সহায় সহযোগ আগবঢ়াইছিল। বিমলা প্ৰসাদ চলিহা, বিমলা কান্ত বৰা, অন্নপ্ৰভা বৰুৱা, বিজয়চন্দ্ৰ ভাগৱতী, হলধৰ ভূঞা, যোগেশ নাথ, ৰামেশ্বৰ হাজৰিকা, মহেন্দ্ৰ হাজৰিকা আদি বিপ্লৱীসকলে এই উগ্ৰপন্থী দলৰ কাৰ্যকলাপ, লক্ষ্য, আৰু উদ্দেশ্য জন-সাধাৰণৰ মাজত বিলাই দি এক জন-বিপ্লৱ (Mass revolution) কৰি তুলিলে।

অসমৰ এই উগ্ৰপন্থী কাৰ্যকলাপসমূহৰ ক্ষেত্ৰত জয়প্ৰকাশ আৰু সুভাষ বসুৰ অৱদান আছিল অসীম। অজ্ঞাতবাসৰ কালছোৱাত জয়প্ৰকাশে তেওঁৰ ক্ষুৰধাৰ লিখনিৰে প্ৰকাশ কৰিলে " If we are prepared to fight Zapan and Jermany with arms, why must we refuse to fight Britain in the same manner? Congress is prepared to fight aggression violently, if the Country become independent. Well, we have declared ourselves independent and also named British as an aggressive power, we are therefore justified within the terms of Bombay resolution to fight Britain with arms."

যুক্তি সহকাৰে নতুনৰ প্ৰয়াসী এই চামটোক এটা পথ দেখুৱাৰ লগে লগে এওঁলোকৰ সন্ত্ৰাসমূলক কাৰ্য-কলাপসমূহ বৃদ্ধি পাব ধৰিলে। মিলিটাৰীৰ পাশৱিক অত্যাচাৰৰ পৰা নাৰীৰ সতীত্ব অক্ষুণ্ণ ৰাখিবলৈ যুৱতীৰ হাতত তুলি দিয়া হ'ল তীক্ষ্ণ তৰোৱাল, ডেকাহঁতে দেশ ৰক্ষাৰ উদগ্ৰ আহ্বানত কাফ'াই ধেনু. বিষাক্ত গেছ বনাবলৈ আৰম্ভ কৰিলে। ছাত্ৰ-ছাত্ৰীহঁতে স্কুল কলেজ এৰি এই সশস্ত্ৰ বিপ্লৱত যোগ দিলে। টেলিগ্ৰাফ, টেলি-ফোনৰ লাইন ভাঙি দিয়া হ'ল। মিলিটাৰী কেম্পত বৃটিছৰ খাদ্যভঁৰালত জুই জ্বলাই ত্ৰাস আৰু বিভীষিকাৰ সৃষ্টি কৰা হ'ল। মুক্ত সশস্ত্ৰ বিপ্লৱে বৃটিছৰ ঘাটি কম্পিত কৰি তুলিলে।

অসমৰ এই চৰমপন্থী কাৰ্যকলাপসমূহ অতি দক্ষতাৰে পৰিচালনা কৰা হৈছিল। গোপনীয় খা-খবৰ বিলাক সুতা কাটিবলৈ ঘৰৰ পৰা নিওৱা পাঁজিবিলাকৰ মাজত অতি গোপনে পঠোৱা চিঠি-পত্ৰৰ যোগেৰে জেলত থকা নেতাসকলে পাই আছিল। বৰ্তমান পাণবজাৰত থকা "ভোগজৰা" নামৰ দোকানখন সেইসময়ৰ সশস্ত্ৰ বিপ্লৱৰ মূল ঘাটি আছিল। সেই সময়ত দোকানখনৰ নাম আছিল—'অমলালয়া'। লক্ষ্য চৌধুৰীক দোকানী হিচাপে ৰাখি, ৰাতি ইয়াতেই দলৰ ভবিষ্যত কৰ্মপন্থা নিৰ্দ্ধাৰণ কৰা হৈছিল।

'৪২ ৰ গণবিপ্লৱত গান্ধীবাদী সকলো নেতাকেই বন্দী কৰি ৰখাৰ পিচত আন্দোলন চলাই নিয়াৰ ভাৰ পৰিল সমাজবাদ বুনিয়াদ প্ৰতিস্থা কৰা ব্যক্তিসকলৰ ওপৰত। তেওঁলোকৰ মূল ভেটি আছিল সন্ত্ৰাসবাদ। (প্ৰয়োজন হলে সন্ত্ৰাসৰ সৃষ্টি কৰিও দেশৰ সন্মান ৰক্ষা —এই অৰ্থত) শংকৰ বৰুৱা, জ্যোতিপ্ৰসাদ আগৰৱলা, সুবোধ হাজৰিকা, দেবানন্দ ভড়ালী আদি চচিয়েলিষ্ট নেতাসকল ১৯৪৩ চনৰ প্ৰথমাৰ্দ্ধত বিপ্লৱী নেতাসকলক লগ কৰিবলৈ কলিকতালৈ গ'ল। তাত তেওঁলোকে অৰুণা আস্রুফ আলি (আগষ্ট আন্দোলনৰ মূল ব্যক্তি) পান্নালাল দাশগুপ্তা (ভাৰতীয় বিপ্লবী কমিউনিষ্ট দলৰ এজন সক্ৰিয় সদস্য), জয়প্ৰকাশ আদিক লগ ধৰিলে আৰু অসমৰ পৰিস্থিতি বুজাই দিয়াত তেওঁলোকেও অস্ত্ৰ উৎপাদনৰ বিষয় লৈ অসম ভ্ৰমণ কৰে। স্বাভাৱিকতেই অস্ত্ৰ উৎপাদনৰ বাবে প্ৰয়োজন হৈছিল প্ৰচুৰ টকা। গতিকে ৰাজনৈতিক ডকাইতিৰ পৰা পোৱা টকাবোৰ কেৱল অস্ত্ৰ উৎপাদনৰ কামতেই নিয়োগ কৰা হৈছিল।

তদুপৰি এই মুক্ত বিপ্লৱ চলাই নিবৰ বাবে প্ৰয়োজনীয় পুজিৰ যোগান ধৰিছিল প্ৰভুদয়াল হিমৎচিংকাৰে। তেওঁৰ পৰা মাহেকে পাঁচৰ পৰা তিনি হাজাৰ টকা অনা হৈছিল। হেম বৰুৱাৰ নিৰ্দেশনাত লক্ষ্য চৌধুৰীয়ে এই টকা কলিকতাৰ পৰা অনা নিয়া কৰিছিল। কংগ্ৰেছ পুঁজিৰ পৰাও কিছু পৰিমাণে ধন সংগ্ৰহ কৰা হৈছিল।

বিপ্লৱীসকলৰ এই কাৰ্যত কিছুমান ভাৰতীয় কৰ্মচাৰী আৰু পুলিচে সক্ৰিয় সহযোগ কৰিছিল। কোনো বিপ্লৱীৰ ঘৰত সামৰিক বাহিনীৰ দ্বাৰা তালাচি হোৱাৰ পূৰ্বেই এই পুলিচসকলে বিপ্লৱীসকলক জনাই দিছিল আৰু কেইবাজনো বিপ্লৱীৰ জীৱন পুলিচৰ অত্যাচাৰৰ পৰা ৰক্ষা কৰিছিল।

অসমৰ সশস্ত্ৰ বিপ্লৱত বঙ্গদেশেও সম্পূৰ্ণভাৱে সহায় কৰিছিল। দুয়োখন দেশৰ নেতা আৰু জনসাধাৰণৰ মাজত সম্বন্ধ আছিল বন্ধুভাৱাপন্ন। গতিকে এক হৈ বাৰ্মাৰ পৰা পিষ্টল, ৰিভলভাৰ, ৰাইফলচ্ ষ্টেনগান আদি মাৰাত্মক অস্ত্ৰসমূহ সংগ্ৰহ কৰাত সফল হৈছিল।

এই অস্ত্ৰ সংগ্ৰহৰ ঘাটি বা ভৰালসমূহ যে ধৰা নপৰাকৈ নাছিল, তেনে নহয়। যোৰহাটৰ কলাখোৱা নামৰ গাৰখনত লুকাই থোৱা এক বুজন সংখ্যক অস্ত্ৰ বৃটিছ পুলিচে উদ্ধাৰ কৰে (১৯৪৫ চনৰ মাজভাগত)।

গেৰিলা প্ৰশিক্ষণ দিবৰ বাবে বেংগল, মহাৰাষ্ট্ৰ, উত্তৰপ্ৰদেশৰ পৰা আত্মগোপনকাৰী বিপ্লৱীসকল অসমলৈ আহি যুৱক-যুৱতীসকলক যুদ্ধৰ বিশেষ প্ৰশিক্ষণ দিছিল। এই ক্ষেত্ৰত কাশী বিদ্যাপীঠৰ প্ৰফেচাৰ চন্দ্ৰশেখৰৰ নাম বিশেষভাৱে উল্লেখযোগ্য। বিহাৰৰ এজন কংগ্ৰেছ কৰ্মী জগদীশ মিশ্ৰই এই প্ৰশিক্ষণৰ ক্ষেত্ৰত এক অনস্বীকাৰ্য ভূমিকা পালন কৰিছিল।

ভাৰত চৰকাৰে প্ৰতিৰক্ষা আইন প্ৰয়োগ কৰাৰ লগে লগে ভাৰতীয় নিৰীহ জনসাধাৰণৰ ওপৰত অত্যাচাৰ বৃদ্ধি পাব ধৰিলে। ফলত আত্মগোপনকাৰীৰ সংখ্যা ক্ৰমাৎ বৃদ্ধি পাব ধৰিলে। জীৱনৰ ধাৰ বৃটিছৰ বন্দুকৰ আগত ৰাখি বিপ্লৱীসকলে বৃটিছক খেদাবলৈ উঠি পৰি লাগিল। বৃটিছৰ গুপ্তচৰ বিভাগৰ খবৰ মতে ঘৰ বেৰিধৰা হাজাৰ পুলিচৰ মাজৰ পৰা শংকৰ বৰুৱাই মহিলা পোছাক পিন্ধি পলাই আহিল। মুঠতে ১৯৪২ চনৰ পৰা '৪৬ লৈকে শংকৰ বৰুৱা আৰু লক্ষ্মী গোস্বামী বৃটিছ চিপাহীৰ বাবে ত্ৰাসৰ স্বৰূপ আছিল। গতিকে এই দুদ্ধৰ্ষ আত্মগোপনকাৰী দুজনক ধৰিবৰ বাবে ক্ৰমে ১০ হাজাৰ (শংকৰ বৰুৱাৰ মূৰৰ বাবদ) আৰু ৫ হাজাৰ (লক্ষ্মী গোস্বামীৰ মূৰৰ বাবদ) পুৰস্কাৰ ঘোষণা কৰিলে। ঠিক সেইদৰে লক্ষ্য চৌধুৰীকে আদি কৰি বিপ্লৱীসকলক ধৰিবৰ বাবে পাচশৰ পৰা এহাজাৰ টকা ঘোষণা কৰা হৈছিল।

অসমৰ এই মুক্ত বিপ্লৱটোত অৰুণা আশ্রফ আলিৰ অৱদান আছিল হিমালয়সদৃশ। এগৰাকী মহিলা হৈয়ো ১৯৪২ ৰ পৰা উত্তৰ-পূব আত্মগোপনকাৰী দলৰ মুখ্য পৰিচালিকা আছিল। আগষ্ট আন্দোলনৰ প্ৰচাৰৰ বাবে তেওঁ অসমৰ বিভিন্ন ঠাই পৰিভ্ৰমণ কৰিছিল। অসমৰ বিভিন্ন ঠাই নিৰাপদে পুলিচৰ চকুৰ পৰা আতৰাই ঘূৰাত সহায় কৰিছিল গিৰীণ চৌধুৰী আৰু উপেন নবীশে।

১৯৭২-৪৪ চনত পোষ্টেল চিঠিসমূহৰ ওপৰত বাধা আৰোপ কৰাৰ বাবে চিঠি-পত্ৰ নাইবা অন্যান্য প্ৰয়োজনীয় খবৰ কেৱল বিশ্বাসযোগ্য মানুহৰ হতুৱাইহে পঠাব লগা হৈছিল। এনে চিঠিসমূহ প্ৰেৰণ কৰাৰ ক্ষেত্ৰত সুধালতা দত্ত আৰু ৰেৱতী লাহনে এক বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। এইদৰে মহিলাসকলে যৌৱন, দেহ সকলোকে বাদ দি ব্ৰহ্মপুত্ৰ উপত্যকাকে ধৰি আগষ্ট আন্দোলনৰ গোপনীয় তথ্যপাতি সকলো ঠাইতে বিলাই এই আত্মগোপনকাৰী আন্দোলনটোক শক্তিশালী কৰি তুলিলে।

"অজ্ঞাতবাসী" সকলৰ কামকাজসমূহ সঠিক ভাৱে চলোৱা নাইবা চৰকাৰৰ গুৰুত্বপূৰ্ণ সিদ্ধান্তসমূহ আত্মগোপনকাৰী বিপ্লৱীসকলক জনোৱাত ভাৰতীয় চৰকাৰী চাকৰিয়াল সকলে যথেষ্ঠ সহায় কৰিছিল। এওঁলোকে বন্দীসকলক জেলৰ পৰা উলিয়াই মুক্ত কৰাৰ বাহিৰেও এনে বিপ্লৱীসকলক বাসস্থানৰ সুবিধা আৰু অৰ্থনৈতিকভাৱে সহায় কৰিছিল। এই সকলোবিলাক কাম অতি গোপনীয়ভাৱে কৰা স্বত্বেও বহু চাকৰিয়াল ধৰা পৰি কাম কাজ হেৰোৱাৰ লগতে কাৰাবাস খাটিব লগা হৈছিল।

দেশৰক্ষাৰ বাবে আত্মগোপনকাৰীসকলে কেনে অৱস্থাত কি কি কৰিব লগা হৈছিল তাক নুশুনিলে বা নেদেখিলে প্ৰকাশ কৰিব নোৱাৰি। উল্লেখযোগ্য যে তেওঁলোকৰ অজ্ঞাতবাসৰ কালছোৱাত ঘটা বিভিন্ন ঘটনাই বহুকেইজনক বৰ্তমান অসমীয়া সাহিত্যৰ স্বনামধন্য নাট্যকাৰ, গীতিকাৰ, লেখক হিচাপে স্বীকৃতি দিলে। (এই ক্ষেত্ৰত লক্ষ্য চৌধুৰী, হেম বৰুৱা, নিবাৰণ বৰা, দেৱকান্ত বৰুৱা উল্লেখযোগ্য)।

এই কথা ভাবিলে ভুল হব যে এই আত্মগোপনকাৰী দলৰ সদস্যসকল গান্ধীবাদী নীতিৰ সম্পূৰ্ণ বিৰোধী আছিল। দৰাচলতে এই মুক্তি যুঁজাৰুসকলৰ সকলোৱেই গান্ধীবাদী আছিল। কিন্তু এভাগৰ অহিংসা নীতিৰ ওপৰত বিশ্বাস নাছিল। তেওঁলোকৰ সকলোৱেই চচিয়েলিষ্ট দলৰ আস্থাভাজন কৰ্মী আছিল।

অসমৰ আত্মগোপনকাৰী আৰু অহিংস এই দুই ভাগকেই পৰিচালনা কৰাত হেম বৰুৱাই এক অনস্বীকাৰ্য ভূমিকা গ্ৰহণ কৰিছিল। গতিকে দুই দলৰ মাজত মতবাদৰ পাৰ্থক্য থাকিলেও বুজাবুজিৰ সুতাডাল হেম বৰুৱাই কটকটীয়া কৰি ৰাখিছিল।

গান্ধীজিৰ 'Do or Die" আত্মগোপনকাৰীসকলৰ মূল লক্ষ্য আৰু মন্ত্ৰ আছিল। গান্ধীজিৰ দেশৰ প্ৰতি নিস্বাৰ্থ প্ৰেম, অৱদান, আৰু গান্ধীজিৰ ব্যক্তিত্ব এই দলটোৰ অনুপ্ৰেৰণা স্বৰূপ আছিল। এই ক্ষেত্ৰত কমলা মিৰিৰ নাম স্মৰণ পৰিব পাৰি। মৃত্যুৰ আগদিনালৈকে কোনো মানুহকে দেখা কৰিবলৈ অনুমতি নিদিয়াতো বৃটিছৰ লগত কোনো প্ৰকাৰেই আপোচ নকৰি জেলতেই মৃত্যু বৰণ কৰে।

মহেন্দ্ৰনাথ হাজৰিকাৰ 'মৃত্যু বাহিনী' অসমৰ আত্মগোপনকাৰী আন্দোলনৰ এটা শক্তিশালী সংগঠন আছিল। বৃটিছৰ বিভিন্ন শক্তিক ধ্বংস কৰাত এই দলৰ ভূমিকা আছিল সুদূৰপ্ৰসাৰী। বৃটিছ নাগৰিকক হত্যা কৰা, ৰেল বগৰোৱা, মিলিটাৰীৰ কেম্পত জুই দিয়া কাৰ্যই বৃটিছৰ ওপৰত মানসিকভাৱে এক প্ৰৱল হেচা আনি দিলে। মৃত্যুবাহিনীয়ে মাজনিশা কৰা দুৰ্দ্ধৰ্ষ কাৰ্যাৱলীৰ ভিতৰত সৰভোগ (কামৰূপ জিলাৰ) অঞ্চলৰ মিলিটেৰী কেম্প ধ্বংস, পানীখাইতী (গুৱাহাটী) ৰেলৰে ষ্টেচনত সামৰিক বাহিনী কঢ়িয়াই অনা ৰেল

বগৰোৱা, কাৰ্যই প্ৰধান। পিছৰটো অভিযানত বহুতো মিলিটাৰীৰ মৃত্যু হৈছিল কিন্তু নিৰ্ভৰযোগ্য সূত্ৰৰ অভাৱত ইয়াৰ সঠিক সংখ্যা, চন তাৰিখ পোৱা নাযায়।

অসমৰ সশস্ত্ৰ বিপ্লৱীসকলৰ কূটাঘাটমূলক (বৃটিছ দৃষ্টিভংগী) কৰ্মসমূহৰ অন্তৰালত শ্ৰীমদ্ভগৱগীতাৰ 'কৰ্মযোগ' আধ্যাত্মিক অনুপ্ৰেৰণাৰ স্থল আছিল। শ্ৰীকৃষ্ণই অৰ্জুনক অন্যায়ৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ দিয়াই গীতাৰ বাণী। গীতাত অহিংসাৰ কথা কোৱা হোৱা নাই। নিষ্ক্ৰিয় বা নিৰস্ত্ৰ প্ৰতিৰোধৰ কথা বৰ্ণনা নাই। গীতাৰ আহ্বান কৰ্তব্য কৰা আৰু অন্যায়ৰ সশস্ত্ৰ প্ৰতিৰোধ কৰা। গীতাৰ কাৰ্য, কৰ্ম, ত্যাগ কৰাই সন্ন্যাস বুলি মোখনি মাৰিছে। গীতাৰ বাণী আৰু সেই মাপকাঠীৰ বিচাৰত দেখা যায় যে স্বাধীনতা যুঁজাৰুসকলৰ সশস্ত্ৰ বিপ্লৱত আত্মকেন্দ্ৰীক মোহ বা ব্যক্তিগত স্বাৰ্থ বুলিবলৈ একো নাছিল। বিদেশী চৰকাৰে দেশবাসীৰ প্ৰতি কৰা অন্যায়ৰ প্ৰতিৰোধ কৰিবলৈ, জাতীয় সন্মান সত্বা ৰক্ষা কৰিবলৈ বিপ্লৱীসকলে কৰিছিল চৰম ত্যাগ।

প্ৰাক-স্বাধীনতা যুগৰ ৰাজনৈতিক ইতিহাস সশস্ত্ৰ বিপ্লৱীৰ বুকুৰ তেজেৰে ৰাঙলী। কিন্তু স্বাধীনতাৰ পাছত অসমৰ এই বিপ্লৱীসকলৰ বিপ্লৱ সশস্ত্ৰ, নে উগ্ৰপন্থী নে সন্ত্ৰাসমূলক নে চৰমপন্থী তাক নিৰ্ণয় কৰাতো সহজে টান। এই সম্পৰ্কত লক্ষ্যধৰ চৌধুৰীদেৱক লগ ধৰোতে তেখেতে কলে—"প্ৰকৃতপক্ষে এই কামবোৰক সহজে ধৰা দি কাৰাবৰণ কৰাৰ পৰিবৰ্তে আত্মগোপন কৰি দেশৰ এই বিপ্লৱত সহযোগ আৰু অনুপ্ৰেৰণা যোগাইছিল" আৰো হেম দত্তই উল্লেখ কৰা মতে—The underground movement, more often than not was of violent nature, serailment of trains apart from causing losses took heavy tool of human lives... ... ..."

বৃটিছৰ স্বেচ্ছাচাৰী আমোলাতান্ত্ৰিক শাসনেই যে আত্মগোপনকাৰীসকলক জন্ম দিলে সি নিশ্চিত। নাৰীৰ ওপৰত অত্যাচাৰ নকৰা হলে যুৱতীসকলে কেতিয়াও হাতত ডেগাৰ তুলি লব লগা নহলহেতেন। নিজস্ব সত্বা, সন্মান, সম্পত্তি ৰক্ষা কৰাৰ ক্ষেত্ৰত কৰা কাৰ্যসমূহক কেতিয়াও উগ্ৰপন্থী বুলিব নোৱাৰি (গান্ধীয়ে যাক সমৰ্থন কৰিছিল)।

অন্যহাতে বৃটিছৰ সামৰিক বাহিনীৰ সৈতে মুখামুখি ভাৱে অসমৰ আত্মগোপনকাৰীসকলে সংঘবদ্ধভাৱে আক্ৰমণ কৰা নাছিল (হয়তো প্ৰয়োজন হোৱা নাছিল, বৃটিছৰ সামৰিক বাহিনীৰ বাবে)। মাজনিশা বৃটিছৰ ঘৰ বা ভড়াল জুই দিয়া, ঘৰ ভঙা, ৰেল বগৰোৱা, বৃটিছৰ সামৰিক বাহিনী গোপনে ধ্বংস কৰা, বৃটিছ নাগৰিকক হত্যা কৰা আদি কাৰ্যসমূহক কি বুলি অভিহিত কৰিব পাৰি তাক বুদ্ধিজীৱি নাইবা বুৰঞ্জীবিদসকলেহে নিৰ্ণয় কৰিব পাৰিব।

প্ৰত্যক্ষভাৱে ভাৰতৰ নাইবা অসমৰ সশস্ত্ৰ বা অহিংস বা উগ্ৰপন্থী বা চৰমপন্থী কাৰ্যকলাপসমূহে ভাৰতৰ স্বাধীনতা আন্দোলনত অৱদান আগবঢ়ালেও মানসিকভাৱে বৃটিছৰ ওপৰত এক প্ৰৱল হেচা আনি দিছিল। যিটো কোনোমতেই অস্বীকাৰ কৰিব নোৱাৰি। গতিকে এই মুক্ত বিপ্লৱৰ এই কাৰ্যকলাপসমূহ সময়োচিত আছিল। তাতোকৈ উল্লেখযোগ্য যি সময়ত সকলো কংগ্ৰেছী নেতা জেলত বন্দী হৈ আছিল তেতিয়া আন্দোলনৰ গতিধাৰা সজীৱ কৰি ৰখাৰ ভাৰ পৰিছিল আত্মগোপনকাৰীসকলৰ ওপৰত।

এই আন্দোলনৰ কালছোৱাত এবাৰ জ্যোতিপ্ৰসাদ আগৰৱালা আৰু এবাৰ গোপীনাথ বৰদলৈয়ে আত্মগোপনকাৰীসকলক নিজৰ পথ পৰিহাৰ কৰি অহিংসভাৱে আন্দোলন চলাবলৈ পৰামৰ্শ দিছিল। জ্যোতিপ্ৰসাদ প্ৰথমে এজন সক্ৰিয় আত্মগোপনকাৰীদলৰ সদস্য আছিল। কিন্তু, পিছত এবাৰ 'Gandhi on Gandhian Thoughts' নামৰ কিতাপখন পঢ়াৰ পিছত তেওঁৰ মন অহিংসাৰ ফালে ঢাল খালে। গান্ধীৰ ৰামৰাজ্যৰ কল্পনাত

বৃটিছৰ হাতত ধৰা দি জ্যোতিপ্ৰসাদে কেইবাজনো আত্মগোপনকাৰীৰ বন্দীত্বত সহায় কৰিছিল। গতিকে পৰস্পৰে বুজা-বুজিৰ অভাৱত এই আন্দোলনে বিশেষ সুবিধা লাভ কৰিব পৰা নাছিল। আকৌ যাতায়তৰ অভাৱত গোটেই অসমৰ বিভিন্ন গোপন তথ্যপাতি সংগ্ৰহ কৰাত যথেষ্ঠ অসুবিধা আহি পৰিছিল। তদুপৰি আত্মগোপনকাৰী সকলৰ নিৰ্দিষ্ট লক্ষ্য, কাৰ্যাৱলী আৰু সংঘৱদ্ধ প্ৰচেষ্ট নথকাৰ ফলত সৰহসংখ্যকেই ধৰা পৰিল আৰু এইদৰে তেওঁলোকৰ অস্তিত্ব একেবাৰেই হেৰাই গ'ল।

হলেও বছৰৰ পাছত বছৰ অজ্ঞাতবাস খাটি পুলিচৰ চকুত ধূলি দি এই বিপ্লৱীসকলে ভাৰতৰ স্বাধীনতা আন্দোলনত যি চৰম ত্যাগ, কষ্ট ভোগ কৰিলে এইবিলাক বৰ্তমান নতুন পুৰুষ চামৰ বাবে পাথেয় স্বৰূপ হৈ আছে। এওঁলোকৰ সৰহভাগেই বৰ্তমান মৃত্যুবৰণ কৰিছে। জীৱিত থকা কেইজনমানক লগ ধৰোতে তেওঁলোকে একেবাহে বৰ্ণনা কৰি গৈছিল তেওঁলোকৰ সেই লোমহৰ্ষক কাহিনীবোৰ। সেই বিপদপূৰ্ণ, দুঃসাহসী অভিযান আৰু কাৰ্যকলাপসমূহৰ মধুৰ স্মৃতিকেই লৈ আজি জীয়াই আছে—

"Our Sweetest songs are those
that teil of saddest thought"

তেওঁলোকৰ এই অৱদানে, চৰম ত্যাগে মৃত্যুঞ্জয়ী শ্বহীদসকলৰ জনমভূমি পূজাৰ বেদীত উৎসৰ্গিত জীৱনৰ জয়গানেৰে হব ইতিহাসৰ নতুন মূল্যাংকন, ৰচনা হব নতুন ইতিহাস, ৰচিব প্ৰগতিৰ নতুন পথ আৰু বাঢ়িব নতুন ভাবাদৰ্শৰে গঠিত সংগঠন বা ব্যক্তিৰ সুদৃঢ় বুনিয়াদ। □

● গণতন্ত্ৰত বনুৱা শ্ৰেণীক মাথোন এটা সুযোগ দিয়া হ'ল ; সেইটো হ'ল ৫ বছৰৰ মূৰে মূৰে তেওঁলোকে শাসক শ্ৰেণীৰ কোনবিলাক সদস্যক ভোট দি শাসক হ'বলৈ বাছি পঠিয়াব।

—লেনিন

● "অতীতৰ ফালে চোৱাৰ প্ৰয়োজন নাই, আগবাঢ়া। আগৰ ফালে চোৱা ; আমাক লাগে অসীম শক্তি, অদম্য উৎসাহ, দুৰ্জয় সাহস, অসীম ধৈৰ্য। তেতিয়াহে আমি মহৎ কাৰ্য সাধন কৰিব পাৰিম।"

—স্বামী বিবেকানন্দ।

● "অহিংসা দুৰ্বলৰ অস্ত্ৰ নহয়। ই সকলোতকৈ শক্তিমান লোকৰে অস্ত্ৰ। অহিংসাৰ বল মাংসপেশীৰ বল নহয়। সি হৈছে মানুহৰ অন্তৰৰ বল।"

—মহাত্মা গান্ধী।

# নিবনুৱা সমস্যা: অৰ্থনৈতিক পৰিকল্পনাৰ বিচ্যুতি ক'ত?



□ ভাস্কৰজ্যোতি গগৈ
স্নাতক, দ্বিতীয় বাৰ্ষিক

তৃতীয় বিশ্বৰ সৰহভাগ দেশেই কুৰি শতিকাৰ মাজভাগৰ পৰা এক বিৰাট জনবিস্ফোৰণৰ সন্মুখীন হৈছে, যাৰ ফলত নিবনুৱা সমস্যাই এই দেশবোৰত ভীষণ ৰূপ ধাৰণ কৰিছে। তৃতীয় বিশ্বৰ এখন অন্যতম দেশ আমাৰ ভাৰতবৰ্ষতো বৰ্তমানে নিবনুৱা সমস্যাই এনে এক পৰ্যায় পাইছেগৈ যে ইয়াক সমাধান কৰাটো দুৰূহ হৈ পৰিছে। এই অৱস্থাৰ ভুক্তভোগী প্ৰায়বোৰ দেশেই নিজৰ নিজৰ অৰ্থব্যৱস্থাৰ সামগ্ৰিক উন্নয়নৰ বাবে অৰ্থনৈতিক পৰিকল্পনাৰ আশ্ৰয় ল'বলৈ বাধ্য হৈছে, যাতে ব্যক্তিগতভাৱে কৰা নিয়ন্ত্ৰণহীন আৰু অসংহত প্ৰচেষ্টাতকৈ অধিক উন্নত আৰু গ্ৰহণযোগ্য ফলাফল লাভ কৰিব পৰা যায়।

অনুন্নত দেশসমূহত অৰ্থনৈতিক উন্নয়নৰ বাবে পৰিকল্পনা আৰম্ভ কৰাৰ লগে লগে এটা বদ্ধমূল ধাৰণা কৰি লোৱা হৈছিল যে বৰ্ধিত হাৰত অৰ্থনীতিৰ বিকাশ সাধিব পাৰিলেই দৰিদ্ৰতা আৰু নিবনুৱা সমস্যা দূৰ কৰি জীৱন ধাৰণৰ মান উন্নত কৰিব পৰা যায়। ভাৰতৰ প্ৰথম তিনিখন পঞ্চবাৰ্ষিক পৰিকল্পনালৈ মন কৰিলেই দেখা যায় যে কৰ্মসংস্থান বৃদ্ধি কৰাটো কোনো ক্ষেত্ৰতে এটা উল্লেখযোগ্য লক্ষ্য বুলি গণ্য কৰা নহৈছিল। বৰং ইয়াক অৰ্থনৈতিক প্ৰগতিৰ এটি উপকৰা ফল বুলিহে ধৰা হৈছিল। প্ৰথম পঞ্চম বাৰ্ষিক পৰিকল্পনাৰ এটা সিদ্ধান্তত কোৱা হৈছিল—"Full employment is not on and in itself and should be regarded as a corollary to development rather than as a direct objective." পৰিকল্পনাৰ গুৰি ধৰোঁতা-সকলে ভাবিছিল যে উন্নয়নৰ পৰিপক্ক পৰ্যায়তহে নিবনুৱা সমস্যাৰ সমাধানকল্পে সুকীয়াকৈ ব্যৱস্থা গ্ৰহণ কৰা উচিত আৰু জনশক্তিৰ পূৰ্ণনিয়োগৰ বিষয়টো দেশৰ অৰ্থনীতিয়ে বহুল উন্নতি লাভ কৰাৰ পাছতহে চিন্তা কৰিব লাগে। কিন্তু তেওঁলোকে এই কথা ভাবি চোৱাৰ প্ৰয়োজন বোধ নকৰিলে যে অৰ্থনৈতিক উন্নয়নৰ বাটত যিমানখিনি নিয়োগৰ সুবিধা সৃষ্টি হ'ব, সেইখিনিয়ে বৃহৎ সংখ্যাত বাঢ়িবলৈ লোৱা নিবনুৱা আৰু অৰ্ধ'নিবনুৱাসকলৰ চাহিদা

পূৰাব পাৰিবনে নোৱাৰে। যেতিয়া দেশৰ জাতীয় আয় তথা আৰ্থিক উন্নতিৰ গতি বৃদ্ধি পোৱা স্বত্ত্বেও নিবনুৱা সমস্যা বা জন দৰিদ্ৰতা নকমিল, বৰং পৰিস্থিতিৰ অৱনতিহে ঘটিল, তেতিয়াহে তেওঁলোকৰ গা লৰিল।

অৰ্থনৈতিক পৰিকল্পনাত এই প্ৰাৰম্ভিক কালছোৱাত মূলধন গঠনেই মূল অংগ বুলি লোৱা হৈছিল। আৰু শিল্প খণ্ডত যন্ত্ৰ-পাতিৰ অধিক ব্যৱহাৰ হোৱা (Capital intensive) উৎপাদন কৌশলবোৰক অগ্ৰাধিকাৰ দিয়া হৈছিল। ঔদ্যোগিক বিকাশৰ বাবে উন্নত দেশসমূহৰ পৰা আমদানিকৃত অত্যাধুনিক যন্ত্ৰ-পাতিৰ ওপৰত যথেষ্ট নিৰ্ভৰ কৰা হৈছিল। এই ব্যয়বহুল যন্ত্ৰ-পাতিবিলাক সাধাৰণতে বৃহৎ হাৰৰ উৎপাদনৰ বাবেহে উপযোগী আছিল; ক্ষুদ্ৰ ঘৰুৱা বজাৰ আৰু পৰ্যাপ্ত মানৱসম্পদ থকা ভাৰতীয় অৰ্থনীতিত সেইবোৰ একপ্ৰকাৰ খাপচৰা আছিল। কোনো কোনো অৰ্থনীতিবিদে মত পোষণ কৰে যে ৰাজনৈতিক আৰু সামাজিক ৰিভিন্ন কাৰণত হোৱা খেলি-মেলিৰ বাবে অনুন্নত দেশবিলাকত উৎপাদনৰ আহিলা-সমূহৰ, বিশেষকৈ শ্ৰমৰ মূল্য এনেদৰে অস্থিৰ হয় যে মূলধন দুৰ্লভ আৰু শ্ৰম পৰ্যাপ্ত হোৱা স্বত্ত্বেও মূলধনতকৈ শ্ৰমৰ নিয়োগ অধিক ব্যয়বহুল হৈ পৰে। সেইবাবে উৎপাদনকাৰীসকলে কৃষিৰ ক্ষেত্ৰতেই হওক বা শিল্পৰ ক্ষেত্ৰতেই হওক শ্ৰম-মিতব্যৱহাৰী (Labour saving) উৎপাদন কৌশল প্ৰয়োগ কৰি কম শ্ৰমিক নিয়োগ কৰিবলৈ চেষ্টা চলায়। ফলত নিবনুৱা লোকৰ সংখ্যা ক্ৰমাত বাঢ়িবলৈ ধৰে।

কুৰি শতিকাৰ পঞ্চম আৰু ষষ্ঠ দশকলৈকে তৃতীয় বিশ্বৰ দেশসমূহৰ উন্নয়ন প্ৰক্ৰিয়াত হেৰড-দোমাৰ আৰু ৰষ্টভিয়ান তত্ত্বই প্ৰভাৱ বিস্তাৰ কৰিছিল। এই তত্ত্ব-সমূহত দ্ৰুত মূলধন গঠনৰ জৰিয়তে মুঠ জাতীয় আয় বৃদ্ধি কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছিল। তাৰে পৰিপ্ৰেক্ষিতত ভাৰতবৰ্ষত অৰ্থনৈতিক উন্নয়নৰ আৰম্ভনিতে দ্ৰুত উদ্যোগীকৰণকে মূল উপাদেয় বুলি গ্ৰহণ কৰা হৈছিল। অৱশ্যে এই ক্ষেত্ৰত এটা কথা উল্লেখযোগ্য যে যদিও প্ৰথম পৰিকল্পনাত হেৰড-দোমাৰ উন্নয়ন আৰ্হিয়ে তাত্ত্বিকভাবে প্ৰভাৱ বিস্তাৰ কৰিছিল, কাৰ্য-ক্ষেত্ৰত কিন্তু কৃষিখণ্ডক উদ্যোগখণ্ডতকৈ অধিক গুৰুত্বপূৰ্ণ স্থান দিয়া হৈছিল। আনহাতে, মূলধন বিনিয়োগৰ ক্ষেত্ৰত নিয়োগ-সৃষ্টিৰ প্ৰতি বিশেষ দৃষ্টি ৰখা হোৱা নাছিল।

যি কি নহওক, দ্বিতীয় পৰিকল্পনাত দেশৰ উন্নয়ন কৌশলত কিছু পৰিৱৰ্তনৰ সূচনা অনা হয়। অধ্যাপক মহলানবিচে আগবঢ়োৱা নীতি অনুসৰি উদ্যোগ-খণ্ডক মুখ্য ভূমিকা অৰ্পন কৰা হয়। এই পৰিকল্পনাৰ কালছোৱাত প্ৰধানকৈ গধুৰ আৰু বুনিয়াদী উদ্যোগ-সমূহত মূলধন বিনিয়োগৰ যোগেদি অৰ্থনীতিৰ দীৰ্ঘম্যাদী বিকাশ ঘটাবলৈ চেষ্টা কৰা হৈছিল। ইয়াৰ বাবে অধিক মূলধন-ব্যৱহাৰী উৎপাদন কৌশলৰ প্ৰাধান্য দিব লগা হৈছিল, যাৰ ফলত দেশৰ ক্ৰমবৰ্ধমান কাৰ্যক্ষম লোকৰ বাবে প্ৰয়োজনীয় হাৰত নিয়োগৰ সুবিধা বৃদ্ধি কৰিব পৰা নহৈছিল। অৱশ্যে ভোগৰ সামগ্ৰী প্ৰস্তুত-কাৰী উদ্যোগবিলাকত অধিক শ্ৰম-ব্যৱহাৰী (Labour intensive) উৎপাদন পদ্ধতি প্ৰয়োগ কৰিবলৈ প্ৰয়াস কৰা হৈছিল, যদিও এই ক্ষেত্ৰত বিশেষ সফল হ'ব পৰা নাছিল।

তৃতীয় পঞ্চবাৰ্ষিক পৰিকল্পনাতো দ্ৰুত উদ্যোগী-কৰণক উচ্চ স্থান দিয়া হৈছিল আৰু গধুৰ উদ্যোগ-সমূহৰ আধাৰ অধিক শক্তিশালী কৰিবলৈ আশাশুধীয়া প্ৰচেষ্টা চলোৱা হৈছিল। সেই পৰ্যন্ত পৰিকল্পনা আয়োগে ধৰি লৈছিল যে মূলধন বিনিয়োগৰ বৃদ্ধি হ'লেই জাতীয় আয়ৰ লগতে নিয়োগো বৃদ্ধি পাব। আয়োগে স্পষ্ট মত প্ৰকাশ কৰিছিল যে বিনিয়োগ আৰু উন্নয়নৰ শিতানত ব্যয় বৃদ্ধি কৰিলেই দেশৰ জাতীয় আয় বাঢ়িব আৰু লগে লগে স্বয়ংক্ৰিয়ভাবে শ্ৰমৰ চাহিদা বাঢ়িব— নিয়োগৰ পৰিসৰ বৃদ্ধি পাব। নিয়োগৰ পৰিসৰ বাঢ়িল

সচাঁ, কিন্তু এই সময়ছোৱাত দেশত জনসংখ্যা তথা কৰ্ম-ক্ষম লোকৰ সংখ্যা যি হাৰত বৃদ্ধি পালে, তাৰ তুলনাত নতুনকৈ সৃষ্টি হোৱা নিয়োগৰ সুবিধা আছিল তেনেই অপৰ্যাপ্ত। ফলত নিবনুৱা সমস্যাটো ক্ৰমাৎ জটিলৰ পৰা জটিলতৰ হবলৈ ধৰিলে। উদ্যোগখণ্ডৰ দ্ৰুত উন্নয়নৰ বাবে মূলধন বিনিয়োগৰ যিবোৰ ব্যাপক কাৰ্যব্যৱস্থা হাতত লোৱা হৈছিল, তাৰ পৰিণতি স্বৰূপে পৰিকল্পনাৰ কালছোৱাত বিশেষ সুবিধা ভোগ কৰি বহুতো নগৰীয়া অঞ্চল শিল্প-উদ্যোগৰ কেন্দ্ৰস্থল হৈ পৰিল। লগে লগে অধিক আয় উপাৰ্জনৰ প্ৰত্যাশাত আৰু সেৱামূলক কৰ্মসংস্থানৰ সন্ধানত গাৱঁবিলাকৰপৰা নগৰ-চহৰলৈ শ্ৰমিকৰ বৃহৎ হাৰৰ প্ৰব্ৰজন ঘটিবলৈ ধৰিলে—নগৰ অঞ্চলৰ জনসংখ্যা বাঢ়িল। নগৰীয়া উদ্যোগসমূহে স্বাভাৱিকভাৱে বৃদ্ধি পোৱা জন-সংখ্যাকে যথাযথভাৱে সামৰিব পৰা নাছিল। গতিকে নিবনুৱা লোকৰ সংখ্যা নগৰ অঞ্চলত দ্ৰুতগতিত বাঢ়িবলৈ ধৰিলে।

এই সমগ্ৰ জটিল পৰিস্থিতিটো আয়ত্বাধীন কৰিবৰ বাবে দেশৰ উন্নয়ন পৰিকল্পনাত কিছু আমূল পৰিৱৰ্তন ঘটোৱাৰ প্ৰয়োজন আহি পৰিল। পৰিকল্পনাৰ বিগত কালছোৱাত যি অভিজ্ঞতা সঞ্চিত হ'ল, তাৰপৰা এইটো স্পষ্ট হৈ পৰিল যে নিয়োগবৃদ্ধিক পৰিকল্পনাৰ এটা গৌণ লক্ষ্য হিচাপে লোৱাটো ভুল, ইয়াক এটা মুখ্য লক্ষ্য বুলি সাব্যস্ত কৰিলেহে নিবনুৱা সমস্যা দূৰ কৰি দেশৰ পৰিকল্পিত অৰ্থব্যৱস্থাক প্ৰকৃতাৰ্থত সৰ্ব্বাংগীনভাৱে অৰ্থবহ কৰি তুলিব পৰা যাব।

ইয়াৰ লগে লগে আন এটি বিষয়ত বিশেষভাৱে দৃষ্টিপাত কৰিব লগা হয়— সেয়া হৈছে, পৰিকল্পনাৰ নিৰ্দ্ধাৰিত লক্ষ্যবিশেষে উৎপাদন কৌশল নিৰ্বাচন; অৰ্থাৎ মূলধন প্ৰধান আৰু শ্ৰমপ্ৰধান—এই দুয়োবিধ কৌশলৰ ভিতৰত কোনবিধ প্ৰয়োজনসাপেক্ষ হ'ব তাক স্থিৰ কৰা। নিঃসন্দেহে, যন্ত্ৰ-পাতিৰ সহায় নোলোৱাকৈ বা কম সহায় লৈ যিমান উৎপাদন কৰিব পাৰি, যন্ত্ৰ-পাতিৰ বহুল প্ৰয়োগৰদ্বাৰা তাতকৈ বহু বেছি উৎপাদন কৰিব পৰা যায়। অৰ্থনীতিবিদ আলফ্ৰেড্ মাৰ্শ্বালে আল্‌পিন প্ৰস্তুতকাৰী উদ্যোগ এটাৰ উদাহৰণ দি কৈছিল যে যন্ত্ৰৰ সহায়ত এজন মানুহেই দিনে হাজাৰ হাজাৰ পিন প্ৰস্তুত কৰিব পাৰে। গতিকে উৎপাদনকাৰ্যত যন্ত্ৰৰ সলনি মানুহক বহুলভাৱে ব্যৱহাৰ কৰিবলৈ ল'লে দেশৰ জাতীয় আয়ৰ বৃদ্ধি তথা অৰ্থনীতিৰ প্ৰগতি কিছু পৰিমাণে ক্ষতি-গ্ৰস্ত হোৱাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি। অৱশ্যে হ্ৰস্বকালীন পৰিপ্ৰেক্ষিতত জাতীয় আয় যে কমিবই, তেনে নহয়। এটা কথা মনত ৰখা উচিত যে কেৱল যন্ত্ৰ-পাতিয়েই উৎপাদন নকৰে, উৎপাদনৰ বাবে শ্ৰমো এটা অপৰিহাৰ্য উপাদান। কৰ্মক্ষম শ্ৰমিকসকল যদি কৰ্মহীন হৈ থাকিব লগা হয় বা তেওঁলোকৰ সংস্থাপনাৰ্থে ব্যৱস্থা লোৱা নহয়, তেনেহ'লে তাৰ ফলত যি সামাজিক অস্থি-ৰতাই দেখা দিব, সি অৰ্থনীতিৰ প্ৰগতিৰ বাটত হেঙাৰ হৈ থিয় দিব।

আনহাতে, অনুন্নত অৰ্থনীতিৰ এটা সাধাৰণ বৈশি-ষ্টই হৈছে—মূলধন অৰ্থাৎ যন্ত্ৰ-পাতিৰ অপ্ৰাচুৰ্যতা। সঞ্চয়ৰ হাৰ অতি নিম্ন হোৱা হেতুকে ইয়াত মূলধন গঠনৰ প্ৰক্ৰিয়াও মন্থৰ। তদুপৰি যন্ত্ৰ চলাবৰ বাবে প্ৰয়োজনীয় শক্তিসম্পদৰো নাটনি। তাতে আকৌ উপযুক্ত প্ৰতিপালন, মেৰামতি আদিৰ সমস্যা আছেই। ইয়াৰ বিপৰীতে, মানৱশক্তিক উৎপাদনকাৰ্যত ব্যাপকভাৱে নিযুক্ত কৰিলে ওপৰুক্ত অসুবিধা বিলাকৰপৰা অব্যাহতি পাব পৰা যায়। অধিক শ্ৰমিক নিয়োগৰ ফলত হয়তো জনমূৰি উৎপাদন কমিব, কিন্তু সৰ্বমুঠ উৎপাদন যথেষ্ট বেছি হব বুলি আশা কৰিব পাৰি। লগতে অনুন্নত অৰ্থনীতিত সচ-ৰাচৰ বিৰাজমান আৰ্থিক বৈষম্য অৰ্থাৎ বিভিন্ন শ্ৰেণীৰ লোকৰ মাজত থকা আয়ৰ ব্যৱধান দূৰ কৰাৰ ক্ষেত্ৰত কিছু আগবাঢ়িব পৰা যাব।

১৯৬৯ চনতে আন্তৰ্জাতিক শ্ৰম সংস্থা (ILO) ৰ সঞ্চালক-প্ৰধানে বিশ্ব নিয়োগ আঁচনি (World Emplo-

yment Programme ) ৰ শুভ উদ্বোধন কৰি কৈছিল "Methods of economic development that bring social benefits by providiag work and income for the highest possible number of people are infinitely more attractive than those that do not do so. Even if it means slower economic growth, employment oriented development is to be preferred on social grounds as long as it does not result in actual economic stagnation." তেওঁ এইকথাও স্পষ্ট কৰি দিছিল যে—"There is no clearer and more concrete form of social participation in development than fruitful employment."

এই সকলো দিশ ফঁহিয়াই চাই দেখা গৈছে যে দেশৰ সামগ্ৰিক মূলধন বিনিয়োগৰ ব্যৱস্থা এনেদৰে সলনি কৰিব লাগে ; যাতে শ্ৰমপ্ৰধান উৎপাদন পদ্ধতিৰ ব্যাপক প্ৰয়োগ সম্ভৱ হৈ উঠে। গ্ৰাম্য আৰু নগৰীয়া ক্ষুদ্ৰ খণ্ডবিলাকৰ উন্নয়নৰ হকে যদি বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হয়, তেনেহলে বুজন সংখ্যক শ্ৰমিকক উৎপাদনশীল ৰূপত নিয়োগ কৰিব পৰা যায়। আপাততঃ, দেশৰ ক্ৰমবৰ্ধমান নিবনুৱাসকলক কৰ্মক্ষেত্ৰত সম্পূৰ্ণৰূপে নিয়োগ কৰাটো এটা যথেষ্ট জটিল সমস্যা। তথাপি বাস্তৱমুখী উন্নয়ন আঁচনি আৰু কাৰ্যকৰী কৌশলৰ জৰিয়তে ইয়াক সমাধান কৰাটো নিশ্চয় অসম্ভৱ নহ'ব। যিকি নহওক, পৰিকল্পনা আয়োগৰ কৰ্ণধাৰসকলে অৱশেষত ভাৰতৰ পৰিকল্পিত অৰ্থনীতিৰ গতি-বিধি আৰু ত্ৰুটি-বিচ্যুতি সম্পৰ্কে পৰ্যবেক্ষণ আৰু অভিজ্ঞতা লাভ কৰাৰ পাছত পৰিকল্পনাৰ দ্বিতীয় দশকত তেওঁলোকৰ নীতি-কৌশল বিশেষভাৱে সলনি কৰে— নিবনুৱা সমস্যাৰ দূৰীকৰণক পৰিকল্পনাৰ এটি প্ৰধান উদ্দেশ্য হিচাপে গ্ৰহণ কৰা হয়। নিয়োগ-বৃদ্ধি, আৰ্থিক সমতা আৰু নিৰাপত্তা ৰক্ষা আদি বিভিন্ন দিশ সন্নিবিষ্ট কৰি লৈ পৰিকল্পনাৰ লক্ষসমূহ পুৰ্ণবিবেচনা কৰা হয়। চতুৰ্থ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ পৰাই গ্ৰাম্য উন্নয়নৰ বাবে মৌলিক ব্যৱস্থাৱলীক অগ্ৰাধিকাৰ দিয়া হয়। লগতে শিক্ষিত নিবনুৱাৰ সমস্যা আঁতৰাবলৈও বিশেষ কাৰ্য্যব্যৱস্থা হাতত লোৱা হয়। পথনিৰ্মাণ, দলংনিৰ্মাণ, বাননিয়ন্ত্ৰণ, জলসিঞ্চন, শক্তি উৎপাদন আদি গঠনমূলক কাৰ্যাৱলী বহুলভাৱে হাতত লোৱা হয়, কিয়নো এইবিলাকৰ জৰিয়তে এফালে দেশৰ অৰ্থনৈতিক গাঁঠনি সৱল হয় আৰু আনফালে দক্ষ-অৰ্ধদক্ষ বহু শ্ৰমিকক উৎপাদনশীল নিয়োগৰ সুবিধা দিব পৰা যায়। সেইদৰে ক্ষুদ্ৰ নগৰীয়া খণ্ডবোৰত স্ব-নিয়োজনৰ প্ৰচুৰ সম্ভাৱনা আছে। শিল্প-উদ্যোগৰ উন্নতিৰ লগে লগে ভিন ভিন ক্ষেত্ৰত সেৱামূলক কাৰ্যসমূহৰ চাহিদা বৃদ্ধি পায়। গতিকে চৰকাৰে শ্ৰমিকসকলৰ বাবে যথোপযুক্ত শিক্ষণ-প্ৰশিক্ষণৰ আয়োজন কৰিবলৈ লৈছে। প্ৰয়োজন অনুসৰি কাৰিকৰী শিক্ষাদানৰ ওপৰত গুৰুত্ব দিছে। গধুৰ আৰু অৰ্থনৈতিক আধাৰ-নিৰ্মাণকাৰী উদ্যোগসমূহৰ দ্ৰুত প্ৰগতিৰ ফলস্বৰূপে ভাৰতীয় অৰ্থনীতিত উৎপাদন ক্ষমতা বহু পৰিমাণে অব্যৱহৃত হৈ থকা দেখা গৈছে। সেইবাবে, নিয়োগ তথা আয় বৃদ্ধি কৰিবলৈ অতিৰিক্ত উৎপাদনক্ষমতাৰ পূৰ্ণ ব্যৱহাৰ কৰাটো গুৰুত্বসহকাৰে বিবেচনা কৰা হৈছে।

এককথাত, ইয়াকে ক'ব পাৰি যে ভাৰতৰ দৰে প্ৰচুৰ জনসম্পদ থকা দেশ এখনত অধিক শ্ৰম নিয়োগ হোৱা উৎপাদন পদ্ধতিসমূহক অগ্ৰাধিকাৰ দিয়া উচিত। তথাপি অৰ্থনীতিত সামগ্ৰিকভাৱে নিয়োগ বঢ়াবৰ কাৰণে কিছুমান ক্ষেত্ৰত উৎপাদন বঢ়াবলৈ শ্ৰমমিতব্যয়হাৰী যন্ত্ৰ-প্ৰধান কৌশলসমূহো প্ৰয়োগ কৰিব লাগিব। তদুপৰি খাদ্যশস্যৰ উৎপাদন বৃদ্ধি কৰিবৰ বাবে কৃষিক্ষেত্ৰত জলসিঞ্চনৰ ব্যাপক ব্যৱস্থা কাৰ্যকৰী কৰিব লাগিব আৰু লগতে বানপানীৰ স্থায়ী প্ৰতিৰোধৰ কাৰ্য্যব্যৱস্থাও ল'ব লাগিব। এইখিনিতে এটা কথা মনত ৰখা উচিত যে এখনি নিয়োগমুখী আঁচনিৰ সকলো ফলাফল নিৰ্ভৰ কৰে কাৰ্যকৰী কতৃ'পক্ষৰ কাৰ্যকুশলতাৰ ওপৰত। চৰকাৰৰ প্ৰায়বোৰ বিভাগতে শিপাই পৰা দুৰ্নীতিগ্ৰস্ততা, স্বজনতোষণ, ৰাজনৈতিক আৰু সামাজিক স্বাৰ্থপৰতা, অজ্ঞতা, অকৰ্মন্যতা আদি আঁসোৱাহবিলাক দূৰ কৰিব পাৰিলেহে অৰ্থনৈতিক পৰিকল্পনাৰ বাস্তৱ ৰূপায়ণ সম্ভৱপৰ হ'ব। □ □

# অধ্যাপক ৰায়হান শ্বাহৰ স্মৃতি

□ৰয়েল আহমেদ
স্নাতকোত্তৰ মহলা

১৯৮৫ চনৰ ৮ চেপ্তেম্বৰ। সোমবাৰ। কটন কলেজ আৰু কটনিয়ানসকলৰ বাবে এটি শোকাবহ দিন। এই দিনটোতেই কটন কলেজৰ ইংৰাজী বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক, কটনিয়ান সকলৰ শ্ৰদ্ধাৰ আৰু মৰমৰ ৰায়হান শ্বাহ চাৰ ৰেল দুৰ্ঘটনাত পতিত হৈ মৃত্যু মুখত পৰে। কটন কলেজৰ লগত জড়িত প্ৰতিজন ব্যক্তিৰ বাবেই এই বাতৰিটো আছিল এক মৰ্মান্তিক বেদনাৰ বাহক। গোটেই কটন কলেজ ম্ৰিয়মান হৈ পৰিছিল, তেওঁলোকৰ শ্ৰদ্ধাৰ-চেনেহৰ ব্যক্তিজনক হেৰুওৱাৰ বেজাৰত। অকল কটন কলেজেই নহয়, শোকৰ ছাঁ পৰিছিল সমগ্ৰ অসমতে, অসমৰ সাহিত্য-সংস্কৃতি আৰু শিক্ষা জগতত।

চাৰৰ মৃত্যুৰ পিছত এদিনাখন ভৰলুমুখত তেখেতৰ ঘৰলৈ গৈছিলো ঘৰখনক সমবেদনা জনোৱাৰ লগতে পৰিয়ালৰ ব্যক্তিসকলক লগধৰি চাৰৰ বিষয়ে অধিকভাবে জানিবলৈ। দেখা সাক্ষাত কৰি কথা-বতৰা হৈছিলো শ্বাহচাৰৰ পত্নী-( বাইদেউ ) পুত্ৰ, বোৱাৰীয়েক আৰু ভ্ৰাতৃৰ লগত। তেখেতসকলৰ মুখে চাৰ সম্পৰ্কত বহু কথা জানিব পাৰিছিলো। আৰু চাৰৰ বিষয়ে যিমানেই কথা নতুনকৈ জানিলো-শুনিলো সিমানেই চাৰৰ ব্যক্তিত্ব, প্ৰতিভা আৰু কৰ্মজীৱনৰ কথা ভাবি আমাৰ মূৰ চাৰৰ প্ৰতি শ্ৰদ্ধাত নত হৈ গৈছিল। অকল সেয়াই নহয় চাৰৰ সম্পৰ্কত কটন কলেজৰ ভালেসংখ্যক অধ্যাপক অধ্যাপিকা, ছাত্ৰ-ছাত্ৰী, অসমৰ ভালেকেইজন প্ৰখ্যাত লিখক-সাহিত্যিক আৰু চাৰৰ সংস্পৰ্শলৈ অহা আন কেইবাজনো ব্যক্তিৰ মুখেও চাৰৰ বিষয়ে জানিব পাৰি ভাবিছিলো, জীৱিত কালত চাৰৰ প্ৰতি আমাৰ আগ্ৰহতকৈ মৃত্যুৰ পিছৰ আগ্ৰহটোহে ক্ৰমশঃ বেছি হোৱা যেন অনুভৱ হৈছিল। চাৰৰ পৰা জানিবলগা-শিকিবলগা বহু কথাই যেন থাকি গ'ল।

ডিব্ৰুগড়ৰ নালীয়াপুলত জন্মগ্ৰহণ কৰা শ্বাহ চাৰৰ কৰ্মজীৱন কটন কলেজখনৰ বহল বুকুত। কটন কলেজৰ বিশাল শিক্ষাৰ পথাৰখনত ৰায়হান শ্বাহ চাৰে যি সোণ গুটি সিঁচি থৈ গ'ল সেয়া আজিও কটন কলেজখনে কৃতজ্ঞতাৰে সোঁৱৰে। কটন কলেজত চাৰৰ উল্লেখ-যোগ্য আৰু মুখ্য ভূমিকা আছিল সকলো অৰ্থত এজন কৃতকাৰ্য অধ্যাপক হিচাপে। অকল শ্ৰেণীকোঠাতে নহয়, অধ্যাপক সকলৰ মাজত, ছাত্ৰ ছাত্ৰীৰ মাজত খেলপথাৰত, সাংস্কৃতিক অনুষ্ঠান-সকলোতে চাৰ এজন সৰ্বৱৰহী ব্যক্তিৰ ৰূপত বিদ্যমান আছিল। খেলা-ধূলাৰ

ক্ষেত্ৰত চাৰৰ উৎসাহ উদ্দীপনা ছাত্ৰ-ছাত্ৰীসকলে সততে লাভ কৰিছিল। অভিনয় চাই ভালপোৱা চাৰে কটন কলেজত থকা কালত এবাৰেই অভিনয় কৰিছিল। এবাৰ কটনৰ মঞ্চত 'জুলিয়াছ ছিজাৰ' নাটকখনৰ এজন ভাৱৰীয়া অনুপস্থিত থকাত চাৰে উক্ত ভাওঁটো অভিনয় কৰি সকলোৰে প্ৰশংসা বুটলিছিল। সাংস্কৃতিক অনুষ্ঠানসমূহত, খেলা-ধূলাৰ কাৰ্যসূচীসমূহত চাৰৰ উৎসাহৰ অন্ত নাছিল। চাৰ আছিল অধ্যাপক অধ্যাপিকা, ছাত্ৰ-ছাত্ৰী উভয়ৰে লগৰীয়া স্বৰূপ। তামোল খাই চাৰে বৰ ভাল পাইছিল। আৰু আনকো তাৰ ভাগ দি মেলৰ জোৰ বঢ়াইছিল। ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি তেখেত অতি মৰমিয়াল আৰু উদাৰ আছিল। সততে ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰতি সহযোগৰ হাত আগবঢ়াইছিল। চাৰৰ কৰ্তব্যনিষ্ঠা, নিয়মানুৱৰ্তিতা আৰু সময়নিষ্ঠা আনৰ বাবে অনুকৰণৰ উৎস আছিল। চাৰ আছিল এজন অসমপ্ৰেমী আৰু সঁচা অৰ্থত এজন আদৰ্শ অধ্যাপক।

অসমীয়া সাহিত্য জগতলৈ চাৰৰ অৱদান অনস্বীকাৰ্য। অসমীয়া গল্প সাহিত্যত চাৰৰ এখন সুকীয়া আসন আছে। বিশেষকৈ আৱাহন যুগৰ লেখক হিচাপে আৱাহন'ৰ পাতত তেখেতৰ লেখনীসমূহ উল্লেখযোগ্য সাহিত্যকৰ্মৰ পৰিচায়ক। চাৰে মাজে সময়ে কবিতাও লিখিছিল। ইংৰাজী সাহিত্যত চাৰৰ গভীৰ ৰাপ আছিল। এই বিষয়ত তেখেতে যথেষ্ট অধ্যয়ন-চৰ্চা কৰিছিল। ইংৰাজী সাহিত্যৰ কেতবোৰ মূল্যৱান লেখনি অসমীয়ালৈ অনুবাদ কৰি অসমীয়া অনুবাদ সাহিত্যৰ ভঁড়াললৈ অৱদান আগবঢ়াইছিল। এইখিনিতে ডঃ মহেশ্বৰ নেওঁগদেৱে ৰায়হান শ্বাহ চাৰৰ স্মৃতিচাৰণ কৰোঁতে উল্লেখ কৰা সৰু ঘটনা এটাৰ বিষয়ে কব খুজিছো। ডঃ নেওঁগদেৱে তেখেতৰ প্ৰথম ইংৰাজী কবিতাটো লিখি সেই সময়ৰ কটন কলেজৰ অধ্যক্ষ ডঃ সূৰ্য্যকুমাৰ ভূঞাদেৱক দেখুৱাইছিল কবিতাটো চকু ফুৰাই দিবৰ বাবে। ভূঞাদেৱে নেওগদেৱক বায়হান শ্বাহ চাৰৰ ওচৰলৈহে পঠিয়াই দিছিল এই বুলি—"ৰায়হান থাকোঁতে মোৰ ওচৰলৈ অহাৰ কিবা প্ৰয়োজন আছে জানো? তেওঁক দেখুৱালেই আমাক দেখুওৱাৰ প্ৰয়োজন নাই।" শ্বাহ চাৰৰ প্ৰতি সূৰ্য্যকুমাৰ ভূঞাৰ দৰে পণ্ডিত ব্যক্তিয়েও গভীৰ আস্থা ৰাখিছিল—তেখেতৰ শক্তিশালী ব্যক্তিত্ব আৰু বিশাল প্ৰতিভাৰ বাবে। উচ্চ মানদণ্ডসম্পন্ন বঙালী সাহিত্যৰ প্ৰতিও শ্বাহচাৰ আগ্ৰহী আছিল। সেইদৰে অসমীয়া ভাষাৰ লিখনি আৰু কথোপকথনত বানান, ব্যাকৰণ আৰু উচ্চাৰণৰ ওপৰত তেখেতে সদায়েই গুৰুত্ব আৰোপ কৰিছিল। এনেকি আকাশবাণী গুৱাহাটী আৰু ডিব্ৰুগড়ৰ ঘোষক-ঘোষিকা সকলে কেতিয়াবা ভুল উচ্চাৰণ কৰিলে চাৰে ভুলটো উনুকিয়াই দি মনৰ দুখ খেদ প্ৰকাশ কৰিছিল।

সমাজ জীৱনত চাৰৰ ভূমিকা আছিল অপৰিসীম। তেখেত আছিল এজন বিশিষ্ট গল্প আৰু প্ৰবন্ধ লিখক। তেখেত ভালেমান সাহিত্যিক, সাংস্কৃতিক আৰু সামাজিক অনুষ্ঠানৰ লগত ওতঃপ্ৰোতভাৱে জড়িত আছিল। বিভিন্ন সাহিত্যবৈঠক সমূহত তেখেতে নিয়মিতভাৱে যোগ দি সেই অনুষ্ঠানসমূহৰ সৌষ্ঠৱ বঢ়াইছিল। অসম সাহিত্য সভাৰ লগত তেখেত আজীৱন নিবিড়ভাৱে জড়িত আছিল আৰু সভাৰ অসমীয়া ভাষা শিল্প শ্ৰেণীৰ অধ্যক্ষ হিচাপে তেখেতে নিজৰ দায়িত্ব সুচাৰুৰূপে পালন কৰিছিল। অসমৰ বিভিন্ন সংকটৰ মুহূৰ্তত সাম্প্ৰদায়িক সম্প্ৰীতি ক্ষুণ্ণ হোৱাৰ সময়ত অসমৰ ঐক্য-সংহতি আৰু সাম্প্ৰদায়িক সম্প্ৰীতি ৰক্ষাৰ্থে যিসকলে অহৰ্নিশে প্ৰচেষ্টা চলাই গৈছিল তাৰ ভিতৰত ৰায়হান শ্বাহ চাৰ অগ্ৰগণীয় আছিল। অসমৰ বহনীয়া কৃষ্টি-সংস্কৃতিৰ প্ৰতি তেখেত সততে সজাগ আছিল আৰু তাৰ ৰক্ষণাবেক্ষণ-চৰ্চাৰ বাবে মাত মাতি আহিছিল।

সমাজ জীৱনৰ প্ৰতি নিজৰ কৰণীয়খিনি কৰিও নিজা ঘৰখনৰ প্ৰতি তেখেতৰ কৰ্তব্য পালন আৰু

মনোযোগ কোনো গুণেই কম নাছিল। তেখেত আছিল এজন সফল সদাসতৰ্ক গৃহস্থ-অভিভাৱক। তেখেতৰ পৰিয়ালৰ ব্যক্তি কেইজনৰ লগত কথা-বতৰা হওঁতে শ্বাহ চাৰৰ এজন কৃতকাৰ্যকৰ গৃহস্থ আৰু অভিভাৱক হিচাপে পালন কৰা ভূমিকাৰ কথা বাৰে বাৰে বিশেষভাৱে কৃতজ্ঞতাৰে সোৱঁৰণ কৰিছিল। ডেকাকালৰ পৰাই শ্বাহ চাৰে ঘৰখনৰ বহুখিনি দায়িত্ব মূৰ পাতি লব লগা হৈছিল। ভায়েকক উপযুক্ত শিক্ষা-দীক্ষাৰে উপযুক্ত কৰি তোলা, ভনীয়েক কেইজনীক উপযুক্তভাৱে গঢ় দি তুলি বিয়া-বাৰু দিয়ালৈকে সমগ্ৰ দায়িত্ব চাৰে নিৰ্ব্বিঘ্নে আৰু শৃংখলাৱদ্ধভাৱে পালন কৰি গৈছিল। চাৰৰ অহোপুৰু-ষাৰ্থতেই ঘৰখন থানথিত্ লাগি এটি সুন্দৰ পৰিৱেশ বিৰাজ কৰিছিল, যি নিকা সুন্দৰ পৰিৱেশ বৰ্তমানেও চাৰৰ ঘৰলৈ গলে দেখা পোৱা যায়। কিন্তু ঘৰখনলৈ গলে চাৰৰ অনুপস্থিতিৰ কথাটো বৰকৈ অনুভৱ হয়। পৰিয়ালৰ ব্যক্তিকেইজনে আবেগেৰে সৈতে উল্লেখ কৰে "ঘৰখনৰ মূৰব্বীজন নোহোৱা হ'ল।" মৃত্যুৰ দিনাখন চাৰ যেতিয়া কাপোৰ-কানি পিন্ধি কিবা এটা জৰুৰী কামত বাহিৰলৈ বুলি ওলাই গৈছিল বাইদেৱে প্ৰায়ে সোধাৰ দৰে সিদিনাখন সুধিছিল এই বুলি—"হেৰি পইচাৰ বেগটো ললেনে?" চাৰে উত্তৰ দিছিল—"লৈছো দিয়া, নললেও কথা নাই, এই যাম আৰু আহিমেই।" পিছে চাৰ জীৱিত অৱস্থাত ঘূৰি নাহিল, চাৰৰ মৃত দেহটোহে ঘৰলৈ আহিল। গোটেই পৰিয়ালক কন্দুৱাই আমাক কন্দুৱাই, আন বহুতকো কন্দুৱাই চাৰ চিৰকাল-ৰ বাবে আমাৰ মাজৰ পৰা গুচি গ'ল। আমি আমাৰ মাজত চাৰৰ স্মৃতিক জীয়াই ৰাখিব লাগিব নিশ্চয়। চাৰৰ স্বৰ্গগত আত্মাই চিৰ শান্তি লাভ কৰক। আমেন্! □ □

আজি প্ৰত্যেক অসমীয়াই সংকল্প কৰা উচিত, অসমক মৰিবলৈ নিদিওঁ, অসমীয়াক জীণ যাবলৈ নিদিওঁ, অসমীয়া সংস্কৃতিক লুপ্ত হবলৈ নিদিওঁ। অসমৰ বুকুত বৈচিত্ৰ্যৰ মাজত ঐক্যৰ ডোলেৰে গুথি, ছুনাই শক্তিশালী নতুন অসমীয়া জাতি গঢ়ো, শক্তিমান ন অসম গঢ়ি সমন্বিত শক্তিৰে সুন্দৰতম ন অসমীয়া সংস্কৃতি ৰচোঁ, সোণৰ অসম গঢ়ি আশাৰ ৰংঘৰ, আকাঙ্খাৰ কাৰেংঘৰ; কামনা বাসনাৰ তলাতল ঘৰ সাজো।

বিষ্ণুপ্ৰসাদ ৰাভা।

# যুদ্ধোত্তৰ অসমীয়া উপন্যাসত পাশ্চাত্য প্ৰভাৱ

☐ সুৰেশ কুমাৰ নাথ
স্নাতক, দ্বিতীয় বাৰ্ষিক।

পাশ্চাত্যৰ পৰা প্ৰাচ্যলৈ প্ৰবল সোঁতত বৈ অহা বস্তুবাদী সভ্যতাৰ অনিৰ্বাণ গতিয়ে ভাৰতবৰ্ষৰ স্বাধীনতা যুদ্ধ, দ্বিতীয় মহাযুদ্ধৰ নিৰ্লজ্জ বাস্তৱ অভিজ্ঞতা আদিৰে পৰিপুষ্ট ভাৰতীয় জনগণৰ মানসিকতাত প্ৰবেশ কৰি পৰম্পৰাগত ভাৰতীয় চিন্তাধাৰা, জীৱনৰ প্ৰমূল্যবোধ আৰু আনকি সমাজ ব্যৱস্থাতো বৈজ্ঞানিক সভ্যতাৰ যি প্ৰভাৱ পেলালে, স্বয়ংক্ৰিয়ভাবেই ভাৰতীয় সাহিত্য-সংস্কৃতিৰ বৰ-পথাৰো এই আধুনিকতাবাদী ভাৱধাৰাই বিচোৎ কৰিলে।

সাহিত্যৰ বিশাল ক্ষেত্ৰত আধুনিক সাহিত্যৰ অন্যতম শ্ৰেষ্ঠ অঙ্গ উপন্যাস সাহিত্যও পাশ্চাত্যতেই অঙ্কুৰিত হৈ পৰিপক্কতা লাভ কৰি ভাৰতীয় সাহিত্যলৈ আমদানি হয় আৰু স্বাভাবিকতেই পশ্চিমীয়া শিক্ষাত শিক্ষিত মুষ্টিমেয় সাহিত্যানুৰাগীৰ প্ৰচেষ্টাত অসমীয়া ভাষাতো উপন্যাস সৃষ্টিৰ সূচনা হয়; সেয়েহে উপন্যাস মূলতঃ পাশ্চাত্য সাহিত্যৰেই ফলশ্ৰুতি আৰু অসমীয়া তথা ভাৰতীয় উপন্যাস ৰচনাৰ ধাৰাও সম্পূৰ্ণ পাশ্চাত্য সাহিত্যৰ অনুগামী।

ফিউডেল সমাজৰ পৰিবৰ্তন ঘটি বুৰ্জোৱা সমাজ সৃষ্টি হোৱাৰ লগে লগে আবিৰ্ভাৱ হোৱা এই উপন্যাসত নাগৰিক সভ্যতাৰ উদ্ভৱ, উদ্যোগিক বিকাশ, সমাজৰ অৰ্থনৈতিক বিবৰ্তন, বণিক শ্ৰেণীৰ উদ্ভৱ, মুদ্ৰাযন্ত্ৰৰ ব্যৱহাৰ, সংবাদপত্ৰৰ প্ৰচাৰ, বৈজ্ঞানিক চিন্তাধাৰাৰ উৎকৰ্ষ সাধন আৰু ব্যক্তি স্বাতন্ত্ৰ্যৰ প্ৰতিষ্ঠাই সৃষ্টি আৰু বিকাশত অনুকূলতা প্ৰদান কৰে।

উপন্যাস হ'ল য'ত এটা বিশ্বাসযোগ্য কাহিনী, পৰিচিত নৰ-নাৰী, সমাজৰ দৈনন্দিন বাস্তৱতা, প্ৰাত্যহিক তুচ্ছতা, মানুহৰ হৃদয়বেদনা আৰু আশা-আকাংক্ষাই সুগঠিত, সুসংহত ৰূপত পৰিস্ফুট হৈ উঠে। ধীৰ, মন্থৰ আৰু পল্লবিত কথা-বিস্তাৰ উপন্যাস-শিল্পৰ প্ৰধান বৈশিষ্ট্য। এই উপন্যাস সাহিত্যৰ উচ্চ-শ্ৰেণীৰ গ্ৰন্থ সৃষ্টি কৰিবলৈ মহাকাব্যৰ দৰেই গভীৰ দৃষ্টি, স্বকীয় প্ৰতিভা আৰু বিচিত্ৰ অভিজ্ঞতাৰ প্ৰয়োজন। সেয়েহে বৈচিত্ৰ্যময় অভিজ্ঞতা আৰু সংঘাতপূৰ্ণ জীৱনধাৰাৰে পৰিপুষ্ট পাশ্চাত্য সাহিত্যত টলষ্টয়, বাল্‌জাক্‌, ডষ্টয়েভ্‌স্কি, গৰ্কী, হেমিংৱে, ভাৰ্জিনিয়া উল্‌ফ, জেমচ্‌ জইচ আদিৰ দ্বাৰা মহৎ আৰু কালজয়ী উপন্যাস সাহিত্য সৃষ্টি হোৱাৰ দৰে ভাৰতীয় বা অসমীয়া সাহিত্যত গতানুগতিক আৰু পৰম্পৰাগত বিধি-নিষেধেৰে আবৃত জীৱনধাৰাৰ বাবে চিৰায়ত মূল্যৰ (Classic Writings) উপন্যাস সৃষ্টি অদ্যাৱধি হোৱা নাই।

যুদ্ধোত্তৰ যুগৰ অসমীয়া উপন্যাসত পাশ্চাত্যৰ উপন্যাস সাহিত্যৰ পৰা ভিন্ন ধাৰাত প্ৰবাহিত হোৱা যিবোৰ সাদৃশ্য অথবা প্ৰভাৱ প্ৰধানতঃ (১) ভাৱধাৰা বা বিষয়বস্তু

(২) আংগিক আৰু (৩) কাহিনীৰ ক্ষেত্ৰত আমাৰ পৰিলক্ষিত হৈছে—সেইবোৰ উপন্যাসহে আমাৰ আলোচ্য বিষয়বস্তু। সম্পূৰ্ণই নকল বা হুবহু প্ৰতিকৃতি সদৃশ উপন্যাস সমূহ উপন্যাসিকৰ স্বকীয় দক্ষতা অথবা সৃষ্টিশীল প্ৰতিভা প্ৰকাশৰ অভাবৰ দোষত এই আলোচনাৰ পৰিসৰৰ বহিভূ্ৰ্ত। কোনো পাশ্চাত্য উপন্যাসিক বা পাশ্চাত্যৰ বিশেষ ভাৱধাৰাৰ প্ৰতি উদ্বুদ্ধ হৈ কোনো অসমীয়া উপন্যাসিকে যদি স্বকীয় প্ৰতিভাৰে সেই ভাৱধাৰাক নিজস্ব সাংস্কৃতিক বা সামাজিক পৰিবেশৰ সতে একাত্মতা স্থাপন কৰাই বিশিষ্ট চৰিত্ৰাঙ্কনেৰে উপন্যাস সৃষ্টি কৰাত সফলতা অৰ্জন কৰিছে, তেনেবোৰ উপন্যাসহে আমাৰ আলোচনাৰ মাজলৈ আনিম। অৱশ্যে সফল, সৰ্বাঙ্গ সুন্দৰ উপন্যাস-সৃষ্টিৰ বাবে পাশ্চাত্য লিখকৰ উপন্যাস অধ্যয়নৰ প্ৰয়োজনীয়তা বা বাধ্য বাধকতা শিক্ষিত যুৱক-যুৱতীক মানসিক বিকাশৰ স্তৰত সম্পূৰ্ণভাৱে পাশ্চাত্য সাহিত্যৰ সতেহে পৰিচয় কৰি দিয়া শিক্ষানীতিৰ পৰাই ই সহজে অনুমেয় আৰু সেয়েহে স্বয়ংক্ৰিয়ভাবেই ৰচনা-শৈলী, আংগিক আদিত প্ৰভাৱ পৰাটো স্বাভাৱিক বুলিব পাৰি।

যুদ্ধোত্তৰ যুগৰ অসমীয়া ঔপন্যাসিক সকলৰ ভিতৰত পাশ্চাত্যৰ বিংশ শতাব্দীৰ প্ৰথমাৰ্দ্ধৰ 'আধুনিকতাবাদী আন্দোলন'ৰ স্পষ্ট আৰু সুদূৰপ্ৰসাৰী প্ৰভাৱ প্ৰথমবাৰৰ বাবে পৰিলক্ষিত হয় ডঃ প্ৰফুল্ল দত্ত গোস্বামীৰ 'কেঁচা পাতৰ কঁপনি' (১৯৫২) উপন্যাসখনিত। মূলতঃ মানুহৰ নিসঙ্গতাবোধ, মানসিক অস্থিৰতা আৰু বিষণ্ণতা প্ৰকাশেই এই আন্দোলনৰ মূল লক্ষ্য আৰু উদ্দেশ্য আছিল। প্ৰথম বাৰৰ বাবে চৰিত্ৰ বিশ্লেষণৰ ওপৰত জোৰ দিয়া এই উপন্যাসখনত বৰ্তমান যুগত ৰায়তৰ খাজনা তোলা সমস্যা, ব্যৱসায়ত অপাৰগতা আৰু তাৰ ফলত মানসিক অশান্তি, শিল্পীৰ সংস্পৰ্শ, নাৰীৰ প্ৰতি প্ৰেম আদিক কেন্দ্ৰ কৰি বিভিন্ন পৰিবেশৰ মাজত নায়ক উৎপলৰ মানসিক অস্থিৰতা সুন্দৰকৈ প্ৰতিফলিত হৈছে। মানুহৰ মনৰ এই অস্থিৰতা দূৰীকৰণৰ সম্পৰ্কত সমাজক চিন্তা কৰিবলৈ বাধ্য কৰাইছে আৰু বিষাদ, নিসংগতাৰে উপন্যাসখনিৰ পৰিসমাপ্তি ঘটাই অসমীয়া উপন্যাসত আধুনিকতাবাদী ভাৱধাৰা, বিষয়বস্তু আৰু আংগিকৰ ক্ষেত্ৰত প্ৰথম স্ফূৰণ ঘটালে।

পাশ্চাত্যৰ বিংশ শতাব্দীৰ প্ৰথমাৰ্দ্ধত (১৯০১-১৯৫০) গঢ়ি উঠা আন এটি উল্লেখযোগ্য সাহিত্যিক আন্দোলন 'প্ৰগতিবাদী আন্দোলনৰ বিশাল ক্ষেত্ৰৰ পৰা অসমীয়া উপন্যাস-সাহিত্যলৈ প্ৰগতিবাদী ভাৱধাৰা আমদানিৰ বিষয়ত ডঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য অন্যতম। প্ৰগতিবাদী সকল মাৰ্ক্সবাদী আৰু সমাজবাদী ভাৱধাৰাৰ পৃষ্ঠপোষক। পুঁজিবাদৰ বিৰুদ্ধাচৰণ প্ৰগতিবাদী সকলৰ নীতি। মূলতঃ ৰাজনৈতিক ঔপন্যাসিক ডঃ ভট্টাচাৰ্য্যৰ সৃষ্টিসমূহ বৈজ্ঞানিক সমাজবাদ অথবা মাৰ্ক্সীয় সমাজবাদ আৰু গণতান্ত্ৰিক সমাজবাদ বিধৰ ৰাজনৈতিক আদৰ্শৰ।

বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ প্ৰথম উপন্যাস 'ৰাজপথে ৰিঙিয়ায়' (১৯৫৫)ত ভাৱধাৰা বা বিষয়বস্তুগত সাদৃশ্য বা প্ৰভাৱৰ ক্ষেত্ৰত নায়ক মোহনৰ জীৱনৰ কাৰ্য-কলাপত সদ্য স্বাধীনতাপ্ৰাপ্ত চৰকাৰৰ পুঁজিবাদৰ প্ৰতি পৃষ্ঠপোষকতা, ঔপনিবেশিক অৰ্থনীতি, শোষণ আদিৰ প্ৰতি আদৰ্শগত বিৰোধ প্ৰকাশ হৈ মাৰ্ক্সীয় সমাজবাদী ভাৱধাৰাৰ প্ৰচাৰ ঘটাইছে। নায়ক মোহনৰ অসমাপ্ত ভাষণৰ জৰিয়তে লেখকৰ নিজৰ সমাজবাদী ভাৱধাৰা আৰু কংগ্ৰেছী চৰকাৰৰ সমাজবাদ প্ৰতিষ্ঠাৰ অক্ষমতা প্ৰকাশিত হৈছে।

আংগিকৰ ক্ষেত্ৰত 'মাথোন এটা দিনৰ কাহিনী লোৱা' এই বিশিষ্ট প্ৰকাশ ৰীতিটোত ভাৰ্জিনিয়া উল্‌ফৰ 'মিছেজ ডেলৱে' (Mrs Dalway 1925) আৰু জেম্‌চ জইচৰ 'ইউলিচিজ' (Ulysses, 1922)ৰ প্ৰভাৱ পৰিলক্ষিত হয়। জেম্‌চ জইচে মুঠেই ষোল্ল ঘণ্টামানৰ কাহিনী লোৱাৰ দৰে ভট্টাচাৰ্য্যইও পুৱাৰ পৰা গধূলি জেললৈ যোৱালৈকে এই সময়ছোৱাকে সময়সীমা হিচাপে লৈছে। অৱশ্যে আংগিক হিচাপে চেতনা প্ৰোত পদ্ধতিৰ (Stream of Conciquence) বিমূৰ্ত প্ৰকাশ জইচ্

আৰু উল্‌ফৰ উপন্যাসত হোৱাৰ দৰে ভট্টাচাৰ্য্যৰ উপন্যাসত সুন্দৰ প্ৰতিফলন ঘটা নাই।

১৯৭০ চনত প্ৰকাশিত পৰবৰ্তী উপন্যাস প্ৰতিপদতো বৈজ্ঞানিক সমাজবাদী ভাৱধাৰাই অভিব্যক্তি লাভ কৰি শেষত গণতান্ত্ৰিক সমাজবাদ ভিত্তিক ৰাষ্ট্ৰীয়তা, দেশপ্ৰেম আদিৰ সতে আপোচ কৰি পৰিসমাপ্তি লাভ কৰিছে। প্ৰধান চৰিত্ৰ ডিম্বেশ্বৰ বা গিয়াছুদ্দিনে চিৰাচৰিত সামাজিক প্ৰথাৰ বিৰুদ্ধাচৰণেৰে মাৰ্ক্সীয় ভাবাদৰ্শৰ নতুন সমাজ সৃষ্টিৰ সংগ্ৰাম কৰিছে।

আংগিকৰ ক্ষেত্ৰত চেতনা আৰু ভাৱৰ প্ৰকাশ আৰু সংলাপৰ মাজেদি চৰিত্ৰ যেনেকৈ প্ৰস্ফুটিত হৈছে, উপন্যাসৰ প্লটো তেনেকৈ তাৰ মাজেদিয়েই বিকশিত হৈছে—অসমীয়া উপন্যাসত এনে ধৰণৰ নতুন আংগিক মাৰ্কিন ঔপন্যাসিক আৰ্নেষ্ট হেমিংৱেৰ 'ফৰ হুম দা বেল ট'লচ' (১৯৪০)ৰ আংগিকৰ দ্বাৰা প্ৰভাৱান্বিত হৈছে।

সাম্প্ৰতিক ভাৰতীয় সাহিত্যত জ্ঞানপীঠ বঁটা অৰ্জনেৰে বিশিষ্ট স্থান দখল কৰিবলৈ সমৰ্থ হোৱাৰ মূলতে ডঃ ভট্টাচাৰ্য্য ৰচিত ৰাজনৈতিক উপন্যাস মৃত্যুঞ্জয় (১৯৭০)। এই উপন্যাসখনিত আৰ্নেষ্ট হেমিংৱেৰ 'ফৰ হুম দা বেল টল্‌ছ' গ্ৰন্থখনিৰ সুস্পষ্ট প্ৰভাৱ মূলতঃ কাহিনীৰ ক্ষেত্ৰতেই পৰিলক্ষিত হয়। অৱশ্যে আংগিকৰ ক্ষেত্ৰত এই প্ৰভাৱ বিশেষ উল্লেখযোগ্য নহয়। সমালোচক ডঃ গোবিন্দ প্ৰসাদ শৰ্মাই ইতিমধ্যে 'মৃত্যুঞ্জয়'ত হেমিংৱেৰ সুখকৰ প্ৰভাৱ বীৰেন্দ্ৰ কুমাৰ ভটাচাৰ্য্যাই কিদৰে প্ৰয়োগ কৰিলে, তেওঁৰ গ্ৰন্থত বিতংভাৱে আলোচনা কৰিছে। ভট্টাচাৰ্য্যাই অৱশ্যে হেমিংৱেৰ উক্ত গ্ৰন্থখনিৰ 'দেৱ-দুন্দুভি বাজে কাৰ বাবে' নামেৰে অনুবাদ আগবঢ়াইছিল। হেমিংৱেৰ উপন্যাসখনিৰ কাহিনীৰ সতে মৃত্যুঞ্জয়ৰ কাহিনীভাগৰ সাদৃশ্যৰ উদাহৰণ কেইটিমান হ'ল—স্পেইনৰ গৃহযুদ্ধৰ সময়ত (১৯৩৬-৩৭) ৰিপাব্লিকান দলৰ নিৰ্দেশ অনুসৰি এটি গেৰিলা দলে এখন দলং বোমাৰে উৰুৱাই দিছে আৰু ইয়াকে কৰোতে দলটোৰ কেন্দ্ৰীয় চৰিত্ৰ ৰবাৰ্ট জৰ্ডান মাৰাত্মকভাৱে আহত হৈ মৃত্যুমুখত পৰিছে – ঠিক তেনেদৰেই মৃত্যুঞ্জয়তো স্বাধীনতা আন্দোলনৰ এটা বিশেষ পৰিস্থিতিত সহিংস উপায় অৱলম্বন কৰা কেতবোৰ যুঁজাৰুৱে গেৰিলা উপায়ে ৰেল লাইনৰ চিৰি খুলি ৰেল এখন বগৰাইছে আৰু ইয়াৰ বাবে প্ৰধান চৰিত্ৰ ধনপুৰ মাৰাত্মকভাৱে আহত হৈ মৃত্যুমুখত পৰিছে। ইয়াৰ উপৰিও হেমিংৱেৰ এই উপন্যাসত ৰবাট জৰ্ডানে শত্ৰুৰ হাতত নিপীড়িত, লাঞ্ছিত আৰু সতীত্বহাৰা হোৱা ছোৱালী মেৰিয়াক ভাল পাই বিয়া কৰাবলৈ সিদ্ধান্ত লৈছে। মৃত্যুঞ্জয়তো ধনপুৰে বৃটিছ চৰকাৰৰ সৈন্যৰ হাতত নিপীড়িত, লাঞ্ছিত আৰু সতীত্বহাৰা হোৱা ছোৱালী সুভদ্ৰাক ভাল পাই বিয়া কৰাবলৈ সিদ্ধান্ত লৈছে। দুয়োখন উপন্যাসৰে চূড়ান্ত ঘটনাটোৰ পটভূমি প্ৰায় একে—পৰ্বতীয়া হাবি। তদুপৰি মৃত্যুক্ষণ গণি থকা দুয়োটা প্ৰধান চৰিত্ৰৰ শাৰীৰিক আৰু মানসিক অৱস্থাৰ সাদৃশ্যও উল্লেখযোগ্য। মুঠতে সামগ্ৰিকভাৱে কাহিনীৰ জুমুঠি আৰু প্ৰধান চৰিত্ৰ বিশেষৰ ভূমিকা আৰু পৰিণতিৰ বহুলাংশ দুয়োখন উপন্যাসতে প্ৰায় একেই যদিও ভট্টাচাৰ্য্যদেৱৰ দক্ষতাত ভাৰতীয় সমাজ প্ৰধানতঃ অসমৰ বৈষ্ণৱ পৰম্পৰা, স্বাধীনতা আন্দোলনৰ স্পষ্ট চিত্ৰ এখনি সম্পূৰ্ণ ভাৰতীয় পটভূমিত নিখুঁটভাৱে অঙ্কণ কৰি মৃত্যুঞ্জয়ক এখন অনন্য উপন্যাসৰূপে চিহ্নিত কৰিলে। সেয়েহে মৃত্যুঞ্জয় হেমিংৱেৰ উপন্যাসৰ অবিকল নকল নহয়—ভাৰতীয় লেখকৰ ওপৰত পৰা পাশ্চাত্য লিখকৰ সুখকৰ প্ৰভাৱৰ ফলশ্ৰুতিহে।

যুদ্ধোত্তৰ যুগৰ অসমীয়া উপন্যাসত অস্তিত্ববাদ আৰু ফ্ৰয়েডীয় মনস্তত্ত্বৰ লেখীয়া পাশ্চাত্যবাদী ভাৱধাৰাৰ প্ৰভাৱ প্ৰকট হৈ উঠিছে ঔপন্যাসিক হোমেন বৰগোহাঞিৰ উপন্যাস সমূহত। বহু পৰিমাণে D. K. Lord দেহজ অতীন্দ্ৰিয়বাদ ভাবৰো উন্মেষ ঘটোৱা বৰগোহাঞিয়ে পূৰ্বৰ 'Essence Precedes Existence' (পৰম্পৰাগত দৰ্শন) ভাৱৰ বিপৰীতে জঁ পঁল ছাত্ৰেৰ 'Existence Precedes Esence' ভাৱধাৰাৰহে অনুগামী হৈ অস্তিত্ববাদ

# ভূমিকম্প, আতংক আৰু অসম

□ অভিজিৎ বৰঠাকুৰ
স্নাতক, তৃতীয় বাৰ্ষিক

দুৰ্যোগ বুলিলেই ভয়াবহ। ভয়াবহতাকে কঢ়িয়াই অনা এক প্ৰাকৃতিক দুৰ্যোগ ভূমিকম্প। জনসাধাৰণৰ মনত এক অনিশ্চয়তা, এক আতংক সদায় বিৰাজমান। ইয়াৰ ইন্ধন যোগাই আহিছে বিভিন্নজনে ভূমিকম্পৰ বিষয়ে আগতীয়াকৈ দিয়া মন্তব্যবোৰে। ১৯৮০ চনত সমগ্ৰ অসমত আৰু ১৯৮৭ চনৰ মাজভাগত অসমত, বিশেষকৈ ধেমাজী অঞ্চলত দুটা প্ৰলয়ংকাৰী ভূমিকম্প হ'ব বুলি কৰা মন্তব্যই সাধাৰণ জনগণকে নেলাগে সকলো মানুহৰ মনতে আতংকৰ ভাৱ সুমুৱাই দিয়ে। প্ৰকৃততে এই প্ৰাকৃতিক দুৰ্যোগবোৰ কেনে ধৰণে হয়, ইয়াৰ পৰা হ'ব পৰা বিপদ, ল'ব লগা সাৱধানতা আৰু ইয়াক আগতীয়াকৈ ধৰা পেলোৱাৰ উপায়, সম্ভাৱনাবোৰৰ বহুল আলোচনা আৰু প্ৰচাৰ নোহোৱাটোৱে এই আতংক, অনিশ্চয়তা বৃদ্ধিৰ বাট মুকলি কৰি ৰাখিছে।

গভীৰতাৰ ওপৰত ভিত্তি কৰি ভূমিকম্পসমূহক সাধাৰণতে তিনিটা ভাগত ভগোৱা হয়—গভীৰ, মধ্যৱৰ্তী আৰু অগভীৰ কেন্দ্ৰীক। এতিয়ালৈকে পৃথিৱীৰ বিভিন্ন ঠাইত হোৱা ভূমিকম্পসমূহৰ বিশ্লেষণৰ দ্বাৰা দেখা গৈছে যে পৃথিৱীৰ তিনিটা খণ্ড বা বলয়ত গভীৰ ভূমিকম্পৰ উৎপত্তি হয়। প্ৰথম বলয়ত পৃথিৱীৰ শতকৰা প্ৰায় ৮০ ভাগ গভীৰ ভূমিকম্প হয়। এই বলয়ৰ অন্তৰ্ভুক্ত অঞ্চল সমূহ হ'ল—দক্ষিণ আৰু উত্তৰ আমেৰিকাৰ উপকূল অঞ্চল, জাপান, ফিলিপাইন দ্বীপপুঞ্জ হৈ দক্ষিণ প্ৰশান্ত মহাসাগৰ। দ্বিতীয় বলয়ত আছে—ইণ্ডোনেছিয়া, আন্দামান নিকোবৰ দ্বীপপুঞ্জ, ব্ৰহ্মদেশ, হিমালয়, ভাৰতবৰ্ষৰ কিছু অংশ, গ্ৰীছ আৰু ফ্ৰান্স হৈ স্পেইন। তৃতীয় বলয় হ'ল—মধ্য আটলাণ্টিক গিৰিসিকা।

সাধাৰণতে গভীৰ ভূমিকম্পবোৰৰ আগে পিছে কিছুমান কম শক্তিৰ ভূমিকম্প হোৱা দেখা যায়। এইবোৰক ক্ৰমে অগ্ৰ-প্ৰঘাত আৰু পশ্চাৎ-প্ৰঘাত বুলি কোৱা হয়। অগ্ৰ প্ৰঘাত নাথাকিলেও গভীৰ ভূমিকম্পবোৰৰ পশ্চাৎ প্ৰঘাত থাকেই। তথাপিও এই প্ৰঘাতবোৰৰ মূল ভূমিকম্পৰ লগত কিবা সম্বন্ধ আছে নে নাই নে ইইঁত স্বতন্ত্ৰ তাক সঠিককৈ ক'ব পৰা নেযায়।

পৃথিৱীৰ বিভিন্ন প্ৰলয়ংকাৰী ভূমিকম্পসমূহৰ ভিতৰত ১৮৯৭ চনৰ ১২ জুনত অবিভক্ত অসমৰ ভূমিকম্প, ১৯০৬ চনৰ ১৮ এপ্ৰিলত মাৰ্কিন যুক্তৰাষ্ট্ৰৰ ছানফ্ৰান্সিস্কোৰ ভূমিকম্প, ১৯৩৪ চনৰ ১৫ জানুৱাৰীত বিহাৰ, নেপালৰ ভূমিকম্প, ১৯৫০ চনৰ স্বাধীনতা দিৱসৰ দিনা সন্ধ্যা হোৱা অসমৰ ভূমিকম্প, ১৯৬০ চনৰ ২১, ২২ মে'ৰ চিলিৰ ভূমিকম্প আৰু ১৯৭৬ চনৰ ২৮ জুলাইত হোৱা চীনদেশৰ টাংচান ভূমিকম্প উল্লেখযোগ্য। এই সমূহে একো একোটা

অঞ্চলৰ প্ৰচুৰ ক্ষতিসাধন কৰিছে। টাংচান ভূমিকম্পই অতি কমেও ৬,৫২,০০০ জন ব্যক্তিৰ প্ৰাণ নাশ কৰিছে। এই ভূমিকম্পতেই বহুতো খনিৰ ভিতৰত পানী সোমাই যোৱাৰ ফলত (৮৪ নিযুত টন) প্ৰচুৰ ক্ষতি সাধন হয়। বিহাৰৰ ভূমিকম্পত প্ৰায় ৩২০ কিলোমিটাৰ অঞ্চল বালিয়ে ঢাকি ধৰিলে। তলৰ পৰা ওলোৱা বালি আৰু বোকা পানীয়ে খেতিপথাৰ নষ্ট কৰিছিল আৰু প্ৰায় ১০ হেজাৰ মানুহৰ জীৱন হানি হয়। এই ভূমিকম্পতেই গংগা নদীৰ পানী কোনো কোনো ঠাইত ক্ষন্তেক সময়ৰ বাবে নোহোৱা হৈছিল। চিলিৰ ভূমিকম্পই সমুদ্ৰত চুনামি (tsunami) নামৰ প্ৰকাণ্ড ঢৌৰ সৃষ্টি কৰিছিল যাৰ ফলস্বৰূপে সাগৰৰ ঢৌৱে হাৱাই দ্বীপপুঞ্জ আৰু জাপানকো ক্ষতি সাধন কৰে। এই ভূমিকম্পতো বহুতো লোকে প্ৰাণ হেৰুৱায়। প্ৰশান্ত মহাসাগৰৰ ৫ কিলোমিটাৰ গভীৰ পানীত চুনামিটোৰ বেগ প্ৰতি ঘণ্টাত ৮০০ কিলোমিটাৰ।

অসমকে ধৰি সমগ্ৰ উত্তৰ পূৰ্বাঞ্চল দ্বিতীয় বলয়ৰ অন্তৰ্ভূক্ত। এই অঞ্চলত ১৮৯৭ চন আৰু ১৯৫০ চনত দুটা ডাঙৰ ভূমিকম্প হৈ গৈছে। ইতিমধ্যে ১৯৮০ চনত আন এটা ডাঙৰ ভূমিকম্পৰ আশা কৰা হৈছিল যদিও সেইটো হৈ নুঠিল। ১৯৮৭ চনৰ জুলাই মাহত অসমত, বিশেষকৈ ধেমাজি অঞ্চলত এটা ডাঙৰ ভূমিকম্প হ'ব বুলি আশংকা কৰা হৈছিল। নিৰ্দ্ধাৰিত সময়সীমা অতিক্ৰম কৰিলে যদিও এই ভূমিকম্প নহয় বুলি ন দি কব পৰা নহয়।

১৮৯৭ চনৰ ১২ জুনৰ সন্ধ্যা অবিভক্ত অসমত এটা প্ৰলয়ংকাৰী ভূমিকম্প হয়। অসমৰ বিশেষকৈ দক্ষিণ-পশ্চিমাঞ্চল বিশেষভাৱে ক্ষতিগ্ৰস্ত হয়। পৃথিবীৰ উপৰি ভাগৰ সকলো বস্তুকে পৃথিবীৰ কেন্দ্ৰৰ ফালে এটা বলে অনবৰতে টানি আছে যিটোক মাধ্যাকৰ্ষণিক বল বুলি কোৱা হয়। এই ভূমিকম্পৰ উলম্ব ত্বৰণ ইমান বেছি আছিল যে ই মাধ্যকৰ্ষণিক ত্বৰণকো চেৰ পেলাইছিল আৰু খাছী পাহাৰৰ বহুতো শিল বহুত দূৰৈত ছিটিকি পৰিছিল। ব্ৰহ্মপুত্ৰৰ তলিখন এই ভূমিকম্পই কিছু ওপৰলৈ উঠাই দিয়ে যাৰ ফলস্বৰূপে সেই বছৰ অসমত অভাৱনীয় বানপানী হৈছিল। কামৰূপ জিলাৰ চান্দডুবি নামৰ বিলখন এই ভূমিকম্পৰে সৃষ্টি বুলি কোৱা হয়।

অসমৰ দ্বিতীয়টো প্ৰলয়ংকাৰী ভূমিকম্প হৈছিল ১৯৫০ চনৰ ১৫ আগষ্টৰ দিনা। এই ভূমিকম্পই লক্ষীমপুৰ, ডিব্ৰুগড়, শিৱসাগৰ আৰু যোৰহাট জিলাৰ প্ৰচুৰ ক্ষতি কৰে। এই ভূমিকম্পতে কিছু সময়ৰ বাবে ব্ৰহ্মপুত্ৰৰ সোঁতৰ দিশ ওলোটা হয়। বহুতো গছ-গছনিয়ে ব্ৰহ্মপুত্ৰ আৰু উপনৈসমূহ ভৰি পৰাত ঠায়ে ঠায়ে বানপানী (বিশেষকৈ সোৱণশিৰিত) আৰু ঠায়ে ঠায়ে ক্ষন্তেক সময়ৰ বাবে পানী শুকাই যোৱা দেখা গৈছিল।

দুয়োটা ভূমিকম্পতেই বহুতো লোকৰ প্ৰাণ হানি হয়। বৰ্তমানৰ দৰে ঘন জনবসতি হোৱা হ'লে এই সংখ্যা আৰু বাঢ়িলহেতেন। যোৱা ৩৮ বছৰে অসমত আন ডাঙৰ ভূমিকম্প হোৱা নাই। সেয়ে অসমত এটা ডাঙৰ ভূমিকম্পৰ সম্ভাৱনা নুই কৰিব নোৱাৰি।

১৯৮৭ চনৰ মাজভাগত ধেমাজী অঞ্চলত এটা ডাঙৰ ভূমিকম্প হ'ব বুলি যি ভৱিষ্যত বাণী কৰিছিল তাৰ সত্যতা সম্পৰ্কে বহুলোকৰ বহু দৃষ্টিভঙ্গী দেখা গৈছে। এচাম লোকে ক'ব খোজে যে ইয়াত এক ৰাজনৈতিক চক্ৰৰ হাত আছে। অসমৰ সেই সীমাত কেইবাশ কোটি টকা ব্যয় সাপেক্ষ যি বিদ্যুৎ প্ৰকল্পৰ কাম হাতত লোৱা হৈছিল, সেই ব্যৱস্থাই অসমক বিদ্যুৎ শক্তিৰ ক্ষেত্ৰত এক আগবঢ়া ৰাজ্য কৰি তুলিব। ইয়াৰ আন এটা সুফল হব—বানপানী প্ৰতিৰোধ। এইচাম লোকে ক'ব খোজে যে অসমত ইমান ব্যয়বহুল আঁচনিখন কাৰ্য্যকৰী কৰাৰ একান্ত অনিচ্ছাৰ বাবেই কেন্দ্ৰই তেওঁলোকৰ দ্বাৰা নিয়োজিত ভূতত্ত্ববিদৰ দ্বাৰা এনে প্ৰচাৰ কৰি আঁচনিখন কাৰ্যকৰী কৰাত বাধা প্ৰদান কৰিছে। ই কিমান দূৰ সত্য তাক ন দি ক'ব নোৱাৰি।

আন এটা দিশৰ পৰা দেখা যায়—নিৰ্দ্ধাৰিত সময়

ইতিমধ্যে পাৰ হৈ গৈছে। ১৯৮৭ চনৰ জুলাই মাহৰ পৰা ইমান দিন পিছত আমি এক প্ৰকাৰ নিশ্চিত হ'ব পাৰো নেকি যে সময়সীমা অতিক্ৰম কা এই বক্তব্যৰ মূল্য খুব কম?

কিন্তু এনে চিন্তাই সকলোলৈকে বিপদ চপাই আনিব পাৰে। ইতিমধ্যে উল্লেখ কৰা 'অগ্ৰ-প্ৰঘাত' কথা মন কৰিবলগীয়া। ১৯৮৮ চনৰ আৰম্ভনিৰে পৰা দুই এটা মৃদু ভূমিকম্প হোৱা আমি গম পাইছো। ইয়াৰ বাহিৰেও জনসাধাৰণে গম নোপোৱা অথচ নিৰীক্ষণ কেন্দ্ৰই ধৰা পেলোৱা কম্পন সৃষ্টিও নুই কৰিব নোৱাৰি। যদি অগ্ৰ-প্ৰঘাত হিচাপেহে এই মৃদু কম্পনসমূহ হৈছে, তেনেহলে আমি এক প্ৰলয়ংকাৰী ভূমিকম্পক গ্ৰহণ কৰিবলৈ সচেতন হবৰ হ'ল। কাৰণ এনে ভূমিকম্পই বিপদকে কঢ়িয়াই আনিব—ই নিশ্চিত।

আনহাতেদি ৩৮ ছৰ বিৰতৰ পিছত এটা ডাঙৰ ভূমিকম্প হোৱাৰ সম্ভাৱনা নোহোৱা নহয়। ভূমিকম্প সম্পৰ্কে কৰা ভবিষ্যত বাণীসমূহ আগেয়ে হৈ যোৱা ভূমিকম্প সমূহৰ অধ্যয়নৰ ফলশ্ৰুতি। কিন্তু ইয়াৰ দ্বাৰা কব পৰা নেযায় যে এই ধাৰণা সমূহৰ সকলোবোৰ শুদ্ধ। এই বিদ্যা এতিয়াও লৰালি অৱস্থাতে আছে। পূৰ্বৰ ভূমিকম্প সমূহৰ অধ্যয়ন আৰু একোটা অঞ্চলৰ ভূকম্পনজনিত বিবৰ্তনৰ অধ্যয়নৰ দ্বাৰা ভূমিকম্পৰ পৰিমাণ, সময়, স্থান আদি আগতীয়াকৈ নিৰূপন কৰা হয়। কিন্তু এই সকলোবোৰ আপেক্ষিকহে। আন এটা কথা এই ক্ষেত্ৰত মন কৰিবলগীয়া। ভবিষ্যত বাণীবোৰ সকলো সঠিক নহয়। যেনেকৈ এটা ভবিষ্যত বাণী সঠিক সময়ত ফলিয়াব পাৰে ঠিক তেনেকৈয়ে ই পলমকৈ ফলিয়াব অথবা নফলিয়াবও পাৰে। ভূমিকম্প সম্পৰ্কে সঠিক আগজাননী দি ১৯৭৫ চনৰ ৪ ফেব্ৰুৱাৰী আৰু ১৯৭৬ চনৰ ২৯ মে'ৰ ভূমিকম্প দুটাৰ ধ্বংস লীলাৰ পৰা চীন দেশক ৰক্ষা কৰা হয়। কিন্তু সেই চীন দেশতে ১৯৭৬ চনৰে ২৮ জুলাইৰ টাংছান ভূমিকম্পৰ আগজাননী সঠিককৈ দিব নোৱাৰাত ধ্বংসলীলা চলা দেখা যায়। সেয়ে অসমৰ ক্ষেত্ৰতো যদি ভবিষ্যত বাণীটো সঠিক নহয় বুলি ধৰা হয়, তেনেহলে এটা ডাঙৰ ভূমিকম্প হোৱা বা নোহোৱাৰ সম্ভাৱনা সমান পৰিমাণৰ। আন এটা কথা মন কৰিবলগীয়া যে অসম দ্বিতীয় ভূমিকম্প বলয়ৰ অন্তৰ্ভূক্ত।

এই ক্ষেত্ৰত অসমৰ জনসাধাৰণৰ সন্মুখত এটাই পথ আছে। ভূমিকম্প এটা হ'ব বুলি সকলো লোকে লব লগা সাৱধানতাখিনি লব লাগে। অন্যথাই, অৱহেলাই একোটা বিপদ সহজেই ঘটাব পাৰে। ভূমিকম্প হব বুলি সাৱধান হবলৈ কোৱা হয় যদিও কেনে ধৰণৰ সজাগতা জনসাধাৰণৰ বাবে আৱশ্যক তাৰ ব্যাখ্যাৰ অভাৱ। এই ক্ষেত্ৰত বিজ্ঞলোকসকলৰ সহযোগিতা একান্ত বাঞ্চনীয়। ভূমিকম্পই সহজে ক্ষতি কৰিব পৰা এক লক্ষ্য হ'ল ডাঙৰ ডাঙৰ নিৰ্মাণ কাৰ্যবোৰ। সেই বুলি ভূমিকম্পৰ আশংকাত এই সমূহৰ নিৰ্মাণ বন্ধ কৰিব নোৱাৰি। ভূমিকম্প উপদ্ৰুত অঞ্চল জাপান আৰু কেলিফৰ্ণিয়াত জানো বৃহৎ নিৰ্মাণ কাৰ্যবোৰ হোৱা নাই? এই ক্ষেত্ৰত প্ৰধান উপায়—বিজ্ঞানসন্মত দৃষ্টিভঙ্গী। এই নিৰ্মাণ কাৰ্যবোৰ ভূমিকম্পই সহজে অনিষ্ট কৰিব নোৱাৰাকৈ বিজ্ঞানসন্মত হোৱা দৰকাৰ। ইয়াৰ বাহিৰেও ভূমিকম্পৰ সময়ত তাৎক্ষনিক ভাবে হব পৰা ক্ষতিৰ ক্ষেত্ৰ সমূহ হ'ল—বিদ্যুৎ যোগান, পানী যোগান, পথ যোগাযোগ আৰু বানপানী। এইসমূহৰ বাবে সেই সময়ত আগবঢ়াব পৰা বিকল্প ব্যৱস্থাসমূহ যুগুতাই ৰখা আৱশ্যক। ইয়াৰ লগতেই প্ৰাণহানিৰ ভয়াবহতা আছে। এই ভয়াবহতা দূৰীকৰণৰ একমাত্ৰ উপায় হ'ল—জনসাধাৰণৰ মাজত বিজ্ঞানসন্মত চিন্তাধাৰাৰ বহুল প্ৰচাৰ। আমি নিশ্চিত যে ১৯৮৭-৮৮ চনৰ ভূমিকম্পটো নহ'লেও দ্বিতীয় বলয় ভুক্ত অসমক এটা ডাঙৰ ভূমিকম্পই অচিৰেই কম্পিত কৰিবই। □□

# কটন কলেজ, মাণিক চন্দ্ৰ বৰুৱা আৰু আজিৰ কটনিয়ান

☐ কেশৱ গগৈ
স্নাতক, তৃতীয় বাৰ্ষিক

জাতিৰ দুৰ্যোগপূৰ্ণ মূহূৰ্তত কেতিয়াবা কেতিয়াবা একোজন বীৰ পুৰুষৰ জন্ম হোৱাটো সেই জাতিৰ বাবে অতি গৌৰব আৰু সৌভাগ্যৰ বিষয়। যাৰ ধ্যান-ধাৰণা, সমস্ত জীৱনৰ চিন্তা আৰু কৰ্ম উৎসৰ্গীকৃত হয় দেশৰ কল্যাণৰ কাৰণে। অসমৰ বিভিন্ন দিশৰ উন্নতিৰ বাট-কটীয়া স্বৰূপে অসমীয়া জাতিয়ে লাভ কৰিছিল তেনে এজন কৰ্মপটু আৰু বীৰ পুৰুষ মাণিক চন্দ্ৰ বৰুৱাক। এই পুৰুষ জনৰ জন্ম হৈছিল ১৮৫১ চনৰ ৪ ছেপ্টেম্বৰ তাৰিখে নগাঁৱত। মাণিক চন্দ্ৰ বৰুৱাৰ পিতৃৰ নাম আছিল হৰিৰাম বৰুৱা। মাণিক চন্দ্ৰ বৰুৱাৰ দেউতাক হৰিৰাম বৰুৱাই নগাঁৱত চিৰাস্তাদাৰৰ কাম কৰিছিল। সৰুৰে পৰা ভোগ বিলাসত ডাঙৰ দীঘল হোৱা মাণিক চন্দ্ৰ বৰুৱাৰ প্ৰকৃতি আছিল ধীৰ আৰু চিন্তাশীল। দেউতাক নগাঁৱৰ পৰা গুৱাহাটীলৈ বদলি হৈ আহিব লগা হোৱাত মাণিক চন্দ্ৰৰ স্কুলীয়া জীৱন গুৱাহাটীতে আৰম্ভ হয়। মাণিক চন্দ্ৰ বৰুৱা সৰুৰেপৰাই পঢ়া-শুনাত বৰ আগ্ৰহী আছিল। বৰ বেছি মেধাসম্পন্ন ছাত্ৰ নাছিল যদিও পঢ়াৰ প্ৰতি তেওঁৰ একাগ্ৰতা কেতিয়াও কমা নাছিল। তেওঁৰ স্মৃতি শক্তি অতি প্ৰখৰ আছিল। মাণিক চন্দ্ৰ বৰুৱাৰ চিন্তাশীল প্ৰকৃতিয়ে সেই সময়ৰ সামাজিক গোড়ামিক সমৰ্থন কৰিব পৰা নাছিল। পৰৱৰ্তী কালত মাণিক চন্দ্ৰ বৰুৱাই সেই সময়ৰ ৰক্ষণশীল অসমীয়া সমাজৰ তুলনাত অধিক স্বাধীন-চিতীয়া আৰু উদাৰ পন্থী মনৰ অধিকাৰী হবলৈ সক্ষম হৈছিল।

হাইস্কুলীয়া শিক্ষা সাং কৰি উচ্চশিক্ষাৰ বাবে মাণিক চন্দ্ৰ বৰুৱা আৰু জগন্নাথ বৰুৱাই এম-এ পৰীক্ষাত প্ৰতিযোগিতামূলক জলপানি লাভ কৰি কলিকতাৰ প্ৰেচিডেঞ্চি কলেজত নাম লেখেগৈ। সেই সময়ত কলিকতা আছিল ভাৰতীয় সাহিত্য সংস্কৃতি, শিক্ষা ব্যৱসায় আদিৰ প্ৰাণকেন্দ্ৰ স্বৰূপ। আনহাতে কলিকতা আছিল তেতিয়া ভাৰতৰ ৰাজধানী। কলিকতাৰ এই প্ৰগতিশীল পৰিবেশে মাণিক চন্দ্ৰ বৰুৱা আৰু জগন্নাথ বৰুৱাৰ অন্তৰত গভীৰভাৱে ৰেখাপাত কৰিলে। স্বদেশৰ প্ৰগতি আৰু বিকাশৰ বাবে ডেকা ছাত্ৰ দুজনৰ মন উত্তেজনাত উথলি উঠিল। তাৰ প্ৰমাণ লগে লগেই পোৱা গ'ল। ১৮৭২ চনত মাণিক চন্দ্ৰ বৰুৱা আৰু জগন্নাথ বৰুৱাই অসমৰ কিছুমান পিছপৰি থকা অঞ্চলত ৰেল চলা-চলৰ আৱশ্যকতাৰ কথা কেন্দ্ৰ কৰি অসমৰ অৰ্থনৈতিক, শৈক্ষিক আৰু সামাজিক দিশৰ প্ৰগতিৰ প্ৰতি চৰকাৰে এক বিস্তৃত আঁচনি গ্ৰহণ কৰিব লাগে বুলি দাবী জনাই

এখন স্মাৰক পত্ৰ প্ৰদান কৰে। সেই সময়ত গভৰ্ণৰৰ হাতত স্মাৰক পত্ৰ প্ৰদান কৰা কামটো এতিয়াৰ দৰে সহজ নাছিল। সেই বছৰতে মাণিক চন্দ্ৰ বৰুৱাৰ পিতৃৰ মৃত্যু হোৱাত আৰু তেওঁৰ স্বাস্থ্যৰো শোচনীয় ভাবে অৱনতি হোৱাত কলিকতাৰ শিক্ষা সিমানতে সমাপ্ত কৰি অসমলৈ ঘূৰি আহে। জগন্নাথ বৰুৱাই সেই বছৰতে (বছৰৰ শেষ ভাগত) বি-এ পাছ কৰি আহি উজনি অসমৰ প্ৰথম বি-এ হিচাপে খ্যাতি লাভ কৰে। কলিকতাত থকা কাল ছোৱাত দুয়ো বন্ধুৱে হৃদয়ঙ্গম কৰা উদাৰনৈতিক বাতাবৰণৰ স্বদেশৰ মানুহক প্ৰভাৱিত কৰি জাতিৰ উন্নতিৰ বাবে নতুন দৃষ্টিভঙ্গী গ্ৰহণ কৰিছিল।

মাণিক চন্দ্ৰ বৰুৱাই অসমৰ ব্যৱসায়-বাণিজ্য, শৈক্ষিক, সামাজিক আদি দিশৰ প্ৰগতিৰ বাবে নিজেই বিভিন্ন ধৰণৰ কাৰ্যপন্থা গ্ৰহণ কৰিছিল।

অসমৰ প্ৰথম অসমীয়া ডাঙৰ ব্যৱসায়ী মাণিক চন্দ্ৰ বৰুৱা। তেওঁ ব্যৱসায় বাণিজ্যত স্বদেশৰ ডেকা শক্তিক উৎসাহিত কৰি স্বাবলম্বী কৰি গঢ়ি তুলিবলৈ অন্নদাৰাম ফুকনৰ লগত যুটীয়াভাৱে 'বৰুৱা ব্ৰাদাছ" নামেৰে এটা কোম্পানী খুলি জাহাজেৰে চাহপাত ব্যৱসায়ৰ কাম আৰম্ভ কৰে। অৱশ্যে তেওঁৰ ব্যৱসায়ৰ দিশত এইটো উল্লেখযোগ্য যে, মাণিক চন্দ্ৰ বৰুৱাৰ ব্যৱসায়ৰ উদ্দেশ্য নিজকে এজন ধনী ব্যৱসায়ী হিচাপে গঢ়ি তোলা নহয়; অসমৰ মানুহক স্বাৱলম্বী কৰি গঢ়ি তোলাহে আছিল তেওঁৰ ব্যৱসায়ৰ অন্যতম ঘাই উদ্দেশ্য। অৱশ্যে ব্যৱসায়ৰ দিশত পৰৱৰ্তী কালত তেওঁ বিশেষ লাভৱান হ'ব পৰা নাছিল। মাণিক চন্দ্ৰ বৰুৱাই অসমৰ সামগ্ৰীক উন্নতিৰ ক্ষেত্ৰত যে, জনসাধাৰণৰ সন্মিলিত প্ৰচেষ্টাৰ অতি আৱশ্যক সেই কথা অতি গুৰুত্ব সহকাৰে উপলব্ধি কৰি জনমত গঠন কৰাৰ উদ্দেশ্যেৰে ১৮৮২ চনত 'আসাম নিউজ' নাম দি এখন সাদিনীয়া বাতৰি কাকত প্ৰকাশ কৰে। এইখনেই আছিল অসমৰ প্ৰথম সাদিনীয়া বাতৰি কাকত। ১৮৯৪ চনত কালীৰাম বৰুৱাই মাণিক চন্দ্ৰ বৰুৱাৰ সহায়ত 'আসাম' নাম দি অসমীয়া আৰু ইংৰাজি দুয়োটা মাধ্যমৰ এখন বাতৰি কাকত প্ৰকাশ কৰে। মাণিক চন্দ্ৰ বৰুৱাই এই কাকতখনৰ ইংৰাজী বিভাগটোৰ পৰিচালনা কৰিছিল। সেই সময়তে উজনি অসমত ৰাধানাথ চাংকাকতিয়ে "টাইমচ অৱ আছাম" নামৰ এখন কাকত প্ৰকাশ কৰে। উল্লেখিত বাতৰি কাকত কেইখনে সেই সময়ৰ অসমৰ অৰ্থনৈতিক, ৰাজনৈতিক তথা সামাজিক অৱস্থা সম্পৰ্কে এক গুৰুত্বপূৰ্ণ প্ৰতিচ্ছবি ডাঙি ধৰিছিল। মাণিক চন্দ্ৰ বৰুৱাই প্ৰথমে উচ্চশিক্ষাৰ বাবে কলেজ স্থাপন কৰাৰ আৱশ্যকতাৰ ওপৰত গুৰুত্ব আৰোপ কৰি বাতৰি কাকতৰ যোগেদি বহল ব্যাখ্যা দাঙি ধৰিছিল। বৰুৱাই গুৱাহাটীত কলেজ স্থাপনৰ উদ্দেশ্যে বাতৰি কাকতত প্ৰকাশ কৰা দৃষ্টি-ভঙ্গীৰ প্ৰতিবাদ জনাই ১৮৯৫ চনৰ ২২ জুলাইত "টাইমচ অৱ আসাম"ত অসমত কলেজ স্থাপন কৰাৰ বিপৰীতে এখন চিঠি প্ৰকাশ হয়। উক্ত চিঠিখনৰ গুৰুত্বপূৰ্ণ একাংশ তলত প্ৰকাশ কৰা হ'ল:

## কলেজ লাগে নে নেলাগে

সম্পাদক ডাঙৰীয়া,

...............মোৰ বিবেচনামতে আসামত কলেজ পাতি দিলে আমাৰ পক্ষে সম্প্ৰতি কিছু বেয়াহে হ'ব। কলেজ পাতিলে হয় গুৱাহাটী নহয় শিৱসাগৰ বা আন কোনো জিলাত পাতিব লাগিব। বিবেচনা কৰা হ'ল কলেজ জানিবা গুৱাহাটীতে পাতি দিলে। পাছে তাত পঢ়িবলৈ ডিব্ৰুগড়, শিৱসাগৰ, যোৰহাট, গোলাঘাট, নগাঁও ইত্যাদি ঠাইৰ পৰা ল'ৰা আহি গুৱাহাটীত থাকিবলৈ লাগিব। গুৱাহাটীত থকা খৰচো কম নহয়। কলিকতাত থাকিবলৈ আমাৰ ল'ৰাক ২০ টকাকৈ বৃত্তি দিয়ে। গুৱাহাটীত আজি কালি ২০ টকাৰ কমে এজন ল'ৰা যে, পঢ়িব পাৰিব মোৰ এনে বোধ নহয়। পাচে, যদি

কলিকতা, গুৱাহাটী উভয় ঠাইতে একে খৰচ হয় তেনে-হলেনো আমাৰ ল'ৰা কলিকতালৈ নপঠাই গুৱাহাটীলৈ কিয় পঠাব? গুৱাহাটীত চাৰি বছৰ পঢ়ি যি শিকিব; কলিকতাত ১· বছৰ থাকিয়েই সেইখিনি জ্ঞান পায়। কলিকতাত থকাৰ কি গুণ তাক মই বিশেষ কৰি লেখিবৰ একো প্ৰয়োজন নাই। কাৰণ সকলোৱে জানে ...... এই বিষয়ে মোৰ আৰু কিছুমান কথা আছে কিন্তু এইবাৰ পত্ৰ দীঘল হোৱা গতিকে ইয়াতে সামৰিলো। অহা বাৰলৈ পুনৰ্ব্বাৰ আপোনাৰ ওচৰ চাপিম।

—কলেজ নালাগে''

অসমত কলেজ নালাগে বুলি দাবী জনোৱা ব্যক্তি সকলৰ ভিতৰত উজনি অসমৰ প্ৰথম বি-এ জগন্নাথ বৰুৱাও আছিল। উল্লেখিত চিঠিখন জগন্নাথ বৰুৱাৰ বুলিও সন্দেহ কৰা হয়। অসমত কলেজ লাগেনে নালাগে এই সন্দৰ্ভত বাতৰি কাকতসমূহত তুমুল বাক বিতণ্ডা চলি থকা সময়তে মাণিক চন্দ্ৰ বৰুৱাই ১৮৯৯ চনৰ মাৰ্চ মাহত চীফ কমিচনাৰৰ ওচৰত উজনি-নামনি দুয়োফালৰ সংযোগ স্থল গুৱাহাটীত এখন কলেজ পাতিবলৈ এখন স্মাৰকপত্ৰ প্ৰদান কৰে মাণিক চন্দ্ৰ বৰুৱাই সঘনাই উত্থাপন কৰা দাবীক চীফ কমিচনাৰ হেনৰি কটন চাহাবে উলাই কৰিব নোৱাৰি অৱশেষত ১৮৯৯ চনৰ ২৯ ছেপ্টেম্বৰত এখন কলেজ স্থাপনৰ কথা ঘোষণা কৰে আৰু ১৯০১ চনৰ ২৭ মে' তাৰিখে গুৱাহাটীত কটন কলেজৰ ভেটি স্থাপন কৰা হয়। মাণিক চন্দ্ৰ বৰুৱাৰ ইচ্ছানুসৰি চীফ কমিচনাৰ কটনৰ অনুগ্ৰহত গুৱাহাটীত (কটন কলেজ) কলেজ প্ৰতিষ্ঠা হোৱাৰ বাবে কলেজৰ নাম 'কটন কলেজ' ৰখা হয়।

আইনৰ দিশত অসমৰ ছাত্ৰ-ছাত্ৰীক শিক্ষিত কৰি তোলাৰ বাবে মাণিক চন্দ্ৰ বৰুৱাই ছাৰ আৰ্চ ডেইলৰ নাম অনুসৰি ১৯১৪ চনত আৰ্ল ল কলেজ স্থাপন কৰে।

ভাৰতৰ জাতীয় কংগ্ৰেছে অসমত আধিপত্য লাভ কৰাৰ আগমূহূৰ্তলৈকে মাণিক চন্দ্ৰ বৰুৱাৰ দৃঢ় প্ৰচেষ্টাত প্ৰতিষ্ঠিত 'আছাম এছোছিয়েচনেই'' অসমৰ অনুষ্ঠানবোৰৰ ভিতৰত আটাইতকৈ প্ৰতিপত্তিশীল অনুষ্ঠান আছিল। সেই সময়ৰ অসমৰ জ্বলন্ত সমস্যাসমূহ সমাধান কৰাৰ ক্ষেত্ৰত জাতীয় অনুষ্ঠান হিচাপে ''আছাম এছোছিয়েচনেই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। মাণিক চন্দ্ৰ বৰুৱা 'আছাম এছোছিয়েচনৰ প্ৰতিষ্ঠাপক সচিব আছিল।

১৯০৮ চনত মাণিক চন্দ্ৰ বৰুৱা পূৰ্ব-বঙ্গ আৰু অসমৰ ব্যৱস্থাপক সভাৰ প্ৰথম অসমীয়া সদস্য নিৰ্বাচিত হয়। সেই সভাৰ জৰীয়তে মাণিক চন্দ্ৰ বৰুৱাই অসমৰ মৌজাদাৰী প্ৰথাৰ উন্নয়ন, যাতায়তী পথৰ উন্নয়ন, শিক্ষিত নিবনুৱাৰ নিযুক্তিৰ ব্যৱস্থা ইত্যাদি বিষয়ৰ ওপৰত গুৰুত্ব দি সভাৰ যোগেদি অসমৰ বহুখিনি প্ৰগতিৰ বাবে ব্যৱস্থা গ্ৰহণ কৰি সেই ক্ষেত্ৰত তেওঁ কৃতকাৰ্যতাও লাভ কৰে।

মাণিক চন্দ্ৰ বৰুৱা গুৱাহাটী পৌৰ সভাৰ প্ৰথম বেচৰকাৰী সভাপতি হিচাপে নিৰ্বাচিত হৈছিল। তেওঁৰ প্ৰচেষ্টাতেই সেই সময়ত গুৱাহাটীৰ পৌৰ সভাই জন-কল্যাণমূলক কামৰ ক্ষেত্ৰত এক উল্লেখযোগ্য বৰঙণি আগ-বঢ়াবলৈ সক্ষম হয়।

মাণিক চন্দ্ৰ বৰুৱাৰ কটন কলেজ পতাৰ ঘাই উদ্দেশ্য আছিল উত্তৰ পূৰ্ব্বাঞ্চল (পুৰণি অসম) ৰ ছাত্ৰ-ছাত্ৰী সকলক শিক্ষিত কৰি ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক দিশত অঞ্চলটোক প্ৰগতিৰ পথলৈ আগুৱাই নি অঞ্চলটোক সমৃদ্ধিশালী কৰি গঢ়ি তোলাটো।

উত্তৰ-পূৰ্ব্বাঞ্চলৰ মেধাসম্পন্ন ছাত্ৰ-ছাত্ৰী সকলৰ মিলনভূমি কটন কলেজৰ কটনিয়ান সকলে আজি কেইটামান দশকত প্ৰাক্ স্বাধীনোত্তৰ কালৰ কটনিয়ানৰ দৰে এই অঞ্চলটোৰ জনসাধাৰণক সুস্থ নেতৃত্বৰে আগ-বঢ়াই ৰাজনৈতিক, সাংস্কৃতিক তথা সামাজিক প্ৰগতিৰ ক্ষেত্ৰত কেনেধৰণৰ ভূমিকা গ্ৰহণ কৰিছে সেইখিনি কথা বিশ্লেষণ কৰি চোৱাটো অসমৰ জনসাধাৰণৰ বাবে অতি

গুৰুত্বপূৰ্ণ বিষয় বুলি আমি ক'ব বিচাৰো। কিয়নো, এটা সময়ত লক্ষ্মীনাথ বেজবৰুৱাই কৈছিল "আজিৰ কটনিয়ানে যি ভাবিব, অসমৰ জনসাধাৰণে কালিলৈহে সেইটো ভাবিব।" আজি এই কথাষাৰৰ মূল্য কিমান দূৰ বাস্তৱসন্মত হৈছে সেইটো আত্ম সমালোচনাৰ মাধ্যমেদি বিবেচনা কৰি চোৱাটো কটনিয়ানৰ বাবে নিত্যান্তই আৱশ্যক বুলি ভাবো।

বৰ্তমানেও কটন কলেজৰ সভা-সমিতিবোৰত কটনিয়ান সকলে কটন কলেজ এখন ঐতিহ্যমণ্ডিত কলেজ বুলি চিঞৰি থকাটো আমি শুনিবলৈ পাওঁ। কিন্তু কটনিয়ান সকলে এইটো কথা মনত ৰখা উচিতঃ পৰম্পৰাগত নীতিৰ বশৱৰ্তী হৈ ঐতিহ্যৰ কথা চিঞৰি নিজে কটনিয়ান হোৱাৰ চৰম আত্ম সন্তুষ্টি লাভ কৰি ঐতিহ্যমণ্ডিত কলেজ "কটন কলেজ" বুলি চিঞৰি থাকিলে কটন কলেজৰ ঐতিহ্য বৰ্তী নাথাকে, বৰ্তমান কটনিয়ানে সমস্যাবহুল অসমীয়া সমাজৰ বিভিন্ন দিশৰ সমস্যাৰাজি সমাধান কৰাৰ ক্ষেত্ৰত কেনেধৰণৰ অৰিহণা যোগাইছে তাৰ ওপৰতহে কটন কলেজৰ ঐতিহ্য নিৰ্ভৰ কৰিব। আমি বৰ্তমান সময়ত এনে কিছুমান ছাত্ৰ একতা সভাৰ ছাত্ৰনেতা লগ পাইছো, যিসকলে কটন কলেজৰ ঐতিহ্যৰ কথা কয়, কিন্তু মাণিক চন্দ্ৰ বৰুৱা কোন চিনি নাপায়। এনেধৰণৰ কটনিয়ানৰ পৰা অসমৰ জনসাধাৰণ যে উপকৃত হ'ব সেইটো নিশ্চয় সময়ে বায় দিব।

প্ৰতি বছৰে দেশৰ বিভিন্ন প্ৰান্তৰ পৰা অদম্য হেপাহ, স্পৃহা লৈ বহুতো মেধাসম্পন্ন ছাত্ৰ ছাত্ৰী কটন কলেজলৈ আহিছে আৰু ওলাই গৈছে। কিন্তু তেওঁলোকৰ আদৰ্শই আজি পিছৰ চাম কটনিয়ানক জাতিৰ বা দেশৰ উন্নয়নৰ ক্ষেত্ৰত থকা দায়বদ্ধতাৰ কথা সোঁৱৰাই দিব পাৰিছেনে? কটনিয়ানসকল যদি এই ঐতিহ্যমণ্ডিত কলেজখনলৈ কেৱল ব্যক্তিগত স্বাৰ্থ[illegible] কৰি যন্ত্ৰ মানৱ হৈ আহে আৰু যায়; তেন্তে অসমৰ আন আন প্ৰান্তৰ ছাত্ৰ-ছাত্ৰী সকলে দেশ বা জাতিৰ সামগ্ৰিক প্ৰগতিৰ ক্ষেত্ৰত ল'বলগীয়া ভূমিকাৰ বাবে কিবা অনুপ্ৰেৰণা পাবনে? কটন কলেজৰ চৌহদৰ বৌদ্ধিক পৰিবেশে সামগ্ৰীকভাৱে অসমৰ বৌদ্ধিক জগতৰ বিকাশত অৰিহণা যোগাইছেনে? অসম তথা উত্তৰপূৰ্বাঞ্চলৰ উজ্জ্বল ৰত্ন স্বৰূপ কটন কলেজৰ অধ্যাপক অধ্যাপিকাসকল অসমৰ বৰ্তমানৰ অস্থিৰ সামাজিক অৱস্থাৰ প্ৰতি উদাসীন হৈ থকা দেখা যায়। আজি কটন কলেজৰ কেইগৰাকীমান অধ্যাপক-অধ্যাপিকাৰ বাহিৰে বাকী প্ৰায়বোৰ অধ্যাপক অধ্যাপিকাই ব্যক্তিকেন্দ্ৰীক বুলি কলেও নিশ্চয় ভুল কৰা নহ'ব। অসমৰ সমাজ জীৱনৰ প্ৰতি এই ঐতিহ্যমণ্ডিত মহাবিদ্যালয়খনৰ অধ্যাপক-অধ্যাপিকাসকল সচেতন নে বুলি প্ৰশ্ন কৰিলে কেইগৰাকী অধ্যপক-অধ্যাপিকাৰ এই প্ৰশ্নৰ উত্তৰ দিবলৈ নৈতিক সাহস থাকিব; সেই কথা চিন্তা কৰিলে আমাৰ সন্দেহৰ অৱকাশ থাকি যায়।

আমি ভাবো: অসমৰ বিভিন্ন দিশৰ সমস্যাসমূহ হৃদয়ঙ্গম কৰি ইয়াৰ সমাধানৰ বাবে নিষ্ঠা আৰু সততাৰে আজিৰ কটনিয়ানসকলে অসমৰ জনসাধাৰণক নতুন দৃষ্টি-ভঙ্গীৰে আগবাঢ়ি আহি সুস্থ নেতৃত্ব দিয়াৰ ক্ষেত্ৰত এক বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰাৰ ওপৰতহে এখন দেশৰ প্ৰগতি প্ৰতিফলিত হয়। তেতিয়াহে মাণিক চন্দ্ৰ বৰুৱাৰ কটন কলেজ স্থাপনৰ উদ্দেশ্য বাস্তৱত পৰিণত হব। নহলে কটন কলেজৰ ঐতিহ্য কটনিয়ানৰ বক্তৃতাৰ ফুলজাৰিতহে সীমাবদ্ধ থাকিব। □ □

# কম্পিউটাৰ যুগ আৰু উচ্চশিক্ষাৰ পৰিকল্পনা





অধ্যাপক কুলেন্দু পাঠক

"We now see centres of higher learning using computers in the liberal arts. Classics scholars are studying virgit with the help of a computer.........

Reading and writing will continue to be essential ; computer memory may replace some paper and file drawers......writing—that means composing with pen in hand may become unneccessary......

It is likely that we are on the verge of yet another step in the Evolution of lite racy. Yet, ...... whatever comes about will not replace existing skill but supplement them. Neither printing press nor the typewriter replaced either speech or printing."

Benjamine Compaine, U.S.A. (1982)

"আশী দশকৰ শেষ বছৰ দুটাত কটন কলেজৰ কেইজনমান ছাত্ৰ-ছাত্ৰীয়ে হয়তো কম্পিউটাৰ ব্যৱহাৰ কৰিবলৈ পাব" —এই বাক্যশাৰী পঢ়ি আমাৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীৰ মনত ভাল লাগিব নে লাজ লাগিব ? —'১৯৯০ চনৰ ভিতৰত আমেৰিকাৰ প্ৰতিজন শিক্ষিত ব্যক্তিয়ে কম্পিউটাৰ সম্পৰ্কীয় অভিজ্ঞতা লাভ কৰিব'—এই ভৱিষ্যৎ বাণীৰ লগত আমাৰ অৱস্থা বিজালে প্ৰশ্নটোৰ উত্তৰ পোৱা যাব।

আমাৰ দেশত বেছি ভাগ কামেই সুপৰিকল্পিত ভাবে আগ নাবাঢ়ে। ফকাইচুকত আকৌ আমি চাই থাকোঁ দিল্লীৰ পৰা নিৰ্দেশ অহালৈকে—দিল্লীৰ পৰা টকা আৰু নিৰ্দেশ নাহিলে অসমত কাম আগ নাবাঢ়ে। গতিকে অসমৰ তথা উত্তৰ পূৰ্ব ভাৰতৰ শ্ৰেষ্ঠ, ঐতিহ্যমণ্ডিত আৰু স্নাতকোত্তৰ শ্ৰেণীযুক্ত কলেজখনত কম্পিউটাৰ নাথাকিলেও আমি দুখ কৰিবলগীয়া কথা বিশেষ নাই বোধকৰো !

আধুনিক কম্পিউটাৰক গণিক যন্ত্ৰ বুলি নাভাবি ডাটা (Data) প্ৰচেছকাৰী যন্ত্ৰ বুলিহে ভবা উচিত। প্ৰচেছকাৰকত ডাটাখিনি ইনপুট হিচাপে পঠিয়াই দিয়া হয় আৰু নিৰ্দিষ্ট পদ্ধতিৰে প্ৰচেছকৰাৰ পাছত বিচৰা ইন্‌ফৰ্মেছন আউটপুট হিচাপে পোৱা যায় (ডাটা, ইনফৰ্মেছন, ইনপুট, প্ৰচেছআউটপুট আদি শব্দ কম্পিউটাৰৰ ক্ষেত্ৰত বিশেষ অৰ্থবাহক বাবে ইংৰাজী শব্দবোৰকে লিপ্যান্তৰ কৰি দিয়া হৈছে।) এনে প্ৰক্ৰিয়াৰে কাম কৰা মানুহৰ বাবে নতুন কথা নহয়। উদাহৰণ স্বৰূপে চকুৰে মানুহ

এজন দেখিলে (ইনপুট) আমাৰ মগজুৱে (প্ৰচেছকাৰক) চিনাক্ত কৰাৰ পাছত মুখেৰে মাত একাৰাৰ (আউটপুট) দিয়ায়। উল্লেখযোগ্য যে সিদ্ধান্ত গ্ৰহণ আৰু চিনাক্ত কৰণৰ উপৰিও মগজুৱে ইনপুট আৰু আউটপুট প্ৰক্ৰিয়াও নিয়ন্ত্ৰণ কৰে। কম্পিউটাৰ কাৰ্যক্ৰমত চি পি ইউ (C.P.U =Central Processing Unit) আৰু তাত নিহিত নিৰ্দেশসমূহে 'মনত ৰখা' আৰু 'নিয়ন্ত্ৰণ'ৰ কামসমূহ কৰে। ইনপুট আৰু আউটপুট আহিলা হিচাপে নানা ধৰণৰ যন্ত্ৰপাতি ব্যৱহাৰ কৰিব পাৰি। সাধাৰণতে টাইপ-ৰাইটাৰৰ দৰে 'কিবোৰ্ড' এখন ইনপুট আৰু টি ভিৰ দৰে ভি,ডি,ইউ (V.D.U=Visual Display Unit) এটা আউটপুট আহিলা হিচাপে ব্যৱহাৰ হয়। আমাৰ তথাকথিত দেশী কোম্পানিবোৰ অত্যাধিক লাভৰ মানসিকতাৰে পৰিচালিত নোহোৱাহেঁতেন এটা কাৰ্যকৰী, অথচ শক্তিশালী সৰু কম্পিউটাৰৰ দাম বিশ হাজাৰ (২০,০০০) টকাতকৈ বেছি নহ'লহেঁতেন। কাৰণ দহ হাজাৰ টকাৰে বিদেশত নিৰ্মিত পিচি (PC=Personal Computer) কিনিব পাৰি।

উল্লিখিত কথাখিনি এই কাৰণেই কোৱা হ'ল যে আমাৰ সাধাৰণ মানুহৰ বাবে নহ'লেও মধ্যবিত্ত ব্যক্তি, চৰকাৰী অফিচ বা বেচৰকাৰী প্ৰতিস্থানেও কম্পিউটাৰ কিনি ব্যৱহাৰ কৰিব পৰা অৱস্থা এটা আজি সৃষ্টি হৈছে। এই বাক্যশাৰী অতি সাধাৰণ যেন লাগিলেও, এনে ঘটনা মানৱ ইতিহাসত প্ৰথমবাৰৰ বাবে ঘটিছে। কাৰণ ষাঠি দশকৰ আৰম্ভণিলৈকে কম্পিউটাৰ কিনি ব্যৱহাৰ কৰাৰ সামৰ্থ্য ডাঙৰ মাল্টিনেছনেল কোম্পানি, বৃহৎ বিশ্ববিদ্যালয় আৰু ডাঙৰ চৰকাৰী বিভাগৰ (প্ৰতিৰক্ষা) মাজতে আৱদ্ধ আছিল। এনে যন্ত্ৰ চলাই ৰাখিবলৈ প্ৰয়োজন হৈছিল বিশেষভাৱে প্ৰশিক্ষিত ব্যক্তিৰ। কিন্তু মাত্ৰ পছিশ বছৰ মানৰ ভিতৰত ঘটা বৈপ্লৱিক প্ৰযুক্তিমূলক অগ্ৰগতিৰ ফলত পাশ্চাত্যৰ বিভিন্ন দেশ, জাপান আদি উন্নত দেশত আজি প্ৰতিজন কলেজীয়া ছাত্ৰ ছাত্ৰীয়ে কম্পিউটাৰ টাৰ্মিনেল ব্যৱহাৰৰ সুযোগ পাইছে, প্ৰতিখন স্কুলত যথেষ্ট সংখ্যক কম্পিউটাৰ আছে আৰু যথেষ্ট সংখ্যক নাগৰিকে ব্যক্তিগত কম্পিউটাৰ ব্যৱহাৰ কৰিছে। অৰ্থাৎ পাশ্চাত্য সংস্কৃতিৰ বাবে কম্পিউটাৰ এটা গুৰুত্বপূৰ্ণ আহিলা হৈ পৰিছে। যিহেতু আমাৰ প্ৰচলিত শিক্ষা ব্যৱস্থা আৰু উচ্চ মধ্যবিত্ত মানসিকতাত পাশ্চাত্য অনুকৰণৰ মাত্ৰাধিক্য দেখা যায, গতিকে ইয়াতো কম্পিউটাৰৰ প্ৰতি আগ্ৰহ জন্মা দেখা গৈছে। কিন্তু এনে আগ্ৰহ পৰিকল্পিতভাৱে পৰিচালিত হোৱা নাই। সৰু উদাহৰণ দিলেই কথাটো স্পষ্ট হৈ পৰিব। অসমৰ কেবাখনো স্কুলত কম্পিউটাৰ দিয়া হৈছে। চৰকাৰী ভাবে (দিল্লীৰ নিৰ্দেশত) কম্পিউটাৰ স্বাক্ষৰতা কাৰ্যসূচীৰ অংশ হিচাপে একাদশ দ্বাদশ শ্ৰেণীৰ ছাত্ৰৰ বাবে ইংলণ্ডৰ পৰা অহা কম্পিউটাৰ দিয়া হ'ল। এনে শ্ৰেণীৰ ছাত্ৰ কটন কলেজত থকা স্বত্বেও আৰু অসম চৰকাৰে নিজাববীয়াকৈ এই কলেজখনলৈ সেই সময়ত কম্পিউটাৰ দিব নোৱাৰা স্বত্বেও কটন কলেজত তেনে কম্পিউটাৰ দিয়া নহ'ল। কাৰণ? ভাৰত চৰকাৰৰ নিৰ্দেশ যথাযথ ভাবে (!) পালন কৰিব লাগিব—সেই কাগজখিলাত স্কুল শব্দটো আছে গতিকে ......... । অথচ তেনে নিৰ্দেশ থকা স্বত্বেও, আমি শুনা মতে মেঘালয়ে কলেজ পৰ্যায়ত সেইবোৰ কম্পিউটাৰ দিবলৈ পিছ হুহকি নগ'ল। এই ঘটনা অৱশ্যে কেইবা বছৰ পূৰ্বৰ ঘটনা। যিবোৰ স্কুলত কম্পিউটাৰ দিয়া হ'ল, সেইবোৰত ব্যৱহাৰ কেনেদৰে হৈছে—এই বিষয়ে লক্ষ্য ৰাখিবলৈকো শিক্ষা বিভাগৰ কোনো বিষয়াৰ হয়তো আহৰিয়েই নাই!

ছাত্ৰ, শিক্ষক, আমোলা, মন্ত্ৰী—বক্তৃতা দিব, দিলে কটন কলেজৰ ঐতিহ্য, গুৰুত্ব, মহত্ব সম্পৰ্কে এওঁলোকে ঘণ্টাৰ পাছত ঘণ্টা কথাৰ ফুলজাৰি মাৰিব পাৰে। কটন কলেজৰ ছাত্ৰ গৈ শিক্ষক, শিক্ষা-বিষয়া, ডি পি আই (DPI). সচিব, কমিছনাৰ, মন্ত্ৰী হয়গৈ, কিন্তু কলেজখন সম্পৰ্কে এক সুপৰিকল্পিত আঁচনি গ্ৰহণ কৰা নহয়। বৰং সমাজবাদী বুদ্ধিজীৱিৰ নামাৱলী পিন্ধা

ধুবৰীৰ কিছুমানে কব খোজে যে হেবাং গাঁওত নতুনকৈ স্থাপিত কলেজখন কটন কলেজৰ পৰ্যায়লৈ অনাৰ পাছতহে কটন কলেজৰ উন্নতিৰ কথা চিন্তা কৰিব পাৰি। আমাৰ উচ্চশিক্ষা পৰিকল্পনা বাস্তৱ ক্ষেত্ৰত কেনে ধৰণৰ হব লাগিছিল ? অসমীয়া জাতিসত্বাৰ বৌদ্ধিক উন্নতিত কটন কলেজৰ দৰে মহৎ অনুষ্ঠানে বৰ্তমান 'ইন-ফৰ্মেছন যুগ'ত যথাযোগ্য আৰু ঐতিহাসিক ভূমিকা লোৱাৰ বাবেহে পৰিকল্পনা হাতত লব লাগিছিল। এনে বক্তব্যৰ প্ৰতি যাঠী, সত্তৰ আশী দশকত কোনেও কাণসাৰ নিদিলে। টুকুৰা টুকুৰি হিচাবে বহুতো কিবাকিবি কৰা হ'ল কিন্তু সুপৰিকল্পিতভাৱে বিশেষ একোকে কৰা হোৱা নাই। ফলস্বৰূপে এই শতিকাৰ শেষ দশক বা একবিংশ শতিকাৰ প্ৰথম দশকত অসমৰ যথাযোগ্য বিকাশৰ বাবে অতি প্ৰয়োজনীয় সক্ষম, গুণোত্তম আৰু যোগ্য মানৱ শক্তি সৃষ্টি কৰাত আমাৰ উচ্চ শিক্ষা-ব্যৱস্থা বিফল হোৱাৰ আশংকাই দেখা দিছে। সৌভাগ্যৰ কথা, বৰ্তমানে আমাৰ কলেজৰে কিছুমান ছাত্ৰ তথা ছাত্ৰ নেতাই এই মাৰাত্মক বিপদৰ কথা বুজিবৰ যত্ন কৰিছে।

উচ্চ শিক্ষিত ব্যক্তি এজনৰ কি কি গুণ থাকিব লাগে ? তেওঁ ভালদৰে পঢ়িব, লিখিব, কথা কব আৰু গভীৰভাৱে চিন্তা কৰিব পৰা ব্যক্তি হ'ব লাগে। সমস্যা সমাধানৰ বৌদ্ধিক যোগ্যতা আৰু দুখ-দুৰ্দশাগ্ৰস্তসকলৰ প্ৰতি মানবীয় সহানুভূতি—এনে ব্যক্তিৰ স্বাভাৱিক ধৰ্ম। তেওঁৰ বিশ্লেষণ কৰাৰ ক্ষমতা, তথ্যৰ পৰা জ্ঞান আহৰণৰ ক্ষমতাও যথেষ্ট থাকিব লাগিব। মানুহৰ বিশ্লেষণ প্ৰক্ৰিয়া আৰু তথ্যৰ পৰা জ্ঞান আহৰণ কৰাৰ প্ৰক্ৰিয়া শক্তিশালী কৰাত কম্পিউটাৰে বিশেষ অৱদান আগবঢ়াব পাৰিছে। কিন্তু লিখিব আৰু পঢ়িবলৈ যিদৰে প্ৰশিক্ষণৰ আৱশ্যক, কম্পিউটাৰ ব্যৱহাৰ কৰিবলৈকো প্ৰশিক্ষণ প্ৰয়োজনীয়। আকৌ আলমাৰিত সজাই থলে যিদৰে কিতাপৰ পৰা জ্ঞান আহি মূৰত নুসুমায়, টেবুল শুৱনী কৰি কম্পিউ-টাৰ এটা থৈ দিলেই কম্পিউটাৰে বিশ্লেষণ ক্ষমতা বঢ়াই দিব নোৱাৰে। সেই বাবেই গুণোত্তম উচ্চ শিক্ষাৰ অংশ হিচাপে কম্পিউটাৰৰ পৰিকল্পিত ব্যৱহাৰৰ প্ৰয়োজন আছে। পদাৰ্থ-বিজ্ঞান, গণিত আদি শাখাৰ উপৰিও, জ্ঞান বিজ্ঞানৰ সকলো শাখাতে যেনে শিল্প কলা (গ্ৰাফিক্-ছৰ ব্যৱহাৰ), সংগীত, অৰ্থনীতি, সাহিত্য, পৰিচালনা, ভৱিষ্য-বিজ্ঞান আদি শাখাত কম্পিউটাৰৰ ব্যৱহাৰ দিনক-দিনে বাঢ়ি অহিছে। মাত চিনাক্তকৰণ প্ৰযুক্তিৰ অগ্ৰ-গতিৰ ফলত কথা কৈ চলাব পৰা কম্পিউটাৰ প্ৰৱৰ্তন হোৱাৰ সম্ভাৱনা উজ্জ্বল হৈ উঠিছে। ফলস্বৰূপে হয়তো প্ৰচলিত অৰ্থত লিখা পঢ়া নজনাকৈয়ো শিক্ষিত হোৱাৰ সম্ভাৱনাক (ইলিয়াড, অ'ডিছি, ৰামায়ণ, বেদ আদি যুগ-জয়ী ৰচনাবোৰ প্ৰাক-লিখন কালৰ সৃষ্টি!) এতিয়া 'পগলাৰ প্ৰলাপ' বুলি উৰাই দিব নোৱাৰি। এনে এটা যুগতো অসমৰ উচ্চ শিক্ষিত ব্যক্তি তথা শ্ৰেষ্ঠতম শিক্ষা-নুষ্ঠানত শিক্ষা লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলৰ এই শতিকাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ প্ৰযুক্তিমূলক আহিলাৰ লগত পৰিচয় ঘটাৰ সুবিধা নাই (প্ৰবন্ধ লিখাৰ সময়লৈকে) —এই বেদনাদায়ক সত্যই আমাৰ উচ্চ শিক্ষা পৰিকল্পনাৰ দৈন্য-তাকে সূচোৱা নাই নে? □□

# কবিতা

## সময়ৰ মহাকাব্য

□ বিপুলজ্যোতি শইকীয়া

প্ৰশ্ন □ মানুহৰ প্ৰিয়তম শত্ৰু কোন ?
উত্তৰ □ সময়, আৰু কোন ? ]

মোৰ ল'ৰালিৰে চৰাই এটি উৰি আহি ক'লে ঃ
চাওঁ তোমাৰ সেই যুৰি চকু যাৰে তুমি চাইছিলা আকাশ
চাওঁ তোমাৰ সেই যুৰি ওঁঠ যাৰে তুমি চুমিছিলা মাটি
চাওঁ তোমাৰ সেই যুৰি হাত যাৰে তুমি আঁকিছিলা জীৱনৰ
বাট

চাওঁ চাওঁ চকু মেলা মুখ খোলা তুলি ধৰা হাত

১.

এই অকণমানি চৰাইটিক মই কি বুলি কওঁ
হে মোৰ সপোনৰ দুৱাৰ ভঙা সময়, অন্ধ সময়
তয়েইতো সকলো অথন্তৰৰ মূল তয়েইতো ছিঙি নিলি
মোৰ হাত মোৰ মাত
মোৰ যি আছিল সৰ্বস্ব কাঢ়ি নি তই মোক কৰিছ কাঙাল
তই নি ক'ত থ'লি মোৰ ল'ৰালি, মোৰ মাটিৰ শৰালি

২.

কিমান দিনৰ নো কথা, অথচ এনে লাগে যেন হেজাৰ বছৰ
কিমান দিনৰ নো কথা—বোকা-পানী-মাটিৰ সোঁৱা
মোৰ ল'ৰালি
মোৰ হাতৰ তলুৱাত মাটি, ভৰিৰ তলুৱাত মাটি, মাটি
মোৰ মূৰত, মাটি মোৰ শৰীৰৰ প্ৰতিটো অংগত
তয়েতো দিছিলি মোৰ মাটিৰ ল'ৰালিক জ্বলন্ত জীৱন চকুত
চকু, হাতত হাত, ভৰিত ভৰি, তেজত দিছিলি তেজ
তয়েতো মোৰ মাটিৰ ল'ৰালিক দিছিলি বাট, সপোনৰ
বিচিত্ৰ বাট

৩.

মই সপোনতো ভবা নাছিলোঁ সপোনৰ এনেকুৱা বাট !
বাট বুলি বুলি এন্থা পালোঁহি কি
পৃথিবীৰ এখনো মহানগৰীৰে মই পাৰ হৈ যাব নোৱাৰোঁ
পদ পথবোৰে চিঞৰি উঠে এওঁ মহাপাপী এওঁ মহাপাপী
কিন্তু মইতো একো পাপ কৰা নাই, সাক্ষী আছে পৃথিবীৰ
সকলো নদী, সাক্ষী আছে পৃথিবীৰ সকলো শিশুৰ মুখ
অথচ পদপথবোৰে চিঞৰি উঠে এওঁ মহাপাপী
এওঁ পৃথিবীৰ দুঃস্থ মানুহৰ বাবে দিয়া নাই এটুপি তেজ
এওঁ পৃথিবীৰ নিহত শিশুইঁতৰ স্মৃতিত ৰ'চা নাই এটিও
শোকগাথা

কিন্তু মইতো একো পাপ কৰা নাই, যদি কিবা কৰিছোঁ
তয়েতো সেই পাপৰ আকৰ, তয়েইতো মোৰ হাতত
দিছিলি ছুৰি
বুকুৰ ভিতৰত ছুৰি তেজৰ ভিতৰত ছুৰি তই প্ৰবঞ্চক

৪.

উ: কি মিঠা আছিল তোৰ মুখৰ মাত !
তই যে কৈছিলি মানুহৰ বুকুৰ ভিতৰত নদী
বুকুৰ বাহিৰত নদী
বুকুৰ ভিতৰে বাহিৰে নদী, নদীৰ ভিতৰতে নদী
তই যে কৈছিলি বীজৰ পৰা গছ, গছৰ পৰা
বীজ, বীজৰ পৰা আকৌ গছ
তোৰ মুখত মিঠা পেটত তিতা তোৰ হাতত আপেল
ককালত ছুৰি

৫.

ঘূৰাই দে মোক মোৰ ল'ৰালি
খুলি নে মোৰ হাতৰ পৰা তোৰ হাত, ভৰিৰ পৰা ভৰি
শুহি নে মোৰ তেজৰ পৰা তোৰ তেজ
মোক নালাগে তোৰ হাত তোৰ মাত তোৰ তেজ তোৰ চকু
মোক তোৰ একো নালাগে
মোক মোৰ দৰে বাঢ়িবলৈ দে, ঠিক এজোপা গছৰ দৰে,
ঘূৰাই দে মোক মোৰ ল'ৰালি

৬.

অভিনয় নকৰিবি
তোতকৈ মই বেছি ভালদৰে জানো কেনেকৈ সলাব লাগে
মুখৰ বৰণ

লাজ্জত আনত হ'ত পৃথিৱীৰ দুৰন্ত কুশীলৱ
অভিনয় নকৰিবি
মই এতিয়া শিশুটি হৈ থকা নাই
লোতকৈও কঠিন মোৰ হাত মোৰ মাত মোৰ হাঁহি
অভিনয় নকৰিবি পিশাচ
ময়ো তোৰ দৰে এটা পিশাচ □

[ ভাস্কো পপালৈ কৃতজ্ঞতাৰে ]

## শৈশৱৰ সমাধিত

□ প্ৰদীপজ্যোতি শৰ্মা

জোনাকৰ বেথা ভৰা চকুলোৰে সিক্ত আলোকত
ভয়াল হাবিখনত বিচাৰি বিচাৰি পালোঁ
অতীতৰ সেই স্মৃতি চিহ্ন ।
সমাধিটোৰ কাষত বহি আলফুলকৈ জ্বলালোঁ মমগছি ।

শীতৰ মৃদু বতাহজাকত
হালি জালি নাচিছে
সমাধিত ফুলা শুকুলা ফুলজোপা ।
চকুমুদি শুনিলোঁ এজাক কাউৰীৰ কোলাহ'ল ।
বুকুত আঁকা ক্ৰছত
তেজেৰে তুমবলি দি মূৰ দোৱাই ৰ'ল
হাঁহি ভৰা শৈশৱৰ সোণালী দেহ ।
উন্মিলীত চকুযুৰিত কিযে আবেগভৰা ভাষা !

দূৰৈৰ গীৰ্জাৰ পৰা ভাঁহি আহিল
নিশা এক বজাৰ সংকেট ।
চকুলো মচি দেখিলোঁ—
জ্বলি থকা মমগছি
অজানিতে কোনোবাই ঢাকি দিছে
সেউজীয়া কাগজেৰে । □

## হেৰাপোৱা

□ লক্ষজোতি গগৈ

এনিশা সপোনত মই
হেৰা পালোঁ মোৰ কৈশোৰ
ভলুকা বাঁহৰ পাতৰ মাজেৰে
বুৰ যোৱা বেলি চাই
দেউতাৰ স'তে উভটি আহিলো
সান্ধ্য-ভ্ৰমণৰ পৰা
ভাইটিৰে খৰিয়াল কৰি খালোঁ
আইৰ মিঠা বকনি
সখীৰে কথাপাতি কটালোঁ
গোট উজাগৰী ৰাতি
সুহৃদৰ সতে কৰিলোঁ
নিৰ্বাক আলাপ
গান-নাচ-কবিতাও হলোঁ
আশ্চৰ্য তন্ময়
গতানুগ জীৱনৰ
পাৰ হৈ বহু দিবা নিশা
যাপন কৰিলোঁ সেই
এটি নিশা অতিকে মধুৰ
হেৰা পোৱা অতীতৰে বেদনা-বিধুৰ । □

## প্ৰস্তুতি

□ দ্বীপেন শৰ্মা

ভাই !
ভোগালিৰ ভোগ যদিওবা ভোকতে হেৰায়
কেনেকৈনো নজনাওঁ প্ৰত্যাশিত শুভ-কামনা
আনন্দমুখৰ এই বিহুৰ পুৱাত ?
অহাবেলি আগে-ভাগে আহিবা নিশ্চয়
খাম দুয়ো একেলগে উৰুকাৰ সাজ
কথা পাতি পাতি মোৰ উৰুখা পজাত ।
পুৱতিতে জনাম আহ্বান—
"জাগ, ঐ জাগ"—গছ-বিৰিখক
"জাগ্ ঐ জাগ্"—বিশ্বমানৱক ।
চেনেহৰে ওপচা মধুৰ ক্ষণত
"অগ্নি প্ৰজ্বলিতং বন্দে..."
আৰু, পেটত জ্বলাদি জ্বলে মাঘৰ মেজিৰ একুৰা জুই ।

বন্ধু !
কৰো আহা নতুন প্ৰস্তুতি—
লও সেকি আমাৰ সেৰেঙা হাঁহি, মেজিৰ চৌপাশে
উপলব্ধিৰ উত্তাপত উঠক উঠলি উৰুকাৰ উৰুঙা
উচ্ছাস ।

ভাই !
ভোগালিৰ ভোগ যদিওবা ভোকতে হেৰায়
তথাপিতো উমাল আমাৰ উন্মুক্ত হৃদয় । □

## তেজত চেকুৰা বৈ গ'ল

□ ইন্দুভূষণ কাকতি

তেজত চেকুৰা বৈ গ'ল
দেহৰ
মুখৰ ওপৰত খহি পৰে মুখ ।
দাপোণত আপোন মোৰ
মানুহ ।
তেজত চেকুৰা বৈ গ'ল
দেহৰ
বন্দী পিঞ্জৰত বৈ গ'ল
তেজ ।
সকলো তেজেই বন্দী হ'ল
মোৰ ৰঙা কলমৰ গৰ্ভত । □

## তেজ

□ সঞ্জীব কুমাৰ দাস।

প্ৰতিদিনেই
সূৰুজ উদয় হয়
আশাৰ লগত
আৰু প্ৰতিবাৰেই
ব্যাধৰ শৰত কাঁড়বিদ্ধ হৈ
মাটিত পৰে
পখিলাজাক।
নীৰৱতা মানে হিমালয়ক নুবুজায়
নতুবা
ৰঙা ৰং মানেই তেজ নহয়।
যোৱা বিহুতেই তেজৰ
মেলা বহিছিল
পইচা দিলেও কিনিব
নোপোৱা তেজ
যেনেতেনি পোৱা গৈছিল।
ৰাজপথ, দোকান, পানীৰ জুঁৰলি,
বেশ্যালয়, মৰুভূমি
সকলোতেই তেজ
মানুহৰ গাৰ পৰা
জোৰকৈ ওলাই অহা তেজ।
কাঁড়বিদ্ধ পখিলাজাক
আকৌ এটিবাৰলৈ
আকাশত উৰে
ব্যাধৰ শৰবোৰ
ক্ষুধাৰ্ত হৈ পৰে
আৰু তেতিয়াই
তেজ পাবলৈ নোপোৱা
দেশখনত
তেজৰ মেলা বহে। □

## বন্ধুৰ দুৰ্ভাগ্যৰ চিঠিত্ঃ

□ ধীমান তালুকদাৰ

আজি এক বন্ধুৰ দুৰ্ভাগ্যৰ চিঠিত পুনৰ সাৰ পাই গ'ল
পাৰ হৈ যোৱা ৰাতিৰ স্মৃতি
সাৰ পাই গ'ল—এনে এক দুঃসময়ত মোৰ ভাঙি পৰা
আকাশ, আকাশৰ
বিপৰ্যস্ত নক্ষত্ৰ আৰু মোক পুতৌ কৰি যোৱা দিনপঞ্জীৰ
সমস্ত দেওবাৰবোৰৰ কথা—
পাহাৰৰ উচ্চতাত, নদীৰ উৎসত এদিন এৰি দিছিলোঁ।
এখন নদী
কথা আছিল
নদীৰ শেষত লগ পাম
সেই দিন ধৰি মোৰ দুভৰিৰ মৰুবালিত প্ৰৱেশ আৰু
কেতিয়াবা অৰণ্যৰ সান্নিধ্য
ভাব আছিল
মৰুৰ তৃষ্ণাত, অৰণ্যৰ ভয়াবহতাত হৃদয়ৰ পৰা
হেৰাই যাওঁক মৰমৰ সঁজা।
হে হতভাগ্য বন্ধু—
তোমাৰ বিপৰ্যয়ত, তোমাৰ নিঃকৰুণ চিঠিত আকৌ এবাৰ
ঘূৰাই পালোঁ। মোৰ সংজ্ঞা যি সংজ্ঞাই মোক সকিয়াই দিলে
আৰণ্যক অনুভূতিত পুনুবাৰ উক দিয়া মোৰ যৌনতা আৰু
মৰুৰ মাজত প্ৰেয়সীৰ লিপ্সা—যি সংজ্ঞাই মোক সকিয়াই
দিলে
মোৰ ৰাতিৰ পিছত দিন বিচাৰি যোৱা আপোচহীন
প্ৰতিশ্ৰুতিৰ কথা—আকৌ এবাৰ। □

## নদী আৰু মোৰ প্ৰেম

□ দিপালী দেৱী

সদায় এই নদীতেই হেনো হেৰাই যায়;
গধূলিপৰত দোকমোকালি উকমুকাই উঠা
কেচুঁৱা বেলিটো

আৰু এই নদীতেই বুৰি যায় এটা দিন আৰু তাৰ গতি
সূৰুজ উঠোতেই সাৰ পোৱা
হালধীয়া সময়বোৰ

সদায় এনেকৈয়ে গলি গলি নৈ হৈ বৈ যায় মোৰ প্ৰেম
নদীৰ বিন্দু বিন্দুৰ লগত অসীম হৈ
দিন আৰু সূৰুজ হেৰাই যোৱা এইখন নদীত

মোৰ প্ৰেম গলি গলি বৈ থাকে
অনন্ত, অসীম সময় আৰু;
আৰু বহু দূৰলৈ নৈ হৈ...... □

## তোমাৰ সত্বা

□ বৈকুণ্ঠ ৰাজবংশী

মেলি দিছো দুহাত মোৰ
দিগন্ত প্ৰসাৰি
তোমাৰ সেউজী ওঁঠত
আঁকি দিওঁ তপত চুমা,
বহুদিন বিচাৰিছিলোঁ তোমাক —

মৰুভূমি, জলাশয়, মৰুদ্যান
আনকি অনামী বেশ্যাৰ
গোপন বেদনাবোৰতো,
ভল্গা, গঙ্গাৰ আহত পানীত
চকা মকাকৈ দেখিলোঁ
তোমাৰ চিনাকী মুখখন,
মোৰ দেশৰ সীমাৰ পৰিধি ভাঙি
বিচাৰিছিলোঁ তোমাক —

তেলেঙ্গনা, নামিবিয়া, কিম্বা পেলেষ্টাইনৰ
তেজাল মাটিৰ পাহত
কিন্তু —

বেয়নেটৰ খোচ পিঠিত লৈ
তুমি গুছি গৈছিলা
উদ্ধত কবিৰ দেশলৈ। □

## ৰুদ্ধকণ্ঠ

□ স্মিনা নাছৰিণ মিলন

আকাশখনলৈ চাবলৈ
মোৰ আজিকালি ভয় লাগে।
বাৰুদৰ গোন্ধত লুকাই থাকে কোমল ৰদালি
দুঃস্বপ্নৰ মায়াজালত সুখৰ দীপাৱলী
শান্তিৰ চৰাইযুৰিক দিবলৈ
দুষ্প্ৰাপ্য এমুঠি ধান
আনকি কণ্ঠও ৰুদ্ধ
গাবলৈ একোটি গান। □

## ৰোমন্থন

□ কমল গোস্বামী

নিশাৰ পখীৰ মাতত সাৰ পালে
মোৰ কবিতাৰ করুণ শব্দই
তোমাক লৈ
পুৰণা খেলটোকেই খেলে ঃ
'ৰজাই আদেশ দিছে … …'

মোৰ আৱেগৰ আকাশত
জোন জ্বলে, তৰা ফুটে
ক্ষণে ক্ষণে … …। □

## আহিনৰ সেউজীয়াত

□ ৰমনী বৈশ্য

আহিনৰ সেউজীয়াত
খহি পৰিল বেলি
উত্তলি মুতুলি এটা
ধূসৰ গধূলি।
ৰিব্ ৰিব্ বতাহত
দেওদি নাচে
মোৰ প্ৰেয়সীৰ সেউজীয়া ৰিহা
বতাহত ভাহি আহে
হেমন্তৰ বিষাদ ভৰা গোন্ধ।
সেই গোন্ধে মোক
সোঁৱৰাই দিয়ে
দেউতাৰ হাতৰ কাঁচিখনৰ কথা
দেউতাৰ আজন্ম সহচৰ। □

## তুমি আকাশ

□ অৰূপজ্যোতি ডেকা

প্ৰেমৰ অন্য নাম
যদি আকাশ
তেনে
তুমিও এখন
আকাশ …

সাগৰ নালাগে
নদীয়েই ভাল
যদি বৈ থাকে তাতেই
মৰম
চিৰকাল। □

# ফেচিষ্ট ব্লাডহাউণ্ড

মূল □ মবংতি ক'কি (দক্ষিণ আফ্রিকা)

অনুবাদ □ নবীনা দাস

দহবছৰীয়া শিশুবোৰ কামুৰি বখলা-ৰখল কৰিও
ফেচিষ্ট ব্লাডহাইণ্ডবোৰ ক্লান্ত নহয়
কণ কণ শিশুহঁতৰ চকুলৈ বিষাক্ত থু মাৰি,
মূৰ চূৰ্ণ কৰি, হাড় ভাঙি অথবা তেজৰ
ফিচকাৰী মাৰিও সিহঁত ক্ষান্ত নহয়।
কিন্তু এইবাৰ সিহঁতে আঘাত হানিছে শিলৰ গাত
এই যে মুখফুটা শিশুবোৰ,
সিহঁতেও জানে
ফেচিষ্ট দানৱবোৰ যাবই লাগিব,
কোলাৰ ক্ষুধাৰ্ত কেঁচুৱাৰ মুখত ভাত
এমুঠি দিবলৈ প্ৰভুপত্নীৰ বিলাসভৱন
চাফা কৰা শীৰ্ণশৰীৰৰ মাক
লাঞ্ছিত কৰিও ফেচিষ্ট দানৱবোৰ ক্ষান্ত নহয়,
কিন্তু এইবাৰ
সিহতে আঘাত হানিছে শিলৰ গাত
মাকহঁত দৃঢ়প্ৰতিজ্ঞ হ'ল
সিহঁতে কাৰো কিনা গোলাম নহয়
নিজৰো নহ'য়
নহয় ফেচিষ্ট ব্লাড্‌হাইণ্ডবোৰৰো!
বনুৱাবোৰৰ গাত সাজুৰি নিজুৰিও
ফেচিষ্ট ব্লাডহাউণ্ডবোৰ ক্লান্ত নহয়
পিঠি বেঁকা কৰি সহি সহি থাকিব পৰা
বনুৱাজনে জীয়াই থাকে
ইও জীৱন, অৱশ্যে নামতে মাথোন
কিন্তু সিহঁতে এইবাৰ
আঘাত হানিছে শিলৰ গাত
শতিকাতকৈও প্ৰাচীন এটি কণ্ঠস্বৰ
বনুৱাবোৰৰ কাণত পৰিছে
এয়া সঁচাই প্ৰাচীন
ইযে মাউখে উটাৰ গান
নিঃস্বসকলৰ গতিটো জীৰ্ণস্তম্ভ
নিষ্ঠুৰ আঘাতেৰে সিহঁতে বিধ্বস্ত কৰে।
ৰ'দ আৰু খৰাৰে চিৰালফটা অঞ্চলবোৰলৈ
দুৰ্ভগীয়াহঁতক নিৰ্বাসন দিয়ে
পলুতকৈও অধমৰ দৰে
কিন্তু এইবাৰ
সিহঁতে আঘাত হানিছে শিলৰ গাত
এইখন কেৱল মানুহৰ দেশ
মৃত্যু কিম্বা কাৰাদণ্ডৰ ধমকিতো
কোনোমতে সিহঁতে এৰি নাযায় নিয়াংগা
ফেচিষ্ট বাডহাউণ্ডবোৰ ক্লান্ত নহয়
সিহঁতে ৰৌ ৰৌৱাই থাকে
মই কৰিব পাৰো বিষুৱাকান্ত প্ৰতিকাল
মধ্যাহ্নভোজন কাইৰ'ত
কিন্তু তাতো অৱসান হ'ল,
কিহবাই যেন বন্ধ কৰি দিলে বান্দৰে মুখ
সুদূৰৰ আংগোলা নামৰ দেশত
আৰু এইবাৰ
সিহঁতে আঘাত হানিছে শিলৰ গাত
ইফালে সিফালে নিৰ্বিচাৰে
চোৱাচোন কেনেকৈ সিহঁতে
ছেদেলি ভেদেলি হৈছে
'প্ৰমকে'ৰ কঠোৰ হাতুৰী আঘাতত
আৰু জনতাৰ ৰোষত। □

## জন্ম অথবা মৃত্যু য'ত অর্থহীন

মূল ☐ সুনীল গঙ্গোপাধ্যায়

অনুবাদ ☐ ৰয়েল আহমেদ

মোৰ ভালপোৱাৰ কোনো জন্ম নাই
অথবা মৃত্যুও নাই,
কিয়নো—
মই জন্মলাভ কৰিছিলোঁ
শৰীৰত অনন্য হীৰাৰ গহনা লৈ ।
কোনেও মোৰ নাম দিয়া নাই
তিনিটা অথবা চাৰিটা ছদ্মনামেৰে
এই মৰতত মোৰ ভ্ৰমণ ;
জুইকেই জ্যোতি বুলি ভাবিছোঁ
জ্যোতিৰে মোৰ হাত দগ্ধ হৈ যায়,
অন্ধাৰতে মানুহ দেখা উজু বুলি ভাবি
মায়াৰ ঘূৰ্ণিবতাহৰ অন্ধকাৰত গা এৰি দিছোঁ ।
কোনোৱে মোলৈ আগবঢ়ায় নিৰোপা
আকৌ কোনোৱে চুচকুৰে ছটিয়ায় হেজাৰ গঞ্জনা,
তথাপিও মোৰ ৰক্ষাকবচ—
ভালপোৱাক আদৰি লৈছোঁ,
মোৰ কোনো ভয় নাই—
মোৰ ভালপোৱাৰ কোনো জন্ম নাই
অথবা মৃত্যুও নাই । ☐

## কি স'তে বাৰু মই

মূল ☐ য়ুলিৰাম জে. হ্যাৰিচ

ভাষান্তৰ ☐ কামালুদ্দিন আহমেদ

দূৰৈত জিলিকি উঠে
নীলাভ পাহাৰ
কিয়নোবা মই বিচাৰিম
তালৈ গৈ যুদ্ধ কৰিবলৈ
বিপ্লৱৰ নামত
তাত্তোকৈ
এই আলফুলে সজোৱা
আটোমটোকাৰি ঘৰ
তোমাৰ স'তে মুই থাকিব পাৰি
অন্তহীন আলিংগণত
অনায়াসে
কি স'তে বাৰু মই
সমৰসজ্জা কৰোঁ
এতিয়া ☐

কবি পৰিচিত : ১৯৪২ চনত ওহিওত জন্ম। ষ্টানফোৰ্ড বিশ্ববিদ্যালয়ৰ আমেৰিকান আৰু সৃজনীমূলক সাহিত্যৰ অধ্যাপক ।

## বিদ্ৰোহী

মূল ☐ মেৰী ইভানচ্

ভাষান্তৰ ☐ কামালুদ্দিন আহমেদ

এখন ডাঙৰ শোকসভাৰ
আয়োজন কৰা হ'ব
মই জানিছোঁ
মৃত্যুৰ শীতল কোলাত শুই থাকিম যেতিয়া মই
চউপাসৰ
কৌতূহলী মানুহবোৰ
হিলদ'ল ভাঙি আহিব
মই
স°চাস°চিকৈয়ে মৰি গৈছোঁ নেকি বাৰু
নে
আন এটা বিদ্ৰেহৰ পাতনি তৰিবৰ
চেষ্টা কৰিছোঁ মাথো ☐

কবি পৰিচিতি : ১৯২৩ চনত ওহিওত জন্ম। ইণ্ডিয়নো য়ুনিভাৰচিটিৰ স্থায়ী লেখিকা। 'I am a black woman' আলোড়ন সৃষ্টিকাৰী কাব্যগ্ৰন্থ।

উৎস ☐ শক্তি চট্টোপাধ্যায় আৰু মুকুল গুহ অনূদিত ১০০ বছৰেৰ শ্ৰেষ্ঠ নিগ্ৰো কবিতা । ☐

# গল্প

অমৰেন্দ্ৰ বৰুৱাৰ মনলৈ হঠাতে এটি অদ্ভুত অংকৰ উদয় হ'ল। ঠিক হয়তো অদ্ভুত বুলি কব নোৱাৰি—হয়তো কব পাৰি আচহুৱা। —'আশী বছৰত কিমান দিন থাকে?' —এনেকুৱা এটি অংক।

ঘৰৰ আগপিনে বাৰান্দাত আৰামী চকীখনত ধক্-ধকীয়া বগা ধুতি আৰু পাঞ্জাবী পিন্ধি বহি থাকে অমৰেন্দ্ৰ বৰুৱা অৰ্থাৎ অমৰ ছাৰ। তেওঁৰ হাতত এতিয়া অফুৰন্ত সময়। আজিকালি তেওঁ ঘৰৰ বাহিৰ নহয়। পুৱাৰপৰা গধূলিলৈ সৰহভাগ সময়েই তেওঁ কটায় আৰামী চকীখনত নিজৰ গাটো এৰি দি সমুখৰ বাটলৈ দৃষ্টি নিক্ষেপ কৰি।

এইখন সৰু চহৰৰে একমাত্ৰ হাইস্কুলখনৰ অংকৰ শিক্ষক আছিল তেওঁ। স্কুলখনৰ জন্মক্ষণৰ পৰাই তেওঁ তাৰ সতে জড়িত। সকলো সময়তে ব্যস্ত। অংক বুজাইছিল একদম পানী যেন কৰি। অংক বুজোৱাত স্কুলত তেওঁৰ সমকক্ষ আৰু কোনো নাছিল। তেওঁ আছিল অংকৰ ওস্তাদ। ঠিক তেনেদৰে লৰা পিটাতো অমৰ ছাৰ আছিল ওস্তাদ। এই দুয়োটা বিষয়তে তেওঁ আছিল অপ্ৰতিদ্বন্দ্বী।



'কি নাম আছিল তাৰ,'—তেওঁ মনত পেলাবলৈ যত্ন কৰিলে,—'আস্, নামবোৰো আজিকালি দেখোন মনত নপৰা হৈছে। সৌ সিদিনাখন তাক লগ পাইছিলো। কি আছিল নামটো……অ……মুনীন। এৰা মুনীনেই আছিল। ক্লাচৰ ফাৰ্ষ্ট বয় আছিল। তেতিয়া সি ক্লাচ ফাইভত, অংক এটা ভুল কৰিছিল এদিন। তেনেকুৱা ভুল অন্ততঃ সি কৰিব নালাগিছিল। অথচ কৰিলে। সিদিনা অমৰ চাৰে খঙত অগ্নিশৰ্মা হৈ সাবৌপ সাৰৌপকৈ তাক কোবাইছিল। হাতৰ তলুৱাৰে তেজ বিৰিঙিছিল। পিছত সন্ধিয়া তাৰ দেউতাকে তেওঁৰ ঘৰলৈ আহি দুখেৰে কৈছিল, 'আপুনি তাক মাৰিছে মাৰক, কিন্তু অনুগ্ৰহ কৰি ভবিষ্যতে ইমানকৈ নামাৰিব যাতে আমি তাক ডাক্তৰৰ ওচৰলৈ নিবলগীয়া নহয়।' অমৰ চাৰে লাজ পাইছিল। সেইদিনাৰ পৰাই তেওঁ ল'ৰা কোবোৱা কমাইছিল। 'কিমান দিনৰ কথা বাৰু'—তেওঁ মনত পেলাবলৈ চেষ্টা কৰিলে। —সৌ সিদিনাৰ কথা যেন লগা নাইনে? অথচ সেই মুনীনেই এতিয়া বুঢ়া হোৱাৰ পথত। তাৰ কাণৰ গুৰিৰ চুলিবোৰ পকিছে। তেওঁ গাটো অলপ লৰাই আৰু অকণ আৰামকৈ আউজি বহিবলৈ যত্ন কৰিলে।

'ৰুক্মিণী ঢুকোৱা কিমান বছৰ হ'ল বাৰু? পোন্ধৰ? এৰা সিমানেই হব।' সুদীৰ্ঘ চল্লিশটা বছৰ তেওঁৰ জীৱন সঙ্গিনীৰূপে সাহচৰ্য দি হঠাতে তেওঁক অকলে এৰি থৈ গুচি গ'ল তাই। নিজকে বৰ নিঃসঙ্গ অনুভৱ কৰে। অৱশ্যে পুতেক বোৱাৰীয়েকৰ সতে থাকে, তথাপি যেন অকলশৰীয়া। পুতেক অফিচাৰ। সদা ব্যস্ত। বোৱাৰীয়েকো আজিকালি সমাজকৰ্মী হৈ সমাজৰ উন্নতি সাধনত ব্যস্ত। নাতি-নাতিনীহঁতো 'বুঢ়া'ক সঙ্গ দি ভাল নাপায়।

'আস, ৰুক্মিণী থকাহেঁতেন— ।'

ছমাহ আগলৈকে তেওঁ আছিল এজন সুস্থ ব্যক্তি। চলি ফুৰিব পৰা শক্তি আছিল। ইচ্ছা হলেই ফুৰিবলৈ ওলাইছিল। ৰাতিপুৱা বা সন্ধিয়া বুলি কোনো কথা নাছিল। লাখুটিডাল হাতত লৈ ওলাই গৈছিল। ফুৰাটো যেনেকৈ তেওঁৰ দৈনন্দিন কাৰ্য আছিল ঠিক সেইদৰে তেওঁৰ আৰু এটি কাম আছিল মৰমৰ স্কুলখন নিতৌ এবাৰ চাই অহাটো। স্কুলৰ ভিতৰলৈ অৱশ্যে কেতিয়াও নোসোমাইছিল। বাটৰ পৰা এবাৰ চালেই তৃপ্তি। স্কুলখনৰ কথা মনত পৰোতেই তেওঁৰ মনত পৰিল আন এটি ঘটনালৈ। "কিমান দিনৰ আগৰ ঘটনা বাৰু? পাচ বছৰ, নে ছবছৰ? এৰা তেনেকুৱাই হব।' সেইদিনাখনো তেওঁ হাতত লাখুটিডাল লৈ ওলাই গৈছিল আবেলি সময়ত। লাহে লাহে গৈ স্কুলখনৰ কাষ পালেগৈ। চাৰিও-পিনে নিমাওমাও। আনদিনাৰ দৰে হুলস্থূল নাই। তেওঁ অলপ আচৰিতেই হ'ল। হঠাতে চাৎকৈ তেওঁৰ মনত খেলালে পৰীক্ষা আৰম্ভ হৈছে দেখোন—মেট্ৰিক পৰীক্ষা। তেওঁ মনে মনে এক গৰ্ব অনুভৱ কৰিলে। এই ল'ৰাবোৰেই এদিনাখন গৈ দেশৰ মুখ উজ্জ্বলাব। বাটৰ কাষে কাষে আৰু অলপ আগুৱাই গ'ল। কিছুদূৰ যোৱাৰ পিচতে কিছুমান কণ্ঠস্বৰ তেওঁৰ কাণত পৰিল।

'আৰে দে, মই কৰি আছো নহয়।'

'আৰে তই সোনকালে কৰ। নহলে সিপিনে চাপ্লাই দিয়াত দেৰী হৈ যাব বে।'

স্কুলখনৰ কাষতে থকা হৰিৰ চাহৰ দোকানখনৰ সন্মুখতে চকী এখন বহুৱাই কেইজনমানে কিবাকিবি লিখাত ব্যস্ত। তেওঁ সেইপিনে আগুৱাই গৈ চকীৰ একেবাৰে কাষ পালেগৈ। ভিৰিটো আগবঢ়াই দি জুমি চালে। সোতমোচ খোৱা ইংৰাজীৰ দ্বিতীয় প্ৰশ্ন কাকতখন আগত লৈ চাৰিওপিনে চাৰিখনমান কিতাপ মেলি লৈ এজনে অসমীয়াৰ পৰা ইংৰাজীলৈ 'ট্ৰেনশ্লেশ্যন' কৰাত ব্যস্ত। বাকী কেইজনে আন আন কাগজত তাৰে কপি কৰাত ব্যস্ত।

'সেইবোৰ কি কৰিছা?'—কোনোমতে সুধিলে।

'চাপ্লাই, চাপ্লাই দিব লাগে।' —এজনে তপৰাই

উত্তৰ দিলে। 'ভিতৰত আমাৰ পাৰ্টনাৰ কেইজনমান পৰীক্ষা দি আছে তো। সিহঁতে তো পাছ কৰিব লাগিব, নে কি কয় ককা?'

হঠাতে তেওঁৰ বুকুখনৰ কোনোবা এঠাইত বৰকৈ বিষাই যোৱা যেন পালে। জিভাখন যেন জঠৰ হৈ গ'ল। ইজন ল'ৰাই কিন্তু কথা বতৰালৈ কোনো মন কাণ নিদি একান্তমনে অনুবাদ কৰাত ব্যস্ত–'তেওঁ যোৱা কালিৰ পৰা অসুখত ভুগি আছে'—'হি হেজ গ'ট ফেভাৰ চিন্স ইয়েচটাৰ ডে।'

হেৰা ডেকা ল'ৰা', —ৰব নোৱাৰি অমৰেন্দ্ৰ বৰুৱাই কলে, 'অসুখৰ ইংৰাজী ফেভাৰ বুলিনো ক'ত পালা? ফেভাৰ মানে জ্বৰহে হব হবলা।' এইবাৰ সি মূৰ ডাঙি চালে। বাকীবোৰে তাৰ পিনে প্ৰশ্নবোধক দৃষ্টিৰে চাইছে। তাৰ বিদ্যাক 'চেলেঞ্জ' কৰাটো তাৰ বোধহয় পচন্দ নহল। 'প্ৰেষ্টিজ'ৰ কথাটোও জড়িত হৈ আছে। সেয়েহে সিও মুখ পাতি ধৰিলে। 'হেৰি, জ্বৰ অসুখ নহয় বুলি আপোনাক কোনে কলে। জ্বৰ, শৰ্দি, কাহ এইবোৰৰ সমষ্টিয়েইতো অসুখ। অসুখ বুলি কিবা বেলেগ বস্তু আছে জানো? হব বুজিছে, মোক আপুনি শিকাব নেলাগে, বুজিছেতো?'

তেওঁ মূৰ দুপিয়ালে। বুজিছে। তেওঁ আৰু একো নামাতিলে। লাহেকৈ তাৰ পৰা আতৰি আহিল। সেই দিনাৰ পৰা স্কুললৈ আৰু কেতিয়াও নাযায় বুলি প্ৰতিজ্ঞা কৰিছিল। প্ৰতিজ্ঞা কৰিলেহে হয়, ৰাখিব হলে নোৱাৰিলে। তাৰ পিচতো তেওঁ সদায় গৈছিল, অৱশ্যে সন্ধিয়া সময়তহে। পাতলীয়া এন্ধাৰৰ মাজত বুৰ গৈ থকা স্কুলখনকে চাইছিল। কিন্তু যোৱা ছমাহে এইহেন মৰমৰ স্কুলখনকে চাবলৈ যাব পৰা নাই। শৰীৰৰ তল অংশ তেওঁৰ জঠৰ।

আকৌ—আকৌ সেই চিন্তাবোৰ মনলৈ আহিবলৈ ধৰিলে। চিন্তা নহয়—কেতবোৰ অংক। অদ্ভুত কিছুমান অংক। কিন্তু এনেধৰণৰ অংকতো তেওঁ কেতিয়াও কৰা নাই। নাইবা কেতিয়াবা কৰিবলৈ চেষ্টা কৰাও নাছিল। মনলৈও অহা নাছিল। কিন্তু আজি কেইসপ্তাহ মানৰ পৰা কেইটামান অদ্ভুত অংকই তেওঁৰ মগজুত বৰকৈ খুন্দিয়াইছেহি। অকলশৰে বহি থাকিলেই এইবোৰে তেওঁক জুমুৰি দি ধৰেহি। মূৰটো তেওঁ জোৰেৰে জোকাৰি দি অদ্ভুত অংকবোৰক খেদি পঠিয়াবলৈ চেষ্টা কৰিলে কিন্তু ব্যৰ্থ হ'ল।

এটা এটাকৈ অংকবোৰে তেওঁৰ মগজুত খেলা কৰিবলৈ ধৰিলে। 'জন্মৰ পৰা আশী বছৰলৈ কিমান কেজি চাউলৰ ভাত খালো বাৰু? কিমান কেজি?? মানুহে বাৰু তেওঁৰ জীৱনকালত কিমান খায়?'

ৰুক্মিনীক কিমান বছৰ বয়সত বিয়া কৰাইছিলো এৰা পচিশ বছৰ বয়সত আৰু সুদীৰ্ঘ চল্লিশ বছৰৰ এটি যুগ জীৱন কটোৱাৰ পিচত তাইৰ মৃত্যু হল। চল্লিশ বছৰ! কিমান দিন? তেওঁ মনতে অংক কৰে। চৌধ্য হাজাৰ ছশ দিন।

'আৰু ৰুক্মিনীয়ে এৰি থৈ গুছি যোৱাৰ? এই পৃথিবীত অকলশৰীয়াকৈ পেলাই থৈ যোৱাৰ কিমান বছৰ হল? পোন্ধৰ বছৰ নহয় জানো? পো-ন্ধ-ৰ বছৰ। কিমান দিন;অংকৰ ওস্তাদ আছিল অমৰেন্দ্ৰ বৰুৱা। খপকৈ অংকলৈ মুখে মুখে কৰি পেলায়। পাচ হেজাৰ চাৰিশ পয়শত্তৰ দিন। এৰা অকলশৰীয়া এজন বুঢ়া মানুহৰ বাবে বৰ দীঘল সময়।

আশী বছৰীয়া তেওঁ। জীৱনৰ আশীটা বছৰ (বসন্ত?) পাৰ হৈ আহি আজি মৃত্যু পথৰ যাত্ৰী। এটি নতুন অংকই তেওঁৰ মগজুত খেলা কৰি ফুৰিবলৈ ধৰিলে। আশী বছৰত কিমান দিন বাৰু? কিমান? অমৰেন্দ্ৰ বৰুৱাই ভাবিবলৈ যত্ন কৰে। কিমান দিন? কিমান?? □□

# বেদনাৰ পাহি

।। ৰথীন্দ্ৰ নাথ গোস্বামী ।।



প্ৰেমিকাৰ হাতত ফুলৰ থোপাটো গুজিদি প্ৰেমিকে ক'ব—"আমাৰ দুয়োৰে প্ৰেম এই ফুলৰ দৰেই সুন্দৰ হওঁক।" বিয়াৰ দিনা দৰা-কইনা উভয়ে ইজনে সিজনৰ ডিঙিত ফুলৰ মালা পিন্ধোৱা সময়ত উচ্চাৰিত হ'ব—"তোমাৰ হৃদয়, মোৰ হৃদয় এক হওঁক।" ফুলশয্যাৰ নিশা ফুলৰ ওপৰত লাজুকীলতাৰ বেশত পৰি থকা স্ত্ৰীৰ ওঁঠত ওঠ লগাই স্বামীয়ে কৈ উঠিব—"কি সুন্দৰ সুবাস!" পুত্ৰ-কন্যাই পিতৃ-মাতৃৰ জন্মদিনত ফুলৰ থোপা এটা দি আনন্দত গাব—"হেপি বাৰ্থদে টু ইউ... ...।" কোনো মহান নেতা, জনপ্ৰিয় অভিনেতা, গায়ক, খেলুৱৈ বা সাহিত্যিকৰ মৃত্যুত ফুল চটিয়াই সকলোৱে ক'ব—"তেখেতৰ মৃত্যুত আমাৰ সমাজৰ অপূৰণীয় ক্ষতি হ'ল।" বিদেশৰপৰা অহা মন্ত্ৰী বা দেশৰ বৰমূৰীয়াসকল, দেশৰ সুনাম ৰাখি অহা খেলুৱৈ, গায়ক, সাহিত্যিকসকলক বিমান কোঠত আদৰণি জনোৱা হ'ব ফুলেৰে।... ...

পৃথিৱীত হয়তো এনেকুৱা এটা আনন্দৰ উৎসৱ নাই, এনেকুৱা এটা বিষাদৰ মূহুৰ্ত নাই, এনেকুৱা এটা স্মৰণীয় মুহূৰ্ত নাই যি মুহূৰ্তত প্ৰকৃতিৰাণী ফুলক ব্যৱহাৰ কৰা হোৱা নাই। ফুলো-নুফুলোকৈ ফুলাৰ যি মনোৰম দৃশ্য; নিজৰ সুগন্ধিৰে, নিজৰ ৰঙেৰে গপত ওফন্দি পৰাৰ যি অনুপম দৃশ্য; সেই দৃশ্য ফুলৰ বাহিৰে আন কোনোৱাই সৃষ্টি কৰিব পাৰে বুলি আশাই কৰিব নোৱাৰি।

ফুলক ইমান সৌন্দৰ্য দিছে কোনে? যাৰ বাবেই ইমান জনপ্ৰিয়। গছজোপাৰ কাষত পানী দি থকা; গছৰ কাষে কাষে খুচৰি-খুচৰি সোধা—"তোমাৰ ভোক লাগিছে নেকি!" গছৰ ডাল কলম দি কোৱা—"তুমি বৰ

সোনকালে ডাঙৰ হোৱা"; সেই মালীজনৰ কথা স্মৰণীয় মুহূৰ্তত কোনোবাই ভাবেনে? পতিয়ে-পত্নীক, প্ৰেমিকে-প্ৰেমিকাক ফুল উপহাৰ দিওঁতে মালীজনৰ পৰিশ্ৰমৰ কথা ভাবেনে?

তেনে এজন মালীয়েই আছিল ৰামু। যাৰ যত্নতেই বিকাশ দত্তৰ বাগিছাখন হৈ পৰিছিল সুন্দৰ। অতিকৈ সুন্দৰ। ৰাতিপুৱাৰপৰা ৰাতিলৈকে, বছৰটোৰ আৰম্ভণিৰ-পৰা শেষলৈকে, ফুলজোপা গৰ্ভৱতী হোৱাৰেপৰা ফুলপাহৰ জন্ম দিয়ালৈকে সকলো সময়তে ৰামুৱে বাগিছাত সিহঁতক আপ-দাল কৰে। ফুল ৰামুৰ সপোন কন্যা। গছ তাৰ প্ৰেয়সী। যেতিয়া গছে প্ৰসৱ বেদনাত চিঞৰি উঠিব, তেতিয়া ৰামুৱে হাত বুলাই ক'ব—"সোণজনী, মই আছোঁ।" জন্ম হৈ পুলিটোৱে যেতিয়া পৃথিৱীত জীয়াই থকাৰ সংগ্ৰাম কৰিব, তেতিয়া ৰামুৱে কব—"চিন্তা নকৰিবা। তোমাৰ ভৱিষ্যত মোৰ হাতত।" ইমানখিনি মৰম কৰি ৰামুৱে তাৰ বাগিছাখন সুন্দৰ কৰি তুলিছে। ফুলৰ সুবাস বাগিছাৰ চাৰিসীমা পাৰ কৰি চৌদিশ বিয়পাই দিছে। সকলো চমকি উঠিছে। ইমান সুন্দৰ সুবাস! তাতৈ ৰামুৰ কোনো ভ্ৰূক্ষেপ নাই। তাৰ ব্যস্ততা ফুলখিনিৰ লগত। ফুলৰ সুগন্ধিয়ে বিকাশ দত্তকহে উৎসাহিত কৰিছে। তেওঁৰ নাম হৈছে। সন্মান বাঢ়িছে। ধন হৈছে। সকলোৱে এই বাগিছাখন বিকাশ দত্তৰ যত্নতেই গঢ়ি উঠা বুলি ভাবিছে।

যেতিয়া কোনোবাই বিয়াৰ বাবে ফুলৰ অৰ্ডাৰ দিবলৈ আহি ফুলবোৰ চাব; তেতিয়া বিকাশ দত্তই কৈ উঠিব—"এই ফুলেই মোৰ প্ৰাণ। মোৰ সপোন ৰাণী।" বিকাশ দত্তৰ যত্নক সকলোৱে বাঃ বাঃ দিব। তেতিয়া বিকাশ দত্তই সকলোকে শুনাই কৈ উঠিব—"ৰামু, সেই ফুলজোপাত অলপ পানী দি দে।" কোনোবা পৰিচালকে তেওঁৰ চিনেমাৰ বাবে বাগিছাৰ ছুটিং লবলৈ যেতিয়া বিকাশ দত্তৰ ওচৰ চাপিব, তেতিয়া তেওঁ ক'ব—"মোৰ বাগিছা, মোৰ পত্নীৰ দৰেই আপোন।" তেওঁ ৰামুক ক'ব—"তোৰ আজি ছুটি।" তাৰপিছত তেওঁ বাগিচাখনৰ ওপৰত আধিপত্য দেখুৱাই বিভিন্ন ধৰণে নিৰ্দেশ দিব। যেতিয়া প্ৰতিযোগিতা হ'ব, তেতিয়া ৰামুক ক'ব—"ৰামু, এপাহ খুব ডাঙৰ আৰু সুন্দৰ ফুল বাগিছাত ফুলাই দে।" ৰামুৱে যত্ন কৰি সুন্দৰ কৰা ফুলেৰে প্ৰতিযোগিতাত প্ৰথম হৈ তেওঁ কৈ উঠিব—"ফুল, মোৰ সপোন ৰাণী। ফুলক মই ভাল পাওঁ আৰু সেয়ে মোৰ গোটেই জীৱন ফুলৰ লগতেই।"

এই সকলোবোৰ শুনি ৰামু অধৈৰ্য হৈ পৰে। বিকাশ দত্তই ফুলৰ কাষকে নাচাপে। মালিক হ'ল বুলিয়েই ইমান আধিপত্য সহ্য কৰিব নোৱাৰি। ৰামুৰ দৰমহা একেবাৰে কম। তথাপিও সি আছে, ফুলৰ বাবে, ফুলৰ প্ৰেমত। তাৰ নিজৰ মাটি নাই, থকাহ'লে ... ... ...। ৰামুৱে প্ৰতিশোধ লোৱাৰ ক্ষণ গণিলে। সি প্ৰতিশোধ ল'ব। ভীষণ প্ৰতিশোধ।

ৰামুৰ প্ৰতিশোধ লোৱাৰ উপযুক্ত সময় আহি পৰিল। ৰাগিছাবিলাকৰ প্ৰতিযোগিতা হ'ব। লগতে ছুটিং হ'ব। ইয়াত পুৰস্কাৰ পালে বিকাশ দত্তৰ বিৰাট নাম হ'ব বিকাশ দত্তই ৰামুক ফুলনিখন সুন্দৰ কৰিবৰ বাবে নিৰ্দেশ দিলে। দুদিনমান থাকোতে ৰামুৱে ভাবিলে সি সকলোবোৰ গছ মাৰি পেলাব আৰু গুচি যাব। বহুত দূৰলৈ। চিৰদিনলৈ। বিকাশ দত্তৰ মুখৰ মাত চিৰদিনৰ বাবে হেৰাই যাব। উত্তম শিক্ষা পাব। কিন্তু সি নোৱাৰিলে। গছবিলাকে যেন আৰ্তনাদ কৰি উঠিল। তাক কাবৌ কৰিলে। সি হত্যাকাৰী হব নোৱাৰিলে। নিজকে বৰ দোষী-দোষী যেন লাগিল। সি কান্দি পেলালে। কিন্তু সিযে প্ৰতিশোধ লবই লাগিব। ফুল বিলাকৰ গাত ধৰি সি কান্দি কান্দি ক'লে—"সোণজনী, তোমালোকক মই ভাল পাওঁ। কিন্তু মই এনে অৱস্থাত থাকিব নোৱাৰিম। মই নাথাকিলে তোমালোকে বৰ কষ্ট পাবা। কিন্তু উপায় নাই। মোক ক্ষমা কৰিবা। ... ... ..." হুকহুকাই সক লবাৰ দৰে কান্দি ৰামু চৌহদৰ পৰা বাহিৰ হৈ গ'ল। তাৰ প্ৰেয়সীৰ কাষৰপৰা চিৰদিনৰ বাবে আঁতৰি গ'ল। গছবিলাকেও পাত লৰাই লৰাই বিদায় দিলে। বিদায়ৰ সময়ত সিহঁতেও কান্দোনমুৱা হ'ল। এই বিদায় মুহূৰ্ত কিদৰে স্মৰণীয় কৰিব ফুলে হ'লে ভাবি নেপালে। অন্যহাতে বিকাশ দত্ত বিদেশত ফুলৰ ওপৰত দিবলগীয়া ভাষণ লিখাত ব্যস্ত। □□




চাৰিআলিটো পাৰ হৈয়ে 'মা-কালী'ত চকু পৰিল। লৰালৰিকৈ আগবাঢ়িলো যাতে বহুত মানুহ উঠাৰ আগতেই উঠি বহা ঠাই এটুকুৰা দখল কৰিব পাৰো।

পিছফালৰ দুৱাৰখনেদি ভিতৰ সোমালো। পিছে কপাল বেয়া বুলিব লাগিব। ল'ৰাই ছোৱালীয়ে, মতাই মাইকীয়ে. ডেকাই বুঢ়াই মিলি প্ৰায় সকলোৱে আসনসমূহ দখল কৰিলেই ইতিমধ্যে। ভালকৈ মন কৰিলত দেখিলো; দুজনীয়া ছিটত তিনিটাকৈ আৰু তিনিজনীয়া ছিটত চাৰিটাকৈ বহি "পৃথিৱীৰ সকলোখিনি পাই যোৱাৰ" অভিব্যক্তি লৈ মানুহবিলাক বহি আছে।

মই সোঁহাতে চালো যে কোনোবা ছিটত তিনিটাকৈ আৰু বাওঁহাতে চালো দুটাকৈ বহিছে নেকি।

নাই! দুৰ্ভাগ্য। ইয়াকে কয় দুৰ্ভাগ্য। মই গাড়ীখনৰ প্ৰায় মাজভাগত থিয়হৈ থকা দেখি দুই এজনে বহিবলৈ দিব পাৰি নেকি নিজৰ ভিতৰতে চোৱাচুই কৰিলে। 'মা-কালী'ত সাধাৰণতে নিম্নবিত্ত আৰু নিম্ন মধ্যবিত্ত শ্ৰেণীৰ লোকেই উঠে। বাছখনৰ প্ৰায় প্ৰত্যেকটো মানুহেই মোৰ চকুৰ চিনাকী। এই গাড়ীখনত আজি এনেদৰে তিনি সপ্তাহ ধৰি গৈ আছো। তামোলৰ মজলীয়া আকাৰৰ বস্তা এটা লৈ সদায়ে পোৱা এই সৰু ল'ৰাটো, নেপালী শকত মানুহটো, ছাটিটোৱে সৈতে তামোল-পাণৰ দোকানী বুঢ়াটো, চিচাৰ খাৰু এপাচি লৈ দেছোৱালী গাভৰুজনী—সকলোবিলাকৰ লগতে মোৰ যেন এটা নিবিড় আত্মীয়তা গঢ় লৈ উঠিছে।

বহুত মানুহৰ মাজত মই এটা গোন্ধ পোৱা যেন অনুভৱ কৰো। গোন্ধটো যেন বিয়া বিয়া। বিয়া বুলিলে মনত যিটো গোন্ধৰ ভাব আহে, সেই গোন্ধটো। ধূপ-ধূনা, মাহ-হালধি, লুচি-তৰকাৰী, মিঠাই আৰু চৌখিন মহিলাৰ গাৰ পৰা অহা প্ৰসাধনৰ গোন্ধ, ভণ্টিয়ে চটিয়াই দিয়া আঁতৰ, কইনাই পিন্ধা নতুন পটিৰ কাপোৰযোৰৰ গোন্ধ—এই আটাইবোৰ গোন্ধৰ সংমিশ্ৰণ হৈ যিটো গোন্ধ বতাহত ওপঙি ফুৰে, সেই গোন্ধটো বহুত মানুহৰ মাজত থাকিলে মোৰ নাকত লাগেহি যেন। এই গাড়ীখনৰ মানুহবিলাকৰ মাজত থাকি ইমান সুন্দৰ গোন্ধৰ অনুভৱ বৰ অবাস্তৱ, সেঁা তেলৰ সংস্পৰ্শলৈ নহা জপৰা মূৰৰ ল'ৰাটোৰ পৰা নতুবা তামোলৰে ভৰ্তি হৈ থকা বুঢ়ীজনী সিহঁতৰ ওচৰত থাকিলে এক দুৰ্গন্ধ পোৱাৰ সম্ভাৱনাই বেছি। অথচ এতিয়া এই মূহূৰ্তত মই সেই সুন্দৰ গোন্ধটো পোৱা যেন লাগিছে। কিবা এক অনামী উল্লাসত মোৰ গাটো সিৰসিৰাই গৈছে। মোৰ গাটো খুব ভাল লাগিছে—পাতল পাতল লাগিছে। বহুত দিনৰ আগতে·· ······ নহয়, দুটা বছৰৰ আগতে এনেদৰে বহুত মানুহৰ মাজত সোমাই থাকি সেই গোন্ধটো মই খুব ভালকৈ পাইছিলো।

ৰাতিপুৱাৰে পৰা বহুত মানুহ আছিল ঘৰখনত। মাহ-হালধিৰে বহুত মানুহৰ মাজত সোমাই গা ধুই মই গোন্ধটো পাবলৈ আৰম্ভ কৰিছিলো। মোৰ নিজৰে গাৰ

প্ৰসাধনৰ গোন্ধ আৰু শেৱত হোমৰ জুইৰ গোন্ধটো মোৰ নাকত একাকাৰ হৈ পৰিছিল।

তাৰ পিছৰ দিনটো কেনেদৰে পাৰ হৈছিল মনত নাই। কিন্তু তাৰ পিছদিনা! ৰাতি, নতুনকৈ চিনি পোৱা মোৰ নতুন কোঠাটোলৈ সোমাই দেখিছিলো বহুত ফুল।

"ইমানবোৰ ফুল!" মনতে ভবা কথাটো প্ৰকাশ কৰিবলৈ ওচৰত মোৰ কোনো নাছিল। ফুলশয্যাৰ পিছৰ দিনা গোটেই দিনটো, ৰাতিপুৱাৰে পৰা মই কাৰো মুখলৈ চাব পৰা নাছিলো। আনলৈ ইমান লাজ কেতিয়াও-তো লগা নাছিল মোৰ। কোনোবাই কিবা এটা ক'লেই উচপ খাই উঠিছিলো নেকি সেইদিনা! ডেৰটা বছৰ কেনেদৰে গ'ল একেবাৰে গম নাপালো। তাৰ পিছত .. ...তাৰ পিছত হঠাৎ এদিন আৱিষ্কাৰ কৰিলো—আমাৰ ঘৰলৈ বহুত মানুহ আহিছে আৰু তাৰ মাজৰে পৰা কোনোবা এগৰাকীয়ে মোৰ কপালত থকা ৰঙা সেন্দুৰৰ ফোঁটটি নিষ্ঠুৰভাৱে (?) মোহাৰি দিছে।

চাকৰিৰ ব্যস্ততাৰ ফাকে ফাকে কৃষক সংগঠনত অহোৰাত্ৰি ব্যস্ত থকা অনুপমক চিকাৰী পুলিচৰ বন্দুকৰ গুলীয়ে থকাসৰকা কৰিছিল। অসহায় অনুপমে বৰ স্বাৰ্থপৰৰ দৰে মোক এৰি থৈ অকলে গুচি গ'ল—চিৰ-দিনলৈ।

মোৰ ডেৰটা বছৰৰ ভিতৰতে আপোন হৈ পৰা ঘৰখনৰ পৰা সাত মাইল নিলগত থকা অনুপমৰ অফিচ-টোতে মোৰ বহুতো শুভাকাংক্ষীৰ যত্নত মই এতিয়া এজনী টাইপিষ্ট। মোৰ যোগ্যতাৰ যথাযোগ্য ব্যৱহাৰ মই এতিয়া কৰোঁ। পুৱা দহ বজাৰ পৰা অফিচত থাকি মই সদায় উভতি যাওঁ চাবেচাৰি বজাত এই 'মা-কালী'ত। তিনি সপ্তাহে তাৰ ব্যতিক্ৰম হোৱা নাই। আজি মাথোন এটাই ব্যতিক্ৰম যে বহিবলৈ মই পোৱা নাই।

আকৌ চাৰিওফালে চালো; মই বহিবই লাগিব, কাৰণ মোৰ পেটত তিলতিলকৈ গঢ়ি উঠা অনুপমৰ দ্বিতীয় প্ৰতিমূৰ্তিৰ কষ্ট হব বুলি মোৰ বৰ চিন্তা হয়। গাড়ীখন চলিবলৈ আৰম্ভ কৰিছে। ইতিমধ্যে ইয়াত বহুত মানুহ হ'ল। মানুহৰ ভিৰ ঠেলি মই শকত, পকাচুলিৰ মানুহজন বহি থকা ঠাইলৈ আহিলো। সোঁহাতেৰে ওপৰত ধৰিবলৈ থকা ৰেলিংডালত ধৰি, বাওঁহাতেৰে মোৰ পেটটোত হাত ফুৰাই মানুহজনলৈ চালো। তেওঁ থিয় হ'ল আৰু মই লগে লগে বহি পৰিলো অকণো সৌজন্যতা প্ৰকাশ নকৰি।

'মা-কালী'ৰ গতি লাহে লাহে বাঢ়ি আহিল। মই আগবাঢ়িছো দুটা বছৰৰ আগতে চিনাকী হোৱা মোৰ আপোন ঘৰখনলৈ। □□




আমি নিজাকৈ এই নতুন ঘৰটো বান্ধি ইয়ালৈ অহাৰে পৰা ঘৰৰ বিভিন্ন বস্তু-বাহানি থানথিত কৰি লোৱাৰ পাছত, আজি আবেলিটোহে মই আহৰি পালো। মোৰ কোঠাটোৰ পৰা মন কৰিলো, আমাৰ ঘৰটোৰ সন্মুখৰ পিনে বহুত নতুন নতুন ঘৰ, কিছুমান এতিয়াও সম্পূৰ্ণ হৈ উঠা নাই। মই পঢ়াৰ সুবিধাৰ বাবেই আগতে কৈ থোৱা মতে অলপ কাষৰীয়া এই কোঠাটো মোৰ নিজাকৈ পালো। ঘৰৰ বিভিন্ন অংশত হোৱা সচৰাচৰ হুল-স্থুল

বোৰৰ পৰা মই এতিয়া আঁতৰত। তাৰোপৰি মোৰ কোঠাৰ কাষৰ ফালটো সম্পূৰ্ণ মুকলি। সৰু সৰু ল'ৰাবোৰে তাত বাহঁৰ খুটি দুটামান পুতি ক্ৰিকেট খেলা মই এইকেইদিন দেখিছো। সিহঁতৰ কিৰিলিবোৰ মোৰ ভাল লাগিছে।

মই এইবাৰ কোঠাটোৰ বাওফালে পুৰণি কেকটাচ্‌ৰ টাব কেইটা সজাই থলো। অলপ আগতে দেউতাই বেৰত মাৰি থৈ যোৱা গজালটোত বহুতদিন আগেয়ে অঁকা কেনভাছখন ওলোমাই দিলো। এই কেনভাছখন মই Sir Joshua Reynolds ৰ "Age of Innocence" নামৰ Portrait খনৰ পৰা চাই চাই আঁকিছিলো। কিয়জানো, বুকুত হাত দুখন সাবটি লৈ বহি থকা ছোৱালী জনীৰ এই ছবিখনে মোক ৰৰকৈ আকৰ্ষণ কৰিছিল। কিতাপৰ চেল্‌ফৰ ওপৰত থকা পিতলৰ চেপেটা ফুলদানিটোৰ মৰহি যোৱা ফুলকেইটা পেলাই টেবুল লাইট আৰু Wall cloack টো ঠিক ঠাইত থ'লো আৰু দুৱাৰমুখলৈ আহি কোঠাটো ভালদৰে নিৰীক্ষণ কৰিলো —ছাত্ৰীৰ পঢ়া কোঠা যেন লাগিছেনে নাই। এনেতে দেউতা আহি-অসমীয়া অভিধান, ফণীশৰ্মা আৰু জ্যোতিপ্ৰসাদৰ ৰচনাৱলী, অসমীয়া গল্প সংকলন, Freedom at Midnight, Glimpes of the world History, A Farewell to Arms, Anna Karenina, Anandamath, The Golden Bough ইত্যাদি এজাপ কিতাপ দিলেহি আৰু কোঠাটো সুন্দৰ হোৱা বুলি শলাগিলে।

দেউতা গলগৈ। মই চেল্‌ফত কিতাপবোৰ সজাই থলো। এইবাৰ কোঠাটোৰ পিছফালটো চোৱাৰ মনেৰে কাঁচৰ বহল খিৰিকি খনৰ কাষলৈ আহি পৰ্দাখন কোচাই দিলো। মই আচৰিত হৈ গ'লো। এইফালেতো মনেই কৰা নাছিলো। আবেলিৰ বেলিৰ সোণালী পোহৰত অলপ আগতে বৰষুণত তিতা সেউজীয়া পাহাৰখন জিলিকিছে আৰু পাহাৰখনৰ গাত থকা সোণাৰু গছৰ সোণ বৰণীয়া ফুলবোৰ নীলা আকাশৰ তলত বতাহত কঁপিছে। বতাহত ফুলৰ পাহিবোৰ উৰি উৰি তলত পৰিছেহি। মোৰ মনটো ফুলবোৰৰ কাৰণে ব্যাকুল হৈ উঠিল। হালধীয়া ৰেণুভৰা কেশৰেৰে সেই ফুলবোৰ, ১০-১২ বছৰ আগৰ পাহাৰ, চাহ বাগিছা, ধাননি পথাৰ, আৰু······ টাকি!

তেতিয়া আমি মানে আমাৰ পৰিয়ালটো এতিয়াৰ শোণিতপুৰ জিলাৰ, অৰুণাচলৰ নামনিৰ, ঠাই এডোখৰত আছিলো। দেউতাই তাতে চাকৰি কৰিছিল। মই তাত থাকি বৰ ভাল পাইছিলো। ধাননি পথাৰৰ মাজেৰে আমাৰ ঘৰৰ কিছু দূৰেদি ৰেল লাইনটো গৈছিল। তাৰ কিছুদূৰৰ পাছত ফৰেষ্ট আৰু তাৰ সিটো পাৰে আছিল অৰুণাচলৰ পাহাৰৰ শাৰি। ৰাতিৰ আকাশখন পাহাৰৰ ওলোটা ফালৰ পৰা পোহৰ হৈ পৰিছিল। দেউতাই কৈছিল পাহাৰবোৰৰ সিটো পাৰে হেনো ইটানগৰ চহৰ। আমাৰ ঘৰৰ পশ্চিম আৰু পূবফালে কিছুদূৰত চাহ বাগিছা আছিল। ৰাতি ৰাতি মাদল, ঝুমুৰ আৰু কুলী লাইনৰ পৰা হাঁহি-কান্দোনৰ মিশ্ৰিত শব্দ ভাঁহি আহিছিল! কেতিয়াবা কুলী লাইনত লগা মাৰপিট দেউতাহঁতে গৈ ভগাপতা কৰি দিবলগীয়া হোৱাৰ কথা মোৰ ভালকৈ মনত আছে।

পুৰণি দিনৰ কথা মনত পৰিলে এতিয়াও তালৈ গুচি যাম যেন লাগে। কিযে ফূৰ্তিৰ আছিল দিনবোৰ! বাৰিষা পথাৰ, খাল দোঙবোৰ পানীৰে উপচি পৰিছিল। মেটেকা আৰু ভেটফুলে সিহঁতক ঢাকি ধৰিছিল। বাৰিষাৰ কজলা আকাশৰ তলত বেঙুনীয়া এজাৰ ফুলবোৰ আমাৰ ঘৰৰ আশেপাশে থকা গছ কেইজোপাত ফুলি উঠিছিল। কিন্তু সোণাৰু ফুল—

মই বাৰু কেতিয়া প্ৰথমবাৰ টাকিক দেখিছিলো? মনত পৰিছে। আমাৰ ঘৰৰ পৰা কিছু দূৰত এখন দেওবৰীয়া হাট বহিছিল। সৰু সৰু খেৰৰ চালিৰ তলত বহা এই দেওবৰীয়া হাটখনত কিযে নাপাইছিল। মই দেউতাৰ সৈতে বহুতদিন তালৈ গৈছিলো। বজাৰত মানুহৰ ইমান সমাগম হৈছিল যে হেৰাই যোৱাৰ ভয়ত মই দেউতাৰ হাত এখন এৰিয়েই নিদিছিলো। বজাৰ

শেষত ঘৰলৈ উভতি আহিলে পাকঘৰটো তৰকাৰী-পাচলিৰে ঠাঁহ খাই পৰিছিল।

সেইদিনা আছিল দেওবাৰ—হাটৰ দিন। সেইদিনাও দেউতা আৰু মই হাটলৈ গৈছিলো। অৰুণাচলৰ পাহাৰৰ পৰা পিঠিৰ খোঙত নানা পাহাৰীয়া তৰকাৰী আৰু ফল-মূল লৈ বেচা কিনা কৰিবলৈ বহুতো অঁকা-ডফলা তিৰোতা আৰু মতা মানুহ হাটলৈ আহিছিল। অদ্ভুত পোছাক পিন্ধা, শকত আৱত আৰু থোকাথোকিকৈ কথা কোৱা মানুহবোৰলৈ মোৰ বৰ ভয় লাগিছিল। সিহঁতক দেখিলে মোৰ পেটতে হাত ভৰি লুকুৱা অৱস্থা হৈছিল। সেইদিনা দেউতাই কিনাত ব্যস্ত হৈ থাকোতে মই এজনী তেনে মানুহ দেখিলো। তাইৰ পিঠিত বান্ধি থোৱা সৰু কেচুৱা-টো টোপনিত লালকাল দি আছিল। তাইক মোৰ মৰমী-য়াল যেন লাগিছিল। তায়ো মোৰফালে মৰমেৰে চাই আছিল। অৱশ্যে মই তাইলৈ চোৱাৰ কাৰণটো আছিল অন্য। —তাইৰ হাতত এসোপামান হালধীয়া-সোণোৱালী ফুল আছিল। তেনে ফুল মই আগতে দেখা নাছিলো। মোৰ মাথো হালধীয়া ফুলবোৰৰ মাজেদি তাইৰ ৰঙা গাল আৰু তিৰবিৰিয়া চকুযোৰলৈ থৰ লাগি চাই থকা মনত আছে। হঠাতে জোৰেৰে অহা বতাহত তাইৰ হাতৰপৰা ফুল এপাহ চিগি তলত পৰি গ'ল। মই লোভ সামৰিব নোৱাৰি দৌৰ মাৰি গৈ ফুলপাহ তুলি ললো। কিন্তু বোকা লাগি ফুলপাহ নষ্ট হৈ গৈছিল। মই চলচলীয়া চকুৰে তাইলৈ চালো. কিজানিবা দিয়েই! তাই বুজি পাইছিল। তাই মোক গোটেইখিনি ফুল দি দিলে—মই ফুলবোৰ সাবটি ধৰিলো। মোৰ তেতিয়া যে কেনে লাগি-ছিল মই নিজেই নাজানো। মই হাঁহি দিছিলো আৰু জনাব খুজিছিলো যে মই তাইক খুব ভাল পাইছো। তেনেতে দেউতাই মতাত মই দৌৰ মাৰি দেউতাৰ ওচৰ পালোহি। দেউতাই মোলৈ চাই সুধিছিল—"সোণাৰু ফুল? ক'ত পালা?" —সোণাৰু ফুল—এইবিধ ফুলৰ সৈতে মোৰ সেইদিনা তেনেকৈয়ে চিনাকি ঘটিল।

ইয়াৰ পাছত বহুতবাৰ দেউতাৰ সৈতে হাটলৈ গ'লো। প্ৰত্যেকবাৰে তাই ক'ৰ পৰা আহি জানো ইমানবোৰ মানুহৰ মাজত মোক বিচাৰি পাইছিল, এথোপা সোণাৰু ফুল মোক তাই কোনোবা তলকতে আহি দি গৈছিল। এনেকৈ তাই আৰু মোৰ মাজত বন্ধুত্ব দিনে দিনে গাঢ় হৈ আহিছিল। মই গোটেই সপ্তাহটো দেওবাৰে তাইক লগ পাবলৈ বাট চাইছিলো। লাহে লাহে সোণাৰু ফুলাৰ বতৰ গ'ল। সোণাৰু ফুলৰ সলনি তাই মোলৈ নিতৌ দেওবাৰে ৰং বিৰঙৰ কিবা পাহাৰীয়া ফুল বা ফল লৈ আহিছিল। এনেদৰে এটা বছৰ পাৰ হৈ গ'ল। পুনৰ সোণাৰু ফুলাৰ বতৰ আহিল। পাহাৰত ফুলা সোণাৰু ফুল চাবলৈ তাই মোক সিহঁতৰ পাহাৰলৈ মাতিলে। এদিন ৰাতিপুৱা মালী-কাইয়ে মোক সিহঁতৰ পাহাৰলৈ লৈ গ'ল। সেই দিনটোৰ কথা মই কেতিয়াও পাহৰিব নোৱাৰো। প্ৰথমতে সেউজীয়া ধাননি পথাৰ, চাহ বাগিছাৰ ফুৰফুৰীয়া চাহপাতৰ গোন্ধ আৰু তাৰ পাছত গছ বননিৰ মাজৰ সুৰসুৰীয়া বাটেদি গৈ সিহঁতৰ পাহাৰখন পালোগৈ। বাটত আমি কেইবাটাও জুৰি পাৰ হৈছিলো। বনৰীয়া কলগছ, কচুগছ, গাহৰি, সৰু সৰু জুপুৰী আৰু চাংঘৰ, বিভিন্ন গছ আৰু বনৰীয়া ফল ফুলেৰে ভৰা আছিল সিহঁতৰ পাহাৰখন। তাই মোলৈ বৈ আছিল। তাৰ পিছত টাকিয়ে মোক নতুনকৈ ফুলিবলৈ আৰম্ভ কৰা সোণাৰু ফুলবোৰ দেখুৱাই দিছিল। মই তেতিয়া কি কৰিছিলো মনত নাই। গোটেই দিনটো তাই মোৰ সৈতে ব্যস্ত হৈ থাকিল। সৰু সৰু এজাক ল'ৰা-ছোৱালীৰ সৈতে সোণাৰু ফুলা পাহাৰখনত খেলিছিলো আৰু তাই আনি দিয়া কিছুমান পাহাৰীয়া ৰসাল ফল খাইছিলো। গধূলি হোৱাৰ আগেয়ে তাই মোক বিদায় দিলে। একাবেকা পাহাৰীয়া ৰাস্তাৰে আমি নামি আহি নেদেখা হোৱালৈকে টাকিয়ে চাই আছিল।

ইয়াৰ কিছুদিনৰ পাছতে দেউতাৰ চাকৰিৰ ট্ৰেন্সফাৰৰ অৰ্ডাৰ আহিল। তাৰ পৰা যে কাহানিবা গুছি যাব

লাগিব, মই কেতিয়াও ভবা নাছিলো। টাকিক এৰি থৈ যাব লাগিব বুলি মই কিমান যে কান্দিছিলো। তাইক মই যেতিয়া এই কথা কৈছিলো, তাই মোৰ ফালে একে-থৰে চাই আছিল, লাহে লাহে তাইৰ সৰু সৰু চকু দুটি পানীৰে ভৰি পৰিছিল আৰু চকুপানীবোৰ গালেৰে বাগৰি গৈ তাইৰ ডিঙিত থকা ডাঙৰ ডাঙৰ ক'লা ৰঙা মণিবোৰত লাগি ধৰিছিল।

আমি তাৰ পৰা গুছি আহিবৰ দিনা পুৱাৰে পৰা মই তাইলৈ বাট চাইছিলো। তাই বহুত দেৰিলৈ আহি পোৱা নাছিল। বাচত উঠি মই বাচৰ খিৰিকিৰে দূৰলৈ চাই আছিলো। বাচ চলিবলৈ আৰম্ভ কৰা মাত্ৰকে মই দূৰত দেখিছিলো টাকি—দৌৰি আহি আছিল। তাইৰ হাতত আছিল এথোপা সোণোৱালী ফুল। কিন্তু পিছ মুহূৰ্ততে তাই মোৰ চকুৰ আৰ হৈ গ'ল। টাকিক মই আৰু দেখা নাপালো।

এতিয়া মই খিৰিকিৰে সোণ বৰণীয়া ফুলবোৰ চাই আছো। ফুলবোৰে মূৰ দুপিয়াই দুপিয়াই যেন টাকিৰ কথাকে সোঁৱৰিছে। ইহঁত আগৰ দৰেই ধুনীয়া—শেষ ৰ'দৰ পাতলীয়া পোহৰত জিলিকিছে। আৰু টাকি? মোৰ চকু দুটা সেমেকি আহিল। আঁকিম বুলি ঠিক কৰি কেনভাছখনৰ ওচৰলৈ গ'লো। এইবাৰ মই এখন নতুন ছবি কেনভাছত আঁকিম—মোৰ মনৰ সমস্ত আবেগ দি। মই আঁকিম—দুটা মৰম ভৰি পৰা চকুৰে হাতত এথোপা সোণালী ফুল লৈ থকা এজনী পাহাৰী তিৰোতাক—, টাকিক। মোৰ মনৰ মাজতে থকা টাকিৰ স্মৃতি মই মোৰ তুলিকাত বিৰিঙাই তুলিম। সোণালী ফুলে ভৰা পাহাৰৰ কাষৰ মোৰ এই কোঠাটোত টাকিৰ অস্তিত্ব সোণালী কৰাৰ মনেৰে মই মোৰ ৰং, ব্ৰাচবোৰ গোটাই ললো। মাৰ যাব খোজা বেলিৰ ৰংবোৰ খিৰিকিৰে সোমাই আহি কেনভাছখনৰ ওপৰত বিয়পি পৰিল। □□

"দিল্লীৰ সম্ৰাট মই। ভাৰত সাম্ৰাজ্যৰ সম্ৰাট। সাম্ৰাজ্যৰ চহৰ নগৰ মোৰ কথাত পৰিচালিত। অথচ তুমি কৈছা "মোৰ মৃত্যু হলে তুমি কি কৰিবা?" সাম্ৰাজ্যৰ ভৰাঁলভৰা ধন সোণেৰে কালৰ কপালত চিৰ-কলীয়া ফোট দিয়াৰ দৰে জিলিকাই ৰাখিম তোমাৰ নাম। পৃথিৱীৰ সমগ্ৰ মানুহে হেজাৰ স্মৃতি সৌধৰ ৰূপ উপভোগ কৰাৰ পিছতো এবাৰ ভাবিব সম্ৰাট চাহাজাহানৰ দ্বাৰা নিৰ্মিত মৰমী পত্নীৰ কি অপূৰ্ব্ব স্মৃতিসৌধ! কিন্তু তুমি জানো মৰিবা চাহাজাদী? মিছা কথা মিছা কথা!"

হাত চাপৰিৰ শব্দ। পিছফালৰ ডেকালৰাৰ সুহুৰিয়েই পৰিবেশ আনন্দমুখৰ কৰি তুলিছে। দুই এটা টৰ্চ লাইটৰ পিছে পিছে কিছুমান মানুহ আহি আছে। যিবিলাকে বহিছে সেইবোৰে ভেৰা লাগি চাই আছে। কিছুমানৰ কোলাৰ কেঁচুৱাৰ কান্দোনে বিৰক্তি কৰাৰ লগে লগে মাকবোৰে সিহঁতৰ কেঁচুৱাবোৰৰ মুখ বুকুত সোমাই দিছে। কিছুমানে দুই হাতেৰে সাৰটি "এইটো, সেইটো" বিভিন্ন ভাবে কান্দোন বন্ধ কৰাৰ চেষ্টা কৰিছে। পান-তামোল, চানা আদিৰ বাকচটো দুয়ো মূৰে জৰি-লগাই ডিঙিত



মাৰি লৈ লৰা এজনে শাৰীবোৰৰ মাজে মাজে ঘূৰি ফুৰিছে ।

অপূৰ্ব্বৰ মনটো বেয়া লাগি আছে। আজি তিনিদিন আগতে এজন মানুহৰ মুখে সি ঘৰলৈ যাব লাগে বুলি খবৰ পাইছে। সি যাব পৰা নাই। সি বাহিৰ ওলাই অহাৰ লগে লগে তাৰ কাণত বাজি উঠিল 'মোৰ মৃত্যু হলে তুমি কি কৰিবা ?' তাৰ মনটো আৰু বেয়া লাগিল। মানুহবোৰে বেগমজনীৰ গুণ-গান শুনিছে আৰু চাইছে। মিউজিক তাৰ তালে তালে বাজিছে। অপূৰ্ব্বই মনতে ভাবিছে ঘৈনীয়েক, মাকজনীয়ে কিজানি তাক আত্ম-জ্ঞান শূন্য বুলি ভাবিছে ।

জাৰকালি হোৱা সত্বেও তাৰ অসহ্য গৰম লাগিছে। এই পিন্ধি থকা পোছাকবোৰে তাক বৰ আমনি কৰিছে। কোনো বাধ্য-বাধকতা নাথাকিলে মুহূৰ্ততে খুলি পেলালে-হেতেন। নিশাৰ ঐশ্বৰ্যপতি হোৱাৰ তৃষ্ণাবিলাক তাৰ হেৰাই গৈছে। সেইবোৰ লৰালি কালৰ সপোনহে বুলি সি ভাবে। শ্ৰীকৃষ্ণৰ জন্মাষ্টমীত নামঘৰত ভাওনা কৰা, দুৰ্গা-পূজাত 'ৰাৱণ' নাটক কৰা আৰু এজাক চেঙেলী-ছোৱালী এজাক ডেকালৰা আৰু আন মানুহবোৰক দিয়া সাময়িক আনন্দহে। সম্ৰাটৰ বাস্তৱৰ কংকালটো সহস্ৰ দৰ্শকৰ মাজত উদঙাই দিয়াৰ ইচ্ছাখিনিয়ে হেচি ধৰিছে তাৰ মনক। স্মাৰকৰ চকুৰ চাৱনিয়ে তাক পুনৰবাৰ মঞ্চত প্ৰবেশ কৰাৰ ইংগিত দিলে। কিন্তু বাস্তৱৰ চিন্তাখিনিয়ে তাৰ-মনৰ মনিকোঠত বৰল এজাকে আৱৰি ধৰাৰ দৰে ধৰিছে। "অপূৰ্ব্ব, মাৰাই তোক যেনে তেনে ইয়াৰ কথা শেষ হলে যাব কৈছে।' কিয় কৈছিল সি বুজি পাইছিল। "ইচ্ মাইলখা মই আজি ৰাজসভাত বহিব নোৱাৰিম। কিয় ? তুমি প্ৰশ্ন কৰিছা ? আজি কেইবাদিনো ধৰি বেগমৰ গা ভাল নহয়।" কথাখিনিৰ প্ৰতিটো শব্দই তাৰ বুকুত একোপাত কাড়ে আঘাত কৰা যেন কৰিছিল ।

তিনিটা দৃশ্যলৈ অপূৰ্ব্বৰ পাৰ্ট নাই। সি গ্ৰীনৰুমৰ ভিতৰৰ বেঞ্চখনত বহিল । ল'ৰা এজনে ফিকা চাহ একাপ অৱশ্যে আদাৰ ৰসৰ পৰিমাণ থকা, তাক দিলে। সি কাপটোৰ পানীখিনি শেষ কৰিলে। সহস্ৰ দৰ্শক, গ্ৰীন-ৰুম মঞ্চৰ অভিনয় আদি তাৰ মনৰ পৰা আতৰি গ'ল । এটা জীৱনে তিনিটা প্ৰাণীৰ জীয়াই থকাৰ খোৰাক সংগ্ৰহ কৰা । নতুনকৈ অনা মানুহজনীৰ বৰ্তমানৰ অৱস্থাই যেন তাৰ চাৰিওফালে হাত চাপৰি বজাই বজাই আগুৰি ধৰিছে ।

ঐ অপূৰ্ব্ব, তই বোলে স্কুল এৰিলি ? তুমি বোলে আজিকালি স্কুললৈ নাহা । এইবোৰ কথাৰ উত্তৰ সি সহজভাবে দিছিল । "দেউতা মৰিল, ঘৰ নচলে" তাতেই শেষ। দেউতাক জীয়াই থাকোতে দুবেলা দুমুঠি কোনো মতে খাই আছিল। বাকী সম্পত্তিৰ শেহলৈ থকা মাটি খিনিও অৱশেষত বিক্ৰী কৰিলে। নহলে মোৰ উপাই কি আছে ? মাকে এনেদৰে মানুহৰ আগত কৈছিল । এনেদৰে তিনি বছৰমান বন নোহোৱাকৈ থাকি তাৰ পিছত ভ্ৰাম্যমান নাট্যদলত সোমাল। আজি পাচ বছৰ হ'ল। যোৱাবাৰ তুমুল প্ৰচেষ্টাতহে মাকে তাৰ বিয়াখন তাৰ অশান্তি স্বত্বেও সম্পাদন কৰে। কাৰণ সিয়েই পৰি-য়ালৰ একমাত্ৰ নহলে মাকে তাৰ অনুপস্থিতিত উকঙা উকঙা অনুভৱ কৰে। মাকজনীৰ চকুদুটা ভিতৰ সোমাই আহিছে। চুলিৰ মাজে মাজে দুই এডালত ৰুপালী ৰং পৰিছে। গালত বয়সৰ চিনবোৰ ফুটি উঠিছে। ঘৈণীয়েক জনী অহাৰ পৰাই আৰ্থিৰ অনাটনৰ পোছাকযোৰ পিন্ধিছে। আগৰ ভাল চিনাকি পোছাক বাবে অসহ্য অনুভৱ কৰা নাই। মানুহজনী আজি পাচমাহমান আগৰ পৰাই এটা অচিন ৰোগত ভুগিছে। সেইবাৰ জিলাৰ হাস্পাতালত দেখুৱাওতে তাত বেমাৰটো ধৰিব নোৱাৰি ডিব্ৰুগড়লৈ নিয়াৰ কথা কৈছিল। আৰ্থিক অসামৰ্থতাৰ বাবে কামটো পৰি থাকিল, আকৌ আৰ্থিক অনাটনৰ সুযোগ পাই বেমাৰটো ভালকৈ বহিও পৰিছে।

"অপূৰ্ব্ব, কিবা এটা কৰিবলৈ চা, মানুহজনী দেখোন দিনকদিনে শুকাই আহিছে।" সি মাকৰ ফালে চাইছিলহে

একো কৰ পৰা নাছিল। মানুহজনীয়ে আজি এমাহমান বিচনাখনকে সংগী কৰি লৈছে। বৰশীৰ টোপ পেলাই দিয়াৰ দৰে সিও দৰ্শকৰ আগত টোপ যেন হৈ পৰিছে। মানুহৰ আনন্দ আৰু বিনোদনৰ বিনিময়ত সি কিছু টকা পাব। তাতে মালিকৰ টকা পইচা দিয়াত কিছু হেমাহি। চকুৰ পানীবিলাক গ্ৰীন ৰুমৰ মিউজিক দল, মঞ্চত অভিনয় কৰা অভিনেত্ৰীৰ আৰু দৰ্শক সকলোৰে পৰা লুকাবলৈ চেষ্টা কৰিছে, অৱশেষত চকুপানীখিনিক সম্ৰাটৰ সাঁজ যোৰত ঠাই দিছিল।

প্ৰিয়তমা মোৰ, এবাৰ চকু মেলি চোৱা তোমাৰ প্ৰিয়তমক। মোৰ মানস প্ৰতিমা তুমি কোন সতে যৌৱনৰ ভৰদুপৰত মোৰ পৰা আঁতৰি গ'লা। সমগ্ৰ ভাৰত বিখ্যাত আনকি পাৰস্য দেশৰ পৰা অনা বেজৰ বেজালিক নেওঁচি.........।" দুটা কৰুণ ঘটনাই তাৰ অভিনয় আৰু এখোপত উঠালে। ৰুগীয়া মানুহজনীৰ নিষ্প্ৰাণ চকুযুৰি আৰু লেবেলি যোৱা ওঠ দুটিৰ প্ৰতিবিম্ব বেগমৰ মুখমণ্ডলত দেখিবলৈ পালে। "বেজৰ বেজালিক নেওঁচি" অথচ সি আজিলৈকে মানুহজনীক চিকিৎসা কৰাব পৰা নাই। তাৰ চকুপানী নিগৰি পৰিল। দৰ্শকৰ মনত সেইয়া অভিনয়ৰ চকুলো। অন্তৰ উজাৰি কৰা অভিনয়ৰ চকুলো। কৰুণ সুৰেৰে পৰিবেশ অতি মৰ্মান্তিক হৈ পৰিল। দৰ্শকসকলৰ কোমল অন্তৰৰ কিছুমান ক্ষন্তেকীয়া ভাবে চকুপানী পেলাইছে—সম্ৰাটৰ দুখত কাতৰ হৈ। কেৱল হুকুহুকৈ কান্দোন আৰু কৰুণ সুৰত বজোৱা বাঁহীৰ মাতে প্ৰেক্ষাগৃহ শোকাকুল কৰি পেলাইছে। সি মনতে ভাবিছে যদি মানুহজনীও এদিন তাৰ অনুপস্থিতিত...... সি বৈ যায়।

স্মাৰকে ফুচফুচাই আছে নাটকৰ শেষ সংলাপ পাঠ কৰিবলৈ। তাৰ মনলৈ আহিল সি বহুত পলম কৰিলে নেকি? "তাজ, জোনাকেৰে ভৰা নীলিম আকাশৰ তলত তোমাক দিয়া প্ৰতিশ্ৰুতি মই আখৰে আখৰে পালন কৰিম। যমুনাৰ পাৰত নিৰ্মিত হব তাজমহল। ই অট্টালিকাই নহব তাজ, পৃথিৱীৰ সমগ্ৰ জনমানসত দাম্পত্য প্ৰেমৰ এখন বৃহৎ দাপোন হব, যি দাপোনত জগতৰ প্ৰত্যেক নাৰীয়ে নিজ নিজ মুখ চাই স্ত্ৰীৰ প্ৰতি থকা স্বামীৰ মমতা আৰু প্ৰেমৰ স্বৰূপ উপলব্ধি ··· ...। মঞ্চত শোকৰ ছাঁ, হুকহুকাই কান্দোনৰ ৰোল উঠিল। আজি কিমানদিন আগতে মানুহজনীক ডিব্ৰুগড়লৈ নিয়াৰ প্ৰতিশ্ৰুতি দি আহিছে। অথচ আজিলৈ হৈ উঠা নাই। ইয়াৰ বিপৰীতে বাস্তৱ কংকালটোৰ ওপৰত অভিনয়ৰ ৰং সানি কাৰোবাৰ মৃতা পত্নীৰ স্মৃতিত তাজমহল সাজে! লাহে লাহে আৰ-কাপোৰখন তললৈ নামি অহাৰ উমান পালে। দৰ্শকৰ মাজত উঠা-উঠিৰ, টৰ্চ লাইটৰ পোহৰ, হাত চাপৰি, আসন বিলাক আতৰাই যাওতে হোৱা শব্দ শুনিলে। বাহিৰত পোহৰ পৰিলে, আৰকাপোৰখন তললৈ নামি আহিল।

"কি হৈছে? কাক লাগে?" গ্ৰীন ৰুমত গণ্ডগোল। অপূৰ্ব্ব মঞ্চৰ পৰা নামি ঘটনাৰ উমান পোৱাৰ বাবে আগবাঢ়িল।

"অপূৰ্ব্বদা আপুনি ঘৰলৈ যাব লাগে। এতিয়াই এই মুহূৰ্ততে।" অপূৰ্ব্বই প্ৰশ্ন কৰিছিল কিয়? কিয়ৰ উত্তৰ পোৱাৰ আগতে দৰ্শক প্ৰেক্ষাগৃহৰ পৰা বহুদূৰ পালেগৈ। □□

আমাৰ পদ্‌লিটো ইমান দীঘল যে পদ্‌লিমুখৰ পৰা আহি আহি ঘৰ পোৱালৈ ইতিমধ্যে কাপোৰ সলোৱা, বহা কোঠা ঠিক কৰা জাতীয় প্ৰাৰম্ভিক প্ৰস্তুতি এটা সুকলমে শেষ কৰিব পাৰি। পদ্‌লিটোৰ দুয়োকাষে পচতীয়াৰ বেৰ, তাৰো দুয়োকাষে খেতি পথাৰ। ঘৰটো পুৰণি আভিজাত্যৰ সংৰক্ষণ বুলি ক'লেও বোধহয় ভুল নহ'ব। কাষতে এটি বৃহৎ মন্দিৰ, মন্দিৰৰ পিছপিনে এটি পুখুৰী। অৱশ্যে পুখুৰীটোত ফাগুণ-চতৰ দিনকেইটাত পানী প্ৰায় নেথাকে। বগলী মাছৰোকা আদিয়ে সেইকেইদিন আলহী খাবলৈ নেপাহৰে।



চৌপাশে এটি নিৰিবিলি পৰিবেশ। ফুলনি কেইখনত ফুল বিশেষ নাই যদিও মন্দিৰৰ সন্মুখৰ গুলঞ্চ কেইজোপা আমোলমোলাই আছে। তেনে এটি পৰিবেশৰ সুন্দৰ আবেলিটো কেনেদৰে উপভোগ কৰিব লাগে সেইকথা ঘৰ-খনৰ আলাসৰ লৰা হিচাপে মই ভালদৰেই জানো। তাতে আকৌ মই গজল-প্ৰিয়। সেয়েহে আলহী ৰহা কোঠাৰ টেপ্‌ৰেকৰ্ডাৰত গোলাম আলিৰ গজল বজাই সন্মুখৰ ঘাঁহনিত আৰামী চকী পাৰি বহিলো। হাতত এখন নতুন 'Reader's Digest'।

আলোচনীখনৰ প্ৰবন্ধ এটা পঢ়ি থাকোতে কেতিয়াযে এম্বেচাডৰখন আহি কাষ পালেহি গমেই নেপালো। তন্ময়তা ভাগি যোৱাত অলপ বিৰক্তি অনুভৱ কৰিলো। গাড়ীখনত অহা তুয়োগৰাকী বৃদ্ধাকেই চিনাকি যেন লাগিল। বহা কোঠালৈ মাতি নি বহুৱালো। গাৱঁৰ ল'ৰা যদিওঁ পকা থেকেৰাৰ কথা শুনিছোহে; এতিয়ালৈকে দেখা নাই। নহলে এগৰাকীক পকাথেকেৰাৰ দৰে বুলি কবলৈ মোৰ একো অসুবিধা নহলহেতেন। গান বজোৱা বন্ধ কৰি তেখেত সকলক বহিবলৈ কৈ ভিতৰত মাক খবৰ দিলোগৈ। এই প্ৰকাণ্ড ঘৰটোতে আগপিনে হালোৱানে চিঞৰি চিঞৰি লোকগীত, যাত্ৰাভিনয়ৰ বচন আদি গালেও পিছপিনে ৰান্ধনীঘৰ বা শোৱনি কোঠাত থকা মাই সহজতে নুশুনে চাগৈ।

মায়েহে ক'লে তেখেতসকল মাৰ দূৰ সম্পৰ্কীয় মাহীয়েক বুলি। আমাৰ ঘৰলৈ প্ৰথমবাৰৰ বাবে অহাত মা বেছ তৎপৰ হৈ পৰিল। অলপ পিছতে পেহীয়েও আহি কথাত যোগ দিলে। আলোচনা বেছ সৰব হৈ উঠিল। পেহী, আইতাৰ শৰাধতে আহি এতিয়ালৈকে আছে। ঘৰত এইকেইদিন মানুহ তেনেকৈ নাই। স্কুলৰ বন্ধ মিলাই দেউতা এসপ্তাহৰ বাবে যোৰহাটৰ মামাহঁতৰ ঘৰলৈ গৈছে। কামো অলপ আছে। দাদাহঁততো কেতিয়া-বাহে আহে। গাৱঁৰ গধূলি বজাৰৰ নতুন মিঠাইৰ দোকান-খনলৈ কাম কৰা ল'ৰাজনক পঠিয়ালো, কি পায় আনিবলৈ। কাম কৰা ছোৱালীজনী চাহৰ যোগাৰ কৰাত লাগিল।

ইতিমধ্যে সন্ধিয়া হৈ আহিল। কথাৰ মাজিহাৰ মাজতে সময় উলিয়াই মাই মন্দিৰত চাকি আগবঢ়াই পূজাৰ নৈবেদ্য সামৰিলে। মই ডবা কোবালোঁ। শংখ নিয়মিত নবজাওঁ যদিও আলহী অহা বুলিয়েই নেকি বেছ আগ্ৰহেৰে বজালোঁ। কিন্তু তেতিয়ালৈকে তৃতীয়জন আল-হীৰ কথা কোনোৱেই লক্ষ্য কৰা নাছিল। বেচেৰা চালক-জনে গাড়ীৰ ভিতৰতেই জুপুকা মাৰি ইমানপৰ বহি আছে। এনেদৰে চাগৈ কিমান ঠাইত গৰাকীক অপেক্ষা কৰি বৈ থাকিবলগা হয়! কাঁহ মৰা শব্দ শুনি ময়েই ওচৰ চাপি গ'লো। মোক দেখিয়েই হ'বলা তেওঁ ওলাই আহিল। এজন আদ-বয়সীয়া মানুহ। দুই এটা প্ৰাৰম্ভিক কথা পতাৰ পিছতেই মানুহজন সৰব হৈ পৰিল। আমাৰ ঘৰৰ চৌপাশৰ পৰিবেশটো বেছ প্ৰশংসা কৰিলে। কথা বতৰাত বুজিব পাৰি, আনুষ্ঠানিক শিক্ষা খুব বেছি নহয়, কিন্তু মানুহজন বেছ সৰল। কথা প্ৰসঙ্গত মোক ক'লে 'বুজিছে, আপোনালোকৰেই ভাল। শান্তিত আছে। গুৱাহাটীখনত উশাহ ল'বলৈও ঠাই অলপ নাই। প্ৰকৃ-তিৰ এনে পৰিবেশ ক'ত পাব? মইতো বেছি একো নিবিচাৰো। শান্তিত থাকিব পাৰিলেই হ'ল।' নিজৰ বিষয়ে কিবা ক'ব খুজিও মানুহজনে বিশেষ একো ক'ব নোৱাৰিলে। তেওঁক হঠাতে গহীন হৈ যোৱা মই লক্ষ্য কৰিলো।

ইতিমধ্যে ভিতৰত চাহৰ আয়োজন সম্পূৰ্ণ হৈছিল। মাহীআইতাহঁতৰ লগত কথা পাতিবলৈ মই ভিতৰলৈ গ'লো। তেখেতসকলে চাহ খাবলৈ আৰম্ভ কৰিছিল। মানুহ দুগৰাকী বেছ সাদৰী। আমাক এদিন তেখেত-সকলৰ ঘৰলৈও জোৰকৈ মাতিলে। দুই এটা কথা পাতি কাম কৰা ছোৱালীজনীক চালকজনৰ বাবে চাহ আনিবলৈ ক'লো। অলপ পিছতেই পেহীয়ে এনে এষাৰ মন্তব্য কৰিলে, যিষাৰ মোৰ হজম নহ'ল।

চালকজনক আগফালৰ বাৰান্দাতে চাহ দিলে। চাহ দেখিয়েই নেকি বাৰান্দাৰ চুকত শুই থকা মাইকী কুকুৰ-

জনী গহীন গহীন খোজেৰে উঠি আহিল। বেচেৰী আমাৰ সকলোৰে গোৰ-দাবি আদি খোৱাতেই অভ্যস্ত। চালক-জনে চাহ খোৱাত অসুবিধা পায় বুলি ভাবি তাইক খেদি দিব ওলালোঁ। তাইক খেদিব খোজা দেখিহে চালকজনে অসুবিধা পোৱা যেন লাগিল। "একো নহয় দিয়ক, থাকক" বুলি বৰঞ্চ তাইক লুচিৰ লোভহে দেখুৱালে। সম্পূৰ্ণ বিপৰীত ব্যৱহাৰত উৎফুল্লিত হৈ তাই নেজ নচুৱাই চালক জনৰ ভৰিত গা ঘঁহিবলৈ ধৰিলে। তেন্তেঁ একান্তমনে সন্তুষ্টিৰ ভাৱত তাইৰ লগত ব্যস্ত হৈ পৰিল। মই 'নালাগে, নিদিব, খাওঁক' ইত্যাদি কোৱালৈ মন নকৰি দুয়োখন লুচিয়েই তাইক দি শেষ কৰিলে। মোৰ অনুমতি লৈ বাৰান্দাৰ চুকত অলপ চাহ বাকি দি তাইক খাবলৈ আদৰ ধৰিছিল। পিছে কেতিয়াবা তাই চাহ খাই পালেহে!

সিমানতে নিজৰো খোৱা শেষ কৰি তেওঁ উঠিল। কুকুৰজনী হেনো বেচ ভাল জাতৰ, পোৱালি হেনো খুব ভাল হব। পিছে মই আৰু নক'লো যে তাই গাওঁৰ দেশী জাতৰে। মোক সুধিলে, "গা ধুৱাই থাকে, নহয়?" হয়তো চিলচিলিয়া নোমবোৰ দেখি মানুহজনৰ দৃঢ়বিশ্বাস হৈছিল যে তাইক গা ধুৱাওঁ। সেয়েহে তেওঁক নিৰুৎসাহ নকৰিবলৈ তপৰাই ক'লো মাজে মাজে ধুৱাওঁ বুলি। এইবাৰহে আচল প্ৰশ্নটো সুধিলে। যিটো প্ৰশ্নত মই অপ্ৰস্তুত হোৱাই নহয়, চিন্তান্বিত হব লগাও হৈছিল। সুধিলে 'এইৰ নামটো কি বাৰু?'। মোৰ পেটে পেটে হাঁহিয়েই উঠিল। গাওঁৰ দেশী জাতৰ কুকুৰৰনো কোনোবাই নাম থয়নে, গা ধুৱায়নে? দিনটো দাবি-ধমকি আৰু অলপ কথাতেই থিয় গোৰটো খোৱাতেই সিহঁতৰ সন্তুষ্টি। আৰু নাম? গোকাট মিছা কথা ক'বলৈ ইচ্ছা যোৱা নাছিল, তথাপি তাইৰ নাম 'পপী' বুলি ফটা মুখেৰে ওলাই গ'ল। তেন্তেঁ নামটো বেছ সুন্দৰ বুলি কৈ তাইক 'পপী', 'পপী' কৈ মাতিলে। নাম পোৱাৰ আনন্দত নে লুচি পোৱাৰ আশাত নাজানো, তাই হ'লে আগ্ৰহেৰে তেওঁৰ ওচৰলৈ লৰৰি গ'ল।

যাবৰ সময়ত মানুহজনে এষাৰ বৰ ডাঙৰ কথা ক'লে, "জানে, মানুহে ঠগিলেও ইহঁতে নঠগে। বৰ বিশ্বাসী ইহঁত। জীৱ-জন্তু মোৰ খুব ভাল লাগে।" মানুহজনৰ প্ৰতি মোৰ কিয় জানো বৰ কৌতুহল জাগিল। সৰলতাৰ অঁাৰৰ কোনোবাখিনিত বেদনা থুপ খাই থকা যেন লাগিল। ইতিমধ্যে মাহী আইতাহঁত যাবলৈ ওলাল। সকলোকে মাত লগাই তিনিও গাড়ীত উঠিল। চাৰিটা চকাৰ ওপৰেদি গাড়ীখন বাগৰি বাগৰি গুচি গ'ল চৈধ্য কিলোমিটাৰ অঁাতৰৰ গুৱাহাটী মহানগৰী অভিমুখে।

মনটো অজানিতে বিষন্ন হৈ পৰিল। চালকজনে চাহ-খোৱা পিৰিচ-পিয়লাবোৰ মইয়েই ভিতৰলৈ নিওঁ বুলি তুলি ল'লো। ক'ৰ পৰা জানো পেহীয়ে দেখি চিঞঁৰি উঠিল, "আপী আছে নহয়, তই কিয় নিছ ড্ৰাইভাৰটোৰে খোৱা কাপ-প্লেটবোৰ।" উত্তৰ দিবলৈ মোৰ ওচৰত সেই সময়ত কোনো উত্তৰেই নাছিল। মাথো চাৎকৰে মনত পৰিছিল পেহীয়ে কোৱা সেই হজম নোহোৱা কথা-ষাৰ, "হ'বদে, ড্ৰাইভাৰহে! লুচি দিলেই হব।" □□

উপন্যাস




[এক]

কিমান সময় মই সংজ্ঞাহীনভাবে পৰি থাকিলো উমান নাপালো। ৰাতিপুৱা যথেষ্ট পলমকৈ টোপনি ভাগিছিল। কেউপিনে লক্ষ্য কৰি মোৰ স্থিতিৰ কথা অনুমান কৰি লৈছো। যোৱা ৰাতিৰ কথাবোৰ এটা এটাকৈ মনত পৰিবলৈ ধৰিলে। এঘৰ অচিনাকী মানুহৰ বিচনাত পৰি থাকি কথাবোৰ ভাবি থাকিবলৈও অসুবিধা। সেই সময়তে ল'ৰা এটাৰ মাতত ভাবাবেগ মুহূৰ্ততে সলনি কৰি ক'লো—"উঠিছোৱেই।"

ভালদৰে মুখ হাতবোৰ ধুই কিছু পৰিস্কাৰ আৰু সতেজ অনুভৱ কৰিলো। কিবা এটা অসহজ ভাব আৰু হতাশাত মনটো হাঁহাকাৰ কৰি উঠিল। একান্ত সৌজন্যতাৰ খাতিৰতেই ল'ৰাটোৰ নাম সোধাত ক'লে—তাৰ নাম জীৱন।

"আহক, চাহ দিছো।" কোনো কথাৰ বিনিময় নকৰাকৈ চাহৰ টেবুললৈ আগবাঢ়িলো। চাহ দিয়েই ছোৱালীজনী পাকঘৰত সোমাল। ছোৱালীজনীৰ দৃষ্টিটোত নিজকে বৰ অসহজ অনুভৱ কৰিলো। গাত হাৱাই চাৰ্টটোও নাই। খালি গেঞ্জীটোৰে থাকি উকণ্ডা লাগিছিল। একেবাৰে অচিনাকী এঘৰ মানুহ।

[দুই]

ঘৰ পাওঁতেমানে সাজ লাগিছিল। অঞ্জনো ওলাই গৈছে। মোৰ বাধা স্বত্বেও জীৱন মোৰ লগতেই আহিল। তাৰ সৈতে দুই এষাৰ কথা পাতি তাকো বিদায় দি বিচনাতে বাগৰ দিলো।

অঞ্জনো টলংভটংকৈ মোৰ পাছে পাছেই ওলালহি। আউলী-বাউলী চুলি। চাইকেলখন ঠেকেচামাৰি থৈ খৰখেদাকৈ মোৰ ওচৰ পালেহি।

"তইতৰদৰে পাগল মানুহক লৈ মুৰ বেয়া কৰিবলৈ আৰু ইয়াত থাকিব নোৱাৰি। কালিৰ পৰা আজিলৈকে মানুহটো বিচাৰি মই টাকুৰি ঘূৰাদি ঘূৰিছো।"

"এবাৰ অফিচ, এবাৰ বৰুৱাদাৰ ঘৰ, এবাৰ বাছষ্টেণ্ড। ক'তো মানুহৰ শুংসূত্ৰই নাই। চালা দায়িত্বহীন ... ... ।"

মুৰটো তেতিয়াও মোৰ গধুৰ হৈ আছিল। অঞ্জনে যিমান কয় সিমান কোৱাৰ স্বাধীনতা দি বহুপৰ নিতাল মাৰি পৰি থাকিলো। মনে মনে বৰ দুখ লাগিছিল। বেচেৰাটোৱে মোৰ কাৰণেই ইমান কষ্ট কৰিছে।

"কি হ'ল, তোৰ কি হৈছিল, ক'লৈ গৈছিলি?" একে উশাহতে বহুত প্ৰশ্ন কৰি সি পুনৰ সুধিলে—"তই নিতাল মাৰিলি যে?"

"তই বাৰু কাপোৰ-কানি সলাই মুখ-হাত ধুই ল'ছোন। পাছতো বহুত সময় কথা পাতিব পাৰিম, মোৰ ৰোমাণ্টিক অন্তৰ্ধানৰ আলাপ কৰিব পাৰিম। গালি পাৰিবলৈও বহুত সময় পাবি।

বেচেৰা অঞ্জনটোৰ তেতিয়া হাঁহা-কন্দা অৱস্থা। খণ্ডত সি অস্ফুটভাৱে কিবা বলকিছে।

"কছোন আগেয়ে শুনি লওঁ। —সি প্ৰায় চিঞৰিয়েই দিছিল।

হঠাতে কথাখিনি কৈ দিবলৈ মোৰ দ্বিধা লাগিছিল। তথাপিও কব লাগিব। সি মোৰ ভাড়াঘৰৰ জীৱনত আই বোপাই, বাই-ভনী, বন্ধুৰ স্থান দখল কৰিছে। তাক নকৈ আৰু কাক ক'ম? তথাপিও ৰগৰ কৰিবৰ বাবে ক'লো—"কালি 'বছে' এটা পাৰ্টি দিছিল। জীয়েকৰ ভাল দৰা বন্দবস্ত হৈছে। মদ, মাংস গাখীৰ, ঘিউ, মৌ বিভিন্ন আইটেম। ইমানবোৰ আইটেমৰ মাজত মইনো আৰু কি চিলেক্ট কৰিম বুজা নাইনে? সেইটোৱেই ......।

মোৰ টুলুঙা ধৰণৰ ভাৱ-ভংগীত অঞ্জন প্ৰায় অধৈৰ্য হৈ উঠিছিল। সি মোক মাৰিব পৰা হ'লে হয়তো মোহাৰিয়েই পেলালেহেতেন।

"বুৰ্বক ক'ৰবাৰ" বুলি কৈ সি কোবেৰে ওলাই গ'ল।

... ... ...

ৰাতি ভাত-ৰন্ধা কামটো ময়েই কৰো যদিও সেই ৰাতি অঞ্জনেই ভাত ৰান্ধি খাবলৈ মতাত মই আচৰিত হ'লো। সাধাৰণতে ৰাতি ভাড়াঘৰৰ মালিকৰ লগত অলপ আড্ডা দি দৈনিক কাকতখন পঢ়ো আৰু ঘূৰি আহি ভাত ৰান্ধিবলৈ গৈ তাক পঢ়িবৰ বাবে আজৰি কৰি দিয়াটো

ৰেই মোৰ নিয়ম। কিন্তু সেই ৰাতি অঞ্জনেই ভাত ৰান্ধি মোক খাবৰ বাবে মাতিলে।

"কি অ', আজিচোন শেনৰ এজাত। কিয় ইমান সোনকালে ভাত ৰেডি? কিবা ফাংশ্বনৰ প্ৰগ্ৰেম নেকি?"

"ভাত খা আৰু শুই থাক। নহ'লে মালিক ককাৰৰ লগত আড্ডা দেগৈ" ভীষণ ক্ষোভ আৰু খঙত অঞ্জনৰ চকু ৰঙা হৈ উঠিছিল। কথাৰ গতি সলনি হোৱালৈ লক্ষ্য কৰি মই কিছু সতৰ্ক হ'লো। আৰু কোনো দ্বিৰুক্তি নকৰি খৰধৰকৈ ভাত গিলিবলৈ ধৰিছিলো। ভাত খাই আটাই অঞ্জনৰ কাহি-বাতিবোৰো কাঢ়ি লৈ ধুই আনিলো।

কিযে কেঁচুৱালী এই অঞ্জনটোৰ! বয়স বাঢ়ি অহাৰ লগে লগে যেন সি ক্ৰমে সৰু হৈহে গৈছে। অসন্তোষত উৰ্দ্দলি যোৱা তাৰ মন। আজি হয়তো সি আৰু নপঢ়িব। মই তাক আঘাত দিছো। কথাবোৰ সোনকালে জনাই নিদিয়াটো মোৰ ডাঙৰ দোষ হৈছে।

মই সন্তৰ্পণে গৈ অঞ্জনৰ বিচনাতে সোমাই পৰিলো। তাক সাৱটি ধৰি বাৰে বাৰে মোৰফালে মুখ ঘূৰাবলৈ অনুনয় বিনয় কৰিলো। কোনোপধ্যে সি ৰাজী নহয়। মোৰ মনটো ব্যাকুল হৈ উঠিছিল। কি এক অজান সম্পৰ্কৰ বান্ধোন!

"অঞ্জন, শুন, এইফালে বাৰু চাব নালাগে। কালি মই কলৈ গৈছিলো আৰু কিয়নো ঘূৰি নাহিলো, শুন। সকলো ক'ম। তোকে নকৈনো আৰু কাক ক'ম? আৰু তইযে খং অভিমান কৰিছ, দুখ পাইছ—মোৰ কাৰণেই। আৰু মইনো বাৰু তোৰ লগতে ৰং-ৰহইছ নকৰি কৰিম কাৰ লগত?"

পৰিবেশটো খন্তেকৰ বাবে থমথমীয়া হৈ পৰিল। মোৰ কথাবোৰ শুনিবৰ বাবেই সি হয়তো অপেক্ষা কৰি থাকিল নিৰৱে।

"কালি মই ঠিক সময়তে অফিচৰ পৰা ওলাই আহিছিলো। মই ভাবিছিলো বহুদিন ফিল্ম এখন চোৱা নাই। মই ৰাতিপুৱা তোক কৈছিলোৱেই দেখো ওলাই থাকিবৰ বাবে। তাকে ভাবি তোৰ ওচৰলৈ লৰালৰিকৈ আহিছিলো। কিন্তু বাটতে মোৰ পুৰণা বন্ধু বিজয় দাসে লগ পালে। সি ডিফুৰ টেলিফোন এক্সেঞ্জত কাম কৰে। বৰ আমনিদায়ক তাৰ জীৱন। কেৰিয়াৰো বৰ বেয়া নাছিল। বেচেৰাৰ আজিকালি তাত লগভাগো নাই। সেয়ে মোক পাই সি বৰ উৎফুল্লিত হৈ তাৰ ঘৰলৈ লৈ গ'ল। আৰু বহু নতুন নতুন অভিজ্ঞতাৰ কাহিনী কৈ ৰাতি প্ৰায় সাত বজাই দিলে। মই তোৰ কথা ক'লতো সি নামানিলে। সি ক'লে, "লগতে থকা বন্ধু বুজিব দে। মোৰ কথা কবি।" আৰু তাৰ কথা পেলাব নোৱাৰি দুয়োটাই নাইট শ্ব' চালো, দীঘল ফিল্ম।

সেয়ে আহোতে বহুত দেৰি হৈছিল। সি মোক তাৰ ঘৰতে ৰাতি থাকিবৰ বাবে কৈছিলহে; কিন্তু মই তোৰ কথা ভাবি গুচি আহিলো। চকুমুদি থাকিয়েই অঞ্জনে ক'লে, "মোৰ টোপনি ধৰিছে—সোনকালে ক'।"

"মোৰ আৰু ভাত খোৱা নহ'ল। আহিছো তোৰ ওচৰলৈহে। কিন্তু পালোহি জানো?" মই অলপ উত্তেজিত হৈ পৰিলো। "শুন, আহি ঠিক থানাৰ ওচৰ পাইছোহি তেতিয়া মোৰ মূৰটো ঘূৰোৱা যেন উপক্ৰম হৈছিল। তাতে মদো খাইছিলো এবটল।" এইবুলি তাৰ প্ৰতিক্ৰিয়া বুজিবৰ বাবে অঞ্জনলৈ চালো। সি চকু দুটা মেলি তীব্ৰভাৱে মোলৈ চালে। মোৰ হাঁহি উঠিছিল। তাক ক'লো, "আচলতে মই মদ খোৱা নাছিলো। জি, বি, ৰোডত সোমাওতে যে সেই আপ্‌টো উঠিব লাগে, তাতে কটৰকৈ চেইনডাল চিগি থাকিল।"

"আহি আছো ঢলংপলংকৈ। মূৰটোও বেছি ঘূৰোৱা যেন লাগিবলৈ ধৰিলে। কিমান দূৰ আহিলো ক'ব নোৱাৰো; এটা কথাই মই জানো মই আৰু আগবাঢ়িব নোৱাৰো। চাইকেলখন হাতৰ পৰা এৰি দিলো। আৰু মই ক'ব নোৱাৰো। হয়তোবা খুব চিঞৰিছিলো। কোনেও

নুবুজিলে মোৰ কথা, হয়তো নুশুনিলেও। কোনোবাই দেখিছিল যদিও মদপী মানুহ বুলি কোনো গুৰুত্ব নিদিলে।

অঞ্জন আৰু এইবাৰ স্থিৰ হৈ থাকিব নোৱাৰিলে। সি খপ্‌কৈ উঠি বহিল। "তাৰ পিছত?" সি সুধিলে। তাৰ দুচকুত উৎকণ্ঠাৰ ভাব স্পষ্ট। মই পুনৰ ক'বলৈ ধৰিলো। "দুপৰ ৰাতি যদিও মোৰ ঘৰ সেই দুৰ্গন্ধ নৰ্দমাটোৰ সমীপত নাছিল। তাতে বোন্দামহৰ কামোৰ। ধূলি-ময়লাৰে ভৰা পথ। মই জ্ঞান পাই তোৰ ওচৰলৈকে আহিছিলো। কিন্তু আহিব নোৱাৰি নাতি দূৰত্বতে থকা এটা পোহৰ লক্ষ্য কৰি বগুৱা বাই আগবাঢ়িলো। চকুৰে তেতিয়া ধোৱাকোঁৱা দেখিছো। অসম্ভৱ ধৰণে দুৰ্বল অনুভৱ কৰিছো। চাইকেলখনকে সম্বল হিচাপে লৈ সেই পোহৰৰ ওচৰত অলপ ৰ'লো। "মই মৰিম এতিয়া"— ভাবত কেনেকৈ নাজানো—জপনাখন পাৰ হৈ মানুহ ঘৰৰ বাৰান্দাত উঠিলোগৈ। সজোৰে দুৱাৰত ঢকিয়াবলৈ ধৰিলো। আকৌ এবাৰ অজ্ঞান হৈ পৰি গ'লো।

পুৱা সাৰ পাই নিজকে এখন বিচনাৰ ওপৰত আবিষ্কাৰ কৰিলো। নানা ধৰণৰ মিশ্ৰিত ভাবে মোৰ মনত ক্ৰিয়া কৰিবলৈ ধৰিলে। যোৱা ৰাতিৰ ঘটনাবোৰ কিবা দুঃস্বপ্ন যেন লাগিল।

বৰ লাজ লাগিছিল। প্ৰায় উদি গা। মাত্ৰ লেতেৰা হাফ্ গেঞ্জীটোহে গাত আছে। পেণ্টৰ অৱস্থাটোও চাবলগীয়া হৈছিল। ল'ৰা এটাই জগাই মুখ হাত ধোৱাৰ ব্যৱস্থা কৰি দিলে। চাহ দিলে এজনী ছোৱালীয়ে। সক ছোৱালী, ... ... সক নহয় অৱশ্যে। সেয়ে সান্ত্বনা।

"পাগল তই। এতিয়াও তোৰ ফচহু কথা কোৱাৰ মুড্ আছে!" সি হাঁহি হাঁহিয়েই এটা সক ধমকি দিলে। "মই চাৰ্টটোৰ খবৰ লৈছিলো। কিন্তু সেইটো ইতিমধ্যে ল'ৰাটোৱে ধুই দিছে। আকৌ লাজ পালো। কিন্তু ছোৱালীজনীৰ মাকে মানে মই বাইদেউ বুলি সম্বোধন কৰা গৰাকীয়ে ক'লে,—"অসহজ হ'ব লগা একো নাই। লেতেৰা হোৱাৰ বাবে ধুই দিয়ালো। এতিয়া পেণ্টটোও ধুই দিবলৈ দি দিয়া। মই কেৰ্‌ঘেৰাবলৈ লওঁতে লুঙি দিয়েই গ'লহি জীৱনে। জীৱন সেই মানুহ ঘৰৰে বন কৰা ল'ৰা।

[তিনি]

বিভিন্নজনৰ বিভিন্ন মত। কেইজনমানৰ মতে মোৰ বেমাৰটো হৈছিল আৰ্ৰ্ৰীয়া। অঞ্জনে কয় অতিমাত্ৰা চিন্তা, চিগাৰেট আৰু অনিয়মীয়া খোৱা লোৱাৰ ফলত তেনে হৈছিল। যি নহওঁক, ডাক্তৰৰ পৰামৰ্শ অনুসৰি এতিয়া সম্পূৰ্ণ আৰোগ্য হৈছো। বন্ধুৰ উপদেশ মানি খোৱা-বোৱা নিয়মীয়া কৰিবলৈ যত্ন কৰিছো।

কিন্তু চিন্তা নকৰিনো থাকো কেনেকৈ? চিন্তা নায়েইবা কাৰ? স্মৃতিবোৰেই জানো চিন্তা নহয়!

সৰুকালৰ কথা। তেতিয়া মই সপ্তম শ্ৰেণীলৈ উত্তীৰ্ণ হৈছো। ৰিণিকি-ৰিণিকি মনত পৰে সেই কাহিনী। ককাই-দেৱে দেউতা আইৰ লগত আলোচনা কৰি মোক দেৰগাৱলৈ পঠিয়াই দিব। পঢ়িবৰ বাবে। দূৰ সম্পৰ্কীয় বাইদেউ এজনীৰ ঘৰতে থাকি ওচৰৰ হাইস্কুলখনত পঢ়িব লাগিব। আইয়ে হয়তো গোপনে কান্দিছিল। এটা দীঘল হুমুনিয়াহৰে আইয়ে কৈছিল "তইঁতেহে জান। এতিয়া পঢ়া-শুনাৰ দিন। যি ভাল দেখ কৰ। সহজ সৰল আই দেউতাৰ সহজ সৰল উত্তৰ।

ডাঙৰ হৈ বুজিছিলো—দৈন্যতাৰ বাবেই মোক ঘৰৰ পৰা আতৰাই দূৰ সম্পৰ্কীয় ভিনদেউৰ ঘৰত ৰখা হৈছিল। তাতোকৈ ডাঙৰ কথা হৈছে বাইদেউ ভিনদেউৰ বিয়াৰ কুৰি বছৰৰ পাছতো কোনো সন্তান নোহোৱাৰ বাবে হেনো মোক তোলনীয়া পুত্ৰ কৰিয়েই লৈ গৈছিল। পাছতহে এই কথা উপলব্ধি কৰিছিলো। মই দুটা নতুন শব্দ শিকিছিলো—'মা' আৰু 'বাবা'—আই আৰু দেউতাৰ বিপৰীতে।

কোনোবা এদিন আয়ে মোলৈ লিখিছিল—"ডাঙৰ

ককাইদেউৱে ওচৰৰে পাঠশালাখনত চাকৰি এটা পাইছে। পাচশ টকা দৰমহা। তই চিন্তা নকৰিবি। তোক কলেজ পঢ়ুৱাবলৈ যোৰহাটলৈ আনিব বুলি কৈছে। তই এই কেইদিন ভালদৰে পঢ়ি পৰীক্ষাটো দে ... ” ইত্যাদি।

বাবাৰ সামান্য মহৰিৰ চাকৰিটোৰ আৰ্জনেৰে আমি তিনিওটা প্ৰাণী কষ্ট নোহোৱাকৈয়ে চলি গৈছিলো। এসময়ত মোৰ সুকীয়া এখন ঘৰৰ কথা পাহৰি পেলাইছিলো। এটা সাধাৰণ গাঁৱলীয়া শিশুৰ খোৰাক যোগাবলৈ দিব পৰা সকলোখিনিয়েই মা, বাবাই মোক দিছে। ঘৰৰ পৰা সান্তনা বা সহায়ৰ আশ্বাসৰ দৰকাৰ কি? মোৰ ওপৰত তেনে অধিকাৰ কাৰ? কৰ্তৃত্ব কাৰ? কোমল মনত সঁচ বহুৱাই যোৱা বহুত প্ৰশ্ন।

কিন্তু এই প্ৰশ্নবোৰ উত্তৰশূন্য হৈয়ে ৰৈছিল। এদিন গাড়ীৰ বেপৰোৱা খুণ্ডাত ঘৰমুখী মোৰ বাবা চিৰদিনৰ বাবে হেৰাই গ'ল। ইমান শোক মায়ে হয়তো সহ্য কৰিব নোৱাৰিলে। সেইদিনা বহুসময়লৈকে মা স্থবিৰ হৈ পৰিছিল। এটা সময়ত মোক বুকুত সুমুৱাই চিঞৰি চিঞৰি কান্দি দিছিল। ময়ো কান্দিছিলো, উচুপিছিলো। মাৰ ভাৱলেশহীন চকু, উকা কপাল আৰু বগা সাজযোৰ দেখি মোৰ সেইদিনা বৰ ভয় লাগিছিল।

চকুৰ পলকতে বহুত পৰিবৰ্তন ঘটিছিল। সহোদৰা বাইদেউৰ বিয়া হৈ গৈছে। সমস্ত জীৱন ঘৰখনত দাসীৰ দৰে প্ৰতিটো প্ৰাণীৰ বাবে তাই যে কি নকৰিছিল। অসুখীয়া আৰু ধৰ্মভীৰু আই দেউতাক প্ৰতি মুহূৰ্ত্তে ছাঁৰ দৰে থাকি আদৰ যত্ন লৈছিল। দেহি! তাইয়ো আজি অন্য এঘৰত একে সেৱাধৰ্মতে ব্যস্ত। যি নহওঁক, বাইদেউজনী যোৱাৰ পাছত নবৌ আহিল।

বাবা ঢুকুৱাৰ পিছত মাজনী বৰ অকলশৰীয়া হ'ল আৰু যন্ত্ৰণাত ভূগিছিল। গাৱঁৰ সকলোৱে পৰামৰ্শ দিছিল মাক তেওঁৰ জন্মদাতা মাক দেউতাকৰ ওচৰলৈ ঘূৰি যাবৰ বাবে। আৰু সেইমতে দেৰগাৱঁৰ মাটি সম্পত্তি বিক্ৰি কৰি মা নিজৰ ঘৰলৈ গুছি গৈছিল। আৰু সেইদিনা ময়ো পুনৰ ঘূৰি আহিলো।

[চাৰি]

“... ... তথাপিও মই অবুজন। হয়, বাবা ঢুকুৱাৰ পাছত মোৰ পঢ়ুৱা-শুনুৱা দায়িত্ব ককাইদেৱে আন্তৰিকতাৰে পালন কৰিছিল। দেৰগাৱঁৰ পৰা আনি ভৰ্জি, বৰুৱা কলেজ'ত নাম লিখাই দিছিল। তেতিয়াৰ পৰা বি, এ, পাছ কৰা পৰ্য্যন্ত ককাইদেউৰ তত্ত্বাৱধানত থাকিলো। আই দেউতাৰ মৰম সদায় উপলব্ধি কৰি আহিছো।”

“তেতিয়াহ'লে মান-অভিমান কৰি ঘৰ-দুৱাৰ এৰাৰ কাৰণনো আছে কিটো?”

“দুখতহে ঘৰলৈ যাবলৈ বেয়া লগা হৈছে। ককাইদেৱে মোক এম, এ, পঢ়ুৱালেহেঁতেন। কিন্তু দুৰ্ভাগ্যই মোৰ লগ এৰা নাছিল। মই বি, এ, পাছ কৰিলো অনাৰ্চ নোপোৱাকৈ। পঢ়িম কেনেকৈ? ককাইদেউৰ বা দোষ কি? সেয়ে পাছ কৰিয়েই বিৰামহীন ভাবে চাকৰি বিচাৰিছিলো। টাইপ, ষ্টেনো—কত যে কি নকৰিলো। কিন্তু ক'তো একো সুবিধা কৰিব নোৱাৰিলো। অৱশেষত চাপ্লাই এণ্ড কনট্ৰেক্ট ফাৰ্ম এখনত সোমাই পৰিলো। মালিক মাৰোৱাৰী ব্যৱসায়ী। তাৰ পিছুত দেখিছাই, দিনৰ দিনটো কাম—পুৱা ন বজাৰ পৰা সন্ধ্যা পাচ বজালৈ। কেতিয়াবা টুৰতো পঠায়। এনেদৰে দিনবোৰ পাৰ কৰিছো।”

“ঠিকেই আছে তেন্তে। চাকৰি কৰক, বন্ধত বা উছৱে-পাৰ্বনে ঘৰলৈ অহাযোৱা কৰি ভালদৰে থকাৰহে কথা। বিশৃংখলভাবে থাকি লাভ কি? আমাৰ দেউতাই ইমাৰ্জেন্সিৰ সময়ত হেনো পাৰ্টিৰ কামৰ বাবে চাকৰি হেৰুৱাব লগা হৈছিল। কেইবাবছৰৰ পাছতহে কোনো-

-ৰকমে বাগানৰ চাকৰিটোত সোমাইছিল। তেতিয়া মাৰো চাকৰি নাছিল। কিন্তু, দেউতাইচোন ভালদৰেই দিনবোৰ কটাইছিল। কিন্তু এতিয়াতো আপোনাৰ চাকৰি বুলিবলৈ এটা আছে। চৰকাৰী চাকৰি বিচাৰি থাকক এইটো চাকৰিও ভালদৰে কৰি থাকক।"

এনেকুৱা আলোচনা আমাৰ মাজত প্ৰায়ে হৈছিল। বিপদৰ এটা ৰাতি মোৰ আৰু মমীহঁতৰ চিনাকী হৈছিল। সেই বিশেষ ৰাতিপুৱাটোত মমীয়েই মোক চাহ দি গৈছিল। তেতিয়া দেউতাকে বাৰীত কোৰ কটাৰী কাম কৰি আছিল। মাক খন্তেকৰ বাবে আহি জীৱনক লেতেৰা পেণ্টটো ধুই দিবলৈ নিৰ্দ্দেশ দিছিল। ঘৰত কোন আছে, কি কৰো, ক'ত ঘৰ, ভাড়াঘৰ ক'ত ইত্যাদি কেইটামান নিতান্তই সৌজন্যতামূলক প্ৰশ্ন কৰিছিল মমীৰ মাকে। জুমাই জুমাজুমি কৰি ভয়ে ভয়ে মোলৈ চাইছিল।

সেইদিনা প্ৰায় গোটেই দিনটো তাতে থাকিবলগীয়া হৈছিল। গা-ধুইছিলো--ভাত খাইছিলো। মমীৰ দেউতাকে বাগানলৈ যোৱাৰ আগমুহূৰ্ত্তত মোক কৈছিল, "ভাতপানী খাই তুমি লাহে লাহে যাবাগৈ। চাইকেল ভাল কৰাই থোৱা আছে।" জীৱনক মাতি আনি কৈছিল, "তই আগবঢ়াই থৈ আহিবি।" যাবলৈ দুখোজমান আগুৱাই পুনৰ কৈছিল, "অসুখ-বিসুখ হ'লে ডাক্তৰৰ পৰামৰ্শ লোৱাটো ভাল হব। মই যাওঁ।" তেখেত এসময়ত গৈছিল।

... ...

"বাইদেউহঁত বৰ অকলশৰীয়া। লগ নাই কাৰণে ফুৰিবলৈ চিনেমা এখন চাবলৈও নাযায়। কেতিয়াবা বন্ধ বাৰত বৰদেউতা আৰু বৰমাৰ লগত চিনেমা চাবলৈ বা ফুৰিবলৈ যায়। ওচৰৰ মানুহঘৰতো ফুৰিবলৈ নাযায়। তাৰ জোখাৰে ভয়ো। মদপী মানুহলৈ যে বৰ ভয়। ৰাস্তাত মদপী মানুহ দেখিলে দৌৰি ভিতৰ সোমায়হি।

"কালি ৰাতি আপোনাক দেখি মদপী বুলি ভাবি বৰ ভয় খাইছিলো।"

"বৰদেউতালৈ মোৰ বৰ ভয় লাগে। ইমান গহীন হৈ থাকে। একেবাৰে কম কথা কয়। ঘৰলৈ আহিলে বাতৰি কাগজৰ লগতেই লাগি থাকে। এসপ্তাহত এৰাতি থাকে। আকৌ যায়গৈ ... ...। বৰমাৰো কলেজত কাম। সকলো কাম মোৰ ওপৰতে ... ...।"

"ডাঙৰ বাইদেউক কিন্তু মই বৰ ভাল পাওঁ, মোক মৰম কৰে -- বাকী কামবোৰতো লাগি দিয়ে।"

মোক ভাড়াঘৰত থৈ যাবলৈ আহোতে এনে ধৰণৰ বহুত কথা কৈছিল জীৱনে। মই সুধিবলৈ সংকোচ কৰা অথচ জানিবলৈ মন যোৱা কথাবোৰ শুনি তাৰ প্ৰতি বহুত কৃতজ্ঞতা জনাইছিলো মনে মনে। মমীৰ মাক-দেউতাকক সি বৰমা-বৰদেউতা বুলি সম্বোধন কৰে। তাৰ মুখত সেই সম্বোধন শুনি তালৈ মৰম লাগি গৈছিল। কথাৰ মাজতে তাক সুধিছিলো, "ল'ৰা নাই নেকি?" সি ৰাস্তাটোত চকু ৰাখিয়েই উত্তৰ দিছিল, "ল'ৰা মইয়েহে।" মোৰ ভাবাবেগ সামান্য সলনি কৰি ক'লো, "হয় নেকি?" সি অপ্ৰস্তুত হোৱা যেন লাগিল।

... ...

"আপুনি চাকৰি কৰা কিমান বছৰ হৈছে?" মমীয়ে অপ্ৰাসংগিকভাৱে সোধা প্ৰশ্নটোত অপ্ৰস্তুত হৈ উত্তৰ বিচাৰি হাঁহাকাৰ কৰিব লগা অৱস্থা হ'ল। তথাপিও মনৰ ভাব লুকুৱাই ক'লো—"দুবছৰ হব অহা মাহত। কিন্তু সুধিলানো কিয়?"

"এনেয়ে সুধিলো। কিন্তু এনেয়েতো মানুহে ন বছৰৰ পৰা পাচ বছৰলৈকে চাকৰি নকৰে। গাড়ীৰ কথা বাদ, কিন্তু অন্ততঃ বেলটোৰ বাহিৰে সকলো বজা চাইকেলখন সলাব পাৰিব লাগে আৰু!" বুলি কৈ মমীয়ে "চাহ বনাওগৈ" বুলি লাহেকৈ উঠি গৈছিল। মই বৰ লাজ পাইছিলো। সেইদিনাই অহা মাহত যিকোনো প্ৰকাৰে চাইকেল এখন কিনাৰ প্ৰতিজ্ঞা কৰিছিলো।

দুবছৰ পূৰ্ণতা উপলক্ষ্যে চাইকেল কিনি খবৰ

দিয়াত মমী-জুমা দুয়োজনীয়ে "পাৰ্টি দিব লাগিব" বুলি জোৰ দি ধৰাত মোৰ লাজ লাগিছিল। মনটো কিবাখন লাগিছিল। এখন সাধাৰণ চাইকেল কিনাৰ পাৰ্টি—তাকো এঘৰ শিক্ষিত সম্ভ্ৰান্ত ভদ্ৰ পৰিয়ালত! সিহঁতৰ অনুৰোধত আন্তৰিকতাপূৰ্ণ উচ্ছাস আছে সেই কথা উপলব্ধি কৰিব পাৰিছিলো। যাবৰ বাবে দুৱাৰমুখ পালোহি। তেনেতে "সুৰেশদা"—জুমাৰ মাতত ঘূৰি চালো। তাই সামান্য সংকোচ কৰি সুধিলে, "মানুহেনো কিয় এমুখ ডাড়ি ৰাখি ভাল পায়?" লাজত ৰঙা-চিঙা পৰি গ'লো। সমুখত জুমাৰ মাকো ওলালহি। একো কোৱা আৰু নহ'ল। বুজিছো-এইটো বায়েক মমীয়ে শিকাই দিয়া 'ৰেডিমেড' প্ৰশ্ন।

... ...

মমীৰ মাকেও মোক বহুত কথাই কৈছিল। তেখেতসকল নগৰৰ পুৰণা বাসিন্দা নহয়। মমীৰ দেউতাকৰ ঘৰৰ অৱস্থা যথেষ্ট উন্নত। পুৰণা চহকী। বৃটিছ আভিজাত্যৰ পূৰ্ণ প্ৰকাশ এতিয়াও স্পষ্ট। মমীৰ দেউতাক আছিল সমাজকৰ্মী আৰু বাওপন্থী চিন্তাধাৰাত বিশ্বাসী মানুহ। পৰিয়ালৰ লগত বহুত বিষয়ত মতানৈক্য ঘটিছিল। তাতে জুইত ঘিউ ঢলাৰ দৰে তেখেতে নিম্নবৰ্ণৰ ছোৱালী এজনীক বিয়া কৰোৱাৰ প্ৰস্তাৱ দিয়াত বাপেকে অগ্নিশৰ্মা হৈ পুতেকক ঘৰৰ পৰা বাহিৰ কৰি দিছিল। সেই নিম্নবৰ্ণৰ মমীৰ মাকেই তেখেতৰ সাহচৰ্য্য দিছিল আৰু এতিয়াও একেদৰেই আছে। অসাধাৰণ কৰ্মক্ষমতাৰ প্ৰতীকস্বৰূপ মমীৰ দেউতাকে নিজৰ পৰিশ্ৰমৰ বলত নগৰত চাকৰী, মাটি সম্পত্তি আৰু ঘৰদুৱাৰেৰে প্ৰতিষ্ঠিত হৈছিল। এনেবোৰ কাৰণতে তেখেতসকল নিজৰ মিটিৰ কুটুম্বৰপৰাও বহু নিলগত থাকিবলগীয়া হৈছে। মমীৰ মাকে এই সকলো কৈ নাৰীসুলভ দুখ ব্যক্ত কৰিছিল। টকা-পইচা, মান-সন্মান, প্ৰতিষ্ঠা সকলো থাকিও সেই দুখবোৰৰ কথা ভাবি মমীৰ মাক হয়তো দুৰ্বল হৈ পৰে—সেই কথা মই অনুধাৱন কৰিব পাৰিছিলো। এই সকলো কথা শুনি মমীৰ দেউতাকৰ প্ৰতি এক অজানিত কৌতুহল জন্ম হৈছিল। অল্পভাষী আৰু গম্ভীৰ স্বভাৱৰ মানুহজনী সদায় দুৰ্বোধ্য হৈয়ে থাকিব নেকি বাৰু?

[ছয়]

এইদৰে দিনযায়, মাহ যায়, বছৰবোৰো পাৰ হৈ যায়। যোৱা দুবছৰত বছেৰেকত সম্ভৱ এবাৰকৈও ঘৰলৈ যোৱা হোৱা নাই। ভাড়াঘৰৰ যান্ত্ৰিক জীৱনত অঞ্জনৰ দৰে বন্ধু এটা নথকা হ'লে হয়তো জীয়াই থকাই অসম্ভৱ হ'লহেতেন। তাকেই মনৰ সকলো কথা খুলি কৈ মনটো পাতল কৰিব বিচাৰো। কিন্তু চিন্তাৰ চাকনৈয়াত আকৌ নিজকে হেৰুৱাই পেলাও কিয়—নিজেই নাজানো।

এবাৰ ঘৰলৈ যাওঁতে ককাইদেউৰ উছাহ দেখি মই অভিভূত হৈ পৰিছিলো। সেইদিনা বি, এ পাছ কৰি ঘৰ পাওঁতে সি মোক সাৱট মাৰি ধৰি কৈছিল, "হওঁক, মোৰ জীৱনত অপূৰ্ণ হৈ ৰোৱা বাসনাটো তই পূৰ্ণ কৰিলি। তই এম, এ পঢ়িব লাগিব।" দেউতা আৰু আইৰ সীমাহীন আনন্দ গোপনে লক্ষ্য কৰিছিলো। "আমাৰ সোণটোৱে বি, এ পাছ কৰিলে নহয় ... ...!" এইদৰে অতিথি-অভ্যাগতৰ কাণ ঘোলা কৰি দিছিল। কিন্তু নবৌজনী! নবৌৱে কেৱল নিৰুদ্বেগচিত্তে কথাটো শুনি থৈছিল। নবৌৱে কেনেকৈ ইমান নিৰ্বিকাৰভাৱে থাকিব পাৰিছে! বাইদেউজনী থকা হ'লে হয়তো ... ...। সেইদিনা যদি বাবা থাকিলহেতেন ... ...।

কিন্তু এম, এ পঢ়া মোৰ নহ'ল। অৱশেষত ফাৰ্মখনৰ চাকৰিটো কৰি নিজকে জীয়াই ৰাখিবলৈ চেষ্টা কৰিলো। আইদেউতাৰ সেই উছাহ, মোক ডাঙৰ মানুহ কৰি গঢ়ি তোলাৰ আকাংক্ষাৰ কথা ভাবিয়েই ঘৰত সোমাই থাকিব নোৱাৰা হ'লো। চাকৰি এটা মোৰ বৰ প্ৰয়োজন আছিল। বাৰে বাৰে দেউতা, আই আৰু ককাইদেউৰ চিন্তাক্লিষ্ট মুখ কেইখন ভাঁহি উঠিছিল।

শেষববাৰ ঘৰলৈ যাওঁতে—এদিন ৰাতি ভাত খাই থাকোতে আয়ে কৈছিল, "তোৰ মাৰ বাপেৰ হালটো জীয়াই আছো। এম, এ পঢ়িবলৈ নাপালি বাৰু নাই। চাকৰি এটাতো কৰিছ। গতিকে ঘৰলৈও কাণ-মন নকৰ কিয় ?" দেউতাই কৈছিল, "তোৰ ঘৰখন আছে আৰু তোৰ এটা ককায়েৰ আছে। ঘৰলৈ মন-কাণ কৰিলেহে ঘৰখন ঘৰ হৈ থাকে ... ...।" ককাইদেৱে, "সি যি ভাল দেখে তাকে কৰক দে," বুলি মোখনি মাৰিছিল।

গাৱৰে বেণুধৰ বুঢ়াই দেউতাক কোৱা শুনিছিলো, "সি কেলেই আহিবহে ঘৰলৈ। নগৰৰ হাৱা-পানী লাগিছে যেতিয়া ঘৰৰ কথা পাহৰিবইহে দিয়া। ধৰণীৰ পুতেকক জানো দেখা নাই ... ...।" মই খিৰিকীৰ কাষৰ পৰা আতৰি আহিছিলো।

আহিবৰ সময়ত ককাইদেউ আৰু নবৌৰ যুগ্ম জীৱনৰ চিন 'প্ৰাণ' আৰু 'মাধু'ৰ মুখ দুখনলৈ চাই কিবা এটা আকৰ্ষণ অনুভৱ কৰিছিলো। কিন্তু চাকৰিটোতেই যেন মোৰ জীৱনৰ বান্ধোন সবল হৈ আছে। সেয়ে আকৌ চাকৰি জীৱনৰ প্ৰাত্যাহিকতাৰ মাজলৈ ঘূৰি আহিছো।

...

খবৰটো পাই কোবাকোবিকৈ মমীহঁতৰ ঘৰলৈ বুলি আগবাঢ়িছো। বাহিৰত চাইকেলখন থৈ মমীক মাতি মাতি ভিতৰলৈ সোমাই গ'লো, তাই ওলাই আহোতেই তাইক সাৱটি ধৰিলো। তাই হয়তো মোৰ এনে আচহুৱা আচৰণৰ বাবে প্ৰস্তুত নাছিল। তাই মোৰ দুবাহুৰ পৰা মুক্ত হবলৈ চেষ্টা কৰিলে। "আই ঐ" বুলি জুমাৰ ... চিঞৰটোত সচকিত হৈ পৰিলো। ইতিমধ্যে জুমা ভিতৰলৈ দৌৰি গুছি গৈছে। কোনোবা ফিল্মৰ বলাৎকাৰৰ ঘটনাহে আছিল যেন সেই ঘটনাটো। হয়তো জুমাই তেনেকৈয়ে ভাবিছিল। মোৰ ভুলৰ স্পষ্টিকৰণ দি মমীক কৈছিলো, "আচলতে ... ... আজি কেনে লাগিছে জানা মমী, মই যেন নিজেই অনাৰ্চ লৈ বি, এ পাছ কৰিছো—মোৰ আজন্ম আকাংক্ষা এটাহে যেন পূৰণ হৈছে। তুমি মোক ক্ষমা কৰিবা। মোৰ কি হৈ গৈছিল মই নিজেই নাজানো।" মোৰ কথাবোৰ হয়তো খোকাথোকি হৈ গৈছিল। মমীয়ে লাজ লাজ ভাবেৰে ভিতৰলৈ সোমাই গৈছিল। তাইৰ সলজ্জ চাৱনিত মই আশ্বস্ত হৈছিলো। কিন্তু অন্যহাতে জুমাই দেখুৱা প্ৰতিক্ৰিয়াত বিব্ৰত বোধ কৰিছো। একে সময়তে অৱচেতন মনটোক কিছুমান নতুন অনুভূতিয়ে জোকাৰি থৈ গ'ল। মমীৰ দেহৰ প্ৰতিটো ভাজৰ পৰশ যেন মোৰ দেহত লাগি থাকিল। মনটো দুৰু দুৰু কঁপিছিল—এক আদিম বাসনাত।

... ...

"আজিবা ক'ত ভাত খোৱা হব ?" অঞ্জনৰ এই আচহুৱা প্ৰশ্নটোত মই আচৰিত হ'লো। তাক সুধিলো, "নতুন প্ৰশ্নৰ অৱতাৰণা কৰিলি যে ?"

"নিতান্তই এটা সাধাৰণ প্ৰশ্ন। আগতিয়াকৈ জানিব পাৰিলে মোৰ সুবিধা হয়। মন থাকিলে কৈয়ে যাব পাৰ যে, 'ভাত মই নাখাও, তয়ে ৰান্ধি খাবি।" বহুত দিন, বহুবাৰ তোলৈ ৰাতি বাট চোৱাৰ ফলত ভাত নোখোৱাকৈ শুব লগা অৱস্থা মোৰ ইতিমধ্যে হৈ গৈছে।"

"তেন্তে তই অতদিনে মোক ফাঁকি দিয়ে আছিলি। মই সুধিলেচোন ভাত খালো বুলিয়েই কৱ। অৱশ্যে ৰাতি ... ৰান্ধিব লাগে। কিন্তু ... ..."

"কিন্তু বুলি কোনো কথা নাই। জোৱাই হবলৈ হলে বন্ধু-বান্ধৱ পাহৰাটোৱে স্বাভাৱিক। তাতে ধনীৰ দু...।" অঞ্জনৰ অদ্ভুত ধৰণৰ কথা-বতৰা আৰু কঠো-... হতবাক হৈ গ'লো। মই তাৰ খং আৰু শ্লেষৰ বিপৰীতে সহৃদয়তাৰে সুধিলো—

"অঞ্জন, এইবোৰ তই কি কৈছ ? মই স্বীকাৰ কৰো, আগৰ তুলনাত মই অনিয়মীয়া হৈছো, মোৰ ভুল হৈছে। কিন্তু তোৰ কথা পাহৰি গৈ এনে কৰিছো বুলি তই কেনেকৈ

ভাবিব পাৰিলি ? আৰু কি প্ৰেম-প্ৰণয়ৰ কথা কৈছ ? মোক বুজাই কব লাগিব।" অঞ্জনে বেপৰোৱা ভাবেৰেই কৈ গ'ল। "কবলৈ আৰু কিটো আছে। বুঢ়া হ'লি এতিয়াও জ্ঞান নহ'ল। এজন চফল ডেকাৰ দুজনী গাভৰু ছোৱালী অকলশৰে থকা ঘৰখনত অবাধে অহাযোৱা কৰাটোৱে কি সূচায় ? তই নিজৰ স্থিতিৰ কথা পাহৰি পেলাইছ। কাৰনো কিমান কথা নুশুনিবা ! কেৱল সুৰেশ আৰু মমী। আৰু কিবা কব লাগিব ?"

"হুঁ ... ... কথাৰ গুৰি তেন্তে ক'ৰবাত। এজন চফল ডেকা হ'লেও মোৰ বিবেকৰ সুস্থতা সম্পৰ্কে মই সচেতন। মই জনাত মই ঠিকেই আছো। অন্ততঃ তোৰ বন্ধু হিচাপে—এই বুলি খৰধৰকৈ অফিচলৈ বুলি আগবাঢ়িলো।

[সাত]

মমী কালিলৈ ডিব্ৰুগড়লৈ যাব। ইউনিভাৰচিটিত পঢ়িবলৈ। অফিচৰ পৰা সোনকালেই ওলালো, কিবা প্ৰয়োজনত কিজানিবা ইফাল-সিফাল কৰিবলগীয়া হয়। তাইৰ ৰিজাল্টৰ খবৰ ওলোৱাৰ দিনাৰ পৰা কিবা এটা শূন্যতা (?) মনৰ মাজত ঠাই লোৱা যেন লাগিছে। কিবা এক বেদনা, অস্বস্তিত অশান্ত হৈ পৰিছো। অঞ্জনৰ লগতো নিয়মীয়া হবলৈ পাৰ্যমানে চেষ্টা কৰিছো।

জপনা খুলিয়েই জুমাক দেখা পালো। তাই 'সুৰেশদা আহিছে' বুলি ভিতৰ সোমাই গ'ল। সেই সময়তে কেইটামান চেঙেলীয়া ল'ৰাই কৈ গৈছে,—"খেলা জমিছে কিন্তু। সুৰেশদাৰহে দিন ... ... ।" সিহঁতক চিনিব নোৱাৰিলো। —"সুৰেশদা, আপুনি বহকদেই। মা কলেজৰ পৰা অহাই নাই, মইও টিউচনলৈ যাওঁ। লগৰ ছোৱালী বৈয়ে আছে। বাইলৈ বাইদেউ যাবগৈ নহয়।" তাই এটা অৰ্থব্যঞ্জক হাঁহি মাৰি গ'লগৈ। তাইৰ হাঁহিৰ অৰ্থ বিচাৰি থাকোতেই "জুমাই কি কৈ গ'ল ?" বুলি মমী সোমাই আহিল। "জুমাই আৰু কি কব" একেবাৰে সাধাৰণভাবত কৈ বিষয়টোৰ সামৰণি মাৰিলো।

"বাৰু সেইবোৰ বাদ। আপুনি ঘৰলৈ গৈছিলনে ? নে ট'ৰত—?

"নাই, কলৈকো যোৱা নাই। কিয় সুধিলা ?"

"ঠিকেই আছে তেন্তে। কেতিয়াবা হয়তো একেবাৰে পাহৰি যাবগৈ।"

"কিয় তেনেকৈ কোৱাহে। নিজৰ ওপৰতে কেতিয়াবা খং-ক্ষোভৰে মন ভৰি যায়। আজিকালি ওলোৱা সোমোৱা বন্ধ কৰি দিছো। কিন্তু তোমালোকক পাহৰি গৈছো বুলি নাভাবিবা।"

"আপুনি কালিলৈ মোক ডিব্ৰুগড়ত থৈ আহিব লাগিব। যাবনে নাযায় কওক।" মমীৰ কথাত কৰ্তৃত্বৰ সুৰ স্পষ্ট। মই মনে মনে থাকিলো। তাই পুনৰ আৰম্ভ কৰিলে,—"আপুনি মোক থৈ আহিবনে। সিদিনা চিনেমা চাবলৈ একেলগে যাম বুলি কৈও কেনেকৈ ভয়ে ভয়ে পাছত ওলাইছিলগৈ। সেই একেটা মানুহৰ আকৌ ক'ৰ পৰা নতুনকৈ সাহস হব !" কি উত্তৰ দিম ভাবি নাপালো। প্ৰসঙ্গ সলাবৰ মনেৰেই কলো, "মমী, সেইদিনা মানে তোমাৰ ৰিজাল্ট ওলোৱা দিনা ... ... " মমীয়ে মোৰ মুখৰ কথা কাঢ়ি নি কলে—

"ৰব ৰব। সিদিনা ঘটনাটোৰ বাবেই আপুনি ইমানদিন অহা নাছিল নহয়। এয়াহে আচল ডেকা মানুহ। ইমান ভয়েই যদি সাবধান হৈ নচলে কিয় ? মায়ে চব কথা গম পাই গৈছে।"

"মানে ?" মমীক জব্দ কৰিবৰ বাবে সুধিলো।

"জুমাই কথাটো মাক কৈ দিছিল। মায়ে তাইক মুখ ভাঙিম বুলি ভয় দেখুৱাই মোলৈ চাইছিল।" মমীয়ে শাৰীখনৰ আগটো আঙুলীত পকাই পকাই মোলৈ নোচোৱাকৈয়ে ক'লে।

মই সুধিলো "সেইদিনাৰ ঘটনাটোৰ কথা তুমি কি ভাবিছা তাকে আগতে কোৱাচোন।

"মই কি ভাবিছো কিয় কম? —বুলি কৈ মমীয়ে মোৰ চকুলৈ চাইছিল। কাণ দুখনত বহুত তেজ জমা হ'লহি। তাই 'চাহ খাওঁকহি আহক' বুলি ভিতৰলৈ মতাত মই তাইৰ পাছে পাছে সোমাই গ'লো। চাহ খোৱাৰ পৰ্ব আৰম্ভ হ'ল। মমীৰ হাতৰ পৰা ঠাণ্ডা পানীৰ গিলাচটো হাতত তুলি লওঁতে তাইৰ হাতৰ আঙুলীৰ পৰশ মোৰ হাতত অনুভৱ কৰিলো। হঠাতে পানীগিলাছ মজিয়াত পৰি গ'ল। মমীয়ে খিলখিলাই হাঁহি উঠিলে।

সেই সময়তে মমীৰ মাক সোমাই আহিল। মোলৈ নোচোৱাকৈয়ে মমীৰ হাতত এটা বেগ তুলি দি মোক সুধিলে, "তুমি কেতিয়া আহিলা?" মই উত্তৰ দিয়াৰ আগতেই মমীয়ে "বেছি সময় হোৱা নাই বুলি মোক সহজ কৰি দিলে। বিভিন্ন কথা-বতৰাৰ মাজত ৰাতি মোকো ভাত খাই যাবলৈ ক'লে।

ডাইনিং টেবুলত সকলোৰে বাবে একেলগে ভাতৰ ব্যৱস্থা হ'ল। খাই থকাৰ মাজতে মমীৰ মাকে সুধিলে, "তোমাৰ চাকৰি কেনে চলিছে?" মোৰ চমু উত্তৰ, "ভালেই চলিছে।" পুনৰ—

"সদায় এই চাকৰিকেই কৰি থাকিবানে? ভাত গৰাহ মুখলৈ নিও বৈ যাব লগাত পৰিলো। প্ৰশ্নটোৰ প্ৰাসঙ্গিকতাৰ বিষয়ে ভাবিবলৈ বাধ্য হলো। উত্তৰটো দিবৰ বাবে মোৰ অসুবিধা হৈছিল; তথাপিও "চিন্তা কৰি আছো" বুলি মোখনি মৰাৰ চেষ্টা কৰিলো।

এসময়ত মমীহঁতৰ ঘৰৰ পৰা উভতিলো। আহোঁতে মমীৰ মাকৰ সেই প্ৰশ্নটোৱে বাৰে বাৰে আমনি কৰিবলৈ ধৰিলে। প্ৰশ্নটোৰ অন্তৰালত মমীৰ মাকে অন্য কোনো কথা বুজাব বিচৰা নাইতো! মমীক নতুন শিক্ষাজীৱনৰ আৰম্ভণীত প্ৰথমবাৰৰ বাবে দিবলৈ বুলি লৈ যোৱা কলমবহীৰ উপহাৰটো দিয়াই নহল।

... ...

অঞ্জনে পুৰা কৈ থোৱা কথাবোৰে পুনৰ মনৰ মাজত খুন্দিয়াই থাকিল। বহুপৰ। 'মই বন্ধু-বান্ধৱ পাহৰি গৈছো —জোৱাই হবলৈ ওলাইছো ... ... তাতে ধনীৰ দুলালী ... ...। মই কি হৈছো নিজেও কব পৰা নাই। কেওফালে কেৱল সুৰেশ-মমী। আকাশে-বতাহে হেনো মমী আৰু সুৰেশ! মমীহঁতৰ ঘৰলৈ সোমাওতে তেন্তে সেই ল'ৰা দুটাই তাকেই ইঙ্গিত দি গ'ল। দুজনী গাভৰু ছোৱালী—এটা অবিবাহিত চফল ডেকা ... ... অঞ্জনে আকৌ তাৰ তীৰ্যক বাক্যবাণেৰে মোক ধাৰাশায়ী নকৰেতো!

কলেজীয়া জীৱনৰ পৰা ই তাৰ লগত মোৰ বন্ধুত্ব। দু'বছৰ ঘৰুৱা অসুবিধাৰ বাবে সি পৰীক্ষা দিব নোৱাৰি মোতকৈ পিচ পৰিছিল। মোৰ চাকৰি কালত বি, এছ, ছি, পঢ়িবৰ বাবে আহি আকৌ মোৰ লগ লাগিছিলহি। সি বহুত সলনি হৈছে। এতিয়া সি চেণ্ট্ৰেল হাইস্কুলৰ শিক্ষক। ইতিমধ্যে তাৰ বিয়াৰ প্ৰস্তুতিও চলিছে। হয়তো সিও মোৰ লগ এৰিব।

এঘাৰ বজা ৰাতি যেতিয়া মই ভাড়াঘৰ পালোগৈ তেতিয়া অঞ্জন শুইছে। বেচেৰাটোক দিনৰ দিনটো উৎপতীয়া ল'ৰা-ছোৱালীমখাই চাগৈ হাৰাশাস্তি কৰি দিয়ে। তাৰ মাজতে প্ৰাইভেট টিউচন। সি সাৰে আছেনে টোপনিত আছে সেই কথাত মই নিশ্চিত নহয়। আজি দেৰি হোৱাৰ বাবে তাৰ ওচৰত মাফ বিচাৰিম বুলি ভাবিছিলো যদিও সেই সুবিধা সি নিদিলে। সি শুই আছে।

## [আঠ]

একে ঘোচাই যেন মুখখন ভাঙিহে পেলাম। এই আপদীয়া মেনেজাৰটোৱে ইমানখিনি মানুহৰ মাজত কেৱল মোকহে ট'ৰত পঠাব পাৰে। এসপ্তাহ হোৱাই নাই। আকৌ মোৰ নাম। বাধ্য হৈ নচলিলেও চাকৰিৰে টনটানি। সেয়েহে মনৰ ভাব লুকুৱাই সুধিলো, "ক'লৈনো যাব লাগিব? সিদিনা গৈ আহিছোহে।" পাছৰ কথাখিনি অনুচ্চ হৈছিল। মেনেজাৰে ক'লে, "দু'দিনৰ বাবে ডিব্ৰুগড়লৈ পৰা আহা। বিল কেইখনমান পেণ্ডিং হৈ আছে।"

মনটো নাচি উঠিছিল। ডিব্ৰুগড়—মানে ইউনিভাৰ-চিটিও পাই যাম। গতিকে যোৱাটো সিদ্ধান্ত কৰিলো। মেনেজাৰক লগে লগেই ক'লো, "যাম বাৰু। আজি-য়েনে?" মেনেজাৰে সন্তুষ্টিৰ হাঁহিৰে ক'লে—"কালিলৈ গ'লেও হব।

... ...

অফিচৰ কাম শেষ কৰি চৌকিডিঙিৰ পৰা চিটিবাছত ইউনিভাৰচিটিৰ ফালে আগবাঢ়িছো। বহুত দিনীয়া কিছুমান স্মৃতিয়ে জুমুৰি দি ধৰিছে। খিৰিকিৰে বাহিৰলৈ চাই আহিছো যদিও মনৰ মাজত সেই স্মৃতিবোৰে লুকাভাকু খেলিব ধৰিলে।

চিনেমা চাবলৈ যাবৰ দিনা ... ...ঃ মমীয়ে মোক সুধিছিল, "আপুনি বাৰু কিয় ইমান হীনমান্যতাত ভূগিছে। আপুনি নিজকে সদায় সংকীৰ্ণ দৃষ্টিৰে চোৱা কথাবোৰ মোৰ পছন্দ নহয়। এটা বিশেষ ঘটনাৰ জৰিয়তে আপোনাৰ আমাৰ লগত চিনাকি। আপোনাৰ বিপদত সহায় কৰাৰ দৰে আমিও জানো আপোনাৰ সহায় পোৱা নাই। মাৰ অসুখত ডাক্তৰ আৰু দৰব অনাৰ পৰা ইটো-সিটো বহু প্ৰয়োজনত আপুনি পৰিয়ালৰ এজনৰ দৰেই সহায় কৰি আহিছে। তেনেহ'লে সদায় আমাৰ সহায়ৰ কথা সুঁৱৰি থকাৰ কাৰণ কি? আমিও তেতিয়াহ'লে আপোনাৰ সহায়ৰ কথা আপোনাৰ আগত গাই থকাটোকে বিচাৰে নেকি?"

অন্য এদিনৰ কথাঃ মমীয়ে সুধিছিল ৰাতি আৰু ৰাতিপুৱা সময়খিনি কেনেদৰে কটাও। মই কৈছিলো, "ৰাতি ভাত ৰান্ধো, পুৱা আঠ বজাত উঠো, অঞ্জনে বাঢ়ি দিয়া ভাত খাই অফিচলৈ যাওঁ। বচ্।" মোৰ কথা শুনি তাই পোন্দোৱাকৈ চাই লাহেকৈ উঠি গৈছিল। এজাপ বচা বচা কিতাপ হাতত লৈ মোৰ আগত ডাঙি ধৰিলেহি। "চব দুখ পাতলি যাব। ঘৰলৈ যাবলৈও মন যাব। চাব আকৌ ফাঁকি মাৰি দিয়া ভাগেই ঘূৰাই দিলে শাস্তি ভয়ঙ্কৰ হব। প্ৰতিঘন কিতাপৰ বিষয়বস্তু মোক কবহি লাগিব।"

"হব বাৰু। চেষ্টা কৰি চাম। শাস্তিবোৰ মিঠা হ'লে ... ...।" হাঁহি হাঁহি কিতাপজাপ হাতলৈ তুলি ল'লো। জুমা ওলাই আহি বায়েকক ক'লে, "বা, তই দেখিছো সুৰেশদাক কৃষ্ণকান্ত সন্দিকৈ বনাইহে এৰিবি।" মমীয়ে তাইক খেদি গৈছিল।

আকৌ এদিন মমীয়ে কৈছিল, "আপুনি ল ডিগ্ৰী-টোকে লব পাৰে! উকিল হব নালাগে বাৰু, ছাত্ৰও হৈ থাকিব আৰু আপোনাৰ ফাৰ্মৰ মালিক চাহাবক কব পাৰিব যে আঠ ঘণ্টাতকৈ অধিক সময় কাম কৰিবলৈ দিয়াটো একপ্ৰকাৰ অপৰাধ।" মই তলমূৰ কৰি গুণাগথা কৰিছিলো—ভাবিছিলো; বয়সতকৈ ডাঙৰ ডাঙৰ কথা এই ছোৱালীজনীৰ।

বাছখন জোকাৰ এটা মাৰি ৰৈ যোৱাতহে মোৰ তন্ময়তা ভাগিল। এইখনেই বিশ্ববিদ্যালয়—এখন নতুন পৃথিৱী। মোৰ বাবে বহু আকাংক্ষিত এখন সপোনপুৰী। দ্বিধা,শংকাৰে আগবাঢ়িছো। মমীৰ মুখখন পলকতে চকুৰ আগত ভাঁহি উঠিল। তাই চাগৈ ধুনীয়াজনী হৈছে! পাতল তাইৰ দেহাটোত হয়তো এযোৰ মেখেলা-চাদৰ অথবা শাৰী! মমী এজনী মাৰ্জিত ৰুচিৰ ছোৱালী। চুলিকোছা হয়তো বান্ধি ৰাখিছে নাইবা মেলিও ৰাখিব পাৰে। ইউনিভাৰচিটিত তাই বাৰু নতুন আৰহাৱা পাই সলনি হৈ পৰিছে নেকি! মোক দেখিলে "সুৰেশদা, আপুনি আহিছে" বুলি চিঞৰি দিব নেকি বাৰু! হয়তো লগৰ বান্ধৱীৰ লগত চিনাকি কৰি দি কব, "এইয়া আমাৰ সুৰেশদা। আমাৰ ... ...!"

ৰাতিৰ এন্ধাৰলৈ ভয় কৰা এটা শিশুৰ দৰে থমকি ৰ'লো। কেনেকৈ মমীক লগ কৰিম? লগৰ ছোৱালী-বোৰৰ আগত মোৰ পৰিচয়েই বা হব কি? মই কিয় যাম? মোকতো মমীয়ে লগ কৰিবলৈ এবাৰো কোৱা নাছিল! তেন্তে!!

মই আৰু আগবাঢ়িব নোৱাৰিলো।

ডিব্ৰুগড়লৈ গৈও মমীক লগ কৰিব নোৱাৰিলো। তাই ইউনিভাৰচিটিলৈ যোৱা কেইবামাহো পাৰ হৈ গৈছে। মোৰ বিবেকৰ দংশনতেই নিঃশেষ হৈ যাম যেন লাগিছে। নিজকে ধিক্কাৰ দিওঁ—কিন্তু মমীক লগ নকৰিলো।

কিছুদিন মমীহঁতৰ ঘৰলৈ যোৱাই হোৱা নাই। জুমা-হঁত নিশ্চয় আচৰিত হৈছে। মাকে কিজানি স্বস্তিৰ নিশ্বাসেই পেলাইছে বা! জুমাৰ খুহুটিয়া কথাবোৰ মনত পৰিলেই তাইলৈ মৰম লাগি যায়। তাইৰ কথা মনত পৰাত যন্ত্ৰচালিত মানুহ এটাৰদৰে সিহঁতৰ ঘৰত সোমাই পৰিলো। জুমা ওলাই আহিল। "অ' আপুনি" বুলি কৈ অত্যন্ত সৌজন্যতাৰ খাতিৰতেই যেন ক'লে, "বহক।" তাইৰ ভাব-গতি দেখি মোৰ বুজিবলৈ বাকী নাথাকিল যে তাই অসন্তুষ্ট। তাইৰ লগত চুপতি মৰাৰ ইচ্ছা হ'ল। ক'লো, "ষাৱেই নহ'লে!" তায়ো উত্তৰ দিয়াত পলন নকৰি ক'লে, "বা নাইতো। আমাৰ লগত কথা পাতি অৱশ্যে ভাল নালাগিব। আমি চাৰ্কাচৰ জন্তুৰ দৰেহে। মন গ'লে মানুহে চাব।"

"পিছে বিনাপইছাতে চাবলৈ আহিলো। টিকট লব লাগিব নেকি? তাই কপট খং দেখুৱাই সোমাই যোৱাৰ পিছতে মাক ওলাই আহিল। আহিয়ে "সুৰেশ নাছিলা নেকি? তুমি খীণাইছা কিয়?" "ভালনে" ইত্যাদি বহুত প্ৰশ্ন কৰিলে। সাধাৰণ ভাবেই প্ৰত্যুত্তৰ দিলো। মোৰ দৃষ্টি-গোচৰ হ'ল যে মমীৰ মাকে অন্যদিনাতকৈ খোলাভাৱে কথা-বোৰ সুধিছে। সেই আন্তৰিকতাত মনটো ভাল লাগি গ'ল। প্ৰসঙ্গক্ৰমে মই ডিব্ৰুগড়লৈ যোৱাৰ কথাটো উলিয়ালো। 'ডিব্ৰুগড়' শব্দটোৱে একো প্ৰতিক্ৰিয়া নকৰালৈ চাই—আগতে সুধি যোৱা প্ৰশ্নবোৰৰ সুকীয়া ধৰণৰ অৰ্থ থাকিব পাৰেনেকি ভাবিব লগাত পৰিলো।

জুমাই চাহ লৈ ওলাই আহি ক'লে, "মই ভালদৰে চাহ বনাব নাজানো দেই। 'বা' নথকাত মোৰ বৰ অসুবিধা হৈছে। বেয়া হ'লেও খাওক।" তাই বেকা হাঁহি এটাৰে ওলাই গ'ল। জুমাৰ মাকে হয়তো কথাষাৰৰ তাৎপৰ্য উপ-লব্ধি নকৰিলে।

চাহ খোৱাৰ পৰত মমীৰ মাকে আকৌ সুধিলে, "তোমাৰ বিয়াবাৰুৰ কথা ভাবিছানে নাই? বয়সোতো এটা হৈছে। বিয়াখন পাতিব লাগে নহয়!" ইতস্ততঃ বোধ কৰিলো। চাহকাপত সোহা মাৰি কলো, "দেখা যাওকছোন।" তাৰ পিছত অনেক ধৰণৰ কথা পতা হ'ল। যাবলৈ উঠাৰ প্ৰাক্‌মুহূৰ্তত মমীৰ মাকে হঠাৎ মনত পৰাৰ দৰে ক'লে, "অ' তোমাক ভাল খবৰ এটা দিবলৈ আছে। আমাৰ মমীৰ বিয়া ঠিক কৰিছো নহয়। আমাৰ কলেজৰে ইকনমি-ক্সৰ প্ৰবক্তা। মই ভাবিছো প্ৰিভিয়াচটো শেষ কৰি আহি-লেই বিয়াখন পাতি পেলাম।" মই প্ৰায় শিল পৰা কপৌৰ দৰে হৈ পৰিলো। মই 'হয়নেকি', 'ভালেই হৈছে' জাতীয় চমু উত্তৰ দিয়াৰ বাহিৰে একো কথা ক'ব নোৱাৰিলো। সেই সময়ত মমীৰ মাকৰ দৃষ্টিৰ পৰা কিদৰে আতৰিব পাৰো তাৰ ক্ষণ গণিব ধৰিলো। অৱশেষত বিদায় ল'লো।

... ... ...

"জীৱনটো অভিনয় হোৱা হ'লে বৰ ভাল আছিল
অভিনেতাৰদৰে বাচি ল'লোহেতেন সীমিত সংলাপ
অলপ অশ্ৰু অলপ হাঁহি
প্ৰাণঢালি কৰিলোহেতেন অভিনয় : অবাক কৰি
এক পৃথিৱী দৰ্শক"—

কি আচৰিত কবিতা; সেইটো। জীৱনত প্ৰথমবাৰৰ বাবে উপলব্ধি কৰিলো কবিতাৰ সত্যতা। ইমান সচা কথা কোৱা, কোন কবি তুমি?

মই এতিয়া অঞ্জনৰ ওচৰলৈ আহিছো। আজি লাজ-মান সকলো বিসৰ্জন দি তাক কৈ দিম—"ঠিকেই কৈছিলি বন্ধু—মই সচাই মমীক ভাল পাওঁ। তাইৰ লগত ... ...। তয়ে মোৰ জীৱনৰ একমাত্ৰ সাৰথি আছগৈ। মোৰ বদনাম হৈ গৈছে। মোৰ ভুল হৈছে—ধনীৰ দুলালী মমীক মোৰ জীৱনত নিবিড়ভাৱে বিচৰাটো মোৰ ভুল হৈছে।

পিছ মুহূৰ্ততে সুকীয়াকৈ ভাবিছো কথাবোৰ। মমীয়ে মোক ভাল পায়, জুমায়ো ভাল পায়। দেউতাকে আৰু

মাকেও। কিন্তু কাৰোবাৰ দৃষ্টিত মই ককায়েক আৰু কাৰোবাৰ বাবে মই পুত্ৰসদৃশ। জুমা বা মমীৰ দুয়োৰেইবা কি! একান্ত নিবিড়ভাৱে পোৱা এটা ডেকা ল'ৰাৰ সান্নিধ্যই হয়তো সিহঁতক আনন্দ দিয়ে। সিহঁতৰ ওচৰত মই কেতিয়াবা হৈ পৰো ককায়েক, কেতিয়াবা বন্ধু। কিন্তু মমীয়ে মোক এগৰাকী কৰ্তৃত্বশীলা মাতৃৰ দৰে কিয় উপদেশ দিয়ে? মই সেইবোৰ পালন কৰাৰ অৰ্থই বা কি আছিল! মমীৰ বিয়াৰ বন্দৱস্তৰ খবৰ পাই মই কিয় অস্থিৰ হৈ পৰিছো! এয়া একান্ত সান্নিধ্যই মধুৰ কৰা সম্পৰ্ক, প্ৰেম নে ভগ্নীৰ প্ৰতি ভাতৃস্নেহ! মই মোৰ সমস্ত জীৱনৰ স্বৰূপ উদঙাব দি তেন্তে তাইৰ সহানুভূতিহে আদায় কৰিলো! মানে মই পুতৌৰ পাত্ৰ হৈয়ে আজীৱন থাকি যাম??

…… নহয়। একান্তই ব্যক্তিগত এই সম্পৰ্ক। আৰু একান্তই গোপনীয় মোৰ দুখ। তেন্তে অঞ্জনক মোৰ দুখৰ, মোৰ মনৰ গোপন কথাবোৰ কিয় কম? উঁ—কম। মমী এতিয়াওতো জীয়াই আছে। তাই মোৰ সকলো দুখৰ কথা জানে। তাই মোক বুজি পায়—তাই মোক ভাল পায়। মই তাইকেই কম। তাইকেই সুধিম—এনে সমস্যাৰ কিবা সমাধান আছে?

[ ন ]

জীৱনৰ অপ্ৰত্যাশিত আগমনত মই আচৰিত হ'লো। "এই ৰাতিপুৱাতেই কিয় আহিলি তই?" মোৰ প্ৰশ্নৰ উত্তৰত কৌতুকমিশ্ৰিত হাঁহি এটাৰে সম্ভাষণ জনাই সি ক'লে. "মমীবাইদেৱে আপোনাক মাতিছে।"

"মানে? মমী কেতিয়া আহিল?"

"যোৱাকালি। আপোনাক ভাত খোৱাকৈ মাতিছে।"

কোনো কথা নাভাবি "হ'ব বাৰু তই যা" বুলি কৈ তাক বিদায় দিলো।

ডাড়িবোৰ বহুদিন নুখুৰোৱাৰ ফলত ইতিমধ্যে বিশৃংখল হৈ পৰিছে। ডাড়িখিনিত হাত ফুৰাই চালো। মমীহঁতৰ ঘৰলৈ যাব লাগিবই যেতিয়া 'ৰেজৰ চেট'টো উলিয়াই ল'লো।

… … …

মই গৈ পাওঁতে মানে মাক কলেজলৈ ওলাই গৈছে। জুমাও আজিকালি কলেজীয়া গাভৰু। গতিকে তায়ো নাই। জীৱনে জপনাখন মেলি দি ক'লে, "আপোনালৈ বাট চাই চাই বাইদেউৰ খং উঠি গৈছে।" মমী ওলাই আহি কথাষাৰ শুনিলে। তাই লাজতে ৰঙা পৰি যোৱা যেন লাগিল। মমী আৰু মোৰ চকুৱে চকুৱে পৰিল। মমীক কি কম, কি সুধিম ভাবি পোৱা নাই।

"মমী কেতিয়া আহিলা?"

"জীৱনেচোন আপোনাক কৈছেই।" মমীয়ে কথাষাৰ কৈয়ে খিল্‌খিলাই হাঁহি দিলে। মই ধৰা পৰি গ'লো। তাই মোক সহজ কৰিবৰ বাবে ক'লে, "মুখ হাত ধুই ডাইনিং টেবুললৈকে আহক। তাৰ পাছতে কথা পাতিম বাৰু।"

ভাত খোৱা পৰ্ব আৰম্ভ হ'ল। মমীয়ে কৈ গ'ল—ভাতপানী বোলে তাই নিজে ৰান্ধিছে। তাই হেনো ভালদৰে ৰান্ধিব-বাঢ়িব নাজানে। 'বৰ সুন্দৰ হৈছে' বুলি প্ৰশংসা কৰিলো। সকলো ছোৱালীয়ে 'ভালদৰে ৰান্ধিব নাজানো' বুলিয়েই কয়। আৰু কয় 'কেনেকুৱা হৈছে জানো কব নোৱাৰো দেই। সুদা ভাত খুৱাব লগা হ'ল পাই' জাতীয় কথাবোৰ। এইবোৰ কথা মোক অঞ্জনেই কয়। মমীয়ে বহু কথা ক'লে, সুধিলে। মই কেৱল শলাগি গ'লো। মোৰ নিৰ্লিপ্ততাত মমীয়ে হয়তো ভাল নাপালে। তাই মোক ইউনিভাৰচিটিৰ কোনো কথা উলিয়াবলৈ সুবিধাকেই নিদিলে।

ভাত খাই উঠি যাবলৈ ওলালো। কিন্তু 'অফিচ' শব্দটো মুখৰ পৰা ওলাবলৈহে পালে মমীয়ে উচাপ খাই উঠাৰ দৰে কৈ উঠিল—"যাওঁক। অফিচটোৰ বাদেনো

আপুনি কি চিনি পায় ? আজিলৈকে ছুটি লৈ পাইছেনে ?" বুজিলো, মমীয়ে মোক ছুটি লোৱাবলৈকে আয়োজন কৰিছে। মই ক'লো,—

"হব বাৰু, অলপ সময় বহিছো।"

"যদি অধৈৰ্য হৈ পৰিছে মই ৰাখি নাথাকো।" মমীয়ে অনুযোগ কৰিলে। মই সুযোগ এৰি নিদিলো, "তেনেহ'লে যাওঁহে!" তাই মনে মনে থাকিল। মই উঠি আহি দুৱাৰদলি পালোহি। পিচফালৰ পৰা মমীয়ে মাতিলে, "সুৰেশদা।" একে ঠাইৰ পৰা ঘূৰি চাই সুধিলো, "কিবা কবা ?" তাই একো নক'লে। মমী উত্তেজিত হৈ পৰিছে নেকি বাৰু! উভতি আহিলো।

"আপুনি আজিকালি আমাৰ ঘৰলৈ একেবাৰেই নাহে বুলি শুনিছো। মই মাতি অনাত আপোনাৰ অসুবিধা হ'ল নেকি ?"

কি উত্তৰ দিলে ভাল হব ভাবি থাকোতে পুনৰ সুধিলে, "ট'ৰত গ'লে আপুনি এয়াৰত যায় নেকি ?" প্ৰশ্নটোৰ প্ৰাসঙ্গিকতা বুজিব নোৱাৰিলো। পুনৰ—

"ডিব্ৰুগড়লৈ যাওঁতে কিহত গৈছিল ?"

এইবাৰহে ঘটনাৰ আঁত বিচাৰি পালো। এইবাৰো একো কব নোৱাৰিলো। তাই কৈ গ'ল, "ইমান নিষ্ঠুৰ! মোক লগ কৰাৰ ইচ্ছা আপোনাৰ নহ'ল ?" মমীৰ অভিমানী প্ৰশ্ন।

মমীয়ে বাৰু জানেনে নাজানে যে ইতিমধ্যে তাইৰ বিয়াৰ বন্দবস্ত হৈ গৈছে। এনেদৰে প্ৰশ্ন কৰি তাই মোৰ মনটো কিয় থকাসৰকা কৰিছে! মই অস্থিৰ হৈ পৰিছো। বহুত বেদনা বুকুত চেপি ৰাখিয়েই মনৰ অজানিতে কৈ দিলো,—"মমী, তোমাৰ বিয়া পাতিছে বুলি জানি মোৰ খুউব ... ...। তোমাৰ ভবিষ্যৎ জীৱন সুখৰ হওঁক। তুমি সুখী হোৱা মমী, তুমি সুখী হোৱা।" মমীলৈ নোচোৱাকৈয়ে কৈ দিলো।

এইবাৰ মমীৰ আচৰিত হোৱাৰ পাল। তাই অবাক বিস্ময়েৰে মোক সুধিলে' "মোৰ বিয়া ? আপুনি এইবোৰ কি কৈছে ?" মই হুমুনিয়াহ এৰি ক'লো, "ওঁ ... ... তোমাৰ বিয়া। কপালত দগমগীয়া সেন্দুৰ লৈ তুমি এইখন ঘৰ এৰি অন্য এখন ঘৰলৈ গুচি যাব লাগিব। তুমি নাজানা মমী, তুমি নুবুজা।"

হঠাতে মুখ ঢাকি মমী উচুপি উঠিল। মই কি কৰিম ভাবি নাপাই মমীৰ ওচৰ পালোহি। অতি সংকোচেৰে মমীৰ বাহুত হাত থলো। তাই মোৰ বুকুৰ মাজত সোমাই পৰিল। তাইৰ উচুপনি বাঢ়ি গ'ল। তাই কৈ গ'ল, "মই কি কৰিম সুৰেশদা, মই এতিয়া কি কৰিম ?ময়েইটো ঘৰৰ ডাঙৰ ছোৱালী। আপুনিতো মোৰ মনৰ কথা জানেই।" প্ৰথম-বাৰৰ বাবে মমীয়ে তাইৰ মোৰ প্ৰতি ভালপোৱা ব্যক্ত কৰিলে। মোৰ মনটো আবেগেৰে ভৰি উঠিল। তাইৰ মূৰত হাত ফুৰাই মই ক'লো, "নাকান্দিবা মমী। তুমিওতো মোৰ দুখৰ কথা জানা—মোৰ মনৰ কথা জানা।" তাই সজল চাৱনিৰে বহু আকুলতাৰে মোৰ ফালে চালে। ময়ো তাইৰ চকুলৈ চালো। হয়তো মোৰো চকু চল্‌চলীয়া হৈ পৰিছিল। পুনৰ ক'লো, "এতিয়া বহু দেৰি হৈ গ'ল মমী। তুমি বিয়াত বহিবই লাগিব। দুখতেই মোৰ জীৱন গঠা আছে। তুমি সুখী হোৱা মমী, তুমি সুখী হোৱা।" মমীয়ে মোক জোৰেৰে সাৱটি ধৰিলে আৰু ক'লে,—আপুনি মোক পাহৰি নাযাব সুৰেশদা।" মমীৰ তপত ঘন নিশ্বাস আৰু চকুলো মোৰ বুকুত অনুভৱ কৰিলো। ময়ো তাইক জোৰেৰে সাৱটি ধৰিলো ... ... ...।

[দহ]

ক্ৰমে মধুৰ হৈ অহা নগৰখন এতিয়া ৰ'দে পোৰা মৰুভূমিত পৰিণত হব ধৰিছে। উঁয়ে ধৰা এজোপা বটবৃক্ষৰদৰে ময়ো দিনে দিনে নিঃশেষ হৈ যাব ধৰিছো। ৰিক্ত এখন হৃদয়। চাৰিওফালে কেৱল শূন্যতা। মমী ডিব্ৰুগড়লৈ ঘূৰি গ'লনে নাই নাজানো। প্ৰিভিয়াচ পৰীক্ষা দি আহিয়েই তাই জীৱনৰ বাবে মোৰ পৰা আঁতৰি যাব। মোৰ জীৱনৰ পৰা মমী নামৰ ছোৱালীজনী নোহোৱা হৈ যাব। মোক ভাল পাব বিচৰা মমী মোৰ পৰা সপোনৰ দৰেই হেৰাই যাব। আৰু মই ? কপালত দগমগীয়া সেন্দুৰৰ ফোট লৈ

আতৰি যোৱা মমীৰ স্মৃতি বুকুত লৈ টিল্‌টিলকৈ শেষ হৈ যাব লাগিব। নাই, নাই—কেতিয়াও হব নোৱাৰে। তাই মোক 'দাদা' বুলি সম্বোধন কৰিব, তাৰমানে মই আকৌ এবাৰ কাৰোবাৰ তোলনীয়া পুত্ৰ হৈছো? কোনোবাই যদি মোক সোধে, "মমীক নিজৰ জীৱনত বিচৰা তুমি কি চাকৰি কৰা? তোমাৰ শিক্ষা কিমান? তোমাৰ সামাজিক প্ৰতিষ্ঠা আছেনে?" মই অসহায়, মই নিঃস্ব।

মোৰ মূৰটো আচল্লাই কৰিব ধৰিছে। বহুত এন্ধাৰ চকুৰ আগৰ পোহৰৰ মাজত সোমাই পৰিছে। পোহৰবোৰ নাইকীয়া হৈ গৈছে। চাৰিওফালে নিৰন্ধ্ৰ অন্ধকাৰ। আন্ধাৰ-বোৰৰ মাজত হেৰাই গৈছো। হয়তো মই মৰি গৈছো। মই দেখো খুব কপিব ধৰিছো। আঃ! আগৰ অসুখটো আকৌ হৈছে নেকি বাৰু?

মমীহঁতৰ চুবুৰীৰ পুৰুষ আৰু নাৰী সকলো যেন ওলাই আহিছে। সিহঁতে হাঁহিছে। দাঁত নিকটাই সিহঁতে মোকেই হাঁহিছে। সোৱা অঞ্জনো সেই মানুহবোৰৰ মাজত। সিও হাঁহিছে—ইমানকৈ সিহঁতে কিয় হাঁহিছে?

সেয়া, মোৰ খবৰ লবলৈ বাবা আহিছে। জুমা আৰু জীৱন আহিছে, বাইদেউ-ককাইদেউ আৰু নবৌও আহিছে। আৰু এয়া মোৰ আই আৰু দেউতা। তেওঁলোক ইমান বুঢ়া হৈ গ'লনে, মোৰ আই আৰু দেউতা। মোৰ হিয়াখনে কান্দি উঠিল। মই কিন্তু কান্দিব পৰা নাই। দেউতা মোক ক্ষমা কৰক। আই, মোক তই ক্ষমা কৰি দিবিনে? তই আকৌ মোৰ মূৰত হাত ফুৰাই মৰম কৰিবিনে? মনত আছেনে মোৰ আই—মোক কাণখোৱাৰ সাধু কৈ চুলিৰ মাজে মাজে হাত বুলাই মোক শুৱাই দিছিলি? তয়েই মোৰ জন্মদাত্ৰী আই—মোক তই ক্ষমা কৰি দিবিনে?

... ...

সোৱা মমী আহিছে। তাই যেন মোক কৈছে,— "হেই উঠা, ৰাতি পুৱাবৰ বহু দেৰি হ'ল। উঠা আকৌ।" এইজনীয়ে মোৰ মমী। এটা দুৰ্যোগপূৰ্ণ ৰাতিৰ পাছত একাপ চাহেৰে শৰীৰৰ অৱসাদ আতৰাবলৈ অহা মমীৰ মাত। কপালত জোনটোৰ দৰে হাঁহি থকা সেই ফোটটো আৰু শিবৰ সেন্দুৰখিনিয়ে তাইক অতি সুন্দৰ কৰি তুলিছে। এতিয়া মমীয়ে মোক 'সুৰেশদা' বুলি মতা নাই। "এই উঠা আকৌ," মৰমভৰা এই মাত। মৰমেৰে সিক্ত তাইৰ হৃদয়! অনন্য তাইৰ প্ৰেম !! □□

# মুকলি চ'ৰা

# কটন মহাবিদ্যালয়ৰ শিক্ষক-ছাত্র-ছাত্রী আৰু অভিভাৱকলৈ এখন মুকলি চিঠি

প্রিয় সম্পাদক 'কটনিয়ান',

আমি এটা কথাত নিশ্চিত নহয়, যে এই চিঠিৰ পূর্বতে 'কটনিয়ান'ত কটন কলেজৰ সমস্যাৰ প্রতি দৃষ্টি আকর্ষণ কৰি চিঠি লিখাৰ পৰম্পৰা বা নিয়ম আৰু শিতান আছেনে নাই! যদি তেনে পৰম্পৰা, নিয়ম বা শিতান নাইও—তথাপিও 'নিয়ম ভঙাৰ নিয়ম' হিচাপেই এই চিঠি আপোনাৰ সম্পাদিত সংখ্যাৰ 'কটনিয়ান'ত স্থান দিব বুলি আশা কৰোঁ। যিহেতু আমাৰ উদ্দেশ্য কটন কলেজৰ বৃহত্তৰ স্বার্থৰ খাতিৰত এটি বিষয় উত্থাপন কৰা।

আগৰ কথা আমি বিশেষ নাজানো বা জনাখিনিও কোৱাৰ পৰা বিৰত থাকি বর্তমান চকুৰ আগত দেখা পোৱা বিষয় কেইটিমানৰ ওপৰত আলোকপাত কৰি যাব বিচাৰো। কটন কলেজত পঢ়া ছাত্র-ছাত্রী বুলিলে এসময়ত সমগ্র অসম (বহল অর্থত উত্তৰ-পূর্বাঞ্চল) মানুহৰ মাজত যি আস্থা, সহৃদয়তা লাভ কৰিব পাৰিছিল, আজি সেই দিন আৰু নাই বুলিলেই হয়। এতিয়া জীৱিত বহুজন শীর্ষস্থানীয় (অসমৰ) শিল্পী, সাহিত্যিক, সমালোচক, চিন্তাশীল ব্যক্তিৰ কটন কলেজত শিক্ষাজীৱন আৰম্ভ কৰাৰ পৰাই জ্ঞানৰ উন্মেষ ঘটিছিল। কটন কলেজ স্বতন্ত্রভাবেই আছিল এক শিক্ষা। কিন্তু সেই কথা আজিও সত্য হয়নে নহয় তাৰ প্রমাণ আমি দিব নোৱাৰো। কিন্তু এটা কথা সত্য যে এতিয়াও কটন কলেজৰ গৌৰৱ ইতিহাস নিঃশেষ হৈ যোৱা নাই।

সেই হলেও, আজি কিছুবছৰৰ অভিজ্ঞতাৰে কবলৈ হলে কটন কলেজে কিছুবছৰৰ পাছত ইয়াৰ আপোন গৰিমা বা ইতিহাসৰ বিষয়ে দাবী কৰিবলৈ একো নাথাকিব। বর্তমান কটন কলেজ হৈ চৈ কৈ ইটো বিল্ডিঙৰ পৰা সিটো বিল্ডিঙলৈ পাঠগ্রহন কৰিবলৈ ছাত্র-ছাত্রীৰ লৰা ধপৰা, জাকজমকীয়া পৰিবেশৰ মাজত নিজকে 'কটনিয়ান' বুলি আনন্দ পাৰ পৰা বা এনে পৰিবেশ শুৱনি বুলি উপলব্ধিৰ বিষয়হে হব পাৰে। বাস্তৱত কটন কলেজত কি আছে, কি হৈছে এবাৰ বিশ্লেষণ কৰি চোৱাৰ সময় আহি পৰিছে।

আজিকালি কটন কলেজত যদি কেনেবাকৈ দুশজন ছাত্র-ছাত্রী গোটাই একোখন সভা বা একোটা অনুষ্ঠান পালন কৰিব পাৰি—তেন্তে সি হব একপ্রকাৰ অভিলেখ। অন্যহে নালাগে, বার্ষিক কলেজ সপ্তাহটোত প্রতিযোগীসকলক উৎসাহিত কৰিবলৈ বা প্রেৰণা যোগাবলৈ পঞ্চাশজন ছাত্র-ছাত্রী উপস্থিত নাথাকে। অন্যহাতেদি, কটন কলেজত থকা বিভিন্ন সংগঠনবোৰৰ বিষয়েও কোনো ছাত্র-ছাত্রীৰ সহযোগিতা দেখা নাযায়।

সবাতোকৈ উদ্বেগৰ বিষয়টো হৈছে ছাত্ৰ-শিক্ষকৰ মাজত আন্তৰিকতাপূৰ্ণ সহাৱস্থান এটাৰ অভাৱ। ওপৰত উল্লেখ কৰাৰদৰে কোনো এখন সভা বা অনুষ্ঠানত দহজন শিক্ষক-শিক্ষয়িত্ৰীৰ উপস্থিত নঘটাটো। প্ৰায় দুশজন শিক্ষক-শিক্ষয়িত্ৰী থকা এখন কলেজত এয়া কিহৰ ইঙ্গিত? প্ৰতিজন কটনিয়ানৰ যিদৰে একোটা গৌৰৱৰ চিনাকি আছে, ঠিক সেইদৰে শতগুণ বেছি গৌৰৱৰ চিনাকি আছে একোজন কটনৰ শিক্ষকৰ। কিন্তু বাস্তৱত এনে কথা কেইজন শিক্ষকে উপলব্ধি কৰে। নিৰ্দিষ্ট শ্ৰেণীত পাঠদান কৰা, আৰু 'চাৰ'—'এয়া' বুলি সন্মতিসুচক নিয়তম সম্পৰ্কখিনিয়ে জানো কটনিয়ান আৰু তেওঁলোকৰ শিক্ষকৰ মাজৰ সম্পৰ্কৰ আচল পৰিচয়?

শিক্ষকসকলে এটা কথা কেতিয়াও নাভাবেনে—যে এইবোৰ আমাৰ ছাত্ৰ, আমাৰ ল'ৰা-ছোৱালী সদৃশ, ইহঁতক সৰ্বতোপ্ৰকাৰে ভাল পথ দেখুৱাটো আমাৰ দায়িত্ব" ইত্যাদি বুলি তেখেতসকলে ভাবিব নোৱাৰে কিয়? নে এনেকৈ ভাবে নেকি যে "ছাত্ৰ-ছাত্ৰীসকল যিহেতু সচেতনেই—সিহঁতক আমি শিকাব লগা আছে কিটো?" নাইবা এনেকৈহে ভাবে—"আমাৰ দায়িত্ব নিৰ্দিষ্ট সময়ত পাঠদান আৰু বাকী সময়ত কলেজৰ কামত লগাৰ প্ৰয়োজন কি? আমি জীৱিকা আৰ্জনৰ বাবেইহে শিক্ষাদান কৰিছো।" ইত্যাদি ইত্যাদি।

কটনিয়ানসকলে ছাৰ্টিফিকেটত ভাল ফলাফল দেখুৱাই চাকৰিৰ বজাৰৰ প্ৰতিযোগিতাত টিকিব পাৰিব। সেই ভাবিয়ে যদি শিক্ষাৰ অন্য অংগৰ প্ৰতি মুঠেও আকৃষ্ট নহয় বা আগ্ৰহ নেদেখুৱাই—তেন্তে তেওঁলোক সঁচাই আদৰ্শ ছাত্ৰ হ'লনে? কেৱল বেছিকৈ নম্বৰ পাই শিক্ষা সাং কৰাৰ লক্ষ্যও বাকী অন্যবোৰ অনুষ্ঠান, সভা-সমিতি, শিক্ষাৰ অংগসমূহক অৱহেলা আৰু বিতৃষ্ণাৰ চকুৰে চোৱাৰ ফলত অসমৰ বিভিন্ন ক্ষেত্ৰত কটনিয়ানৰ কিবা আদৰ্শ জানো ৰবগৈ?

এতিয়া কটন কলেজত শিক্ষক-ছাত্ৰৰ ক্ৰমবৰ্দ্ধমান 'যান্ত্ৰিক আন্তৰিকতা' ফলশ্ৰুতিত এদিনাখন কটন কলেজৰ গৌৰৱৰ বন্তি গছি নুমাই থাকিবগৈ যেনেই লাগে। কেৱল চাকৰিমুখী চিন্তাৰে ছাত্ৰ-শিক্ষকৰ সম্পৰ্ক বজাই ৰাখিলে অৱশেষত আমাৰ সম্পৰ্ক আৰু অধোন্নতি ঘটিব বুলি নিশ্চিত হ'ব পাৰি।

অন্য কিছুমান শিক্ষানুষ্ঠানৰ দৰে কটন কলেজত 'নকল' আৰু 'অসৎ প্ৰবৃত্তি'ৰ কাম যিহেতু নাইয়েই—সেয়ে শিক্ষকসকলে মুকলিমুৰীয়াকৈ ছাত্ৰৰ লগত সম্পৰ্ক ঘটাই আমাৰ জাতিটোৰ স্বাৰ্থতেই কিছুমান পদক্ষেপ লব পাৰে। তেনে পদক্ষেপ প্ৰতিজন শিক্ষকেই চিন্তা কৰিব পৰাকৈ যোগ্যতাৰো অভাৱ নাই।

আমি ভাবো, কটন কলেজৰ সামগ্ৰিক ৰেহৰূপ, উন্নতি অধোন্নতি আমাৰ জাতিটোৰে পৰিস্কাৰ ৰূপ। সেই কথা ভাবি আমি আটাইয়ে কিবা এটা সুপৰিকল্পিত চিন্তা কৰি চাব নোৱাৰোনে।

আৰু এটা কথা।

কিছুদিনৰ আগগতে আমাৰ কলেজৰে এগৰাকী ছাত্ৰীয়ে ড্ৰাগছ সেৱন কৰি অস্বাভাৱিক অৱস্থাত থকা বুলি কলেজখনৰ উপৰিও মহানগৰীখন তালফাল লগাই জোৰদাৰ প্ৰচাৰ চলিল। কিন্তু ভাবি আচৰিত হলো—যিগৰাকী ছাত্ৰীয়ে কটন কলেজৰ ভিতৰতে প্ৰাক বিশ্ববিদ্যালয়ৰ কলা বিভাগত সৰ্বোচ্চ নম্বৰ পোৱাৰ উপৰিও খেলা-ধূলা আৰু বিভিন্ন দিশত পাৰদৰ্শিতা দেখুৱাইছিল সেই গৰাকী ছাত্ৰীক লৈ হোৱা এইবোৰ ভুৱা প্ৰচাৰ বা ৰটনাৰ নিৰপেক্ষ আৰু শুদ্ধ অনুসন্ধান নহ'ল। আনকি বিষয়টো বিজ্ঞানসন্মতভাৱে অনুসন্ধান কৰিবলৈ 'কলেজৰ ছাত্ৰসন্থা'ও নীৰৱেই ৰ'ল, কৰ্তৃপক্ষও নীৰৱে ৰ'ল, শিক্ষাগুৰুসকলো বিষয়টোৰপৰা পলাই যোৱাদি আঁতৰি গ'ল। বৰঞ্চ কেইগৰাকীমান শিক্ষাগুৰুৱে হেনো বিষয়টোক লৈ বাহিৰত পৰচৰ্চা কৰাতহে নিমগ্ন হ'ল।

প্ৰিয় সম্পাদক। আমি দাবী কৰি কব পাৰো কটন কলেজত ড্ৰাগছৰ প্ৰভাৱ পৰা নাই। কটনৰ ছাত্ৰ-ছাত্ৰীয়ে ড্ৰাগছৰ আড্ডাত নবহে। বিশেষকৈ যিগৰাকী ছাত্ৰীৰ বদনাম কৰাৰ গইনা লৈ সমগ্ৰ কটন কলেজখনকে জনসাধাৰণৰ চকুত হেয় প্ৰতিপন্ন কৰা হল—সেয়া এচাম উদ্দেশ্যপ্ৰণোদিত মহলৰ ষড়যন্ত্ৰৰ বাহিৰে আন একো নহয়। সেই গৰাকী ছাত্ৰীৰ বিষয়ে শুনা কথাবোৰো এচাম ষড়যন্ত্ৰকাৰীৰ চক্ৰান্ত। ইয়াৰ লগতে কাৰোবাৰ ব্যক্তিগত আখেজো জড়িত হৈ আছে। কিন্তু দুখজনক কথা —এগৰাকী কৃতি ছাত্ৰী কাৰোবাৰ ষড়যন্ত্ৰৰ বলি হৈ অযথা বদনাম মূৰত জাপি লবলগীয়া হ'ল। অথচ আমি/আমাৰ শিক্ষাগুৰুসকল/কৰ্তৃপক্ষই একো প্ৰতিকাৰ কৰিব নোৱাৰিলে। চকুৰ আগত অন্যায় দেখিও একো প্ৰতিকাৰ কৰিব নোৱাৰাসকলক কি বুলি কোৱা যায় ?? এয়া অন্যায় আৰু ঘোৰ অন্যায় নহয়নে ?

কবলগীয়া আৰু বহু কথাই আছে। চিঠিখন আপোনাৰ আলোচনীত প্ৰকাশ কৰিব নে নাই বুলিও সন্দেহেই আমাৰ আছে। তথাপিও আমাৰ আশা কলেজখনৰ স্বাৰ্থৰ খাটিৰতেই চিঠিখন ছপা আখৰত দেখিবলৈ পাম।

ইতি

আপোনাৰ বিশ্বাসী

| | |
|---|---|
| বন্দিতা বৰা | ৰিজুমণি শইকীয়া |
| আনন্দ দত্ত | প্ৰাৰ্থনা পূজাৰী |
| অনুপম ভৰালী | অকনিমা শৰ্মা |
| মনালিছা পেগু | অনিন্দিতা বৰগোহাঁই |
| ৰন্জন শৰ্মা | জুবেৰ আহমেদ |

# কটন কলেজ সাহিত্য সভা সংবাদ

কেইজনমান শিক্ষক আৰু ছাত্ৰৰ উদ্যোগত ১৯৮৬ চনত কটন কলেজত 'কটন কলেজ সাহিত্য সভা' নামৰ এটি শাখা সংগঠন গঠন হয়। এই সংগঠনটিক অসম সাহিত্য সভাই স্বীকৃতি প্ৰদানো কৰে সেই একে বছৰতে। আমি জনাত, অসমত কেৱল কটন কলেজতেইহে কলেজ ভিত্তিত শাখা সাহিত্য সভা গঠনৰ কাৰণে অসম সাহিত্য সভাই অনুমতি দিছে।

অনেক আলোচনা সমালোচনাৰ বলি হলেও, এটা কথা নিশ্চিত যে এতিয়ালৈকে অসমৰ বৃহৎ জাতীয় অনুষ্ঠান হিচাপে অসম সাহিত্য সভাইহে একমাত্ৰ চিনাকি দিব পৰাকৈ আছেগৈ। সেই ভিত্তিতেই, কটন কলেজ সাহিত্য সভাৰ অৱস্থিতি বা স্বীকৃতি গুৰুত্বপূৰ্ণ।

জন্মৰ বছৰত কটন কলেজ সাহিত্য সভাই কি কৰিলে বা এই বছৰতনো কি কৰিছে বুলি কলে হয়তো বিশেষ কামৰ খতিয়ান দিব পৰা নাযাব। তথাপিও, একো কৰা নাই বুলি কবলৈও কাৰো নিশ্চয় সুৰুঙাও নাই।

কটন কলেজ সাহিত্য সভাই জন্মৰ পৰা সদৌ অসম ভিত্তিত লোৱা সাহিত্য প্ৰতিযোগিতা, কটনিয়ানসকলৰ মাজত অনুষ্ঠিত কৰা সাহিত্য প্ৰতিযোগিতা, কবিতাৰ ওপৰত আলোচনা, বিভিন্নজন বিশিষ্ট ব্যক্তিক সম্বৰ্দ্ধনা জনোৱা তথা অসমৰ বিশিষ্ট কেইজনমান ব্যক্তিৰ ওপৰত আলোচনা ইত্যাদি বিষয়ে প্ৰথম বছৰত এটি শুভাৰম্ভ কৰি গৈছে বুলিব পাৰি।

দ্বিতীয় বছৰত আমি এটি বৃহৎ পৰিমাণৰ অৰ্থব্যয়েৰে হাইলাকান্দিত অনুষ্ঠিত সাহিত্য সভাৰ অধিৱেশনত কটন কলেজ সাহিত্য সভাৰ তৰফৰপৰা পঞ্চাশজনীয় এটি সাংস্কৃতিক দলৰ অনুষ্ঠান পৰিবেশনেৰেই কাৰ্যক্ৰম আৰম্ভ কৰিছো বুলিব পাৰি। এই কামৰ গুৰুত্ব এয়ে যে, ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাৰ মাজত সমন্বয় স্থাপনৰ ক্ষেত্ৰত আমি এটি সামান্য হলেও প্ৰচেষ্টা চলালো। ইতিমধ্যে আমি কেইটিমান প্ৰকাশনৰ আঁচনি, সাহিত্য প্ৰতিযোগিতা আৰু কেইটিমান আলোচনা চক্ৰ অনুষ্ঠিত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছো।

আমাৰ শাখা সাহিত্য সভাখনিৰ বিশেষ অসুবিধাটো হৈছে—অৰ্থৰ। বিশেষ প্ৰচেষ্টা হাতত লৈও বাৰে বাৰে থমকি ৰব লগা হৈছে কেৱল অৰ্থৰ বাবেই। অন্যটো অসুবিধা হৈছে—সাহিত্য সভা নামৰ অনুষ্ঠানটোৰ সৈতে বৃহৎ সংখ্যক ছাত্ৰ-ছাত্ৰীক জড়িত কৰিব নোৱাৰাটো। ঠিক সেইদৰে কটনিয়ান সকলেও সম্পূৰ্ণ সহযোগৰ মনোভাৱ নেদেখুৱাটো।

আমি এটা কথা পাহৰি যোৱা উচিত নহব যে,

এনে অনুষ্ঠানৰ জড়িয়তেহে আমি আমাৰ মাজত থকা প্ৰতিভাসমূহক বহল ক্ষেত্ৰলৈ উলিয়াই নিব পাৰিম। আমাৰ সচেতন কটনিয়ানসকলে, তেওঁলোকৰ বিশিষ্ট শিক্ষক-সকলৰ সৈতে সৰ্বঅসম তথা সৰ্বভাৰতক আলোড়িত কৰা বহুতো কাম, আঁচনি হাতত লব পাৰে। কটন কলেজ সাহিত্য সভাক সেই বিস্তৃত আঁচনিৰ এটা মাত্ৰ দিশ বা ভাগ হিচাপে ধৰি ললেও বহুতো কাম—অন্তত সাহিত্য জগতত, কৰি যাব পাৰি।

আমি আশা বাখিছোঁ, কটন কলেজ সাহিত্য সভাক প্ৰতিজন কটনিয়ান, প্ৰতিজন শিক্ষক তথা সংগঠনে আপোন অনুষ্ঠান হিচাপে দিহা-পৰামৰ্শ, সহায়-সহযোগেৰে আগন্তুক বছৰবোৰত আগবঢ়াই নিব। সামান্য এটা পুঁজিৰে বৃহৎ পৰিমাণ আঁচনি লোৱা সম্ভৱ নহলেও, বৃহৎ পৰিমাণৰ সহযোগিতাই কটন কলেজ সাহিত্য সভাক নতুনত্ব দিব পাৰিব বা আঁচনিসমূহ কাৰ্যকৰী কৰাত সহায় কৰিব। এই বছৰত লোৱা আঁচনিসমূহ পৰৱৰ্তী বছৰত হলেও সম্ভৱ হব যদিহে আপোনালোকৰ অকৃপণ সঁহাৰি পাওঁ।

ধন্যবাদ সহকাৰে
প্ৰশান্ত কুমাৰ মহন্ত
সম্পাদক, কটন কলেজ সাহিত্য সভা
গুৱাহাটী

## ॥ শ্ৰদ্ধাঞ্জলি ॥

আমাৰ আলোচনী ছপাশালত থকা অৱস্থাত; প্ৰায় সকলোখিনি কাম শেষ হোৱাৰ সময়ত আমাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ গুণী অধ্যাপক শ্ৰদ্ধেয় ৰামমল ঠাকুৰীয়াদেৱে হঠাতে ইহসংসাৰৰ পৰা বিদায় মাগে। তেখেতৰ প্ৰতি স্থানাভাৱত আমি এই পৃষ্ঠাতে আমাৰ আন্তৰিক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছো।

সম্পাদক

[২৪ পৃষ্ঠাৰ পিছৰ পৰা]

অসমীয়া সাহিত্যত নকৈ প্ৰবৰ্ত্তন কৰিলে। অস্তিত্ববাদত ব্যক্তিসত্তাৰ অপৰিসীম স্বাধীনতা আৰু সকলো দায়িত্ব ব্যক্তিজনাৰেই হোৱা হেতুকে "জীৱনটো এটা ডাঙৰ সাংঘাতিক বোজা" যেন ভাব সৃষ্টি হোৱা এই অস্তিত্ববাদী সকলৰ ক্ষেত্ৰত প্ৰাৰম্ভণিতে ঘটা বিচ্ছিন্নতাৰ ফলত পৰিসমাপ্তিত বিষণ্ণতাবাদ স্পষ্ট হৈ উঠে। বৰগোহাঞিৰ উপন্যাস তান্ত্ৰিক (১৯৬৭), সুবালা (১৯৬৩) আদিত এই প্ৰভাৱ স্পষ্ট হৈ উঠিছে।

সীমিত সংখ্যক অসমীয়া ঔপন্যাসিকৰ ভিতৰত বিশেষভাৱে হোমেন বৰগোহাঞি ফ্ৰয়েডীয় মনস্তত্বৰ দ্বাৰা প্ৰভাৱান্বিত বুলি সাম্প্ৰতিক সাহিত্যত শুনা উচ্চ মন্তব্যৰ বাহিৰেও কাৰ্ল ইয়ুঙ, এড্‌লাৰ আদিৰ প্ৰভাৱো তেওঁৰ উপন্যাসত বিদ্যমান বুলি জনৈক সমালোচকে মন্তব্য কৰিছে। যৌন ইচ্ছাই মানুহৰ সমস্ত কাৰ্য্যকলাপ আৰু কৰ্মপ্ৰেৰণাৰ মূল আৰু ইয়াৰ পৰিতৃপ্তি বা অবদমনৰ ওপৰতেই মানুহৰ ব্যক্তিত্বৰ সুস্থতা বা অসুস্থতা নিৰ্ভৰ কৰে বুলি মত পোষণ কৰা ফ্ৰয়েডীয় মনঃ সমীক্ষণৰ প্ৰভাৱৰ কেইটামান উদাহৰণ হ'ল—

(১) "তাই যে কেৱল গিৰীয়েকৰ লগতে সন্তুষ্ট আছে সেই কথা মই কেতিয়াও বিশ্বাস নকৰো ... ... মই ফ্ৰয়েডৰ কেচ হিষ্টৰী মুখস্থ কৰি এই কথা কোৱা নাই দেই অথবা কল্পনা কৰিও কোৱা নাই ... ...' (তান্ত্ৰিক, পৃষ্ঠা ১০৭)।

(২) এইবোৰ কথা মই কাৰোপৰা শুনি বা কিতাপ পঢ়ি শিকা কথা নহয়। নিজে তেনে অৱস্থাত পৰি অতি দুখেৰে শিকা কথা ... ..." (সুবালা, পৃষ্ঠা ৩৫)

মুঠতে ফ্ৰয়েডৰ সুস্পষ্ট প্ৰভাৱ বৰগোহাঞিৰ ৰচনাত সজীৱ।

হোমেন বৰগোহাঞিৰ সুবালাত কাহিনী, আংগিক আৰু ভাষাৰ ক্ষেত্ৰত আলবেৰ্তো মৰাভিয়াৰ 'The Woman of Rome' উপন্যাসখনৰ প্ৰভাৱ অনস্বীকাৰ্য্য। দাৰিদ্ৰতাৰ পটভূমিত ৰচনা কৰা দুয়োখন উপন্যাসৰ চৰিত্ৰৰ সংগতিৰ সম্পৰ্কত কব পাৰি যে জিছেল্লা নামৰ স্বাধীন বেশ্যাৰ লগত সুবালাৰ বুঢ়ীআইৰ ব্যৱসায় তুলনীয়; আদ্ৰিয়ানা নামৰ স্বাধীন বেশ্যাজনীৰ দৰে সুবালাও অন্তঃসত্বা হয় ইত্যাদি। দুয়োখন উপন্যাসৰ বিজনি সম্পৰ্কত—

(১) "But the reflective, grasping look on her face alarmed me" হিংস অপলক দৃষ্টিৰে .... ... এনেভাৱে জালগোঁথাত মগ্ন থাকে যে সেই সময়ত তেওঁৰ মুখলৈ চাবলৈ যিকোনো মানুহৰে ভয় লাগিব" (সুবালা)।

(২) At that time, I had a very imperfact understanding of what mother's plans were"

"আইৰ অন্তৰত কি মতলব আছিল ভগবানেহে জানে" (সুবালা)।

'The Woman of Rome'ৰ গঠনৰ (structure) আৰু বিন্যাস (texture)ৰ দিশতো সুবালাৰ সাদৃশ্য পৰিলক্ষিত হয় যদিও মৰাভিয়াৰ প্ৰভাৱে বৰগোহাঞিৰ এখন সুন্দৰ উপন্যাস সৃষ্টি কৰালে।

কাল্পনিক কাহিনীত সত্যৰ প্ৰলেপ পেলাবলৈ প্ৰাচীন দলিল আদিৰ (Document) ব্যৱহাৰৰ প্ৰথা আমি পাশ্চাত্যৰ ঔপন্যাসিক বিশেষৰ ক্ষেত্ৰত বিশেষকৈ লিয়ন উৰিচৰ 'Exodus' উপন্যাসখনিত যিদৰে দেখিবলৈ পাওঁ অসমীয়া ঔপন্যাসিকা মামণি ৰয়চম গোস্বামীৰ উপন্যাস নীলকণ্ঠি ব্ৰজ আদিতো এই কৌশল অৱলম্বন কৰা পৰিলক্ষিত হয়।

পাশ্চাত্যৰ প্ৰগতিবাদী আন্দোলনৰ অন্যতম পৃষ্ঠপোষক শীলভদ্ৰৰ উপন্যাসৰাজিত ('বীৰ' আদি) প্ৰয়োগ কৰা পাশ্চাত্য লিখকৰ Procession of characters' অথবা বহুচৰিত্ৰৰ সমাবেশৰীতিৰ দ্বাৰা অসমীয়া উপন্যাস সাহিত্যৰাজিত নবোন্মেষ ঘটাইছে।

ইয়াৰ উপৰিও প্ৰগতিবাদী ভাৱধাৰা আৰু সাহিত্যত মাৰ্ক্সবাদ প্ৰশস্তৰূপত লেখকৰ সহানুভূতিৰেই উত্থাপিত হোৱা ঔপন্যাসিক অনিল ৰায়চৌধুৰীৰ উপন্যাস 'কাণ্ডাৰী'ত ফৰাচী লেখক এমিলজোলাৰ 'জাৰ্মিনেল' উপন্যাসৰ প্ৰভাৱ সুস্পষ্ট বুলি সাম্প্ৰতিক অসমীয়া সমালোচনাত মন্তব্য কৰা হৈছে।

অনূদিত গ্ৰন্থৰ প্ৰভাৱ সম্পৰ্কত নুট হামচুন ৰচিত "The Growth of the Soil" উপন্যাসখনিৰ অনুবাদক দীননাথ শৰ্মাই এই উপন্যাসৰ সৰল অনুবাদ হিচাবে 'মাটি আৰু মানুহ' ৰচনা কৰাৰ পিছত সৃষ্টি কৰা 'নদাই' উপন্যাসখনিত উক্ত গ্ৰন্থখনিৰ প্ৰভাৱ দেখিবলৈ পোৱা যায়। কিছুমান সমালোচকৰ মতে পাৰ্লবাকৰ 'Good Earth' উপন্যাসৰো প্ৰভাৱ 'নদাই'ৰ ওপৰত পৰাৰ যুক্তিত নায়ক ৱাং লাঙ্ আৰু নদাইৰ চৰিত্ৰগত সাদৃশ্যলৈ নিৰ্দেশ কৰিব পাৰি।

যুদ্ধোত্তৰ যুগৰ উপন্যাসৰ ভিত্তিত আলোচিত বিশিষ্ট ঔপন্যাসিকৰ সৃষ্টিসমূহৰ বাজেও সাম্প্ৰতিক অসমীয়া উপন্যাসত বিশেষতঃ কুমাৰ কিশোৰৰ 'এমুঠি তৰাৰ জিলিমিলি'ত ফ্ৰয়েডীয় মনঃসমীক্ষা, নৱকান্ত বৰুৱাৰ 'কপিলী পৰীয়া সাধু'ত 'নদী ভিত্তিক কল্পনা' ইত্যাদি পাশ্চাত্য সাহিত্যৰ প্ৰভাৱ উল্লেখ কৰিব পাৰি।

সাম্প্ৰতিক কালৰ উপন্যাসবাজিৰ ক্ষেত্ৰত Harold Robbinsৰ উপন্যাসত আংগিক, বিষয়বস্তু উত্থাপন, ভাষা ইত্যাদি অতি চমকপ্ৰদ হোৱাৰ হেতুকে বৰ্তমান যুগৰ উদীয়মান ঔপন্যাসিকসকল প্ৰভাবান্বিত হোৱাৰ থল আছে যদিও এই লেখাসমূহৰ মূল লক্ষ্য আৰু মন্তব্য হ'ল মানুহৰ যৌন চেতনাক প্ৰাধান্য দিয়া। ইতিমধ্যে পাশ্চাত্যৰ সমাজ জীৱনৰ আৰ্হিত গঢ় লৈ উঠা সমাজ ব্যৱস্থাত শিক্ষিত চাম চিন্তাধাৰা, প্ৰমূল্যবোধ, আশা-আকাঙ্খা, জীৱনধাৰা সকলো দিশতেই প্ৰভাবান্বিত হৈ সাধাৰণ মানুহৰ স্বকীয়তা বিলুপ্ত কৰাৰ অৱস্থাপ্ৰাপ্ত হৈছে যেতিয়া ঔপন্যাসিকসকলৰ ক্ষেত্ৰতো ই নিসন্দেহে প্ৰযোজ্য আৰু অতি স্বাভাবিক। যদিও বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাই সূচনা কৰা জীৱনৰ ন ন দিগন্তৰ পৰিপ্ৰেক্ষিতত আমাৰ সাহিত্যত ভাব আৰু আদৰ্শৰ বিশেষ নবোন্মেষ ঘটা নাই; জীৱনৰ ব্যাপক বৈচিত্ৰতা আৰু বিৰাট অভিজ্ঞতাৰ সমুজ্জ্বল স্বাক্ষৰ অসমীয়া সাহিত্যত অদ্যাপি হোৱা নাই, তথাপি অভিজ্ঞ আৰু ৰসজ্ঞ পাঠক মাত্ৰেই স্বীকাৰ কৰিবলৈ বাধ্য যে সমাজচেতনা প্ৰকাশেই যুদ্ধোত্তৰ যুগৰ অসমীয়া উপন্যাসৰ ঘাই লক্ষণ।

ষ্টেইন্‌বেক, বাল্‌জাক, এমিলজোলা আদিৰ দ্বাৰা পাশ্চাত্য সাহিত্যত চিত্ৰিত 'বিশ্ববীক্ষা' বা 'এপিক' অভিজ্ঞতাৰ স্ৰোত অসমীয়া সাহিত্যলৈ যিমানেই নৱওঁক কিয় "জীৱন সম্বন্ধে নতুন অন্তৰ্দৃষ্টি' (A record of a new vision) আমাৰ সাহিত্যত এই পৰ্য্যন্ত দুৰ্লভ।

সেয়েহে চলবেলো, গেব্ৰিয়েল গৰ্ছিয়া মাৰ্কুইজ, আইজাক বেছেভিক ছিংগাৰ, হেনৰী আদিৰ লেখিয়া মহৎ ঔপন্যাসিকৰ দ্বাৰা চিৰায়ত মূল্যৰ সাহিত্য আমাৰ সাহিত্যত সৃষ্টি হবলৈ হলে যথাৰ্থ ঔপন্যাসিক মাত্ৰেই সৃজনীমূলক প্ৰতিভা, যৎপৰোনাস্তি সুচিন্তিত অনুশীলন আৰু স্বকীয় দক্ষতাৰে সংঘাতময় জীৱন আৰু সমাজৰ বাস্তৱ তথা অন্তৰ্নিহিত সমস্যাৰাজিৰ গভীৰতা আৰু বৈচিত্ৰতা উপলব্ধি কৰি জ্ঞানেৰে পৰিপুষ্ট হৈ অসমীয়া উপন্যাস তথা সাহিত্যক 'স্বে মহিম্নি' ৰূপত প্ৰতিষ্ঠা কৰিব লাগিব। □□

# প্ৰশ্নোত্তৰ

[আমালৈ অহা বিভিন্ন লিখামেলাৰ লগতে বিভিন্ন ছাত্ৰ-ছাত্ৰীৰ মাজৰ পৰা কিছুসংখ্যক প্ৰশ্নও আহিছিল। প্ৰশ্নবোৰ কোনোধৰণে সম্পাদনা কৰা হোৱা নাই আৰু আমাৰ যথাসাধ্য সামৰ্থৰে উত্তৰ দিবলৈ চেষ্টা কৰিছো। প্ৰশ্নোত্তৰৰ কিবা অংশই যদি কাৰোবাক সামান্যতমো আঘাত হানে তাৰবাবে সম্পাদক দায়ী নহব বা হব নোৱাৰে। —সম্পাদক]

প্ৰশ্ন : আজি কিছুদিনৰ পৰা একাংশ কটনিয়ানৰ মাজত দেখা দিয়া অসুস্থ মানসিকতাই কটন কলেজৰ ঐতিহ্যত কলংক সানিছে বুলি ভাবো। এই ক্ষেত্ৰত আপোনাৰ মতামত? (বৰ্ণালী মহন্ত, স্নাতক মহলা)

উত্তৰ ° কথাখিনি আমিও মন নকৰা নহয়। অৱশ্যে ৰাজ্যৰ বেছিভাগ অঞ্চলতেই বহু যুৱক-যুৱতী অসুস্থ মানসিকতাৰ কবলত পৰিছে। তাৰে এটা সৰু অংশ কটন কলেজতো আছে। যিকোনো বেয়া কাম যদি কটনৰ ছাত্ৰ-ছাত্ৰীয়ে কৰে তেনেহলে তাৰ বাবে কলেজখনৰ ঐতিহ্যত চেকা পৰাটো স্বাভাৱিক। ইয়াৰ প্ৰতিৰোধৰ বাবে পিচে আপুনি বা আপোনাৰ দৰে সচেতনসকলে মিলি বহুত কিবাকিবি কৰিব পাৰে (ইচ্ছা কৰিলে)। আচল কথাটো কি জানে—অসুস্থ মানসিকতা, কলংক, বেয়া কাম—এইবোৰ আগতেও আছিল আজিও আছে (অৱশ্যে আজিকালি যেনিবা বেছি হৈছে)। কিন্তু প্ৰতিবাদী কণ্ঠস্বৰবোৰ ক্ৰমাৎ নিতাল মাৰিবলৈ আৰম্ভ কৰিছে। আপোনালোক ওলাই আহক। লগতে কৰ্তৃপক্ষ, অধ্যাপক-অধ্যাপিকাসকল আৰু ছাত্ৰ সংগঠনৰ সহায় নিশ্চয় লাগিব।

প্ৰশ্ন : কটন কলেজৰ সৰ্বাঙ্গীন উন্নতিৰ ক্ষেত্ৰত বৰ্তমান ইয়াত থকা বিভিন্ন সংগঠনৰ কিবা ভূমিকা আছে বুলি ভাবেনে? বা সংগঠনসমূহৰ কাম-কাজৰ ওপৰত আপোনাৰ মতামত জনাবনে?

(খগেন শইকীয়া, স্নাতকোত্তৰ মহলা)

উত্তৰ : সংগঠন এটা গঠন কৰাৰ পূৰ্বে নিশ্চয় ইয়াৰ উদ্দেশ্যসমূহ থিক কৰি লোৱা হয়।

কটন মহাবিদ্যালয় অসমৰ এখন আগশাৰীৰ মহাবিদ্যালয়। তেনেস্থলত কিন্তু আকাৰ বা ছাত্ৰছাত্ৰীৰ সংখ্যাৰ দিশৰ পৰা যিকেইটা সংগঠন ইয়াত আছে; সেইকেইটাৰ এটাৰো অৱস্থা চকুত পৰা বিধৰ নহয়। তদুপৰি এইখন মহাবিদ্যালয়ত মোৰ চকুৰ আগতে যোৱা ৬।৭ বছৰত ভালেকেইটা অনুষ্ঠান বা সংগঠনৰ মৃত্যু ঘটিছে। থকাকেইটাও কলধপ্ কলধপকৈ জীয়াই আছে বা যথাবিহীত আগতে থিক কৰি যোৱা গতিত চলি আছে।

মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতিৰ ক্ষেত্ৰত এনেধৰণৰ সংগঠনবোৰৰ নিশ্চয় ডাঙৰ ভূমিকা আছিল। কিন্তু সংগঠনটোৱে প্ৰথমতে নিজৰ ৰাজহাড় পোন কৰি নললে, কলেজখনৰ সৰ্বাঙ্গীন উন্নতিত কি সহায় কৰিব পাৰে? বৰ্তমান যিকেইটা সাংস্কৃতিক বা বিজ্ঞানৰ দিশৰ সংগঠন আছে সেইবোৰে এতিয়াও মহাবিদ্যালয়ৰ ব্যাপক সংখ্যক ছাত্ৰ-ছাত্ৰীৰ স্বাৰ্থৰ হকে কাম কৰিব পৰা নাই বুলি আমি ভাবো। এই সংগঠনবোৰৰ দ্বাৰা যি কাৰ্যসূচী লোৱা হয়, সেইবোৰত ছাত্ৰ-ছাত্ৰীসকলৰ উপস্থিতি আৰু কৰ্মতৎপৰা লক্ষ্য কৰিলেই এই কথা স্পষ্ট হৈ পৰে।

প্ৰশ্ন : কটন কলেজৰ অধ্যাপক-অধ্যাপিকাসকলক যথাযোগ্য সন্মান দিবলৈ বহুতো কটনিয়ানে অনীহা প্ৰকাশ কৰা পৰিলক্ষিত হয়। এয়া তেখেতসকলৰ ভাবমূৰ্ত্তি অৱনমিত কৰাৰ অপচেষ্টা নে তেখেতসকলৰ কাৰ্য-কলাপৰ ফলশ্ৰুতি? (দুলাল চন্দ্ৰ মহন্ত, স্নাতকোত্তৰ চূড়ান্ত বাৰ্ষিক)

উত্তৰ : আপোনাৰ প্ৰশ্নটোৰ উত্তৰ দিয়াটো বিপদজনক বুলি স্বীকাৰ কৰিছো। কথাবোৰ আচলতে অলপ খেলিমেলি, আওপকীয়া আৰু দুইপক্ষৰ মূৰতে জগৰ পৰাৰ লেখীয়া। আমি বাৰু কব পাৰিম নেকি যে কটন কলেজৰ অধ্যাপক-অধ্যাপিকাসকলে এনেয়ে আহি কলেজত উপস্থিতিটো দিয়ে আৰু নিয়ম মানি ক্লাচৰ নামত ভেকোভাওনা কৰি গুচি যায়! মুঠেও কব নোৱাৰো! অথবা আমি এনেকৈও কব নোৱাৰো যে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীবোৰ জহান্নামলৈ গ'ল আৰু গুৰু-গোসাঁই নমনা হ'ল! আমাৰ মহাবিদ্যালয়ত এনে অধ্যাপক অধ্যাপিকা আছে যে যিসকলে ল'ৰা-ছোৱালীক নিজৰ ল'ৰা-ছোৱালী জ্ঞান কৰি সময়তকৈ বেছিকৈ পঢ়ুৱায়, কলেজখনৰ উন্নতিৰ কথা ভাবে আৰু যত্নৰ অলপো ত্ৰুটি নকৰে। পিছে শুনিবলৈ বেয়া যদিও এনে অধ্যাপক-অধ্যাপিকাও আছে যিসকলৰ বাবে কলেজখন হ'ল অৱসৰ বিনোদনৰ কেন্দ্ৰ। ঘৰতেই চাৰি-পাচটা টিউচন কৰে, মাহেকৰ মূৰত পাওনা দৰমহাও আদায় কৰে আৰু ক্লাচত অমনোযোগী হৈ পাল মাৰি থৈ যায়। ছাত্ৰই পতা সভা-সমিতিত ভুলতেও খোজ নিদিয়ে। বৰঞ্চ সভা-সমিতি হলে ছুটী উপভোগ কৰাদি কৰে। সহকৰ্মীৰ বিদায় সভাত, আনকি সহকৰ্মীৰ মৃত্যুত শোকসভাত উপস্থিত থাকি সাধাৰণ সৌজন্যকণ দেখুৱাবলৈও এইসকলৰ সময় নুকুলায়।

কিন্তু এটা কথা থিক, মহাবিদ্যালয়ৰ সৰহ সংখ্যক অধ্যাপক-অধ্যাপিকাই কলেজখনৰ কথা চিন্তা কৰে আৰু তেওঁলোকক আমাৰ সৰহ সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে উচিত সন্মান দেখুৱাবলৈ অকণো হেলা নকৰে। কি কয়?

প্ৰশ্ন : বহুতো কটনিয়ানে কেৱল বিলাসিতাৰ খাটিৰতে ৰুচি বিবৰ্জিত পোছাক পৰিধান কৰাটো আমি লক্ষ্য কৰিছো। ইয়াৰ ফলত নিম্ন মধ্যবিত্ত আৰু দুখীয়া পৰিয়ালৰ কটনিয়ানসকলৰ মনত হীনমান্যতাই দেখা দিয়া স্বাভাৱিক। লগতে সাংস্কৃতিক দিশটোৰ প্ৰতিও অৱহেলা কৰা নহ'ল জানো? কটনিয়ানসকলৰ মাজত সাজপাৰ বাধ্যতামূলক কৰিলে কেনে হয় বাৰু? (শান্তনা শৰ্মা, উচ্চতৰ মাধ্যমিক বৰ্ষ)

উত্তৰ : প্ৰসঙ্গটো একেবাৰেই বিতৰ্কমূলক। পোছাক-পৰিচ্ছদে এটা জাতীয় সাংস্কৃতিক দিশৰ গুৰুত্বপূৰ্ণ দিশ এটাৰ প্ৰতিফলন ঘটায়, সচা। বিলাসিতাৰ খাটিৰতে ৰুচি বিগৰ্হিত পোছাক পিন্ধাটোও অন্যায়। পিছে যিসকলে পিন্ধে তেওঁলোকৰ হাততো এই দিশত অলেখ যুক্তি ৰাখি থৈছে। যাৰ ফলত ই গৈ এটা ডাঙৰ বিতৰ্কহে হয়গৈ। আৰু এটা কথা, পোছাক-পৰিচ্ছদ মানুহৰ ব্যক্তিগত কথা। ইয়াত হাত দিবলৈ কাৰো অধিকাৰ

নাই। বিশেষকৈ কটন কলেজৰ দৰে এটা সাৰ্বজনীন শিক্ষানুষ্ঠানত উত্তৰ পূৰ্বাঞ্চলকে ধৰি ভাৰতৰ অন্যান্য ৰাজ্যৰ ভালেসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে পঢ়া-শুনা কৰে। সকলোৱে নিজৰ নিজৰ সংস্কৃতি বজাই ৰাখিব বিচাৰে। এই অধিকাৰ সকলোৰে আছেই। কিন্তু তাৰে গইনা লৈ যদি কোনোবাই সাধাৰণ শালীনতাবোধখিনিও বজাই নাৰাখে তেনেহ'লে তেওঁলোক নিশ্চয় গৰিহনাৰ যোগ্য। অৱশ্যে সকলোৰে সন্মতি পালে ইউনিফৰ্ম কৰাটোও নিশ্চয় বেয়া নহয়। পিচে তাত সকলোৰে সচা আন্তৰিকতা লাগিব। অন্যথাই ই ফুটুকাৰ ফেনহে হ'বগৈ!

**প্ৰশ্ন :** কটনিয়ানৰ সম্পাদনাৰ দায়িত্বত থাকি আপুনি আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত কিবা অসুবিধাৰ সন্মুখীন হৈছে নেকি? (ৰূপালীম চৌধুৰী, স্নাতকোত্তৰ মহলা)

**উত্তৰ :** বহুত ধৰণেই অসুবিধাৰ সন্মুখীন হলো। যেনে ধৰক—মই বিচৰা ধৰণে লিখা-মেলা হাতত নপৰিল। চেষ্টাও কৰিলো। জাননী দিলো—বহুবাৰ। ব্যক্তিগতভাৱে জনাসকলক মুখেৰে কলো। পিছে কি হব! নাপালো। পোৱাখিনিৰেই কাটি-কুটি, চাফা কৰি, অন্ততঃ পাঠকে পঢ়িব পৰাকৈ ছপাই দিবলৈ বাধ্য হলো। আটাইতকৈ ডাঙৰ কথাটো হ'ল অৰ্থনৈতিক সমস্যাটো।

অৱশ্যে সকলো সম্পাদকেই এই অসুবিধা নাপায় (কপাল বুইছে!) যেনে ধৰক—যোৱাবাৰ কটনিয়ানৰ বাবে সম্পাদকে ৮০,০০০ (আশী হাজাৰ)তকৈও বেছি টকা খৰচ কৰিলে। এইবেলি মোক খৰচ কৰিবলৈ দিলে ২৭,০০০ (সাতাইশ হাজাৰ)। কথাটো হাস্যকৰ নহয়নে? কিন্তু কি কৰিম আলোচনীখন কোনোমতে বহুদিনৰ মূৰকত (ভবা-চিন্তা কৰি হতাশ হওঁতেই) উলিয়াবলৈ সাহ কৰিলো। এতিয়া আলোচনীখন যদি বেয়া হৈছে তেনেহলে সমস্ত বদনামখিনি পৰিব মোৰ মূৰত। কিন্তু আচল ঘটনাটো ক'ত!! —বুজিছে?

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

নিৰ্বাচনী যুঁজত জয়ী কৰি আৰু এবাৰৰ বাবে সাধাৰণ সম্পাদক হিচাপে কটন কলেজৰ সেৱা কৰিবলৈ সুবিধা দিয়া বাবে প্ৰতিবেদনৰ আৰম্ভণিতে কটনিয়ানসকলৰ ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰিছো। নামত চৰকাৰী কলেজ হলেও আমি কাৰ্যভাৰ লোৱাৰ সময়তে কলেজখনত অজস্ৰ সমস্যাই গা-কৰি উঠা পৰিলক্ষিত হৈছিল; যাৰ ফলত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সুস্থ শৈক্ষিক পৰিবেশৰ অভাৱ অনুভূত হৈছিল। সমস্যাসমূহৰ নিৰাময়ৰ বাবে আমি কাৰ্য্যনিৰ্বাহকৰ সদস্যসকলে বিশদভাবে আলোচনা কৰো আৰু উপযুক্ত কাৰ্য-ব্যৱস্থা গ্ৰহণ কৰা হয়। উক্ত সময়চোৱাত কলেজখনত স্থায়ী অধ্যক্ষ আৰু উপাধ্যক্ষ নিয়োগ নকৰাত আমি চৰকাৰৰ ওচৰত ক্ষোভ প্ৰকাশ কৰো আৰু চৰকাৰে আমাৰ দাবী অনুসৰিয়েই উক্ত দুয়োটি পদ পূৰণ কৰে।

কটন আবাসৰ বহুতো সমস্যা সমাধানৰ অৰ্থে আন্তঃ আবাস সমন্বয়ৰক্ষী সমিতিয়ে প্ৰচেষ্টা চলাবলৈ সমিতি খন স্বীকৃতিপ্ৰাপ্ত হোৱাটো প্ৰয়োজন আছিল। সেয়ে উক্ত সমিতিখনক কলেজ কৰ্তৃপক্ষই আমাৰ সহ-যোগত স্বীকৃতি প্ৰদান কৰে।

ইয়াৰ পিছত কলেজখনৰ সমস্যাসমূহ পৰ্যায়ক্ৰমে আলোচনা কৰি সাতাইশ দফীয়া দাবীসহ এখন স্মাৰক পত্ৰ অসমৰ শিক্ষামন্ত্ৰীৰ ওচৰত দাখিল কৰা হয়। উক্ত দাবীসমূহ কাৰ্য্যকৰী নকৰাত কটন কলেজ ছাত্ৰসন্থাই সৰ্বাত্মক কটন কলেজ বন্ধ কাৰ্যসূচী গ্ৰহণ কৰিবলৈ বাধ্য হয়। এই বন্ধৰ প্ৰতি কটন কলেজ 'আচু' গোট আৰু আঃ আঃ সমন্বয়ৰক্ষী সমিতিয়েও সমৰ্থন আগবঢ়ায়। ফলস্বৰূপে চৰকাৰে যোৱা ইং ২৫।২।৮৭ তাৰিখে কটন কলেজ ছাত্ৰসন্থাৰ লগত আলোচনা কৰি কিছুমান দাবী মানি লয় আৰু সমস্যাসমূহ সমাধানৰ প্ৰতিশ্ৰুতি দিয়ে। সেয়ে আমি তলত উল্লেখ কৰা কামখিনি কৰিবলৈ সমৰ্থ হওঁ আৰু কিছুমান কাম আধৰুৱা হৈ ৰয়।

**সম্পাদিত কামৰ খতিয়ান:**

(ক) পুথিভঁৰালত এটা ফটোষ্টেট (Photostat) মেচিনৰ ব্যৱস্থা।

(খ) প্ৰশাসনীয় ভৱনত পৰিস্কাৰ খোৱা পানী যোগানৰ ব্যৱস্থা।

(গ) ছাত্ৰী নিবাসৰ কোঠাৰ প্ৰসাৰণ আৰু নিৰ্মাণ।

(ঘ) স্নাতকোত্তৰ মহলাৰ শ্ৰেণী কোঠাৰ বাবে ভৱন নিৰ্মাণ।

(ঙ) ৰজনীকান্ত বৰদলৈ ছাত্ৰাবাসৰ লগত থকা অসম বিজ্ঞান সমিতিৰ কাৰ্যালয়টোত স্নাতকোত্তৰ ছাত্ৰসকল থাকিবৰ বাবে ব্যৱস্থা কৰা হয়। উক্ত ঘৰটো ৰজনীকান্ত বৰদলৈ ছাত্ৰাবাসৰ লগত চামিল কৰি স্নাতকোত্তৰ ছাত্ৰসকলক সেৱা কৰিবলৈ দুজন ৰান্ধনি আৰু দুজন কাম কৰা মানুহক অস্থায়ীভাৱে নিয়োগ কৰিবলৈ চৰকাৰ সন্মত হয়।

(চ) আৱাসসমূহত দূৰদৰ্শনযন্ত্ৰ আৰু টেলিফোনৰ ব্যৱস্থা কৰিবলৈ চৰকাৰৰ ওচৰত দাবী জনোৱা হৈছিল। চৰকাৰে এই দাবী মানি লয় আৰু মুঠ তিনিটা ৰঙীন দূৰদৰ্শনযন্ত্ৰ আৰু তিনিটা টেলিফোনৰহে ব্যৱস্থা কৰে।

(ছ) আৱাসসমূহত ৰন্ধন গেচৰ যোগান দিয়াৰ ব্যৱস্থা কৰা (সম্প্ৰতি এই কাম সম্পূৰ্ণ হোৱাৰ পথত)।

(জ) উচ্চতৰ মাধ্যমিক নৈশ শাখা আৰু স্নাতকোত্তৰ মহলাৰ ব্যৱহাৰিক শ্ৰেণীসমূহত কাম কৰা তথা অতিৰিক্ত কামৰ দায়িত্ব বহনৰ বাবে কটন কলেজ কৰ্মচাৰী সন্থাই ভাট্টা বৃদ্ধিৰ বাবে কৰা আন্দোলন আমাৰ সহ-যোগত চৰকাৰৰ লগত হোৱা আলোচনা মৰ্মে স্থগিত কৰোৱা হয় আৰু কৰ্মচাৰীসকলৰ দাবীসমূহ আংশিক ভাৱে চৰকাৰে মানি লয়।

(ঝ) কটন কলেজ আচু গোট, আঃ আঃ সমন্বয়ৰক্ষী সমিতি আৰু আমাৰ কাৰ্য্যনিৰ্বাহকৰ মিলিত প্ৰচেষ্টাৰে কটন কলেজৰ পৰা 'ৰেগিং' অৱসান ঘটোৱাৰ ব্যৱস্থা।

(ঞ) কলেজৰ আৱাসসমূহ সাৰ্বজনীনকৰণৰ বাবে ওপৰোক্ত তিনিওটা সংগঠনে মিলিত প্ৰচেষ্টা চলায়। এই ব্যৱস্থা গ্ৰহণ কৰিবলৈ কলেজ কৰ্তৃপক্ষ বিফল হোৱাত উচ্চতৰ মাধ্যমিক বৰ্ষৰ নামভৰ্ত্তিৰ সময়ত প্ৰতীক অনশন কাৰ্যসূচী গ্ৰহণ কৰা হয়। শেষত অসমৰ শিক্ষাধিকাৰ, কলেজৰ অধ্যক্ষ আৰু উক্ত সংগঠন তিনিওটাৰ মাজত হোৱা আলোচনামৰ্মে কলেজৰ আবাসসমূহ সাৰ্বজনীন কৰা হয়। এই ক্ষেত্ৰত শ্বহীদ মোজামিল হক ছাত্ৰাবাসৰ আবাসীসকলে উদাৰ মনোভাৱেৰে আমাক এই ঐতিহাসিক বিভাজন ব্যৱস্থাৰ অৱসান ঘটোৱাত সহায় কৰে।

(ট) প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে প্ৰস্তুতি চলাবলৈ ছাত্ৰ-ছাত্ৰীসকলক 'CINCAD'ৰ লগত প্ৰয়োজনীয় যোগাযোগ ৰখাৰ ব্যৱস্থা কৰি দিয়া হয়।

(ঠ) বুৰঞ্জীকে ধৰি কেইটামান বিভাগত খালী থকা প্ৰবক্তাৰ পদসমূহ চৰকাৰৰ ওচৰত দাবী জনাই পূৰণ কৰা হয়।

(ড) ছাত্ৰ-ছাত্ৰীয়ে মুকলিভাৱে অভিযোগসমূহ দাখিল কৰাৰ সুবিধা হোৱাকৈ প্ৰশাসনীয় ভৱনত অভিযোগ বাকচ ৰখাৰ ব্যৱস্থা।

ইয়াৰ উপৰিও তলৰ কামসমূহ কিছু পৰিমাণে আগবাঢ়ি থাকে—

(১) কলাগুৰু বিষ্ণুৰাভা প্ৰেক্ষাগৃহ আধুনিকীকৰণৰ বাবে চৰকাৰী সন্মতি।

(২) কলেজ কেন্টিনখনৰ উন্নতি সাধন।

(৩) চৰকাৰী বিদ্যাৰ্থী নিবাস চিকিৎসালয়ৰ উন্নতি সাধন। (মহেন্দ্ৰ মোহন চৌধুৰী চিকিৎসালয়ত আবাসীসকলৰ বাবে দহখন বিচনা সংৰক্ষণৰ বাবে চৰকাৰে সন্মতি দিয়ে। কিন্তু আমি আমাৰ চিকিৎসালয়খনৰ সৰ্বাত্মক উন্নতিৰ বাবেহে বেছি গুৰুত্ব দিও)

(৪) স্থানীয় ছাত্র-ছাত্রীৰ বাবে বাছ সেৱাৰ ব্যৱস্থা কৰিবলৈ চৰকাৰ সন্মত হয় কিন্তু বিভাগীয় অসুবিধাৰ বাবে এই কাম এতিয়াও অসম্পূৰ্ণ হৈ আছে।

(৫) কটন কলেজক স্বায়ত্বশাসিত কৰিবৰ বাবে চৰকাৰৰ ওচৰত দাবী জনোৱা হয়। বৰ্ত্তমান বিষয়টো চৰকাৰৰ তদন্তাধীন হৈ আছে।

এনেদৰে কলেজখনৰ উন্নতিৰ অৰ্থে আমি যথাসাধ্য চেষ্টা চলাও আৰু বহুতো দিশত কৃতকাৰ্য হওঁ। কটনিয়ান সকলৰ স্বতঃস্ফূৰ্ত্ত সহায়ৰ অবিহনে ওপৰোক্ত কাৰ্য্যসমূহত অগ্ৰসৰ হবলৈকে যথেষ্ট জটিলতা আছিল—এই কথাৰ বহুল ব্যাখ্যাৰ প্ৰয়োজন বোধ নকৰো। বৰ্ত্তমানেও আধকৰা হৈ থকা কামখিনি কৰি যাবৰ বাবে আমি ভৱিষ্যতৰ কাৰ্য্যনিৰ্বাহকক পৰামৰ্শ আগবঢ়াব খোজোঁ।

শেষত মোৰ কাৰ্যকালত সহযোগিতা আগবঢ়োৱা বাবে কাৰ্য্যনিৰ্ব্বাহক সভা; আঃ আঃ সমন্বয়ৰক্ষী সমিতি আৰু 'আচু' গোষ্ঠীৰ সদস্য সকলৰ ওচৰত কৃতজ্ঞ।

বিভিন্ন সময়ত দিহা পৰামৰ্শ আগবঢ়ায় আমাক উৎসাহিত কৰাৰ বাবে প্ৰাক্তন অধ্যক্ষ শ্ৰীযুত ৰামকুমাৰ দাস আৰু অধ্যক্ষ ডঃ কমলেন্দু দেৱ ক্ৰোৰী চাৰ, আৰু বিভিন্ন বিভাগৰ শিক্ষাগুৰু সকলৰ ওচৰত চিৰ কৃতজ্ঞ। কলেজ খনৰ সৰ্বাংগীন উন্নতিৰ লগতে কটনিয়ান সকলৰ উচ্চ আকাংখাবোৰ পূৰণ হোৱাৰ মানসেৰে প্ৰতিবেদনৰ ইতি ৰেখা টানিলো—।

জয়তু কটন কলেজ
জয়তু কটন কলেজ ছাত্ৰসন্থা
শ্ৰীদিলীপ কুমাৰ হাজৰিকা
সাধাৰণ সম্পাদক
কটন কলেজ ছাত্ৰসন্থা

# হীৰক জয়ন্তী ঃ কটনিয়ান
## এটি পৰ্য্যালোচনা

□ বিমান বৰুৱা

[সম্পাদকৰ টোকা ঃ যোৱা সংখ্যাৰ "কটনিয়ান" হীৰক জয়ন্তী বিশেষ সংখ্যা হিচাপে বৃহত কলেবৰত প্ৰকাশিত হৈছিল। এই সংখ্যাটো হীৰক জয়ন্তী সংখ্যা বুলিয়েই গুৰুত্ব দি স্নাতকোত্তৰ মহলাৰ বিমান বৰুৱাই এটি পৰ্য্যালোচনা আগবঢ়াইছে। এই পৰ্য্যালোচনাৰ বক্তব্য আৰু দৃষ্টিভঙ্গী একান্তই লেখকৰ। ৰাজহুৱা স্বাৰ্থৰ প্ৰয়োজনীয়তা বিবেচনা কৰিয়েই এই পৰ্য্যালোচনা ছপোৱা হ'ল। — সম্পাদক।]

১৯২২ চনত R. C. Goffin ৰ সম্পাদনাত প্ৰথমখন কটন কলেজ মুখপত্ৰ 'The Cotton College Magazine' প্ৰকাশ হয়। ১৯৩৩ চনলৈকে এই নামেৰে আলোচনীখন বছৰত তিনিটাকৈকে সংখ্যা প্ৰকাশ হৈ ওলাইছিল। অসমীয়া সাহিত্যৰ বিভিন্ন দিশত আলোচনীখনে এক উল্লেখনীয় ভূমিকা পালন কৰি আহিছে। অতীজৰে পৰা ই সমগ্ৰ কটনিয়ানৰে ভাবমূৰ্তি আৰু চিন্তা চেতনাক প্ৰতিফলিত কৰি আহিছে। গতিকে আলোচনীখনৰ সকলো দিশৰ পূৰ্ণাংগতা সকলোৰে কাৰ্য্য আৰু তাৰ বাবে কটনিয়ানৰ সম্পাদকৰ সতৰ্কতামূলক দৃষ্টি থকাটো নিতান্তই জৰুৰী। ইতিমধ্যে প্ৰকাশ পোৱা কটনিয়ানৰ আলোচনা পৰবৰ্তী সংখ্যা এটাত কৰা আমাৰ চকুত পৰা নাই। ১৯৮৫-৮৬ চনত, যিহেতু আলোচনীখনে ষাঠী বছৰ সম্পূৰ্ণ কৰিলে আৰু তদুপলক্ষে এই সংখ্যাটি 'হীৰক জয়ন্তী সংখ্যাৰূপে প্ৰকাশ কৰা হৈছিল সেয়ে এই সংখ্যাটিৰ ওপৰত এটি পৰ্য্যালোচনা কৰাটো উচিত বুলি বিবেচনা কৰা হৈছে। এক বৃহৎ পৰিমাণৰ (প্ৰায় ৮৫ হাজাৰৰো অধিক টকা) ব্যয় কৰি এই সংখ্যাটো প্ৰকাশ কৰা হৈছিল। গতিকে এনে বৃহৎ ব্যয়ৰ ফলশ্ৰুতি এটিক সাধাৰণ কটনিয়ান হিচাপে পৰ্য্যালোচনা কৰিবলৈ লোৱাটো নিশ্চয় ভুল নহ'ব।

এখন কলেজ বা এটি অনুষ্ঠানৰ মুখপত্ৰ এখনৰ ক্ষেত্ৰত বিষয় বস্তুৰ পৰ্য্যালোচনাত বহুত সীমবদ্ধতা আছে। সীমিত সংখ্যক নিৰ্দিষ্ট পৰিসৰৰ ৰচনাৰ পৰাই প্ৰকাশৰ উপযোগী ৰচনা সমূহ নিৰ্ব্বাচন কৰিব লগা হয়। গতিকে এই দিশৰ পৰ্য্যালোচনা বিস্তৃত ভাবে ইয়াত কৰা নহয়। বিষয় বস্তুৰ মানদণ্ড নিৰূপনৰ বাবে আনহাতে কটন কলেজত এখন শক্তিশালী সম্পাদনা সমিতি আছে গতিকে অনুপযুক্ত লিখনিয়ে স্থান নোপোৱাটো স্বাভাৱিক।

১৯৮৫-৮৬ চনৰ হীৰক জয়ন্তী 'কটনিয়ান' সংখ্যাটো হাতত লৈ বেটুপাতটো চালে পোন প্ৰথমেই এখন বাৰ্তালোচনী যেন ভাব হয়। শিক্ষা: দুৰৱস্থা আৰু ভৱিষ্যত, Import of technology, violence' আদিৰ বিস্তৃত বিৱৰণী থকা যেন এটা সংখ্যা। অন্যটো দুখৰ বিষয় হ'ল যে এই হীৰক জয়ন্তী 'কটনিয়ান'ৰ সংখ্যাটোৰে বাহিৰৰ আৱৰণ খনেৰে, নিজৰ শৰীৰটো সম্পূৰ্ণকৈ

ঢাকিব নোৱাৰাটো। পাছফালৰ আৱৰণ খনত আধা ছেঃ মিঃ মানকৈ কাগজ কম হোৱাৰ কাৰণ নিশ্চয় অৰ্থাভাব নহয়। 'চ'লি যাব' বিধৰ মনোভাৱৰ বাবেহে। অতি অপ্ৰাসংগিক ভাবে পাছফালৰ আৱৰণত চিলাৰায়ৰ মূৰ্ত্তি এটি আৰু সূচীপত্ৰ পৃষ্ঠাত আচৰিত ভাব 'আইফে'ল টাৱাৰৰ' ফটো দুখন সংযোগ কৰা হৈছে। ইয়াৰ প্ৰাসংগিকতা বিচাৰি প্ৰতিজন কটনিয়ান পঢ়ুৱৈয়ে হাবাথুৰি খাব লগা হয়। 'প্ৰাসংগিক পৃষ্ঠা'ৰ আৱৰণী পৃষ্ঠাটোত বিভিন্ন ৰঙৰ সংমিশ্ৰণৰে বহুত প্ৰসংগ থকা এখন Collage লগোৱা হৈছে। গল্প প্ৰবন্ধ বা কবিতা শাখাবোৰৰ দৰে অৰ্থবহ আৱৰণী এখন লগোৱা হলে ভাল হ'লহেঁতেন। যিহেতু প্ৰাসংগিক পৃষ্ঠাৰ Collage খনৰ লগৰ ভিতৰৰ বস্তু বিলাকৰ কোনো সম্পৰ্ক নাই। আলোচনীখনৰ আংগিকৰ দিশত আন ক'ব লগীয়া কথা কেইটামান হ'ল, প্ৰতিটো প্ৰবন্ধ বা গল্পৰ শেষৰ পৃষ্ঠাত বৃহৎ পৰিমাণৰ খালী ঠাই এৰি দিয়া হৈছে। এই খালী ঠাই বিলাক কিছুমান উদ্ধৃতিৰে পূৰণ কৰিবলৈ যত্ন কৰা হৈছে। এই উদ্ধৃতিৰ পৰিমাণ বেছি হৈছে। ইবিলাকৰ আকাৰেও প্ৰবন্ধৰ ৰূপ ধাৰণ কৰাৰ উপক্ৰম কৰিছে। এই বৃহৎ 'বক্স' বিলাকেও আলোচনীখনৰ সামগ্ৰীক সৌন্দৰ্য্যত ব্যাঘাত জন্মাইছে। উদ্ধৃতি বিলাকৰ প্ৰয়োজনক উলাই কৰিব নোৱাৰি কিন্তু অত্যাধিক কোনো ভাল বস্তুৱো কাম্য নহয়। অন্যহাতেদি প্ৰাক্তন সম্পাদক সকলৰ উদ্ধৃতিবিলাক একেলগ কৰি পৃষ্ঠাত দি সেই ঠাইবিলাকত অৰ্থবহ স্কেচ ব্যৱহাৰ কৰিব পাৰিলেহেঁতেন। সামান্য সাল-সলনিৰে ৰচনা সমূহ এই পৃষ্ঠাবোৰত আৰু লিখনি প্ৰকাশ কৰিব পৰাৰো থল থাকি গ'ল। 'Cottonian in Limelight' শিতানত ছাত্ৰ-ছাত্ৰীসকলৰ ফটোগ্ৰাফ বিলাক কাটি তাত নামবোৰ লিখাতকৈ পৰিস্কাৰকৈ তলত লিখা হলে শিতানটোৰ গাম্ভীৰ্য্য ৰক্ষা পৰিলেহেঁতেন। ঠিক তেনেদৰে কটন কলেজ ছাত্ৰ সন্থাৰ বিষয়ববীয়া সকলৰ যিটো 'গ্ৰুপ ফটো' দিয়া হৈছে তাৰ তলৰ নামবিলাক ইমান সৰু আৰু বিশৃংখল হৈছে যে নাম আৰু মানুহ মিলাওঁতে অসুবিধাৰ সন্মুখীন হ'ব লগা হয়। এই বৃহৎ বাজেটৰ আৰু বিশেষ গুৰুত্ব থকা সংখ্যাটোত, সম্পাদকীয় প্ৰতিবেদনৰ লগে লগে বিষয়ববীয়া সকলৰ একোখন ফটো সন্নিবিষ্ট কৰা হলে ভাল লাগিলেহেঁতেন।

'হীৰক জয়ন্তী' সংখ্যাৰ প্ৰবন্ধ প্ৰপঞ্চটি যদি, ষাঠী বছৰীয়া আলোচনী খনৰ এটি ঐতিহাসিক পৰ্য্যালোচনাৰে আৰম্ভ কৰিলেহেঁতেন আলোচনীখনৰ প্ৰাসংগিকতা ৰক্ষা হ'লহেতেন। অসমীয়া সাহিত্যলৈ ইয়াৰ অৱদান, পঢ়ুৱৈ সৃষ্টি লিখক সৃষ্টি আদিৰ দিশত এই আলোচনী খনে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। তাৰ সামাণ্য উল্লেখ কিন্তু সম্পাদকৰ অভিমত' (সম্পাদকীয় ?) পৃষ্ঠাত নাই। আলোচনীখনৰ হীৰক জয়ন্তী পালন কৰা হৈছে কিন্তু তাৰ বিষয়েই পূৰ্ণপৰ্য্যায়ৰ কোনো ৰচনা নাই। এই শাখাৰ আৰু এটা ক'বলগীয়া কথা হ'ল 'কটনিয়ান কবি' শীৰ্ষক প্ৰবন্ধটিৰ বিষয়ে। কটন কলেজত এটি শক্তিশালী কবিগোষ্ঠী আছে। এই বিষয়ে আৰু কিছু বহলাই আলোচনা কৰাৰ থল আছিল। 'কটন কলেজ অসমীয়া আলোচনা চক্ৰৰ চমু ইতিহাস' শীৰ্ষক প্ৰবন্ধটি 'কটন কলেজ অসমীয়া আলোচনী চক্ৰৰ চমু ইতিহাস নামেৰে' ভিতৰৰ পৃষ্ঠাত প্ৰকাশ কৰাত অনুষ্ঠানটিৰ প্ৰকৃত নাম সম্পৰ্কে সন্দেহ থাকি গ'ল।

দুটা গুৰুত্বপূৰ্ণ প্ৰবন্ধৰ লেখক ক্ৰমে জ্ঞানশ্ৰী পাঠক আৰু সুন্দৰ বৰদলৈৰ সম্যক পৰিচয় উল্লেখ কৰা হলে ভাল আছিল। এনেবিলাক অমনোযোগিতাই পাঠকক অসুবিধাত পেলায়।

'কটনিয়ান' অসমীয়া গল্প সাহিত্যৰ এসময়ৰ গতি নিৰূপক আছিল। অসমীয়া গল্প সাহিত্যৰ আধৰা ইয়াৰ পাতত‌েই হৈছিল। ৫০-৬০ দশক বা তাৰ পাছৰো বহু গল্পৰ তুলনাত এই সংখ্যাৰ ছাত্ৰ-ছাত্ৰীসকলে লিখা গল্প কেইটা কোনো গুণে উন্নত নহয়। বিশেষ নতুনত্ব নাই। এম কামালুদ্দিনৰ গল্পটিত পুষ্ট হাতৰ পৰশ অনুভৱ হয়। ভাষাৰ জড়তা থাকিলেও অন্তৰংগতা গল্পটোৰ

বিষয়বস্তু ভাল হৈছে। এই শাখাত এটা অনূবাদ গল্পক স্থান দিয়াটো এটা প্ৰশংসনীয় কাৰ্য্য হৈছে। চীনা গল্পটোৰ ইংৰাজী অনবাদ কৰা হৈছিল A dream of a Guiter নামেৰে। এই ক্ষেত্ৰত 'এখন বেহেলাৰ স্বপ্ন' নামেৰেই গল্পটো নামাকৰণ কৰা হলেই নাম আৰু বক্তব্যৰ সংগতি ৰক্ষা পৰিলেহেঁতেন। এতিয়া এটা অসজ্ঞা ভাব হৈ গ'ল। এইটো কাৰ ভুলৰ (?) বাবে হ'ল জনা নাযায়।

এই বিশেষ সংখ্যাটোৰ কবিতা লিখা কবি সকলক কম বেছি পৰিমানে সকলোৱে জানে। 'কটনিয়ানৰ কবি' শীৰ্ষক প্ৰবন্ধত বিশেষ ভাবে উল্লেখ কৰা কটনিয়ান কবি বিপুলজ্যোতি শইকীয়াৰ কবিতা এটামাত্ৰ কিন্তু প্ৰকাশ নোপোৱাটো আচৰ্য্যজনক। কবিতাৰ শাখাটোৰ কবিতাৰ নামবিলাক কলাসূলভভাৱে লিখিবলৈ গৈ অপৈনত হাতেৰে কোনো কোনো ক্ষেত্ৰত দূৰ্বোধ্য কৰি পেলোৱা হৈছে। দুটামান স্কেচ কিয় ব্যৱহাৰ কৰা নহ'ল বুজা নগ'ল। যথেষ্ট সংখ্যক কবিতা প্ৰকাশ কৰি ন-পূৰণি কটনিয়ান কবিক সুবিধা দিয়াৰ বাবে সম্পাদক ধন্যবাদৰ যোগ্য।

আলোচনীখনত এখন নাটিকা, দুখন উপন্যান প্ৰকাশ পোৱাটো উল্লেখযোগ্য কথা। এই চেষ্টাই আলোচনী খনৰ সৌষ্ঠব বঢ়ালে। 'ৰাশি ৰাশি বেদনা' উপন্যাসখন পঢ়ি সচাই ভাল লাগিল। আনখন উপন্যাসৰ লেখক দিলীপ চন্দন নতুন লেখক। তেখেতে ইতিমধ্যে কেইবাখনো উপন্যাস বিভিন্ন আলোচনীৰ পাতত প্ৰকাশ পাইছে। এইখন উপন্যাস 'আক্ৰোশ'ত লিখকে নিজেই এজন সাংবাদিক (চন্দন) আৰু আনজন খঙাল যুৱক দিলীপ হৈ নিজৰ ওপৰতে এক অন্তৰ্দন্দমূলক পৰীক্ষা কৰা যেন লাগিল। কটনকলেজৰ চৌহদ আৰু আশা-পাশ অঞ্চলকে উপন্যাসখনৰ পটভূমি হিচাবে লোৱাত কাহিনীটোৰ সৌষ্ঠৱ বাঢ়িল। পটভূমি সৃষ্টি আৰু চৰিত্ৰ অঙ্কনত লেখক সফল হোৱা বুলিয়ে ক'ব লাগিব।

সাক্ষাৎপ্ৰসংগ শিতানটি এটি পূৰ্ণাংগ পৃষ্ঠাত আৰম্ভ কৰিব লাগিছিল। ব্যক্তি তিনিজনৰ একোখনিকৈ ফটোগ্ৰাফ সাক্ষাৎকাৰকেইটিৰ লগত সংযোগ কৰা হলে ভাল আছিল। ব্যক্তিকেইজনৰ মূল বক্তব্যৰ মূল্যবান অংশবিশেষ ব্লক কৰি মূদ্ৰন কৰা হলে সোণত সুৱগা চৰিলহেঁতেন। প্ৰাক্তন কটনিয়ানৰ সম্পাদক সকলৰ আৰু সাধাৰণ সম্পাদক সকলৰ নামৰ দুখন তালিকা আলোচনীখনত সংযোজিত কৰাটো প্ৰশংসণীয় কাম হৈছে। প্ৰাক্তন কটনিয়ানৰ সম্পাদকৰ বক্তব্য শিতানত প্ৰাক্তন সম্পাদিকা মিতালী দেউৰীয়ে কেইটিমান মূল্যবান কথা কৈছে ইয়াৰ লগতে এসময়ৰ কটনিয়ানৰ সম্পাদক আৰু এতিয়াৰ প্ৰথিতযশা সাহিত্যিক কেইজনমানৰ শুভেচ্ছামূলক চমু লিখনি বিচাৰি আনি স্থান দিয়া হলে হীৰক জয়ন্তী সংখ্যাৰ সাৰ্থকতা বাঢ়িলহেঁতেন।

ইংৰাজী বিভাগটো মূলতঃ প্ৰবন্ধ আৰু কবিতাৰ বিভাগ হৈ ৰ'ল। অৰ্থনীতি, কবিতা, আৰ্থ-সামাজিক আদি ভালেমান দিশৰ কেইটামান মূল্যবান প্ৰবন্ধ সম্বলিত হোৱাটো আনন্দৰ কথা। 'Reprint' শিতানত প্ৰকাশ পোৱা প্ৰবন্ধটি এটি মূল্যবান প্ৰবন্ধ। Reprint কৰি সংৰক্ষণৰ ব্যৱস্থা কৰাৰ বাবে সম্পাদক ধন্যবাদৰ পাত্ৰ।

এই আলোচনাৰ আৰম্ভনীতে উল্লেখ কৰা হৈছিল যে বিষয় বস্তুৰ ক্ষেত্ৰত এনে মুখপত্ৰ বিলাকৰ কিছুমান সীমাবদ্ধতা থাকে। গতিকে সেই দিশৰ পৰাই আলোচনীখন উচ্চ মানদণ্ডৰ কৰি তোলা সম্ভৱ নহয়। সেইবাবে এই কথা অনুভৱ কৰা হৈছে যে আলোচনীখনৰ আনবিলাক দিশ যেনে অংগসজ্জা, বিষয়ৰ বিভাগ নিৰ্ব্বাচন, বিভাগৰ ক্ৰম ৰক্ষা কৰা, বৰ্ণাশুদ্ধি ছপা, বেটুপাত, কৌশলগত ভাবে প্ৰাসংগিক শিতানৰ সৃষ্টি আদিৰ ওপৰত যথেষ্ট গুৰুত্ব দিব লাগে। এই হীৰক জয়ন্তী সংখ্যাটি প্ৰকাশৰ দিশত সম্পাদকে যথেষ্ট কষ্ট কৰিছে তাত সন্দেহ নাই কিন্তু আৰু অলপ সচেতন হোৱা হলে এখন সৰ্বাংগ সুন্দৰ উচ্চ মানদণ্ড বিশিষ্ট আলোচনী কটনিয়ানে পালেহেঁতেন। ভবিষ্যত 'কটনিয়ানৰ' সম্পাদক সকলৰ পৰা নিশ্চয় অমি উচ্চ মানবিশিষ্ট সৰ্বাংগসুন্দৰ কটনিয়ান আশা কৰিব পাৰো। □



জীৱনজ্যোতি দাস, প্ৰথম শ্ৰেণীৰ প্ৰথম
পদাৰ্থ বিজ্ঞান বিভাগ



ৰথীন্দ্ৰ নাথ গোস্বামী, প্ৰথম শ্ৰেণীৰ
প্ৰথম/ ভূতত্ত্ব বিজ্ঞান বিভাগ



অভিজিৎ শইকীয়া, অংক বিভাগ
প্ৰথম শ্ৰেণীৰ দ্বিতীয় স্থান



মণ্টু কুমাৰ বৈশ্য, একমাত্ৰ প্ৰথম
শ্ৰেণীৰ প্ৰথম (দুবছৰীয়া পাঠ্যক্ৰমৰ)
পদাৰ্থ বিজ্ঞান বিভাগ



হিৰণ্য কুমাৰ নাথ, প্ৰথম স্থান
উচ্চতৰ মাধ্যমিক শেহান্ত পৰীক্ষা
কলা বিভাগ



বিপুলজ্যোতি শইকীয়া, প্ৰথম শ্ৰেণীৰ
তৃতীয়/পদাৰ্থ বিজ্ঞান বিভাগ



চন্দ্ৰীমা ঠাকুৰ, ষষ্ঠ স্থান উচ্চতৰ মাধ্যমিক
শেহান্ত পৰীক্ষা, কলা বিভাগ



সংগীতা বৰঠাকুৰ, অষ্টম স্থান
উচ্চতৰ মাধ্যমিক শেহান্ত পৰীক্ষা
বিজ্ঞান বিভাগ



•অনুজ কলিতা
বছৰটোৰ শ্ৰেষ্ঠ খেলুৱৈ



কিৰণ বৰদলৈ
শ্ৰেষ্ঠা খেলুৱৈ



অৰূপ কুমাৰ মিশ্ৰ
যুৱ মহোৎসৱত তবলা বাদনত
ৰূপৰ পদক পাইছে।



হৰেকৃষ্ণ ~~ঠাকুৰীয়া~~ দুৱৰা
শ্ৰেষ্ঠ কৌতুক অভিনেতা



গুৱাহাটী বিশ্বঃ যুৱ মহোৎসৱৰ শ্ৰেষ্ঠ নাট্যদল।
'দ্বীপ' নাটেৰে দলটোৱে এই বিজয় লাভ কৰে।

ছবিত বহি বাওঁফালৰ পৰা ক্ৰমে শান্তনা মেধী. সংগীতা গগৈ আৰু নিকুমণি বৰা। থিয় হৈ বাওঁফালৰ পৰা ক্ৰমে শ্যামল সন্দিকৈ, অশোক দাস, মুক্তিকাম ফুকন আৰু পুলকেশ চেতীয়া (পৰিচালক)।



সংগীতা দাস
বছৰটোৰ শ্ৰেষ্ঠা গায়িকা



সংগীতা গগৈ
শ্ৰেষ্ঠা অভিনেত্ৰী



**বছৰৰ শ্ৰেষ্ঠ নাট্যদল**

বাওঁফালৰ পৰা হৰেকৃষ্ণ দাস ( শ্ৰেষ্ঠ অভিনেতা ), শেৱালী চেতীয়া ( ২য় শ্ৰেষ্ঠা অভিনেত্ৰী ), শৈলেন ৰাভা ( শ্ৰেষ্ঠা পৰিচালক )।



আন্তঃ মহাবিদ্যালয় ভলীবল প্ৰতিযোগিতাৰ চেম্পিয়ন

বহি (বাওঁফালৰ পৰা) ঃ বিশ্বনাথ লহকৰ, সুবল কলিতা, গণেশ শৰ্মা।
থিয় হৈ (বাওঁফালৰ পৰা) ঃ জিতু হাজৰিকা, ইন্দুভূষণ কাকতী,
অশোক ব্ৰহ্ম, অৰুণ ডেকা।
ছবিত নাই : ৰফিকুল হক, ৰায়হানউদ্দিন আহমেদ, শ্যামল সন্দিকৈ
দিলীপ বড়ো। ইনছেট : গণেশ শৰ্মা বছৰটোৰ শ্ৰেষ্ঠ ভলীবল খেলুৱৈ।



মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ তাৰ্কিক দুগৰাকী ননীগোপাল মহন্ত আৰু সঞ্জীৱ কলিতা দুয়ো অসমৰ ভালেমান ঠাইত বিজয়ী।



৺বিকাশ হাজৰিকা (জন্ম ১৯৬৯ মৃত্যু ১৯৮৭) অকালতে হেৰাই গ'ল।

নগাঁওৰ ঢিঙৰ শ্ৰীদেবেন্দ্ৰ নাথ হাজৰিকা আৰু শ্ৰীমতী গিৰিবালা হাজৰিকাৰ পুত্ৰ। ৮৫—৮৬ চনৰ উচ্চতৰ মাধ্যমিকৰ দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰ আছিল। আৰু সীতানাথ ব্ৰহ্ম চৌধুৰী ছাত্ৰাবাসৰ আবাসী আছিল।



**হিমালয়লৈ যোঁৱা কটন মহাবিদ্যালয়ৰ প্ৰথমটো পৰ্বতাৰোহণকাৰী দল**

ছবিত বাওঁফালৰ পৰা থিয় হৈ ক্ৰমে পৰাগ ফুকন, ৰাজীৱ ভূষণ কোঁৱৰ, দেৱজিৎ ভূঞা আৰু প্ৰশান্ত মহন্ত।
বাওঁফালৰ পৰা বহি ক্ৰমে দীনেশ বৈশ্য আৰু দেৱৰূপ বৰুৱা।

# ENGLISH SECTION

# Relations : Teachers And Students

☐ Rajib Handique

While speaking of the relations between teachers and students, it would be prudent enough for us to have a peep into the vistas of years and contemplate ourselves on the days of yore when a 'guru' was teaching his congregation of young pupils underneath a tree. The 'Brahmanical stage', as that age was designated have been on the change in matters of the forum of studies and the environment concerned, but it should also be noted that the relations between the 'guru' (teacher) and the 'sishya', (pupil) have also been on the change in India. In this context, teachers would include school, teachers, professors, lecturers and all such members of the teaching profession while students would likewise include school, college and university students and so on.

The Vedic age, the Epic age and a few decades thereafter did not reveal any difference in the relations between the 'gurus' and the 'sishyas'. I mean to say that we can take them as a stage and safely say that the relation was on the pinnacle of purity and dedication, and to be frank they are a legend and at present cannot be fitted into the modern society.

Then came the medieval age whic noticed much dissemination of knowledge and education crossed the precints of the 'guru-kulasramas'. The relation too underwent drastic change as students poured in from different classes of people in the society.

The system of education got a jolt from the advent of the Britishers in India and especially the dissemination of western modern ideas and the Missionary activities completely revolutionised the system of education.

The relationship between teachers and students so also have been on the change and sadly enough it has come upto a stage when one is not even surprised to hear of a teacher being assaulted by a student. Really it is very pathetic as well as disgusting to go through the newspapers carrying such news. Vangeance is loosed upon teachers in form of public insult, assault, and what not? But why the situation have come to such a past? What is the trend of the psyche of the teachers as well as students?

A few decades ago such incidents of assault upon teachers by students were not even heard of, or rather, thought of. A

person who was a school-student in the 1950s told me that they used to hold their teachers in very high esteem and respect and they never had the courage even to cross a road before the teacher lest any fault may crop up while doing so. They never spewed forth vitrolic diatribe when they got beaten and to be precise they accepted every punishment without opposition. But exceptions were there always. The role of the guardians also play very significant role in this regard. Earlier parents did not oppose to any punishment given to their children by the teachers, rather they requested them to give them any sort of punishment they deserved. But, situation has changed and it is quite difficult to comprehend whether the change is for the better or the worse. Nowa days, guardians are found to be protesting against the punishment metted out to their children by their teachers for their fault. This obviously has lowered the position and authority of the teachers over their students. Of course there are exceptions to this rule.

Let us now think of our new generations. In the lower primary stage, there are almost no significant change in the relation between students and teachers. It may be so because of the fact that the boys and girls at such an age are all same—somewhat innocent and comprehensible. However, in the high-school level and thereafter, the relations between teachers and students have deteriorated and sadly but firmly wc are found to admit that the deterioration is aggravating the educational atmosphere of the good and bad students alike. No longer students respect their teachers with a pure heart and soul. Of course, there are exceptions to this rule but, general disrespect seems to be the order of the day. Nowadays, even protest days are observed to pressurize a teacher to apologize before a student whom he or she had punished, sadly enough, teachers are finding themselves almost forced to go for the popular saying "spare the rod and spoil the child". They do not want to demolish their prestige and place of respect by going against it. The condition is thus aggravating. But why ?

To find an answer to the question we will have to find out the causes of the same. But who is at fault ? The students, the society, the education system or the teachers themselves ? So far as the present trend is concerned, students must be blamed for largely because no student is taught to disrespect teachers or elders, no student is taught to assault teachers. But then where does the source of it lies ?

Recently I met a student, Ajay (now no longer a student, he is in buisiness) who was expelled from college on account of cheating and who as he told me, found it extremely difficult to abstain from groing the professor 'a nice beating' for catching him thus. But fortunately and gladly enough he could master his passion and anger. Ajay came of a very poor family and he was cheating because there was no other wayfor him to pass out, and passing out was very important to him so far as employment was concerned. But why did he really cheat ? When asked about it he told me with a sigh that the professor did not take the classes regularly and even the classes that he managed to take were not fruitful enough as "sir was never sincere." Moreover, he took many tuitions and tuitions Ajay could not afford on account of his penury. So when that professor caught him cheating, Ajay was on the verge of breaking

. upon on him. To add fuel to the fire, Ajay even confessed about a few of his elite friends who were cheating the same way he did in the same exam, and at the same time.

I think such examples are not exceptions, nowadays. It is thus some teachers who are to bet blamed. Cases of partiality and nepotism on the basis of social status and even on the basis of sex are not few nowadays. It is the irony of fate that there were and are incidents where teachers eloped with students. Love knows no barrier no doubt, but, I think it should not venture to cross a barrier which may ultimately prove harmful for the society and especially detrimental to the pious relation between teachers and students. Once when I was talking of teachers being partial sometimes, one of my friends said that even Drona was partial to Arjuna and he disliked Karna even though he was such a great warrior. But then, that was in the Epic Age and it occured in a period when class division was the very basis of the society. So why do you talk of such things when you are living in a world where every person seeks to establish a society based on 'liberty, equality and fraternity' ?

It must be admitted that the career of a teacher no longer holds the charms glamour and position it had been holding before. Hardly 5 p.c. of the students aspire to be teachers and professors. And in the list of preferences of careers, teaching gets almost the last place. Thus, teaching fails to earn the due goodwill from the bulk of the student community. But who is to be blamed for it ? None, I think . But then it is the socio-economic structure of our society which is making people materialistic and the students are coming under its influence in a big way. Is it not the new materialistic trend that is attracting students more and more towards jobs where they can gain materially ? I mean to say that teaching is not in the true sense a job for lucrative benefits. Of course, tuitions are there, one may say. But again, is it not the materialistic prejudice behind it ? So ultimately is it not the very society that we live in, at fault ?

But whatever may be the views held however it must be admitted that the fault lies mostly with a section of the student community which has been drifting away and away from the course it is expected to follow. The condition is aggravating because the younger generations are learning the bad habits from the older generations. Situation has come upto such a conjuncture that it is difficult to establish who is right and who is wrong. But it is sure that all is not well with the 'relationship'. Students and teachers should now therefore dedicate whole-heartedly for the betterment of relationship between the two and hence augment the good will between them. The so-called 'bad students' must rectify themselves, learn to respect the teachers and never venture to take revenge on their teachers even if they are punished for their misdoings. They should keep in mind that the teachers always think for their good and their development. Similarly the teachers should not do such things which might bring dishonour to the noble profession. We can only hope and cherish that this optimism of augmentation of goodwill between the two pious sections students and teachers—will attain maturity in course of time. □□

## A VOW OF PEACE

□ **Rewati Raman Sapkota**

My love,
Don't weep please, shed not your tears
I'm leaving you not, you're in me always.
Don't you know this world ! The vastness of it !
The differences and the indifferences
That people often say
The bridge of humanity has now broken.

And love,
I am to unifty. Those broken parts,
I'm to Jaffna, I'm to Pretoria
I'm to black Africa and,
Among the Contra-rebellians and to Libya.
There, you heard the breaking of the bridges.
Of humanity, the hurrican in full tempest
The ether is trembline now,
And dear, the earth might be fragmented soon.

Hence,
Let me run fast, dearest mine,
From this horizon to that
The ether is burning, Ocean is drying......

In dust and dirty rags, they're uttering.
Rain's becoming so scarce !
Their larynxs choking, voice emberassed
They're living a midst the nothingness.
My sweet, I shall be back again,
Hence, let me go fast and regain,
The peace of the world,
The laughings of the wallowing prostrates.
The heavenly smiles of the poors'.
You, my love, don't try to breach my vow
Look, dear look, towards the East.........
Isn't the Sun rising with new hopes ? □

## AN APPEAL

□ **Prasad Bhusal (Thapa)**

I wept,
Seeing the erosion
Of human heart.

I cried,
On the disappearence of
Buddha's art,
Of love and affection
From his Country.

Guns and Bullets
Swords and Bayonets
Are the intimate Pals.
I noticed helplessly
How humanity falls.

O Lord .
Come and teach
The Lessons of Love again.
To our People to regain
That quitness Peace
Of mind. □

# A Nightmare

□ **Rahul Karmakar**

Listless eyes, unsteady steps,
Hollowed cheeks, and distorted lips—
Where a smile had been :
The reason ? Plaque ?
No ! More grievious things—
Hashish, Cocaine, Heroin ... ...

They are playing with their lives—
Some forces drag them to their graves.
Once the habit catches up,
They are but unconscious slaves.
A pinch of powder spelling death—
A meuace can't we do without ?
Problems ? Failures ? Depressions ?
Should we wander 'Potting' obout ?

You came unto this mundane world
With a mission to fulfil ;
Reason then—and face it
To live—and you can ; you will ! □

## THE TRUTH THAT PREVAILS

☐ Miss Chandana Mishra

The rumbling wheels of the chariot
That thunders in the sky from the west to the East,
Driling through the canopy of nimbus clouds
Wafts down the shafts of rain and
jarelined in to the Earth,
Raising the encircling smokes from the soil
That makes te Ried bull mad with
the earthen smell.

The playing groups of frolicing children
under the sun,
That losts its all colour and brightness,
Huddles together on the sparkling slopes,
Raising their kormenxed eyes to transfix on the
Aweful cataclysm of the cloudy sky.
They cover their heads with mentled-shirts
losing all their buttons.

Within the house, ley the side of the window
The young child pressed his lips and dimpled
little hands
Against the cool of the glass ;
And with rapt attention heard the pit-pat of the rain,
When his old grandpu with a spacter-thin trame
And vellow broken teeth and grizzled whitish beard
Losts himself in thoughts of his bye-gone days
of chivalry and courage.

The Earth quenched its eternal thursts
With the beaperd water in to the roots of life,
And preserved the gems of truth
that prevails
in the value of life and happiness. ☐

## UNDER THE SAME SKY

☐ **Rejina Begum**

As the sunshine our the brook shone,
Green with dews began to glaze;
The morn seems to sing in sweet tone,
With simplicity amage.

Birds with high tone awakes
All men to their duty call,
With the brightness a new day makes
Of climb and of fall.

Around the street there moves
Labourers and workers in plain,
With high ambition goes the coves,
What at the end they gais ?

Under the sweating sun they do
Without any hesitation,
Accept what is offered, and to !
They return With satisfaction.

The sun wares and bades good bye,
Happiness they get with pie ;
At distance the night birds cry
And with round sleep they lie.

Under the same sky ! ☐

## MY DIARY

☐ **Brajendra Deka**

I am hearkening the murmuring sound
From the depth of innocent cave.
Oh . friend, I am speaking about the truth
And I am going the water ;
Now my diary is ransaked !
My diary may not be obscured ;
I hope that I will submerge into water.
I want to devour the way……
I am doing differential calculus.
I am in the innumerable degree
At a rate of time. ☐

## THRENODY : ON A COBBLER'S DEATH

☐ **Rupak Sarma**

Always he came this way.
To the towns to meet the wants
He went on with his bag and brunch.

Metted his pangs like pitch :
Often ablazed with anger ;
But never was his hands high
To cry for better bread.

Touched those feet of the rich ;
Mended the boots ;
To have some kicks on the bach.
Backed he for good
Out of the sight of the rich
To a sacred place of peace. ☐

## PEACE

☐ **Harinarayan Das**

We came together ; but
Silence of centuries
Parted us.
He stood on the peak ;
And I !
I lay at the bottom.
Of the dreary Ocean.
Half-broken hearted
I pass my days ;
No light is seen ;
The sky roars...
Is there no peace ? ☐

# To Our Readers

## DON'T ASK ME

● **Rahul Karmakar**

Q) When the Quizmaster asked "What is the longest river in the USA ?", Who gave the correct reply ?

A) **Miss E. Sippy**

Q) The Association of Russian Writers (ARW) are demanding something up there in Russia. You know what ?

A) **Yeah : Gorkyland**

Q) With what drama did this authoress, known as the "female Bernard Shaw" make her literary debut ?

A) **Legs and the woman :**

O) Under what circumstances did Shakespeare write "to be or not to be that is the question" ?

A) **When his wife was expecting.**

Q) You know what Rip was known as after twenty years of hibernation ?

A) **Rip Van Winkled.**

Q) With what did this writer, known as "the Shakespeare of Haiti" make his literary debut ?

A) **Much Voodoo About Nothing.**

Q) If this German Boom-Boom-er behaves like Ecenroe, what would you call him ?

A) **Boorish e Becker.**

Q) If all but one of the group of Hawaii Islands were destroyed by a Titanic storm, what would you name it ?

A) **Hawas Island,**

Q) When did Darwin discover that man evoluted from monkeys ?

A) **When he met Tarzan.**

Q) When the foreign delegates were on their way to the meeting they were bitten by stray dogs. You know why ?

A) **Yeah ! It was their introduction to Indian politics.**

### TAILENDERS

A dacoit introduces his wife's mother to his accomplice.
"This is my mother-out-law."

A. Hey, did you hear that the 'BIG BEN' has been tilting ever since the 70's ?

B. Sure ! But then, without inclination how can you have the time ?

A. Hey, I've heard that one of the students of your school got the highest marks in geography in the HSLC Exams. What's his name, by the way ?

B. His name's **Jog Rafi.**

Short Story

# The Realization

☐ JADAV PEGU

The city bus was full. I found myself standing in the front side of the bus. And I could see the road ahead as clearly as I believe, the driver. The bus movig at a slow pace I found myself listening to the conversation between the driver and the second handyman who was sitting on a broken chair near the driver.

" Driver 'sahab' how are yon feeling now?" asked the handyman.

"I am feeling as good as the bus is runnivg good" replied the driver. Obviously the bus too had been on the road for many years just like the driver and it must sometimes breakdown due to wear and tear.

"You should not have gone to the cinema" said the handyman. "If you had not gone. you would not have got wet and suffer from the headache"

"The cause of my headache was not the rain but the bus", said the driver. "Don't you remember how our bus was making noise at the end of the day ? Bere ! Bere !! and he laughed. In the midst of his talking and laughing the driver's hand and feet worked with meticulous ease and precision and he seemed to be sitting on the most comfortable seat in the world.

"How did your headache disappear in the morning ?" asked the handyman. "I thought you would not be out of bed the whole day. I find that you are actually in the most hearty state of mind."

"Simple," said the driver. "Last night's Hindi film was one of the best I have seen. Actually after the cinema was over my headache got worse and I was quite drenched. While returning home I knocked at your door to have that precious glass of water ……… .. "

"Oh, yes," interrupted the handyman "But how did you get well ?"

"Dream dreaming," repeated the driver. "I dreamt that I was driving a brand new bus just like Vinod Khanna did in the film. Can you think of a better medicine than that ? "

" Certainly not,'' the handyman said and both laughed. The next moment another city bus overtook ours and it immediately came to the notice of the handyman. I too took notice of it as I saw that it was overloaded Conmuters were hanging on the doors and behind the bus.

"Look at the condition of that bus," pointed out the handyman to the driver and both laughed.

Mine was a twenty minute journey. I noticed that only ten minutes had passed. For the next ten minutes I did not follow the conversation between the driver and the handyman. But I spent the time pondering why the two men were discussing nothing but bus. I hanged desperately for an answer.

The bus stopped outside the college compound and I saw some of my classmates in deep discussion. I got down from the bus. Then I realized that it was only a natural thing for the two men in the bus to discuss only the "bus". To them bus was every thing their daily companion, their livelihood, their means to rise higher in life. ●

# ASSAM : Its changing nature of Agriculture

☐ Ashok Kr. Sarma

In the country's over-all economy, there is an unique influence of agriculture in India as it contributes more than 40% of the total national income. Assam being one of the states of India is mainly depending upon agriculture. So, agriculture, the backbone of Assam needs a detailed study with crucial importance on its further development.

Assam, being the heart of the seven sisters in the North-East India has same peculiar characteristics than any other Indian states. At, first, it is the area where the dominancy of monsoon is much more ; and thus climate has been playing a Vital role in the State's agricultural practices and in the foundation of the States economy. Again the drainage net-work of the river Brahmaputra along with the rugged surface topography is the main obstruction on the way of communication and thus, the trade and commerce, industrial development and finally the economic growth of the state is prevented by these factors. This is the second one.

